তৰুণ ভাৰতী পুথিভঁৰাল

ত'ত্তো-চচান

তেৎছুকো কুৰ'য়ানাগি

তৰুণ ভাৰতী পুথিভঁৰাল

ত'ত্তো-চ্চান

খিড়িকীমুখত অকণিজনী

তেৎছুকো কুৰ'য়ানাগি

অসমীয়া অনুবাদ

তোষপ্ৰভা কলিতা

চিত্ৰ

চ্চিহিৰ' ইৱাছাকি

নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া

পৰিবেশৰ অনিষ্ট সাধন নকৰা আৰু পুনৰাই ব্যৱহাৰ কৰিব পৰা কাগজত এই কিতাপখন ছপা কৰা হৈছে।

ISBN 81-237-1697-4

1996 (শক 1918)

© তেৎছুকো কুৰ'য়ানাগি, 1996

© অসমীয়া অনুবাদ ঃ নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া, 1996

মূল্য ঃ 46.00 টকা

Totto-chan (*Assamiya*)

সঞ্চালক, নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া, এ-5 গ্ৰীণ পাৰ্ক

নতুন দিল্লী-110016ৰ দ্বাৰা প্ৰকাশিত

ছ'ছাকু ক'বায়াশ্বিৰ স্মৃতিত

সূচীপত্ৰ

পাতনি	xi
ৰে'লষ্টেছন	1
খিড়িকীমুখত অকণিজনী	3
নতুন স্কুলখন	8
"স্কুলখন ভাল লাগিছে!"	9
হেডমাষ্টৰজন	10
দুপৰীয়াৰ আহাৰ	13
ত'ত্ত'-চ্চানে স্কুলীয়া জীৱন আৰম্ভ কৰিলে	14
ৰে'লৰ ডবাত শ্ৰেণীকোঠা	16
ত'মে'ত পাঠগ্ৰহণ	18
সাগৰীয় খাদ্য আৰু মাটিৰ খাদ্য	21
"ভালকৈ চোবোঁৱা!"	24
স্কুলৰপৰা খোজকাঢ়ি ভ্ৰমণ	25
বিদ্যালয়-সংগীত	28

"সেই গোটেইবোৰ আকৌ ভৰাই থ'বা!" 31
ত'ত্ত'চ্চানৰ নামটো 34
ৰেডিঅ'ৰ বিদূষক 35
এটা ডবা আহিল 36
সাঁতোৰা পুখুৰী 40
প্ৰগতি-পত্ৰখন 43
গৰমৰ বন্ধ আৰম্ভ হ'ল 44
মহা-অভিযান 45
সাহসৰ পৰীক্ষা 50
আখৰা-ভৱন 52
গৰম পানীৰ উইঁলৈ এটা ভ্ৰমণ 55
ইউৰিদ্‌মিক্‌ছ 59
"মোক অকল এই বস্তুটোহে লাগে!" 64
সিহঁতৰ আটাইতকৈ বেয়া পোছাক 66
তাকাহাশ্বি 69
"নাচাই ডে'লে গালৈকে ঘাটি!" 71
"আৰু তাৰ পিছত .....এঁ .....এঁ" 73
"আমি খেলিছিলোঁহে!" 77
খেল-দিৱস 80
কবি ইছ্ছা 85
বৰ ৰহস্যজনক 87
হাতেৰে কথা পতা 90
সাতচল্লিছজন ৰনিন 91
"মাছৌ-চ্চান!" 94
পিগটেইল 96
"থেংক য়ু !" 98
পুথিভঁৰালৰ ডবাটো 100
নেজ 103
ত'মে'ত তাইৰ দ্বিতীয় বছৰ 105
ছ্ৱন লে'ইক 107
খেতি কৰা শিক্ষকজন 109
পথাৰত পাকঘৰ 111
"তুমি সঁচাকৈয়ে এজনী ভাল ছোৱালী!" 116

তেওঁৰ কইনা 118
"জধলা পুৰণা স্কুল" 120
চুলিৰ ৰিবন 122
আহতসকলক পৰিদৰ্শন 125
গছৰ বাকলিৰে স্বাস্থ্য-পৰীক্ষা 127
ইংৰাজী কোৱা ল'ৰাটো 133
চখৰ নাটক 136
চক-পেন্সিল 139
"য়াছুআকি-চ্চান ঢুকাল!" 141
এজনী চোৰাংচোৱা 143
দেউতাৰ বেহেলা 146
প্ৰতিজ্ঞাটো 148
ৰকি অদৃশ্য হ'ল 150
চাহ-মেল 154
ছায়'নাৰা, ছায়'নাৰা 157
উপসংহাৰ 159

পাতনি

মই বহুত দিনৰপৰা কৰিবলৈ বৰকৈ ইচ্ছা কৰি থকা কেইটামান কামৰ ভিতৰত অন্যতম আছিল ত'মে' স্কুলখন আৰু তাৰ প্ৰতিষ্ঠাপক তথা পৰিচালক ছ'ছাকু ক'বায়াশ্বিৰ বিষয়ে কিছু কথা লিখাটো।

ইয়াৰ কাহিনীবোৰৰ এটাও মোৰ কপোল-কল্পিত নহয়। এই সকলোবোৰ ঘটনা সঁচাকৈয়ে ঘটিছিল আৰু ভাগ্যক্ৰমে তাৰে ভালেমান মোৰ মনত থাকিল। এইবোৰ লিখি পেলাবলৈ ইচ্ছা থকাৰ উপৰি মই ইয়াৰ জৰিয়তেই এটা প্ৰতিজ্ঞা ৰাখিব নোৱৰাৰ ক্ষতিপূৰণো কৰিব খুজিছোঁ। ডাঙৰ হ'লে ত'মে'ৰ শিক্ষয়িত্ৰী হ'ম বুলি মই শিশুকালতে শ্ৰীযুত ক'বায়াশ্বিৰ ওচৰত পৰম আন্তৰিকতাৰে প্ৰতিজ্ঞা কৰাৰ কথা ইয়াৰ এটা অধ্যায়ত বৰ্ণনা কৰিছোঁ। অৱশ্যে প্ৰতিজ্ঞাটো পূৰণ কৰিবলৈ সমৰ্থ নহ'লোঁ। গতিকে, তাৰ সলনি মই শ্ৰীযুত ক'বায়াশ্বি কেনে ধৰণৰ মানুহ আছিল, ল'ৰা-ছোৱালীক তেখেতে কিমান ভাল পাইছিল, সিহঁতক শিক্ষাদান কৰিবলৈ তেখেতে কেনেকৈ চেষ্টা কৰিছিল— এই কথাবোৰ পাৰ্য্যমানে অধিক সংখ্যক মানুহৰ ওচৰত প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছোঁ।

১৯৬৩ চনত শ্ৰীযুত ক'বায়াশ্বি ঢুকাল। তেখেত আজি জীৱিত থকা হ'লে মোক আৰু বহুত কথাই ক'ব পাৰিলেহেঁতেন। আন কি মই লিখি থাকোঁতেও

উপলব্ধি কৰিছোঁ যে মোৰ কাৰণে কেৱল শৈশৱৰ সুখাবহ স্মৃতি হৈ থকা অনেক ঘটনাও প্ৰকৃততে কিছুমান ঈপ্সিত ফল লাভ কৰিবৰ কাৰণে তেখেতে সযত্নে ভাবি উলিউৱা কাৰ্য্যাৱলীহে আছিল। মই কেতিয়াবা ভাবোঁ ঃ "অ' তাৰ মানে শ্ৰীযুত ক'বায়াশ্বিৰ মনত নিশ্চয় আচলতে এইটো চিন্তাহে আছিল" বা "তেখেতে সেই কথা আন কি ভাবিবও পাৰিছিল নে?" মই কৰা প্ৰতিটো আৱিষ্কাৰতে মই বিস্ময়াভিভূত হওঁ—গভীৰভাৱে বিচলিত আৰু কৃতজ্ঞ হওঁ।

মোৰ নিজৰ ক্ষেত্ৰত তেখেতে মোক কৈ থকা "তুমি সঁচাকৈয়ে এজনী ভাল ছোৱালী, জানিছা?" কথাষাৰে মোক যি উৎসাহ যোগাইছিল, তাৰ মূল্যায়ন কৰা অসম্ভৱ। ত'মে'ত নোসোমোৱা হ'লে আৰু শ্ৰীযুত ক'বায়াশ্বিক লগ নোপোৱা হ'লে মই মানসিক জটিলতা আৰু খেলিমেলিৰ চিকাৰ হৈ এজনী বেয়া ছোৱালী হিচাপেই জনাজাত হৈ পৰিলোঁহেঁতেন।

১৯৪৫ চনৰ বিমান-আক্ৰমণত জুই লাগি ত'মে' ধ্বংস হৈ গৈছিল। শ্ৰীযুত ক'বায়াশ্বিয়ে নিজৰ ধনেৰেই স্কুলখন গঢ়িছিল, গতিকে সেইখন পুনৰ প্ৰতিষ্ঠা কৰিবলৈ সময় লগাৰেই কথা। যুদ্ধৰ পিছত আগৰ ঠাইতে তেখেতে এখন কিণ্ডাৰগাৰ্টেন আৰম্ভ কৰিলে আৰু লগতে কুনিতাচ্চি সংগীত মহাবিদ্যালয়ত বৰ্তমান থকা শিশু-শিক্ষা বিভাগটো স্থাপনতো সহায় আগবঢ়ালে। তেখেতে তাত 'ইউৰিদ্‌মিকছ্' শিকাইছিল আৰু কুনিতাচ্চি প্ৰাথমিক বিদ্যালয় স্থাপনত সহায় কৰিছিল। ঊনসত্তৰ বছৰ বয়সত, আকৌ এবাৰ তেখেতৰ আদৰ্শ স্কুলখন স্থাপন কৰিব পৰাৰ আগতেই, তেখেত ঢুকাল।

'ত'মে গাকুএন' টকিও'ৰ দক্ষিণ-পশ্চিম অঞ্চলত অৱস্থিত আছিল, ৰে'লেৰে গ'লে জিয়ুগাওকা ষ্টেচনত নামি তাৰপৰা তিনি মিনিট খোজ কাঢ়ি গ'লেই স্কুলখন পোৱা গৈছিল। ঠাইডোখৰ এতিয়া 'পীকক ছুপাৰ মাৰ্কেট আৰু পাৰ্কিং এলেকা'ৰ দখলত। অলপতে মই কেৱল শৈশৱৰ স্মৃতিৰ তাড়নাতে তালৈ গৈছিলোঁ। স্কুলখনৰ আৰু তাৰ খেলপথাৰখনৰ একোৱেই অৱশিষ্ট নাই বুলি অৱশ্যে জানিছিলোঁ। ৰে'লৰ ডবাৰ শ্ৰেণীকোঠাবোৰ আৰু খেলপথাৰখন য'ত আছিল, সেই ঠাইত থকা পাৰ্কিং এলেকাৰ ওচৰেদি মই লাহে লাহে গাড়ী চলাই নিছিলোঁ। মোৰ গাড়ীখন দেখি এলেকাটোৰ দায়িত্বত থকা মানুহজনে চিঞৰি ক'লে, "আপুনি ভিতৰ নোসোমাব, ভিতৰ নোসোমাব, ভিতৰত খালী ঠাই নাই।"

"মই গাড়ী ৰখাবলৈ বিচৰা নাই" মোৰ ক'বলৈ মন গৈছিল, "মই কেৱল স্মৃতিবোৰ সজীৱ কৰিবলৈ আহিছোঁ।" কিন্তু তেওঁ নুবুজিলেহেঁতেন, গতিকে মই আগবাঢ়িলোঁ। গভীৰ বিষাদে মোক আৱৰি ধৰিলে আৰু গাড়ীৰ গতিবেগ বঢ়াই

গুচি যাওঁতে মোৰ দুই গালেৰে চকুলো বাগৰি গ'ল।

মই জানো যে উচ্চ আদৰ্শ আৰু শিশুৰ প্ৰতি গভীৰ ভালপোৱা থকা বহুতো ভাল ভাল শিক্ষাবিদ এই জগতত আছে— যিসকলে আদৰ্শ বিদ্যালয় স্থাপনৰ স্বপ্ন দেখে। আৰু এই স্বপ্নক বাস্তৱায়িত কৰা কিমান কঠিন সেই কথাও মই জানো। ১৯৩৭ চনত ত'মে' স্কুলখন আৰম্ভ কৰাৰ আগতে শ্ৰীযুত ক'বায়াশ্বিয়ে বহু বছৰ ধৰি অধ্যয়ন কৰিব লগা হৈছিল আৰু ১৯৪৫ চনত ই পুৰি গ'ল। গতিকে ইয়াৰ আয়ুসকাল নিচেই চুটি।

এই কথা ভাবি মোৰ ভাল লাগে যে মই তাত থকা সময়ছোৱাই আছিল শ্ৰীযুত ক'বায়াশ্বিৰ উৎসাহ-উদ্দীপনা একেবাৰে তুংগত উঠাৰ আৰু তেখেতৰ আঁচনিবোৰ পূৰ্ণবিকশিত হোৱাৰ সময়। কিন্তু মই যেতিয়া ভাবোঁ যে যুদ্ধ নলগা হ'লে আৰু কিমান ল'ৰা-ছোৱালী যে তেখেতৰ তত্ত্বাৱধানলৈ আহিব পাৰিলেহেঁতেন, তেতিয়া মই এই অপচয়ৰ কাৰণে ব্যথিত হৈ পৰোঁ।

মই এই পুথিত শ্ৰীযুত ক'বায়াশ্বিৰ শিক্ষা-প্ৰণালী বৰ্ণনা কৰিবলৈ চেষ্টা কৰিছোঁ। তেখেতে বিশ্বাস কৰিছিল যে সকলো ল'ৰা-ছোৱালীয়ে সহজাত ভাল প্ৰকৃতি লৈ জন্মগ্ৰহণ কৰে। পৰিবেশে আৰু প্ৰাপ্তবয়স্কৰ কু প্ৰভাৱেহে তেওঁলোকক নষ্ট কৰে। তেখেতৰ লক্ষ্য আছিল 'ভাল প্ৰকৃতি'ক আৱৰণমুক্ত আৰু বিকশিত কৰা, যাতে ল'ৰা-ছোৱালীবোৰ ডাঙৰ হৈ স্বকীয়তা থকা মানুহ হ'বগৈ পাৰে।

শ্ৰীযুত ক'বায়াশ্বিয়ে স্বাভাৱিকতাক মূল্য দিছিল আৰু ল'ৰা-ছোৱালীৰ চৰিত্ৰ যিমান দূৰ সম্ভৱ স্বাভাৱিকভাৱে বিকাশ হ'বলৈ দিয়াটো বিচাৰিছিল। তেখেতে প্ৰকৃতিকো ভাল পাইছিল। তেখেতৰ সৰু ছোৱালী মিয়'চ্চানে মোক কৈছিল যে দেউতাকে তেওঁক সৰু কালতে এইবুলি কৈ ফুৰাবলৈ নিছিল, "আঁহা, আমি প্ৰকৃতিৰ ছন্দবোৰ চাবলৈ যাওঁ।"

তেখেতে তেওঁক এজোপা ডাঙৰ গছৰ ওচৰলৈ লৈ গৈ দেখুৱাইছিল তাৰ ডাল-পাতবোৰ বতাহত কেনেকৈ লৰে; তেখেতে পাত, ডাল আৰু গা-গছৰ মাজত থকা সম্বন্ধবোৰ বুজাই কৈছিল, আৰু বতাহ জুৰ নে বেগী সেই অনুযায়ী পাতবোৰৰ নাচোন কেনেকৈ সুকীয়া সুকীয়া হয় তাকো দেখুৱাইছিল।

তেওঁলোকে স্থিৰ হৈ ৰৈ এনেধৰণে কথাবোৰ নিৰীক্ষণ কৰিছিল আৰু বতাহ নাথাকিলে সামান্যতম মৃদুমলয়াৰ কাৰণে ওপৰলৈ মুখ কৰি ধৈৰ্য্যৰে বাট চাই আছিল। তেওঁলোকে অকল বতাহকে নহয়, নদীকো পৰ্য্যবেক্ষণ কৰিছিল, ওচৰৰে তামা নদীলৈ গৈ পানীৰ সোঁত চাইছিলগৈ। তেওঁ মোক কোৱা মতে এনে কাম কৰি তেখেতে কেতিয়াও আমনি নাপাইছিল।

পাঠকসকলে হয়তো ভাবিব যে যুদ্ধকালীন জাপানৰ কৰ্তৃপক্ষই কেনেকৈ মুক্ত পৰিৱেশত অধ্যয়নৰ কাম-কাজ চলোৱা এনে এখন পৰম্পৰাবিৰোধী প্ৰাথমিক স্কুল তিষ্ঠি থাকিবলৈ দিছিল। শ্ৰীযুত ক'বায়াশ্বি প্ৰচাৰ-বিদ্বেষী আছিল আৰু যুদ্ধৰ আগৰ সময়তো স্কুলৰ ফটো তুলিবলৈ বা তাৰ পৰম্পৰাবিৰোধিতাৰ সম্পৰ্কে প্ৰচাৰ চলাবলৈ অনুমতি নিদিছিল। পঞ্চাছজনতকৈও কম ছাত্ৰ-ছাত্ৰীৰ এই সৰু স্কুলখন কৰ্তৃপক্ষৰ চকুত নপৰাৰ আৰু চলি থাকিবলৈ সমৰ্থ হোৱাৰ কাৰণসমূহৰ ভিতৰত ইও এটা হ'ব পাৰে। আন এটা কাৰণ আছিল যে শিশু-শিক্ষাবিদ হিচাপে শিক্ষামন্ত্ৰালয়ত শ্ৰীযুত ক'বায়াশ্বিক সন্মানৰ উচ্চ আসন দিয়া হৈছিল।

প্ৰতি তিনি নৱেম্বৰৰ দিনা মিঠা সোঁৱৰণীৰ সেই আশ্চৰ্য্য খেলদিৱসৰ তাৰিখটোত— বয়স-নিৰ্বিশেষে ত'মে'ৰ আটাইবোৰ ছাত্ৰ-ছাত্ৰী কুহ্নবুৎছু মন্দিৰৰ এটা কোঠাত আনন্দময় পুনৰ্মিলন উপলক্ষে সমবেত হয়। আমি আটায়ে যদিও এতিয়া চল্লিছৰ ওচৰাউচৰি বয়সৰ— আমাৰ ভিতৰৰ অনেক পঞ্চাছৰে ওচৰ চাপিছে আৰু নিজৰ ডাঙৰ ডাঙৰ ল'ৰা-ছোৱালীও আছে— তথাপি ঠিক পুৰণা দিনবোৰৰ দৰেই আমি পৰস্পৰক উপনামেৰে মাতোহঁক। এই পুনৰ্মিলন হ'ল শ্ৰীযুত ক'বায়াশ্বিয়ে আমালৈ ৰাখি থৈ যোৱা বহুতো আনন্দময় উত্তৰাধিকাৰৰে এটা ।

মই যে প্ৰথমখন প্ৰাথমিক স্কুলৰ পৰা বহিস্কৃত হৈছিলোঁ এই কথা সঁচা। সেই স্কুলখনৰ কথা মোৰ বৰকৈ মনত নাই। মাইহে মোক বাটৰ বাজনাদাৰসকলৰ কথাটো আৰু ডেৰাজৰ কথাটো কৈছিল। মোক বহিষ্কাৰ কৰা কথাটো বিশ্বাস কৰিবলৈকে মোৰ টান লাগিছিল। সঁচাকৈয়ে মই ইমাননো দুষ্টামি কৰিব পাৰিছিলোঁনে? যিয়েই নহওঁক, পাঁচ বছৰৰ আগতে এদিন মই পুৰাৰ টেলিভিশ্যন শ্ব'ত অংশ লওঁতে মোক সেই সময়ত চিনি পোৱা এগৰাকী ভদ্ৰমহিলাৰ লগত চিনাকি কৰাই দিয়া হৈছিল। তেখেত মোৰ কাষৰ শ্ৰেণীটোৰ শ্ৰেণী-শিক্ষয়িত্ৰী আছিল। তেখেতে কোৱা কথা শুনি মই অবাক হৈ গ'লোঁ।

"তুমি মোৰ ওচৰৰ সোঁফালৰ শ্ৰেণীটোত আছিলা।" তেখেতে ক'লে, "আৰু শ্ৰেণী চলি থকাৰ সময়ত মই যেতিয়াই শিক্ষকৰ কোঠালৈ গৈছিলোঁ তেতিয়াই তোমাক কিবা অনুচিত কাম কৰাৰ কাৰণে কৰিড'ৰত থিয় কৰাই ৰখা দেখিছিলোঁ। তোমাকনো কিয় তাত থিয় হৈ থাকিবলৈ দিয়া হৈছে আৰু তুমিনো কি ভুল কৰিলা সেই কথা তুমি সদায় মোক ৰখাই লৈ সুধিছিলা। এবাৰ তুমি মোক সুধিছিলা, 'আপুনি ৰাস্তাত গান-বাজনা কৰি ঘূৰি ফুৰা সেই দলবোৰক

ভাল নাপায়নে?' তোমাৰ লগত কেনে ব্যৱহাৰ কৰিব লাগে সেই কথা মই নাজানিছিলোঁ আৰু শেষলৈ আনকি মই শিক্ষকৰ কোঠালৈ যাব লগা হ'লে প্ৰথমতে জুমি চাইছিলোঁ আৰু তুমি কৰিড'ৰত থকা দেখিলে যোৱাটোকে বাদ দিছিলোঁ। তোমাৰ শ্ৰেণীৰ শিক্ষয়িত্ৰীয়ে শিক্ষকৰ কোঠাত প্ৰায়েই মোৰ আগত তোমাৰ কথা কৈছিল ঃ 'তাইযে কিয় এনেকুৱা মই ভাবিয়েই নাপাওঁ', তেওঁ কৈছিল। সেই কাৰণে পিছৰ বছৰবোৰত তুমি টেলিভিশ্যনত ওলাবলৈ আৰম্ভ কৰোঁতে মই তৎক্ষণাৎ তোমাক চিনি পাইছিলোঁ। বহুত দিন হৈ গ'ল যদিও তুমি প্ৰথম শ্ৰেণীত পঢ়াৰ সময়ৰ কথা মোৰ স্পষ্টকৈ মনত আছে"।

মোক কৰিড'ৰত থিয় কৰাই ৰখা হৈছিল? মোৰ দেখোন মনত নপৰে ! এই যুৱতী চেহেৰাৰ, পকা চুলিৰ মৰমিয়াল মুখৰ মানুহগৰাকীয়ে কষ্ট কৰি ৰাতিপুৱাৰ টেলিভিশ্যন শ্ব' এটালৈ আহি মোক যে সঁচাকৈয়ে স্কুলৰপৰা খেদি দিয়া হৈছিল সেই কথাত মোক পতিয়ন নিয়ালে।

আৰু মোৰ বিছবছৰীয়া জন্মদিনৰ পিছলৈকে মোক সেইবিষয়ে নজনোৱাকৈ থকাৰ কাৰণে মোৰ মালৈ, এইখিনিতে, আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

"তোমাক কিয় আনখন স্কুললৈ নিয়া হৈছিল জানানে?" এদিন তেখেতে মোক সুধিছিল। মই নাজানো বুলি কোৱাত তেখেতে অবিচলিতভাবে কৈছিল, "কাৰণ তোমাক বহিষ্কাৰ কৰা হৈছিল।"

সেই সময়তে তেখেতে ক'ব পাৰিলেহেঁতেন, "তোমাৰ যে কি গতি হ'ব ! এখন স্কুলৰপৰা খেদিলেই, ইখনৰপৰাও খেদে যদি ক'লৈ যাবা বাৰু?"

মাই মোক তেনেকৈ ক'লে, প্ৰথমদিনা ত'মে'গাক্কুএনত প্ৰৱেশ কৰোঁতে মোৰ যে কিমান শোচনীয় আৰু বিব্ৰত অৱস্থা হ'লহেঁতেন! দুজোপা জীয়া গছেৰে 'খুটা' লগোৱা গে'টখন আৰু সেই ৰে'লৰ ডবাৰ শ্ৰেণীকোঠা মোৰ কাৰণে তেতিয়া ইমান আনন্দদায়ক বস্তু নহ'লহেঁতেন। কিমান ভাগ্যৰ বলত যে মোৰ মাৰ দৰে এগৰাকী মাক পাইছিলোঁ।

যুদ্ধৰ সময়ত ত'মে'ত মাত্ৰ কেইখনমানহে ফটো তোলা হৈছিল। তাৰ ভিতৰতে শিক্ষান্ত উৎসৱ উপলক্ষে তোলাখিনিয়েই অতি সুন্দৰ আছিল।

সাধাৰণতে সভাভৱনৰ সমুখত ছিৰিৰ ওপৰতে থিয় হৈ শিক্ষান্ত বৰ্ষৰ শ্ৰেণীটোৰ ফটো তোলা হয়। যেতিয়া শিক্ষান্ত বৰ্ষৰ শ্ৰেণীটোৰ ছাত্ৰ-ছাত্ৰীয়ে শাৰী পাতি লৈ ,"আঁহা আঁহা ফটো তোলোঁ" বুলি চিঞৰে, তেতিয়া আন ছাত্ৰ-ছাত্ৰীও তাত সোমাব খোজে, গতিকে কোনটো শ্ৰেণীৰ শিক্ষা সাং হোৱা উপলক্ষে ফটো তোলা হৈছিল সেইকথা কোৱা অসম্ভৱ হৈ পৰে। আমাৰ পুনৰ্মিলন উৎসৱত আমি এই সম্পৰ্কে উত্তপ্তভাৱে কথা-বতৰা পাতোহঁক। শ্ৰীযুত ক'বায়াশ্বিয়ে এই

ধৰণে ফটো তোলা সম্পৰ্কে একো কথাকে নকৈছিল। তেখেতে বোধহয় ভাবিছিল যে শিক্ষান্ত বৰ্ষৰ আনুষ্ঠানিক ফটোতকৈ স্কুলৰ সকলোৰে জীৱন্ত ফটো তোলাই ভাল। এতিয়া এই ফটোবোৰ চালে বুজিব পাৰি যে সেইবোৰে ত'মে'ক উপযুক্তভাৱেই প্ৰতিনিধিত্ব কৰিছিল।

ত'মে'ৰ বিষয়ে আৰু বহুত কথাই মই লিখিব পাৰিলোঁহেঁতেন। কিন্তু ডাঙৰৰ সঠিক ব্যৱহাৰ আৰু প্ৰভাৱৰদ্বাৰা আনকি ত'ত্ত' চ্চানৰ দৰে এজনী ছোৱালীকো আন সাধাৰণ ব্যক্তিৰ দৰে কৰি গঢ়ি তুলিব পৰা যায় বুলি যদি মই মানুহক বুজাব পাৰোঁ তেন্তে মই সিমানতে সন্তুষ্ট হ'ম।

একেবাৰে খাটাং কথা যে ত'মে'ৰ দৰে স্কুল এতিয়া থকা হ'লে আজিকালি আমি শুনি থকা হিংস্ৰতাৰ ঘটনাবোৰ ভালেখিনি কমি থাকিলহেঁতেন আৰু আধাখনীয়াকৈ পঢ়া এৰি দিয়া অৱস্থাটো কমি গ'লহেঁতেন। ত'মে'ত স্কুল ছুটি হ'লে কোনো ঘৰলৈ যাব নুখুজিছিল। আৰু ৰাতিপুৱা সেইখিনি পাবলৈ আমি অধৈৰ্য্য হৈ পৰিছিলোঁ। সেইখন আছিল তেনেধৰণৰ স্কুল।

এই বিস্ময়কৰ স্কুলখন প্ৰতিষ্ঠা কৰিবলৈ উৎসাহ আৰু দূৰদৃষ্টি থকা ছ'ছাকু ক'বায়াশ্বি নামৰ মানুহজনৰ জন্ম হৈছিল ১৮৯৩ চনৰ ১৮ জুনত টকিঅ'ৰ উত্তৰ-পশ্চিম অঞ্চলত। প্ৰকৃতি আৰু সংগীতৰ প্ৰতি তেখেতৰ তীব্ৰ আকৰ্ষণ আছিল আৰু সৰু হৈ থাকোঁতেই তেখেতে দূৰত হাৰুনা শৃঙ্গৰ পটভূমিত ঘৰৰ ওচৰেদি বৈ যোৱা নদীখনৰ কাষত থিয় হৈ কলকলাই বৈ থকা জলধাৰাক এটা অৰ্কেষ্ট্ৰাৰ দল বুলি ধৰি লৈ তাক 'পৰিচালনা' কৰাৰ ভাও জুৰিছিল।

তেখেত আছিল দৰিদ্ৰ কৃষকৰ পৰিয়াল এটাৰ ছজন সন্তানৰ ভিতৰত কনিষ্ঠতম। প্ৰাথমিক শিক্ষা সাং কৰিয়েই তেখেতে এজন সহকাৰী শিক্ষক হিচাপে কাম কৰিবলগীয়া হৈছিল। চাকৰিটোৰ কাৰণে প্ৰয়োজনীয় প্ৰমাণ-পত্ৰ সংগ্ৰহ কৰাটো সেই বয়সৰ ল'ৰা এটাৰ কাৰণে যথেষ্ট কষ্টকৰ আছিল। আসাধাৰণ প্ৰতিভা থকাৰ বাবেহে যে ল'ৰাটিয়ে তেনে এখন প্ৰমাণ-পত্ৰ পাব পাৰিছিল এই কথা ঠিক। কিছুদিনৰ পিছতে তেখেতে টকিঅ'ৰ এখন প্ৰাথমিক স্কুলত কৰ্মসংস্থান লাভ কৰে আৰু শিক্ষাদানৰ লগতে সংগীত-শিক্ষাও গ্ৰহণ কৰি থাকে। তাৰ ফলত তেখেতে ইমানদিন ধৰি মনত পুহি ৰখা আশামতে সংগীতচৰ্চা চলাই যাবলৈ আৰু জাপানৰ অতি বিখ্যাত সঙ্গীত বিদ্যালয়ৰ— বৰ্তমানৰ 'টকিঅ' সুকুমাৰ কলা আৰু সংগীত বিশ্ববিদ্যালয়'ৰ সংগীত-শিক্ষা বিভাগত প্ৰৱেশ কৰিবলৈ সমৰ্থ হয়। তাত শিক্ষা সাং কৰাৰ পিছত তেখেত ছেইকে' প্ৰাথমিক স্কুলৰ সংগীতশিক্ষক হয় ; এটা শিশুৰ বাবে প্ৰাথমিক শিক্ষাই আটাইতকৈ গুৰুত্বপূৰ্ণ কথা বুলি বিশ্বাস কৰা হাৰুজি নাকামুৰা নামৰ এগৰাকী মহৎ ব্যক্তিয়ে এই স্কুলখন স্থাপন কৰিছিল ।

শ্ৰীযুত নাকামুৰাই শ্ৰেণীবোৰ সৰু সৰুকৈ ৰাখিছিল আৰু শিশুৰ ব্যক্তিত্ব বিকশিত কৰিবলৈ আৰু আত্মসম্মানবোধ বঢ়াবলৈ এটা যথেষ্ট মুক্ত পাঠ্যক্ৰমৰ পোষকতা কৰিছিল। পঢ়া-শুনাৰ কাম পুৱাবেলা কৰা হৈছিল। আবেলিবোৰ ফুৰা, গছপুলি সংগ্ৰহ কৰা, ছবি অঁকা, গান গোৱা আৰু প্ৰধান শিক্ষকৰ আলোচনা শুনাৰ কামত লগোৱা হৈছিল। তেখেতৰ শিক্ষাপ্ৰণালীৰ দ্বাৰা প্ৰভাৱান্বিত হৈ পিছলৈ শ্ৰীযুত ক'বায়াশ্বিয়েও ত'মে'ত একেধৰণৰ পাঠ্যক্ৰম চলাইছিল।

ছেইকে'ত সংগীতশিক্ষক হৈ থকাৰ সময়ত তেখেতে ছাত্ৰ-ছাত্ৰীয়ে অনুষ্ঠিত কৰিবৰ কাৰণে এখন লঘু-নাটিকা লিখিছিল। এই সংগীত-নাটিকাই মিৎছুবিছি নামৰ বৃহৎ উদ্যোগৰ প্ৰতিষ্ঠাতা-পৰিয়ালৰ এজন সদস্য বিশিষ্ট উদ্যোগপতি বেৰন ইৱাছাকিক মুগ্ধ কৰে। বেৰন ইৱাছাকি আছিল কলাৰ পৃষ্ঠপোষক— জাপানৰ সংগীতৰচকসকলৰ ভিতৰত যাক মহাৰথী বুলিব পাৰি সেই কছ্ছাক য়ামাদাক তেওঁ সহায় কৰিছিল আৰু স্কুলখনলৈকো আৰ্থিক সাহায্য দি আছিল। বেৰনে বিভিন্ন ধৰণৰ শিক্ষাপদ্ধতিৰ বিষয়ে অধ্যয়ন কৰিবলৈ শ্ৰীযুত ক'বায়াশ্বিক ইউৰোপলৈ পঠালে।

১৯২২ চনৰপৰা ১৯২৪ চনলৈ দুবছৰ শ্ৰীযুত ক'বায়াশ্বিয়ে ইউৰোপত কটালে, স্কুলবোৰ পৰিদৰ্শন কৰিলে আৰু এমিল জেক্ছ ডে'লক্ৰ'জৰ লগত পেৰিছত ইউৰিদ্‌মিক্ছৰ অধ্যয়ন কৰিলে। উভতি আহি তেখেতে আন এজনৰ লগত গোট খাই ছেইকে কিণ্ডাৰগাৰ্টেন প্ৰতিষ্ঠা কৰিলে। শ্ৰীযুত ক'বায়াশ্বিয়ে ল'ৰা-ছোৱালীক পূৰ্বনিৰ্ধাৰিত সাঁচত পেলাই গঢ়াৰ চেষ্টা কৰিব নালাগে বুলি কিণ্ডাৰগাৰ্টেনৰ শিক্ষকসকলক প্ৰায়েই কৈছিল। "সিহঁতক প্ৰকৃতিৰ হাতত এৰি দিয়ক।" তেখেতে কৈছিল, "সিহঁতৰ আকাঙ্ক্ষাবোৰ চেঁপামাৰি নধৰিব, আপোনালোকৰ সপোনতকৈ সিহঁতৰ সপোন ডাঙৰ।" জাপানত এইখনৰ দৰে কিণ্ডাৰগাৰ্টেন ইয়াৰ আগতে কেতিয়াও নাছিল।

১৯৩০ চনত আৰু এটা বছৰ ডে'লক্ৰ'জৰ লগত অধ্যয়ন কৰিবৰ কাৰণে শ্ৰীযুত ক'বায়াশ্বি পুনৰ ইউৰোপলৈ যায়, চাৰিওফালে ঘূৰি পকি, সকলোবোৰ চাই-চিতি আহি তেওঁ নিজাকৈ এখন স্কুল প্ৰতিষ্ঠা কৰিবলৈ সিদ্ধান্ত কৰে।

১৯৩৭ চনত 'ত'মে'গাকুএন' আৰম্ভ কৰাৰ উপৰিও তেখেতে 'জাপান ইউৰিদ্‌মিক্ছ এছ'ছিয়েশ্যন' স্থাপন কৰে। জাপানত ইউৰিদ্‌মিক্ছৰ প্ৰতিষ্ঠাতা হিচাপে আৰু যুদ্ধৰ পিছত 'কুনিতাচ্চি সঙ্গীত মহাবিদ্যালয়'ক লৈ কৰা কাম-কাজৰ বাবেই জাপানৰ বেছিভাগ মানুহে তেখেতক জানে। তেখেতৰ শিক্ষাপ্ৰণালীৰ বিষয়ে প্ৰত্যক্ষ অভিজ্ঞতা থকা আমি কেইজনমানহে অৱশিষ্ট আছোঁগে আৰু এইটো অতি দুখৰ কথা যে ত'মে'ৰ দৰে আন এখন স্কুল প্ৰতিষ্ঠা

কৰাৰ আগতেই তেখেত ঢুকাল। স্কুলঘৰত জুই জ্বলি থাকোঁতেও তেখেতে তাতোকৈ ভাল স্কুল এখনৰ মানসচিত্ৰ অংকন কৰি আছিল। "ইয়াৰ পিছত কেনেকুৱা ধৰণৰ স্কুল সাজিম ?" চাৰিওফালে তোলপাৰ হৈ থকাৰ মাজতে নিৰ্ভীকভাৱে তেখেতে সুধিছিল।

মই এই কিতাপখন লিখিবলৈ আৰম্ভ কৰোঁতে এই কথা জানিবলৈ পাই আচৰিত হৈ গৈছিলোঁ যে বহু বছৰৰপৰা সহকৰ্মী হিচাপে মোৰ লগত কাম কৰি অহা আৰু মোৰ দৈনন্দিন টেলিভিশ্যন-সাক্ষাৎকাৰ কাৰ্য্যসূচী 'তেৎছুকোৰ কোঠা'ৰ প্ৰযোজকজনে এক দশক ধৰি শ্ৰীযুত ক'বায়াশ্বিৰ বিষয়ে গৱেষণা কৰি আছে। শিক্ষাবিদগৰাকীক তেখেতে কেতিয়াও লগ পোৱা নাছিল। ল'ৰা-ছোৱালীৰ ইউৰিদ্‌মিক্‌ছৰ শ্ৰেণীৰ বাবে পিয়ানো বজোৱা মহিলা এগৰাকীৰ কথা শুনিহে এই বিষয়ত তেখেতৰ আগ্ৰহ জন্মিছিল। "ল'ৰা-ছোৱালীয়ে তেনেকৈ খোজ নাকাঢ়ে বুজিছে?" প্ৰথমতে আৰম্ভ কৰোঁতেই তেখেতৰ বাজনাৰ লয়টো শুধৰাই দি শ্ৰীযুত ক'বায়াশ্বিয়ে হেনো কৈছিল। এই মানুহগৰাকী ল'ৰা-ছোৱালীৰ লগত এনেদৰে একে সুৰত বন্ধা আছিল যে সিহঁতে কেনেকৈ উশাহ লয়, কেনেকৈ লৰচৰ কৰে— তাকো তেখেতে জানিছিল। আশা কৰিছোঁ যে মোৰ প্ৰযোজক কাজুহিক' ছান'ই তেখেত ৰ কিতাপখন অনতিপলমে লিখি শেষ কৰিব আৰু এই লেখত ল'বলগীয়া মানুহজনৰ বিষয়ে পৃথিৱীক আৰু বহুত কথা জনাব।

বিছ বছৰৰ আগতে ক'দান্‌ছা-প্ৰকাশক-গোষ্ঠীৰ এজন উদ্যমী ডেকা সম্পাদকে এখন মহিলাৰ আলোচনীত ত'মে'ৰ বিষয়ে মই লিখা প্ৰবন্ধ এটা পঢ়িছিল। জাপ জাপ কাগজ লগত লৈ তেওঁ এদিন মোক লগ পাবলৈ আহিল আৰু সেই বিষয়টোকে বহলাই এখন কিতাপ হিচাপে লিখি উলিয়াবলৈ মোক অনুৰোধ কৰিলেহি। কিন্তু মই অনুচিতভাৱে কাগজখিনি বেলেগ কামত ব্যৱহাৰ কৰি পেলালোঁ আৰু ধাৰণাটোৱে ৰূপ পৰিগ্ৰহ কৰাৰ আগতেই ডেকাজন এগৰাকী সঞ্চালক হ'লগৈ। কিন্তু সেই কাৎছুহিছ' কাত' নামৰ ডেকাজনৰপৰাই মই কামটো কৰিবলৈ ধাৰণাটো আৰু আত্মবিশ্বাসখিনি পাইছিলোঁ। তেতিয়ালৈকে মই বেছি লিখালিখি কৰা নাছিলোঁ, গতিকে এখন সম্পূৰ্ণ কিতাপ লিখাটো মোৰ কাৰণে ভয়ৰ কথা আছিল। শেষত মোক ক'দান্‌ছাৰ 'তৰুণী নাৰী' নামৰ আলোচনী এখনে এবাৰত একোটাকৈ অধ্যায় লিখিবলৈ সন্মত কৰালে আৰু ১৯৭৭ চনৰ ফেব্ৰুৱাৰিৰপৰা ১৯৮০ চনৰ ডিছেম্বৰলৈকে লিখি থাকিলোঁ।

প্ৰত্যেক মাহতে মই টকিঅ'ৰ নেৰিমা-কুৰ শ্বিম'-শ্বাকুজিত থকা চিচিহিৰ' ইৱাছাকিৰ ছবিৰ মিউজিয়াম চাবলৈ গৈছিলোঁৱেই। ল'ৰা-ছোৱালীৰ ছবি আঁকাত

চিচিহিৰ' ইৱাছাকিৰ অসাধাৰণ প্ৰতিভা আছিল আৰু পৃথিৱীৰ ক'ৰবাত আন কোনোবা শিল্পীয়ে ল'ৰা-ছোৱালীক তেখেতৰ দৰে ইমান জীৱন্ত কৰি আঁকিব পাৰেনে সেইবিষয়ে মোৰ সন্দেহ আছে। তেখেতে সিহঁতৰ অসংখ্যবিধৰ মেজাজ আৰু ভঙ্গিমা ধৰি ৰাখিছিল আৰু ছমহীয়া আৰু নমহীয়া কেঁচুৱাৰ মাজৰ পাৰ্থক্যও ফুটাই তুলিব পাৰিছিল। মোৰ কিতাপত তেখেতে আঁকা ছবি ব্যৱহাৰ কৰিবলৈ পাই মই কিমান আনন্দ পাইছোঁ সেই কথা আপোনালোকক বুজাই ক'বলৈ মই অক্ষম। মোৰ বৰ্ণনাত কেনেকৈ এই ছবিবোৰ খাপ খাই পৰিল সেইটো এটা ব্যাখ্যাতীত কাণ্ড। তেখেত ১৯৭৪ চনতে ঢুকাইছিল। তেখেত বাচি থাকোঁতেই কিতাপখন লিখিবলৈ আৰম্ভ কৰিছিলোঁ নেকি সেই কথা মানুহে মোক প্ৰায়েই সুধি থাকে আৰু তেখেতৰ ছবিবোৰ যে প্ৰকৃত জীৱনৰ কেনে হুবহু প্ৰতিচ্ছবি, আৰু কত অসংখ্য বৈচিত্ৰ্যপূৰ্ণ ধৰণেৰে তেখেতে ল'ৰা-ছোৱালীৰ ছবি আঁকিছিল, সেইকথা ইয়াৰপৰাই ভালকৈ বুজিব পাৰি।

চিচিহিৰ' ইৱাছাকিয়ে প্ৰায় সাতহাজাৰখন ছবি আঁকি থৈ গৈছে। মিউজিয়ামটোৰ সহকাৰী কিউৰেটৰ তেখেতৰ পুতেক আৰু বোৱাৰীয়েকৰ অনুগ্ৰহত মই তেখেতৰ মূল ছবিবোৰৰ বেছিভাগেই চাবলৈ সুবিধা পাইছিলোঁ। তেখেতে আঁকা ছবি ইয়াত ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়াৰ কাৰণে শিল্পীগৰাকীৰ স্বামীলৈ কৃতজ্ঞতা জনাইছোঁ। মই লিখা আৰম্ভ কৰাত হেমাহি কৰি থকা দেখি সততে মোক সঁকীয়াই থকা মিউজিয়ামটোৰ— যিটোৰ এতিয়া ময়ো এগৰাকী তত্ত্বাৱধায়ক— কিউৰে'টৰ নাট্যকাৰ তাদাছু ইইজাৱাৰ ওচৰতো মই কৃতজ্ঞ।

মিয়'-চ্চান আৰু মোৰ সকলো ত'মে'ৰ দিনৰ বন্ধু-বান্ধৱীয়ে স্বাভাৱিকতে যৎপৰোনাস্তি সহায় কৰিছে। কিতাপখনৰ জাপানী সংস্কৰণৰ সম্পাদক কেইক' ইৱাম'ত'ই কৈ আছিল, "আমি এই কিতাপখন সঁচাকৈয়ে এখন চমৎকাৰ কিতাপ কৰি উলিয়াব লাগিব দেই !" তেখেতলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

জাপানী ভাষাত কিতাপখনৰ শিৰোনামাটোৰ ধাৰণাটো পাইছিলোঁ কেইবছৰমান আগতে জনপ্ৰিয় হোৱা এটা বাক্যাংশৰপৰা— বাক্যাংশটো হ'ল "খিড়িকীৰে ওলাই থকা" অৰ্থাৎ প্ৰায় বাহিৰ ওলাই থকা আৰু ঠাণ্ডাত কষ্ট পাই থকা। যদিও মই নিজৰ খুছিতেই ৰাস্তাই ৰাস্তাই গান-বাজনা কৰি ঘূৰি ফুৰা মানুহৰ দলটোক দেখা পোৱাৰ আশাৰে খিড়িকীৰ মুখত বৈ আছিলোঁ, প্ৰকৃততে কিন্তু প্ৰথমখন স্কুলত মই নিজে আনৰপৰা বিচ্ছিন্ন আৰু বাহিৰৰ ঠাণ্ডাত অকলশৰীয়া হৈ "খিড়িকীৰে ওলাই থকা" যেন অনুভৱ কৰিছিলোঁ। শিৰোনামাত এই ব্যঞ্জনাৰ উপৰিও আৰু এটা ব্যঞ্জনা লুকাই আছে, সি হ'ল অৱশেষত ত'মে'ত মোৰ বাবে মুকলি হোৱা আনন্দৰ খিড়িকীখনৰো ব্যঞ্জনা।

ত'মে' আৰু নাই। কিন্তু যদি এই কিতাপখন পঢ়ি যাওঁতে ক্ষন্তেকৰ কাৰণেও আপোনাৰ কল্পনাত ই প্ৰাণ পাই উঠে তেন্তে তাতকৈ আনন্দৰ কথা মোৰ বাবে আৰু একো নাথাকিব।

টকিঅ' ১৯৮২

ত'ত্ত'-চ্চান প্ৰকাশিত হোৱাৰ এয়া মাথোঁ তিনিবছৰমানহে হৈছে, কিন্তু এই সময়ছোৱাৰ ভিতৰতে ইমানখিনি ঘটনা ঘটি গ'ল যে তাৰ বাবে মই সচাঁকৈয়ে বৰ আচৰিত হোৱাৰ লগতে অত্যন্ত সুখীও হৈছোঁ। মোৰ প্ৰিয় প্ৰধানশিক্ষকগৰাকীৰ আৰু ত'মে'ত কটোৱা মোৰ অবিস্মৰণীয় সময়ছোৱাৰ বিষয়ে লিখি থাকোঁতে এইকথা কেতিয়াও মনলৈ অহা নাছিল যে এই কিতাপখনে এক লেখত ল'বলগীয়া জনপ্ৰিয়তা অৰ্জন কৰিবও পাৰে। প্ৰথম বছৰতে ইয়াৰ পঞ্চল্লিছ লাখ কপি বিক্ৰি হৈছিল আৰু সৰ্বমুঠ বিক্ৰীৰ সংখ্যাই এতিয়া ষাঠীলাখ ছুইছেগৈ। মোক কোৱা হৈছিল 'জাপানী প্ৰকাশন উদ্যোগত এইটো এটা অভিলেখ' বুলি। কিন্তু মই সেই কথাৰ বিশেষ তাৎপৰ্য্য উপলব্ধি কৰা নাছিলোঁ। কেৱল যেতিয়া সমগ্ৰ জাপানৰপৰা দৈনিক অগণন চিঠি আহিবলৈ ধৰিলে তেতিয়াহে মই বুজিবলৈ আৰম্ভ কৰিলোঁ যে সচাঁকৈয়ে বহুতো মানুহে মোৰ কিতাপখন পঢ়িছে।

মই পাঁচ বছৰৰপৰা এশ তিনি বছৰলৈকে বিভিন্ন বয়সৰ মানুহৰপৰাই চিঠি-পত্ৰ পাইছোঁ আৰু প্ৰত্যেকখনেই হৃদয়গ্ৰাহী। প্ৰাথমিক স্কুলৰ ল'ৰা-ছোৱালীৰপৰাও অজস্ৰ চিঠি অহাত মই বৰ আচৰিত হৈছোঁ, কিয়নো মই কেতিয়াও কল্পনা কৰা নাছিলোঁ যে ইমান সৰু ল'ৰা-ছোৱালীয়েও কিতাপখন পঢ়িব পাৰিব, যদিও মই কঠিন চৈনিক শব্দাক্ষৰবোৰৰ কাষে কাষে সৰলীকৃত পাঠ দি যোৱাৰ সাৱধানতাখিনি লৈছিলোঁ। লিখিত অক্ষৰৰ এই ধীৰ অপসাৰণৰ যুগত মই সচাঁকৈয়ে বৰ আচৰিত হৈছোঁ যে দ্বিতীয় শ্ৰেণীৰ ল'ৰা-ছোৱালীয়েও অভিধানৰ সহায় লৈ ত'ত্ত'-চ্চান পঢ়িছে। দ্বিতীয় শ্ৰেণীৰ ছোৱালী এজনীয়ে লিখিছিল যে প্ৰতিবন্ধী শিশু এটা দেখিলে তাই ভাবে, "সেইটো চাগে' য়াছুআকি-চ্চান!" বা "সেইজন চাগে' ত'মে'ৰ কোনোবা !" আৰু তাই দৌৰি সিহঁতৰ ওচৰলৈ গৈ মাত লগায় আৰু যেতিয়া সিহঁতে ঘূৰাই কিবা কয় তেতিয়া বৰ আনন্দিত হয়। ভাবকচোন, ত'মে' স্কুলখন নাই কিয়া হোৱা চল্লিছ বছৰ হৈ গ'ল! শিশুসকল সচাঁকৈয়ে বৰ বিস্ময়কৰ, নহয়নে?

বহুতো ল'ৰা-ছোৱালীয়ে লিখিছে যে ত'মে' ভস্মীভূত হোৱাৰ কথা পঢ়ি তেওঁলোক বুজিব পাৰিছে যে যুদ্ধ ভাল বস্তু নহয়, সেয়ে কেৱল সেইটো কাৰণতে হ'লেও কিতাপখন লিখা সাৰ্থক হৈছে বুলিব লাগিব। কিতাপখন লিখি থকাৰ সময়ত মই অৱশ্যে কেৱল ইয়াকে ভাবিছিলোঁ যে স্কুলশিক্ষক আৰু কমবয়সীয়া মাকসকলৰ দৰে পাঠক-পাঠিকাসকলে শ্ৰীযুত ক'বায়াশ্বিৰ বিষয়ে পঢ়িবলৈ পালে কিমান যে ভাল কথা হ'ব; বোধহয় তেওঁলোকে নিজকে নিজে ক'ব, 'ইছ্, এইজন ল'ৰা-ছোৱালীক সচাঁকৈয়ে ভাল পোৱা আৰু সিহঁতৰ ওপৰত বিশ্বাস ৰখা, এজন দেহে-কেহে লগা মানুহ আছিল দেই"। মোৰ এটা আশংকাও হৈছিল যে শিক্ষক-শিক্ষয়িত্ৰীসকলে চাগে' তেখেতৰ ধ্যান-ধাৰণাবোৰক এই প্ৰতিযোগিতামূলক সমাজখনৰ ক্ষেত্ৰত বৰ বেছি আদৰ্শবাদী বুলি উৰাই দিব।

প্ৰকৃততে দেখা গ'ল যে কিতাপখন প্ৰকাশ হোৱাৰ পিছত প্ৰাথমিক স্কুলৰ কেইবাগৰাকীও শিক্ষক-শিক্ষয়িত্ৰীয়ে লিখি পঠাইছে যে তেওঁলোকে প্ৰতিদিনে দুপৰীয়াৰ ভাত-খোৱা-ছুটিৰ সময়ত ল'ৰা-ছোৱালীবোৰক কিতাপখন ডাঙৰ ডাঙৰকৈ পঢ়ি শুনায়। আনহাতে প্ৰাথমিক স্কুলৰ চিত্ৰাংকন বিষয়ৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে তেওঁলোকৰ শ্ৰেণীত ত'ত্ত'-চ্চানৰ কিছুমান অংশ পঢ়ি শুনায় আৰু শুনোৱা কাহিনীখিনিৰ ওপৰত ভিত্তি কৰি ছবি আঁকিবলৈ দিয়ে। নিম্ন মাধ্যমিক স্কুলৰ কেইগৰাকীমান শিক্ষক-শিক্ষয়িত্ৰীয়ে চিঠিত লিখিছে যে শিক্ষা-জগতৰ অৱস্থা দেখি তেওঁলোকে ইমানেই দুখ পাইছিল যে শিক্ষকতা এৰি দিয়াৰ কথাকে গুৰুত্বসহকাৰে চিন্তা কৰিছিল, কিন্তু শ্ৰীযুত ক'বায়াশ্বিৰ ধ্যান-ধাৰণাৰে অনুপ্ৰাণিত হৈ আকৌ এবাৰ চেষ্টা কৰি চাব খুজিছে। এনে বহুতো হৃদয়স্পৰ্শী চিঠি মই পাইছোঁ আৰু সেইবোৰ পঢ়োঁতে ইমানবোৰ মানুহে শ্ৰীযুত ক'বায়াশ্বিৰ দৰে চিন্তা কৰে বুলি উপলব্ধি কৰি মোৰ চকুলো ওলায়।

শিক্ষকসকলে মোৰ কিতাপখন বহু ধৰণে ব্যৱহাৰ কৰিছে। যোৱা বছৰ "খেতি কৰা শিক্ষকজন" বোলা অধ্যায়টো প্ৰাথমিক স্কুলৰ তৃতীয় শ্ৰেণীৰ জাপানী সাহিত্যৰ পাঠ্যপুথিত আনুষ্ঠানিকভাৱে অন্তৰ্ভুক্ত হৈছিল, আনহাতে 'জধলা পুৰণা স্কুল' বোলা অধ্যায়টো চতুৰ্থ শ্ৰেণীৰ নীতি শিক্ষা আৰু শিষ্টাচাৰ বিষয়ৰ পাঠ্যপুথিত অন্তৰ্ভুক্ত হৈছে।

মনটো অশান্ত কৰি তোলা চিঠিও আহে। কিশোৰ অপৰাধী সংশোধন কেন্দ্ৰ এটাৰ হাইস্কুলীয়া ছোৱালী এজনীৰপৰা অহা এখন চিঠিত আছিল, "যদি মোৰ ত'ত্ত'-চ্চানৰ মাকৰ দৰে এগৰাকী মা আৰু শ্ৰীযুত ক'বায়াশ্বিৰ দৰে এজন শিক্ষক থাকিলহেঁতেন তেনেহলে মই এনে এখন ঠাইলৈ আহিবলগীয়া নহ'লহেঁতেন।"

ত'ত্ত'-চ্চান কিয় এনে এখন অত্যধিক-বিক্ৰীত (best-seller) পুথি হ'ল ?

গণ-মাধ্যমে প্ৰশ্নটো তুলিলে আৰু ই কিছু বিতৰ্কৰ সৃষ্টি কৰিলে। 'আছাহি' নামৰ বাতৰি কাকতখনে "ত'ত্ত'-চ্চান উপসৰ্গ" শিৰোনামাৰে পুথিখনৰ প্ৰভাৱৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা থকা এলানি প্ৰবন্ধ প্ৰকাশ কৰিলে আৰু আচৰিত ধৰণে বিষয়টোৰ ওপৰত সম্পূৰ্ণ বেলেগ প্ৰকাশকৰদ্বাৰা প্ৰকাশিত এখন সম্পূৰ্ণ কিতাপ ওলাল। "ত'ত্ত'-চ্চান ঃ অত্যধিক-বিক্ৰীত কিতাপ এখনৰ কাহিনী" নামৰ এই পুথি খনত কিতাপখন কিয় ইমান ভাল বিক্ৰী হ'ল সেই পৰিঘটনাটো বিশ্লেষণ কৰা হৈছিল। মই ভাবোঁ যে জাপানত শিক্ষাৰ সমস্যাই একেবাৰে চূড়ান্ত অৱস্থা পোৱাৰ সময়তে আৰু এই বিষয়ত 'কিবা এটা কৰিবই লাগিল' বুলি প্ৰত্যেকেই ভাবিবলৈ লোৱাৰ সময়তে কিতাপখন প্ৰকাশ হোৱাটোৱেই ইয়াৰ কৃতকাৰ্য্যতাৰ অন্যতম কাৰণ আছিল। মই ঠিক সেইটো কাৰণত লিখা নাছিলোঁ যদিও নিঃসন্দেহে বহুতো লোকেই শিক্ষাৰ ওপৰত গৱেষণামূলক প্ৰবন্ধ হিচাপেই কিতাপখন পঢ়িছিল। তদুপৰি কিতাপখন যে বয়স আৰু দৃষ্টিভংগীৰ বহু পাৰ্থক্য থকা প্ৰতিজনৰে কাৰণে আৱেদনপূৰ্ণ, এই সত্যটোও কিতাপখন ইমান কপি বিক্ৰী হোৱাৰ আৰু এটা কাৰণ।

এইখন মহিলাই লিখা প্ৰথমখন অত্যধিক-বিক্ৰীত জাপানী কিতাপো। প্ৰথমতে এই গ্ৰন্থৰ প্ৰতি পুৰুষসকলৰ প্ৰতিক্ৰিয়া নেতিবাচক আছিল বুলি মই উপলব্ধি কৰিছিলোঁ, কাৰণ যেতিয়া পুৰুষ পৰ্য্যালোচকে দয়া কৰি এইখন পৰ্য্যালোচনা কৰিছিল তেতিয়া তেওঁলোকে এনেকৈ আৰম্ভ কৰিছিল, "নাৰীসুলভ প্ৰচ্ছদপটেৰে কিতাপখন দেখি মই পঢ়িবলৈ হেমাহি কৰি আছিলোঁ", বা "কোনো জনপ্ৰিয় মনোৰঞ্জনকাৰীয়ে লিখা এখন অত্যধিক-বিক্ৰীত কিতাপ বুলি মই এইখনক নস্যাৎ কৰিছিলোঁ"। তেওঁলোকে আৰু কৈছিল, "মই সেইখন নপঢ়িলোঁহেঁতেন, পিছে মোৰ পৰিয়ালৰ মানুহখিনিয়ে কৈ থকা বাবেহে পঢ়িলোঁ....."। ফলাফলত যিবোৰ গ্ৰন্থ-সমীক্ষা ওলাল সেইবোৰ নিশ্চিতভাৱে ভাল আছিল। পৰিয়ালৰ যিসকলে ইমান উৎসাহেৰে 'ত'ত্ত'-চ্চান'ক অনুমোদন কৰিছিল সেইসকললৈ মোৰ আন্তৰিক শলাগ জনালোঁ।

কিতাপখন প্ৰকাশিত হোৱাৰ আগতে মই সিদ্ধান্ত কৰিছিলোঁ যে মই ইয়াৰপৰা পাব লগা 'ৰয়েল্টি'ৰ ধন জাপানৰ বধিৰ অভিনেতাসকলৰ বাবে বৃত্তিজাৰী নাট্যশালা এটা প্ৰতিষ্ঠাৰ কামত ব্যৱহাৰ কৰিম। মই বুঢ়া হৈ খাটিব নোৱৰা হ'লেও বা মই মৰিলেও যেন ই চলি থাকে তাৰ কাৰণে ইয়াক সমাজ-কল্যাণৰ এটা সংস্থা হিচাপে গণ্য কৰিবলৈ মই চৰকাৰৰ ওচৰত আবেদন জনালোঁ। পূৰ্বদৃষ্টান্ত নথকাৰ কাৰণে কামটো কৰা বৰ টান হৈছিল কিন্তু মই পঁচিছ বছৰৰো অধিক কাল ধৰি কল্যাণমূলক কাম-কাজত জড়িত হৈ থকাৰ কথাটো কৰ্তৃপক্ষই বিবেচনা কৰিলে আৰু অৱশেষত সন্মতি দিলে। এনেকৈয়ে

'ত'ত্ত'ন্যাস' নামৰ সমাজকল্যাণ সংস্থাৰ জন্ম হ'ল। এইটো আছিল এটা অপ্ৰত্যাশিত ধৰণৰ সফলতা আৰু ইয়াৰ মাজেৰেই জাপানত বধিৰ ৰঙ্গ-মঞ্চৰ প্ৰৱৰ্তন হ'ল। বৰ্তমান 'ত'ত্ত' ন্যাস'ৰ প্ৰশিক্ষণ-কেন্দ্ৰত বিছজনৰো অধিক বধিৰ অভিনেতাই প্ৰশিক্ষণ লৈ আছে। ইয়াতে 'ইঙ্গিতৰ দ্বাৰা ভাব প্ৰকাশ'ৰ শ্ৰেণীও চলি আছে। যোৱা জুলাই মাহত ইটালিৰ পালেৰ্ম'ত অনুষ্ঠিত আন্তৰ্জাতিক মূক-বধিৰ মহাসন্মিলনৰ নাট্য উৎসৱত পঞ্চলিছটা জাতিক প্ৰতিনিধিত্ব কৰা দৰ্শকবৃন্দৰ সমুখত এখন 'ক'য়েন' নাটক অভিনয় কৰি আমাৰ বাঞ্ছিত সপোনত মূৰ্ত ৰূপ দিয়া হ'ল। এই প্ৰথমবাৰৰ বাবে জাপানৰ বধিৰ অভিনেতাসকলে বাহিৰত অভিনয় কৰিলে। আপোনালোকে ত'ত্ত'- চ্চান পঢ়াৰ বাবেহে এয়া সম্ভৱ হৈছে।

দুবছৰৰ আগতে, ত'ত্ত'-ন্যাসৰ কাৰণে আৰু ত'ত্ত'-চ্চানে অৰ্জন কৰা অবিশ্বাস্য জনপ্ৰিয়তাৰ ফলত সম্ৰাটৰ বছৰেকীয়া 'বাসন্তী বাগিছাৰ চাহমেল' (Spring Garden Party) লৈ ময়ো নিমন্ত্ৰিত হৈছিলোঁ। তালৈ নিমন্ত্ৰিত সকলৰ মাজত আছিল নবে'ল বঁটা বিজয়ী কেনইচ্চি ফুকুইৰ দৰে ব্যক্তি। চাহমেলত স্বয়ং সম্ৰাটে মোক "আপোনাৰ কিতাপখন ইমানকৈ চলাটো কেনে সুন্দৰ কথা হৈছে" বুলি কোৱাটো মোৰ বাবে অপ্ৰত্যাশিত আনন্দৰ কথা আছিল।

১৯৮১ চনটো প্ৰতিবন্ধীসকলৰ আন্তৰ্জাতিক বৰ্ষ আছিল আৰু ডিছেম্বৰ মাহৰ ৯ তাৰিখে (আজি কালি জাপানত এই দিনটো প্ৰতিবন্ধী-দিৱস হিচাপে পালন কৰা হয়) প্ৰধানমন্ত্ৰী ছুজুকিৰপৰা মই এটা বঁটা লাভ কৰোঁ। ইয়াৰ উপৰিও শিশু-সাহিত্যিক য়ুজ' য়ামাম'ত'ৰ স্মৃতিত দিয়া বঁটা "ৰেছাইড ষ্ট'ন"কে আদি কৰি অন্যান্য বঁটাও মই পাইছোঁ।

ত'ত্ত'-চ্চানৰপৰা চিনেমা, টি. ভি. নাটক, এনিমেশ্যন ফিল্ম, নাটক, গীতি-নাট্য আদি কৰিবলৈ অনুমতি বিচাৰি কৰা অগণন অনুৰোধ মই পাইছোঁ। কিন্তু মই অনুভৱ কৰোঁ যে চ্চিহিৰ' ইৰাছাকিৰ ছবি আৰু পাঠকৰ নিজৰ কল্পনাত গঢ় লৈ উঠা চিত্ৰকল্পবোৰক চেৰ পেলোৱাটো টান হ'ব ; সেয়ে মই সকলো অনুৰোধ প্ৰত্যাখ্যান কৰিছোঁ। কিন্তু শ্বিনছে'ই নিহ'ন ছিম্ফনি অৰ্কেষ্ট্ৰাই গল্পটোক এটা সুৰ-সমলয়বদ্ধ কাহিনীৰ ৰূপ দিব খুজি কৰা অনুৰোধত মই সন্মত হৈছোঁ কাৰণ সঙ্গীতে ভাববিলাসক সম্পূৰ্ণ স্বাধীনতা দিয়ে। আকিহিৰ' ক'ম'ৰিৰ সংগীতৰচনা মোৰ লিখাতকৈ বেছি হৃদয়দ্ৰাবী আৰু "শ্বিনছে'ই নিহন ছিম্ফনি"য়ে এই সুৰসমলয়বদ্ধ কাহিনীক জাপানৰ বিভিন্ন অংশত প্ৰদৰ্শন কৰি ফুৰিছে। প্ৰদৰ্শনৰ কাহিনীভাগৰ বৰ্ণনাখিনি মোৰেই। ইয়াৰ আনকি এখন ৰেকৰ্ডো আছে। ১৯৮২ চনত "ত'ত্ত-চ্চান" প্ৰকাশিত হোৱাৰ পিছত ডৰ'থি ব্ৰিটনৰ ইংৰাজী অনুবাদ

সম্পূৰ্ণ হয়। ড'ৰ'থি এগৰাকী সংগীত-ৰচক আৰু কবি, আৰু তেওঁৰ অতি উৎকৃষ্ট অনুবাদৰ ছন্দ আৰু অনুভৱ মোৰ মূল কিতাপখনৰ লগত হুবহু একে, ইমানেই একে যে তেওঁৰ অনুবাদ পঢ়ি মই বৰ বিচলিত হৈ পৰিছিলোঁ। ইংৰাজী সংস্কৰণেও এটা অভিলেখৰ সৃষ্টি কৰিছে— প্ৰায় চাৰি লাখ বিক্ৰীৰ পৰিসংখ্যাৰে এইখনে জাপানত সৰ্বাধিক বিক্ৰী হোৱা ইংৰাজী কিতাপৰ আসন লাভ কৰিছে।

ইংৰাজী সংস্কৰণটো একে সময়তে আমেৰিকাতো উদ্বোধন কৰা হয় আৰু সেই উপলক্ষে মই জনি কাৰ্ছনৰ "আজি ৰাতি" নামৰ অনুষ্ঠানত ওলাইছিলোঁ। তাৰ পিছত মই কথিকা আৰু বাতৰিৰ প্ৰদৰ্শনত ওলাবলৈ অনুৰোধ পাইছোঁ আৰু নামী আমেৰিকান বাতৰি কাকত 'দ্যা নিউয়ৰ্ক টাইম্‌ছ'ৰ দেওবৰীয়া গ্ৰন্থশাখাত কিতাপখনৰ সুদীৰ্ঘ পৰ্য্যালোচনা প্ৰকাশিত হৈছে। কিতাপখন পৰ্য্যালোচনা কৰাৰ উপৰিও আমেৰিকাৰ গণ-মাধ্যমসমূহে মোক এগৰাকী জাপানী মহিলা টি. ভি. অনুষ্ঠান-পৰিচালিকা হিচাপে বিশেষ গুৰুত্ব দিছিল। আনকি 'টাইম' বাতৰি কাকতে জাপানৰ ওপৰত বিশেষ সংখ্যা এটা প্ৰকাশ কৰাৰ উপলক্ষে এটা সম্পূৰ্ণ পৃষ্ঠাত মোৰ সাক্ষাৎকাৰকে প্ৰকাশ কৰিলে।

চীন আৰু কোৰিয়াত ইতিমধ্যে ত'ত্ত'-চ্চানৰ অনুবাদ প্ৰকাশিত হৈছে। দুয়োখন দেশৰ এখনো জাপানৰ লগত 'কপিৰাইট চুক্তি'ত আবদ্ধ নহয় বাবে মই কথাটো গম পোৱা নাছিলোঁ। এজন দয়াশীল ব্যক্তিয়ে চিনাকি জাপানী লোক এজনৰ যোগেদি এটা কপি মোলৈ পঠোৱাতহে মই কথাটো জানিলোঁ। দেখ দেখকৈয়ে চীনত দুটা নে তিনিটা ভিন ভিন অনুবাদ হৈছে। পোলেণ্ড আৰু ফিনলেণ্ডতো প্ৰকাশকে এইখন উলিয়াবলৈ বন্দোৱস্ত কৰিছে আৰু অনুবাদৰ কাম আগবাঢ়িছে। চেক'শ্ল'ভাকিয়াৰ প্ৰকাশকৰ লগতো কথা-বতৰা চলি আছে আৰু আন ইউৰোপীয় দেশসমূহেও খা-খবৰ লৈছে। ত'ত্ত'-চ্চানৰ যোগেদি ইমানবোৰ মানুহে জাপানৰ বিষয়ে জানিব পাৰিব বাবে মই আনন্দ পাইছোঁ। মই ইতিমধ্যে আমেৰিকাৰ অনুৰাগী পাঠক-পাঠিকাৰ পৰা চিঠি-পত্ৰ পাইছোঁ আৰু প্ৰাথমিক স্কুলৰ এটা সৰু ল'ৰাই লিখিছে,"ত'ত্ত'-চ্চান! তুমি ধুনীয়া ছোৱালী নে? যদি ধুনীয়া হোৱা তেন্তে এসাজ ডিনাৰ খাবলৈ আমাৰ ঘৰলৈ আহিব পাৰা।" তাৰ শিক্ষয়িত্ৰীয়ে হেনো শ্ৰেণীত কিতাপখন পঢ়ি শুনাইছিল। চিঠিখনৰ লগতে তেখেতে এটা টোকা লিখি দি জনাইছে যে সি এক দুখীয়া কৃষ্ণাঙ্গ পৰিয়ালৰ ল'ৰা।

এইটো কথা মোৰ বৰকৈ মনত লাগিছে যে হাইস্কুলৰ ওপৰ আৰু তলশ্ৰেণীৰ বহুতো ছোৱালীয়ে চিঠিত মোলৈ লিখিছে, "কিতাপখনত মৰম-চেনেহৰ বিষয়ে ইমানখিনি কথা পঢ়িবলৈ পাম বুলি আশাই কৰা নাছিলোঁ।" তেওঁলোকে বিশেষ

কি আবেদনপূৰ্ণ কথা পাইছে সেয়া আঙুলিয়াই দিয়া নাই। ছোৱালীহঁতৰ প্ৰত্যেকৰে কাৰণে সেইটো বেলেগ বেলেগ চাগে'। কিন্তু মই ভাবোঁ যে ল'ৰা-ছোৱালীয়ে মৰম-চেনেহ আৰু কোমলতাৰ প্ৰতি সঁহাৰি দিয়ে।

ন'বেল শান্তি বঁটা লাভ কৰা পৃথিৱীজোৰা সংস্থা 'ইউনিছেফ' (ইউনাইটেড নেশ্যনছ্ চিলেড্ৰন'ছ্ ফাণ্ড)অৰ শুভেচ্ছা ৰাষ্ট্ৰদূত (Goodwill Ambassador) হিচাপে মই অলপতে নিযুক্ত হৈছোঁ। "ত'ত্ত'-চ্চান কিতাপখনৰ বাবেই মোক এই পদবী দিয়া হৈছে, কাৰণ সংস্থাটোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ব্যক্তি, ইউনিছেফ'ৰ নিউয়ৰ্কৰ সচিবালয়ৰ কাৰ্য্যবাহী সঞ্চালকে এজন বন্ধুৱে পঠোৱা কিতাপখনৰ ক'পি এটা পঢ়িছিল। তেখেত বৰকৈ প্ৰভাৱিত হ'ল আৰু ক'লে যে মোৰ ভাব-চিন্তাবোৰ 'ইউনিছেফ'ৰ ভাৱ-চিন্তাৰ লগত একেই আৰু তেখেতে এছিয়াৰপৰা এজন শুভেচ্ছা-ৰাষ্ট্ৰদূত থকা উচিত বুলি ভাবিহে আছিল আৰু সেয়ে সেই ভূমিকাৰ কাৰণে তেখেতে মোক নিৰ্বাচন কৰিলে। আমেৰিকান অভিনেতা ডেনী কে', ব্ৰিটিছ অভিনেতা পিটাৰ উস্তিন'ভ আৰু নৰ'ৱেৰ অভিনেত্ৰী লিভ উলমেন শুভেচ্ছা-ৰাষ্ট্ৰদূত হিচাপে ইতিমধ্যেই জনাজাত হৈ পৰিছে। গতিকে মই হ'ম চতুৰ্থগৰাকী। দিনে চল্লিছ হাজাৰ আৰু বছৰত ১৫ মিলিয়ন শিশুৰ অনাহাৰত আৰু অনাহাৰ-জনিত ৰোগত মৃত্যু হয় আৰু মোৰ কাম হ'ল নিজ চকুৰে তেওঁলোকৰ অৱস্থা চাই সেই বিষয়ে আপোনালোক সকলোকে জনোৱা। এই গ্ৰীষ্মত মই আফ্ৰিকালৈ যাম, আৰু যিমান সোনকালে পাৰোঁ এছিয়াৰ বিভিন্ন দেশলৈকো যাম। শ্ৰীযুত ক'বায়াশি বাচি থকা হ'লে আনন্দ পালেহেঁতেন বুলি মই নিশ্চিত। তেখেতে সদায় কৈছিল, "তোমালোক সকলো এক, জানানে? তোমালোকে যিহকে নকৰা লাগে, এই পৃথিৱীত তোমালোক সকলো একেলগে আছা।"

বসন্তকাল, ১৯৮৪

তেৎছুকো কুৰ'য়ানাগি

ৰেল ষ্টেচন

ওয়িমাচ্ছি শাখা ৰেলৰপৰা তেওঁলোক জিয়ুগাওকা ষ্টেচনত নামিল আৰু মাকে ত'ত্ত'-চ্চানক টিকেট পৰীক্ষা কৰা গে'ইটৰ ফালে হাতত ধৰি আগুৱাই নিলে। তাই আগতে তেনেকৈ ৰে'লত উঠাই নাছিল। খামোচ মাৰি ধৰি থকা টিকেটটো দি দিবলৈ তাইৰ অকণো মন যোৱা নাই।

"মই এইটো ৰাখিব পাৰিমনে?" ত'ত্ত'চ্চানে টিকেট-পৰীক্ষকজনক সুধিলে।

"ওঁহো, নোৱাৰিবা, " টিকেটটো তাইৰপৰা লৈ তেওঁ উত্তৰ দিলে।

তেওঁৰ টিকেট-ভৰ্তি বাকচটোলৈ আঙুলিয়াই তাই সুধিলে, "এইবোৰ গোটেইবোৰ আপোনাৰ?"

"নহয়, এইবোৰ ৰে'ল-ষ্টেচনৰহে" ওলাই যোৱা মানুহবোৰৰপৰা টিকেটবোৰ লৈ লৈ তেওঁ উত্তৰ দিলে।

"অ'," ত'ত্ত'চ্চানে বাকচটোলৈ একেথিৰে বৰ আশাৰে চাই চাই ক'লে, "ডাঙৰ হ'লে মই ৰেলৰ টিকেট বেচিম।"

টিকেট-পৰীক্ষকে এইবাৰ তাইৰ ফালে প্ৰথমবাৰলৈ চকু দিলে, "মোৰ সৰু ল'ৰাটোৱেও ষ্টেচনত কাম কৰিব খুজিছে, গতিকে তোমালোকে একেলগেই কাম কৰিব পাৰিবা।"

ত'ত্ত'চ্চানে একাষৰীয়া হৈ টিকেট-পৰীক্ষকজনক ভালকৈ লক্ষ্য কৰিলে। মানুহজন লোদোৰ-পোদোৰ, চছ্মা পিন্ধা আৰু বেছ মৰমিয়াল যেন লগা লোক।

"হু-ম-ম", কঁকালত হাত দুখন ৰাখি তাই বিষয়টো সাৱধানে বিবেচনা কৰিলে। "আপোনাৰ ল'ৰাৰ লগত কাম কৰিবলৈ মই বেয়া নাপাম", তাই ক'লে। "মই বাৰু ভাবি চাম। পিছে মোৰ এতিয়া লৰালৰি। নতুন স্কুল এখনলৈ যাওঁ।"

তাই মাক ৰৈ থকা ঠাইলৈ দৌৰি গ'ল আৰু যাওঁতে চিঞৰি গ'ল, "মই টিকেট বেচা মানুহ হ'ম দেই।"

মাক আচৰিত নহ'ল ; পিছে তেখেতে ক'লে, "তুমি বোলে আকৌ চোৰাংচোৱাহে হ'বা !"

মাকৰ হাতত ধৰি খোজ কাঢ়ি গৈ থাকোঁতে তাইৰ মনত পৰিল যে আগদিনালৈকে একেবাৰে খাটাং আছিল যে তাই এজনী চোৰাংচোৱা হ'ব খোজে। কিন্তু এবাকচ টিকেট নিজৰ দায়িত্বত থকাটো যে কেনে স্ফূৰ্তিৰ কথা হ'ব !

"সেইটো কথা!" এটা বঢ়িয়া ভাব তাইৰ মনত খেলালে। মাকলৈ মূৰ তুলি চাই চিঞৰি চিঞৰি তাই কথাটো ক'লে, "আচলতে চোৰাংচোৱা হৈও মই টিকেট-বেচা মানুহ হ'ব নোৱাৰিম জানো?"

মাকে উত্তৰ নিদিলে। সৰু ফুল এটা থকা ফে'ন্ট হেটটোৰ তলত তেওঁৰ মুখখন বেছ গম্ভীৰ। আচল কথা মাকৰ চিন্তা লাগিছে। নতুন স্কুলখনতো ত'ত্ত'চ্চানক ল'ব নুখুজিলে কি গতি হ'ব ? বাটেদি জঁপিয়াই জঁপিয়াই আং বাং কথা কৈ কৈ গৈ থকা ত'ত্ত'চ্চানলৈ চালে তেওঁ। মাকৰ চিন্তাৰ কথা তাই গম নাপায়। সেইকাৰণে চকুৰে চকুৰে পৰোঁতে তাই আনন্দমনেৰে ক'লে, "মই এটা বেলেগ কথা ভাবিছোঁ। সেই ৰাস্তাই ৰাস্তাই বাজনা বজাই নতুন দোকানৰ জাননী দিয়া গানৰ দলটোৰ মানুহ হ'ম মই।"

মাকৰ মাতত হতাশাৰ পৰশ, "আহাঁ, দেৰী হৈ যাব। আমাৰ কাৰণে প্ৰধান শিক্ষক ৰৈ থাকিব লাগিলে বৰ বেয়া কথা হ'ব। আৰু কথা নহয়। কোন ফালে গৈছা মন কৰা আৰু ঠিকমতে খোজ কাঢ়াঁ।"

সমুখৰ ফালে দূৰত এখন সৰু স্কুলৰ গে'ইট দেখা গৈছে।

খিড়িকীমুখত অকণিজনী

মাকৰ চিন্তাৰ কাৰণটো হ'ল এই যে ত'ত্ত'চ্চানে স্কুললৈ যোৱা আৰম্ভহে কৰিছিল যদিও তাইক ইতিমধ্যে স্কুলৰপৰা বহিষ্কাৰ কৰা হ'ল। কল্পনা কৰকচোন, প্ৰথম শ্ৰেণীতে বহিষ্কাৰ। মাত্ৰ এসপ্তাহৰ আগতে ঘটনাটো ঘটিল। ত'ত্ত'-চ্চানৰ শ্ৰেণীৰ শিক্ষয়িত্ৰীয়ে মাকক মাতি পঠাইছিল। তেখেতে চিধাই কথাটো উলিয়ালে, "আপোনাৰ ছোৱালীয়ে মোৰ গোটেই ক্লাছটো থান-থান কৰিলে। মই আপোনাৰ ছোৱালীজনীক বেলেগ স্কুললৈ নিবলৈ আপোনাক ক'বলৈ বাধ্য হৈছোঁ।" ধুনীয়াকৈ তৰুণী শিক্ষয়িত্ৰীগৰাকীয়ে হুমুনিয়াহ কাঢ়িলে। "সচাঁকৈয়ে মোৰ সহ্যৰ সীমা পাৰ হৈ গৈছে।"

মাক অবাক হ'ল। গোটেই ক্লাছটো থান-থান কৰাকৈ ত'ত্ত'চ্চানে নো কি কৰিলে, তেখেতে আচৰিত হৈ ভাবিলে।

অস্বস্তিৰে চকু পিৰিকিয়াই আৰু লগুৱা ল'ৰাৰ ধৰণে চুটিকৈ কটা চুলিখিনি ছুই ছুই শিক্ষয়িত্ৰীয়ে বুজাবলৈ চেষ্টা কৰিলে, "হয়, প্ৰথমতেই কওঁ ডেৰাজটোৰ কথা। সেইটো তাই এশবাৰমান খোলে আৰু বন্ধ কৰে। মই কৈছিলোঁ বোলোঁ কিবা থোৱা বা কিবা উলিউৱাৰ বাহিৰে এনেয়ে যেন সেইটো কোনেও খোলা-মেলা কৰি নাথাকে। সেইকাৰণে আপোনাৰ ছোৱালীয়ে অনবৰতে হয় কিবা থয়, নহয় কিবা উলিয়াই থাকে। তাইৰ বহীখন, পেন্সিলৰ টেমাটো, তাইৰ কিতাপবোৰ হয় সুমুৱায়, নহয় উলিয়ায়। উদাহৰণ হিচাপে ধৰক, আমি যেনিবা বৰ্ণমালা লিখিব খুজিছোঁ— আপোনাৰ ছোৱালীয়ে ডেৰাজটো খুলিব, তাইৰ বহীখন উলিয়াব, ঘটংকৈ ঢাকনিখন বন্ধ কৰিব। আকৌ ডেৰাজ খুলিব, মূৰটো সুমুৱাই দিব, পেন্সিল এডাল উলিয়াব, খৰকৈ ডেৰাজ বন্ধ কৰিব, আৰু এটা 'অ' লিখিব। যদি সেইটো বেয়াকৈ লিখিলে বা কিবা ভুল কৰিলে তেন্তে আকৌ ডেৰাজ খুলিব, এটুকুৰা ৰবৰ উলিয়াব, ডেৰাজ বন্ধ কৰিব, আখৰটো মচিব, আকৌ ৰবৰটুকুৰা থ'বলৈ ডেৰাজ খুলিব আৰু বন্ধ কৰিব আৰু এই গোটেইবোৰ কৰিব ধুমধামকৈ। যেতিয়া তাইৰ 'অ' আখৰটো লিখা হয়গৈ তেতিয়া প্ৰতিটো বস্তু এবাৰ এবাৰকৈ ডেৰাজত ভৰাব। পেন্সিলডাল থ'ব, ডেৰাজ বন্ধ কৰিব, আকৌ খুলিব আৰু বহীখন ভৰাব। তাৰ পিছত পিছৰ আখৰটো লিখোঁতে আকৌ একেই কাণ্ড— প্ৰথমে বহীখন, তাৰ পিছত পেন্সিলডাল, তাৰ পিছত ৰবৰ— প্ৰতিটো বস্তু উলিওৱাৰ বাবে ডেৰাজ বাৰে বাৰে খুলিব আৰু বন্ধ কৰিব। মোৰ

মূৰ ঘূৰাই যায়। আৰু গালি পাৰিবও নোৱাৰোঁ, কাৰণ তাইতো প্ৰতিবাৰতে সেইখন কিবা এটা কাৰণতহে খোলে আৰু জপায়।"

শিক্ষয়িত্ৰীৰ চকুৰ দীঘল নোমবোৰ আৰু বেছি ঘনকৈ লৰিবলৈ ধৰিলে, যেন তেওঁ গোটেই দৃশ্যটো চকুৰ আগতে দেখিবলৈহে পাইছিল।

ত'ত্ত'-চ্চানে কিয় ইমান ঘনাই তাইৰ ডেৰাজটো খোলে আৰু বন্ধ কৰে এই বিষয়ে মাকৰ মনত হঠাতে ধাৰণা এটা খেলালে। প্ৰথমদিনা স্কুলৰপৰা আহোঁতে ত'ত্ত'-চ্চানক বে'ছ উত্তেজিত যেন দেখাৰ কথা তেখেতৰ মনত পৰিল। তাই কৈ আছিল, "স্কুলত বঢ়িয়া লাগে দেই। ঘৰত যে মোৰ ডেৰাজটো টানি উলিয়াব লাগে, স্কুলৰটোৰ কিন্তু ঢাকনিখন দাঙি দিব লাগে। বাকছৰ দৰে। আৰু ভিতৰত যি কোনো বস্তু থ'ব পাৰি। বঢ়িয়া!"

তাই নতুন ডেৰাজটোৰ ঢাকনিখন আনন্দ মনেৰে খোলা আৰু বন্ধ কৰাৰ দৃশ্যটো মাকৰ মনত ভাঁহি উঠিল। অৱশ্যে এইটো সিমান দোষৰ কথা বুলি তেওঁ ভবা নাছিল। যি হওক, নতুনত্ব নাইকিয়া হৈ গ'লেই ত'ত্ত'-চ্চানে বোধহয় এনে কৰা বন্ধ কৰিব। কিন্তু শিক্ষয়িত্ৰীক তেখেতে মাথোন ক'লে,"মই বাৰু তাইৰ লগত কথা পাতি চাম।"

শিক্ষয়িত্ৰীগৰাকীৰ মাতটো আৰু চৰি গ'ল, "অকল এইখিনিয়েই হোৱা হ'লে কথা নাছিল।"

তেখেত অলপ আগলৈ হাউলি অহাত মাক চকীতেই পিছুৱাই গ'ল। "ডেৰাজটো ধপধপাই থকাৰ বাহিৰে আন সময়খিনিত তাই থিয় হৈ থাকে। গোটেই ক্লাছৰ সময়খিনিত।"

"থিয় হৈ থাকে? ক'ত?" আচৰিত হৈ মাকে সুধিলে।

"খিড়িকীমুখত", শিক্ষয়িত্ৰীগৰাকীয়ে ৰুক্ষভাৱে ক'লে।

"খিড়িকীমুখত কিয় থাকে?" মাকে বিমূঢ় হৈ সুধিলে।

"যাতে ৰাস্তাই ৰাস্তাই ঘূৰি ফুৰি গান-বাজনা কৰা দলবোৰক মাতি আনিব পাৰে", তেখেতে প্ৰায় চিঞৰি ক'লে।

শিক্ষয়িত্ৰীৰ কাহিনীটোৰ সাৰাংশ আছিল যে প্ৰায় এঘণ্টা সময় ধৰি একেলেথাৰিয়ে ডেৰাজৰ ঢাকনিখন ঘটং ঘটং কৈ জপোৱা-মেলা কৰি থাকি ত'ত্ত'-চ্চান খিড়িকীৰ কাষলৈ উঠি যায় আৰু বাহিৰলৈ চাই থাকে। শিক্ষয়িত্ৰীয়ে যেতিয়াই ভাবিবলৈ ধৰে যে যিমান সময় শান্ত হৈ থাকে তাতেই থাকিব পাৰে, তেতিয়াই তাই হঠাতে চিঞৰি মাতি আনিব জাকজমক পোছাক পিন্ধি সমুখেদি যোৱা বাজনাৰ দল একোটাক। ক্লাছৰুমটো তলৰ মহলাতে আৰু বাটৰ কাষতে হোৱা কাৰণে ত'ত্ত'-চ্চানৰ বেছ আনন্দই মিলিছিল আৰু শিক্ষয়িত্ৰীৰ হৈছিল মহা

সমস্যা। স্কুলৰ কাষত বেৰ বুলিবলৈ চাপৰ জেওৰা এখন হে আছিল, গতিকে বাটেদি গৈ থকা মানুহৰ লগত ভিতৰৰ শ্ৰেণীকোঠাৰপৰা সহজেই যেয়ে সেয়ে কথা পাতিব পাৰিছিল। ত'ত্ত'-চ্চানে মাতিলে বাজনাৰ দলটো পোনে পোনেই খিড়িকীৰ কাষলৈ গুচি আহে আৰু তাৰ পিছত, শিক্ষয়িত্ৰীয়ে ক'লে, ত'ত্ত'-চ্চানেও খবৰটো সকলোকে জনাই দিয়ে বোলে "তেওঁলোক আহিছে," আৰু লগে লগে বাকী সকলোবোৰ দলটোক মাতি মাতি খিড়িকীৰ কাষলৈ দৌৰ মাৰে।

"কিবা এটা বজাওকচোন", ত'ত্ত-চ্চানে কয় আৰু সাধাৰণতে যদিও স্কুলৰ কাষেদি দলটো নীৰৱে পাৰ হৈ যোৱাটোৱেই নিয়ম, তথাপি ত'ত্ত'-চ্চানৰ অনুৰোধত সিহঁতে উলহ-মালহেৰে ক্লেৰিঅ'নেট, বৰ কাঁহ, ড্ৰাম আৰু জাপানী গিটাৰেৰে এটা সুৰ বজাবলৈ ধৰে আৰু বেচেৰী শিক্ষয়িত্ৰীৰ এই গণ্ডগোলটো শেষ হোৱালৈকে বাট চাই থকাৰ বাহিৰে আৰু কৰিবলগীয়া একো নাথাকে।

অৱশেষত, বজোৱা শেষ হ'লে দলটো যায়গৈ আৰু ছাত্ৰ-ছাত্ৰীবোৰ নিজৰ ঠাইত বহেহি। কিন্তু ত'ত্ত'-চ্চান নাহে। শিক্ষয়িত্ৰীয়ে তাইক কিয় অহা নাই বুলি সুধিলে তাই বেছ গম্ভীৰভাৱেই কয়, "আৰু এটা দল আহিব পাৰে। এইটো দলো ঘূৰি আহিব পাৰে। আৰু আমি গম নোপোৱাকৈ পাৰ হৈ যাব পাৰে। তেতিয়া বৰ বেয়া কথা হ'ব।"

"দেখিছে, এইবোৰ কেনে ওলট-পালট কাণ্ড হৈছে, বুজিছে নহয়?" শিক্ষয়িত্ৰীয়ে আৱেগেৰে ক'লে। মাকে তেখেতক সহানুভূতি জনাব খোজোঁতেই তেখেতে আৰু তীক্ষ্ণ মাতেৰে ক'বলৈ ধৰিলে, "আৰু তাৰ উপৰি....."

"আৰু কি কৰিলে?" মাকৰ মনটো একেবাৰে দমি গৈছিল।

"আৰু কি কৰিলে", তেখেতে খঙেৰে ক'লে, "আৰু কি কি কৰে সেইবোৰ আনকি হিচাব কৰিব পৰা হ'লেও মই তাইক ইয়াৰপৰা লৈ যাবলৈ আপোনাক নক'লোহেঁতেন।"

নিজকে অলপ সংযত কৰি শিক্ষয়িত্ৰীয়ে ত'ত্ত'-চ্চানৰ মাকৰ মুখলৈ পোনে পোনে চালে। "কালি, ত'ত্ত'-চ্চান যথাৰীতি খিড়িকীমুখত ৰৈ আছিল। আৰু ময়ো তাই তেনেকুৱা দল এটালৈ বাট চাই আছে বুলি ভাবিয়েই ক্লাছ লৈ আছিলোঁ। হঠাতে তাই বাহিৰৰ কাৰোবাক চিঞৰি সোধা শুনিলোঁ, বোলে 'কি কৰিছা তোমালোকে?" মই য'ত আছিলোঁ তাৰপৰা তাই কাৰ লগত কথা পাতিছে দেখা নাছিলোঁ আৰু ভাবিলোঁ 'কি ঘটিছে'। তাৰ পিছত তাই আকৌ মাতিলে, 'তোমালোকে কি কৰিছা?' তাই ৰাস্তাৰ কাকো সম্বোধন কৰা নাই, ওপৰৰ কাৰোবাক হে কৰিছে। ফলত মোৰ কৌতূহল বাঢ়ি গ'ল আৰু কি উত্তৰ দিয়ে শুনিবলৈ চেষ্টা কৰিলোঁ। কিন্তু একো শুনিবলৈ নাপাওঁ। তথাপি আপোনাৰ

জীয়েকে বাৰে বাৰে চিঞৰি মাতি আছে বোলে 'কি কৰিছা'। আৰু সুধিছেও ইমান ঘনে ঘনে যে মই পঢ়াব নোৱৰা হ'লোঁ। গতিকে মই খিড়িকীৰ ওচৰলৈ গৈ চাব খুজিলোঁ আপোনাৰ জীয়েকেনো কাৰ লগত কথা পাতিছে। খিড়িকীৰে মুখ উলিয়াই ওপৰলৈ চাওঁতে দেখিলোঁ ক্লাছৰুমৰ ওপৰৰ আগছালিত এহাল বতাহী চৰায়ে বাঁহ সাজিছে। তাই বতাহী চৰাইৰ লগত কথা পাতি আছে! মই ল'ৰা-ছোৱালীৰ মন বুজি পাওঁ, সেই কাৰণে বতাহী চৰাইৰ লগত কথা পতাটো অস্বাভাৱিকতা বুলি মই ক'বলৈ নাযাওঁ। কিন্তু মই ভাবোঁ, ক্লাছ চলি থকাৰ সময়ত বাহিৰত বতাহী চৰাইবোৰে কি কৰি আছে সোধাটো সম্পূৰ্ণ বলিয়ালি।"

মাকে ক্ষমা খুজিবলৈ মুখখন মেলিবলৈ পোৱাৰ আগতেই শিক্ষয়িত্ৰীয়ে কৈ গ'ল, "তাৰ পিছত ছবি অঁকাৰ ক্লাছৰ ঘটনাটো। মই ল'ৰা-ছোৱালীবোৰক জাপানৰ পতাকাখন আঁকিবলৈ দিছিলোঁ। বাকী সকলোবোৰে ঠিকেই আঁকিলে কিন্তু আপোনাৰ ছোৱালীয়ে আঁকিলে নৌ-বাহিনীৰ পতাকাখন মানে সেই সূৰ্য্যৰশ্মিৰ সৈতে থকাখন। ঠিক আছে, আঁকক বাৰু, মই ভাবিলোঁ। কিন্তু তাৰ পিছত হঠাতে তাই তাৰ কেউকাষে দহি লগাবলৈ ধৰিলে। দহি বুইছেনে? যুৱদলৰ পতাকাবোৰত যেনেকুৱা দহি থাকে, তেনেকুৱা। ক'ৰবাত দেখিলে চাগৈ। তাই ঠিক কি কৰিছে মই বুজিবলৈ নাপাওঁতেই তাই হালধীয়া দহি আঁকিবলৈ লৈ বহী পাৰ কৰি ডেৰাজটোৰ ওপৰতে বেছিখিনি আঁকিলে। বুজিছে নহয়? পতাকাখনে কাগজৰ বেছি অংশই ল'লে, গতিকে দহিৰ কাৰণে আৰু ঠাই নাথাকিল। হালধীয়া ৰঙৰ পেন্সিলডালৰ শ শ দাগ কাগজৰ বাহিৰত লগাত তাই যেতিয়া কাগজখন তুলি নিলে, তাইৰ ডেৰাজটো বীভৎস হালধীয়া দাগৰ জংঘল যেন হৈ পৰিল আৰু ইমান ঘঁহি ঘঁহিও আমি আৰু সেইবোৰ গুচাব নোৱাৰিলোঁ। ভাগ্যে আঁচবোৰ তিনিফালেহে আছিল।"

একো নুবুজি মাকে লগে লগে সুধিলে, "তিনি ফালেহে মানে কি বুজাইছে?"

ভাগৰ লাগি গৈছিল যদিও শিক্ষয়িত্ৰীগৰাকীয়ে দয়া কৰি বুজাই দিলে, "বাওঁফালে পতাকাৰ দণ্ডডাল আঁকিছিল নহয়, গতিকে দহিবোৰ অকল পতাকাখনৰ তিনিফালেহে আছিল।"

মাক অলপ আশ্বস্ত হ'ল, "অ' বুজিলোঁ, অকল তিনিফালেহে।"

উত্তৰত শিক্ষয়িত্ৰীগৰাকীয়ে প্ৰতিটো শব্দত জোৰ দি দি ক'লে,"কিন্তু পতাকাৰ দণ্ডডালৰ বেছিখিনি কাগজৰ বাহিৰতে অঁকা হৈছিল আৰু সেইডালো এতিয়াও ডেৰাজৰ ওপৰতে আছে।"

তাৰ পিছত চকীৰপৰা উঠি তেখেতে নিৰুত্তাপ মাতেৰে ক'লে, "অকল ময়েই জুলিব লগা হোৱা নাই, ওচৰৰটো ক্লাছৰুমৰ শিক্ষয়িত্ৰীৰো সমস্যা হৈছে।"

দেখ দেখকৈয়ে মাকে এই বিষয়ে কিবা এটা কৰা দৰকাৰ। আন ছাত্ৰ-ছাত্ৰীবোৰৰ কাৰণে কথাটো ভাল হোৱা নাই। তেখেতে আন এখন স্কুল বিচাৰি উলিয়াব লাগিব য'ত তেখেতৰ অকণমানি ছোৱালীজনীক তেওঁলোকে বুজি পাব আৰু সকলোৰে লগত মিলি-জুলি চলিবলৈ শিকাব।

এতিয়া সিহঁত য'লৈ গৈ আছে সেইখন স্কুলৰ খবৰ মাকে ভালেখিনি বিচাৰ-খোচাৰ কৰাৰ মূৰতহে পাইছিল।

স্কুলৰপৰা খেদাখোৱা বুলি মাকে ত'ত্ত'-চ্চানক কোৱা নাছিল। তেখেতে উপলব্ধি কৰিছিল যে তাই নিজৰ নো কি ভুল হৈছে বুজি নাপাব আৰু তেখেতে তাইৰ কোনো মানসিক জটিলতা হোৱাটো নিবিচাৰে ; সেই কাৰণে বুজন নোহোৱালৈকে তাইক একোকে নক'বলৈ ঠিক কৰিলে। মাকে মাত্ৰ সুধিছিল,

"তোমাৰ বাৰু নতুন স্কুল এখনলৈ যাবলৈ মন আছে নে? এখন বৰ বঢ়িয়া স্কুল আছে বুলি শুনিছোঁ।"

"ঠিক আছে", কথাটো অলপ ভাবি চাই ত'ত্ত'-চ্চানে ক'লে। "কিন্তু.....।"

"কি কথা হ'ল", মাকে ভাবিলে। "তাইক স্কুলৰপৰা খেদা বুলি বুজি পালে নেকি?"

কিন্তু এক মুহূৰ্তৰ পিছতে ত'ত্ত'-চ্চানে আনন্দ মনেৰে সুধিলে "নতুন স্কুলখনলৈ বাজনাৰ দলবোৰ যাবনে বাৰু?"

নতুন স্কুলখন

নতুন স্কুলৰ পদূলিমুখ দেখিয়েই ত'ত্ত'-চ্চান থমকি ৰ'ল। তাই আগতে যিখন স্কুললৈ গৈছিল তাৰ গে'ইটখনৰ দুকাষে দুটা ধুনীয়া কংক্ৰিটৰ খুটাত ডাঙৰ ডাঙৰ আখৰেৰে স্কুলখনৰ নামটো লিখা আছিল। কিন্তু এই নতুন স্কুলখনৰ গে'ইটত ডাল-পাতেৰে গৈতে মাত্ৰ দুটা যথেষ্ট চাপৰ খুটাহে আছিল।

"গে'ইটখনৰ খুটা দুটা বাঢ়ি গৈছে, "ত'ত্ত'-চ্চানে ক'লে। "বাঢ়ি বাঢ়ি গৈ কিজানি এই দুটা টেলিফোনৰ খুটাতকৈও ওখ হ'বগৈ। "

খুটা দুটা সঁচাকৈয়ে শিপাৰে সৈতে গছেই আছিল। ওচৰ চাপি গৈ তাই বতাহত হালি থকা চাইনব'ৰ্ডখনৰ নামটো পঢ়িবলৈ মূৰটো বেঁকা কৰিলে। "ত'-মে'-গা-কু-এন"।

ত'মে' মানে কি বুলি মাকক সুধিব খোজোঁতেই ত'ত্ত'-চ্চানে এনে কিবা এটা দেখিলে যে তাইৰ সপোন দেখা যেনহে লাগিল। মাটিতে বহি তাই জোপোহাবোৰৰ মাজেদি ভালকৈ চাব খুজিলে, কিন্তু নিজৰ চকুকে বিশ্বাস কৰিবলৈ টান পালে।

"মা, সেইখন সঁচাকৈয়ে ৰে'লগাড়ীনে কি? স্কুলৰ পথাৰত?"

স্কুলখনৰ ক্লাছৰুম হিচাপে ছয়টা ৰে'লৰ ডবা ব্যৱহাৰ কৰা হৈছিল। ত'ত্ত'-চ্চানৰ কাৰণে দৃশ্যটো কিবা সপোনৰ বিষয়হে। ৰে'লৰ ডবাত স্কুল!

ডবাটোৰ খিড়িকীবোৰ পুৱাৰ বেলিৰ পোহৰত উজ্বলি আছিল। পিছে জোপোহাবোৰৰ মাজেদি সেইবোৰলৈ একেথিৰে চাই থকা এই গুলপীয়া গালৰ ছোৱালীজনীৰ চকু দুটা তাতকৈও বেছিকৈ জিলিকিবলৈ ধৰিলে।

"স্কুলখন ভাল লাগিছে !"

পিছ মুহূৰ্ততে এটা চিঞৰ মাৰি ত'ত্ত'-চ্চানে ৰেলৰ ডবাৰ স্কুলখনৰ ফালে দৌৰিবলৈ ধৰিলে। দৌৰি থাকোঁতেই মূৰটো ঘূৰাই ঘূৰাই তাই মাকক চিঞৰি মাতিবলৈ ধৰিলে, "আহাঁ, সোনকালে আহাঁ, সেই ৰৈ থকা ৰে'লখনত উঠোঁগৈ।

চক্ খাই মাক তাইৰ পিছে পিছে দৌৰিবলৈ ধৰিলে। মাকে আগতে বাস্কেট বল খেলিছিল, সেইকাৰণে তেখেতে ত'ত্ত'-চ্চানতকৈ বেগাই দৌৰিব পাৰিছিল। তাই গৈ দুৱাৰমুখ পাওঁতেই তেখেতে তাইৰ চোলাত খামুচি ধৰিলে।

"তুমি এতিয়াই সোমাব নোৱাৰা", মাকে তাইক ধৰি ৰাখি ক'লে। "ডবাবোৰ হ'ল ক্লাছৰুম আৰু তোমাকতো এতিয়াও ইয়াত লোৱাই হোৱা নাই। সঁচাকৈয়ে যদি তাত উঠিব খোজা তেন্তে তুমি হেডছাৰৰ ওচৰত ভাল ছোৱালী, নম্ৰ ছোৱালী হ'ব লাগিব। আমি এতিয়া তেখেতক দেখা কৰিম। আৰু যদি সকলো ঠিক থাকে তেন্তে তুমি এইখন স্কুলত পঢ়িবলৈ পাবা, বুজিছা নহয়?"

চিধাই ৰে'লখনত উঠিবলৈ নাপাই ত'ত্ত'-চ্চান বৰকৈয়ে নিৰাশ হ'ল। কিন্তু মাকৰ মতে চলাই ভাল হ'ব বুলি তাই ঠিক কৰিলে।

"ঠিক আছে", তাই ক'লে। তাৰ পিছতে আৰু একেষাৰ লগাই দিলে "এইখন স্কুল বৰ ভাল লাগিব।"

মাকৰ তাইক বৰ ক'বৰ মন গৈছিল যে স্কুলখন তাইৰ ভাল লগা-নলগাটো আচল কথা নহয়, আচল কথা হ'ল হে'ডমাষ্টৰৰ তাইক ভাল লাগিব নে নালাগে। কিন্তু তেখেতে কেৱল তাইৰ চোলাৰপৰা হাত এৰি দিলে, তাইৰ হাতত ধৰিলে আৰু হে'ডমাষ্টৰৰ অফিছৰ পিনে পোনাই দিলে।

গোটেইকেইটা ডবা নীৰৱ হৈ আছিল, কাৰণ দিনটোৰ প্ৰথম শ্ৰেণীটো আৰম্ভ হৈছিল। স্কুলৰ অপ্ৰশস্ত পথাৰখন বেৰাৰ সলনি গছে ঘেৰি আছিল আৰু ফুলনিত ৰঙা আৰু হালধীয়া ফুল উপচি আছিল।

হে'ডমাষ্টৰৰ অফিছটো ডবাত নহয়, গে'ইটৰ বিপৰীতে সাত খলপা অৰ্ধবৃত্তাকাৰ পাথৰৰ ছিৰিৰ ওপৰত থকা এটা এমহলীয়া ঘৰৰ সোঁফালে।

ত'ত্ত'-চ্চানে মাকৰ হাত এৰি দৌৰি গৈ ছিৰিকেইটা বগালে আৰু তাৰ পিছত হঠাৎ ঘূৰিল ; ফলত মাকে তাইৰ গাত খুন্দা খাবই খুজিছিল।

"কি হ'ল তোমাৰ?" স্কুলখন সম্পৰ্কে ত'ত্ত'-চ্চানে নিজৰ মত সলনি কৰিছে বুলি ভয় কৰি মাকে সুধিলে।

একেবাৰে ওপৰৰ ছিৰিত মাকতকৈ ওপৰত থিয় হৈ ত'ত্ত'-চ্চানে গুৰুত্ব-সহকাৰে মাকক ফুচফুচাই ক'লে, "আমি যে লগ পাবলৈ যাম মানুহজন, ষ্টেচনমাষ্টৰহে দিয়া!"

মাকৰ প্ৰচুৰ ধৈৰ্য্য আৰু ৰসবোধ আছিল। নিজৰ মুখখন ত'ত্ত'-চ্চানৰ মুখৰ ওচৰ চপাই তেখেতে ফুচফুচাই সুধিলে, "কিয়?"

প্ৰত্যুত্তৰত ত'ত্ত'-চ্চানেও ফুচফুচাই ক'লে, "তুমি কৈছা তেখেত হে'ডমাষ্টৰ। কিন্তু এই ডবাবোৰ যদি তেখেতৰ নিজৰে, তেন্তে তেখেত নিশ্চয় ষ্টেচনমাষ্টৰহে হ'ব।"

মাকে স্বীকাৰ কৰিব লগা হ'ল যে পুৰণা ডবাবোৰ স্কুল হিচাপে ব্যৱহাৰ কৰাটো অস্বাভাৱিক কথা, হয়। কিন্তু ব্যাখ্যা কৰি থকাৰ সময় নাছিল। তেখেত কেৱল ক'লে, "তুমি নিজেই তেখেতক নোসোধা কিয়? আৰু, বাৰু তোমাৰ দেউতাৰাৰ বিষয়ে কি ক'বা তেন্তে? তেখেতে বেহেলা বজায়, নহয় জানো? আৰু নিজৰ কেইবাখনো বেহেলা আছে। কিন্তু তাৰ মানেতো আমাৰ ঘৰখন বেহেলাৰ দোকান নহয়, হয় জানো?"

"ও হোঁ, নহয়", ত'ত্ত'-চ্চানে মানি ল'লে আৰু মাকৰ হাতত ধৰিলে।

হেডমাষ্টৰজন

মাক আৰু ত'ত্ত'-চ্চান ভিতৰলৈ সোমাওঁতে অফিছত বহি থকা মানুহজন চকীৰপৰা উঠিল।

তেখেতৰ মাজমূৰত চুলি প্ৰায় নায়েই আৰু দুটামান দাঁতো নাই। কিন্তু তেখেতৰ মুখখনত স্বাস্থ্যৰ ৰং আছিল। বৰ ওখ নহয় যদিও তেখেতৰ কান্ধ আৰু বাহু বলিষ্ঠ আৰু তেখেতে কিছু জধলা কোট-পেণ্ট-ৱেষ্টকোট সমন্বিত ক'লা চুট এযোৰকে পৰিপাটীকৈ পিন্ধিছিল।

লৰালৰিকৈ এবাৰ মূৰ দোঁৱাই ত'ত্ত'-চ্চানে উৎসাহেৰে সুধিলে, "আপুনি কি নো? স্কুলমাষ্টৰ নে ষ্টেচনমাষ্টৰ?"

মাক বিব্ৰত হ'ল, কিন্তু তেখেতে বুজাই ক'বলৈ সময় নাপাওঁতেই হে'ডমাষ্টৰে হাঃ হাঃ কৈ হাঁহিলে আৰু উত্তৰ দিলে, "মই এইখন স্কুলৰ হেডমাষ্টৰ।"

ত'ত্ত'-চ্চানে স্ফূৰ্ত্তি পালে। "অ', বৰ ভাল লাগিল।" তাই ক'লে, "মই আপোনাৰ স্কুলতে পঢ়িব খুজিছোঁ; এইখন স্কুলত পঢ়িবলৈ মোৰ বৰ ভাল লাগিব।"

হে'ডমাষ্টৰে তাইক বহিবলৈ চকী এখন দিলে আৰু মাকলৈ ঘূৰি চালে। "আপুনি ঘৰলৈ যাব পাৰে। মই ত'ত্ত'-চ্চানৰ লগত কথা পাতিব খোজোঁ।"

এক মুহূৰ্তৰ কাৰণে ত'ত্ত'-চ্চানৰ অস্বস্তি লাগিল। কিন্তু কেনেবাকৈ তাই অনুভৱ কৰিলে যে এই মানুহজনৰ লগত তাই ঠিকেই কথা-বতৰা পাতিব পাৰিব।

"ভাল তেন্তে, মই তাইক আপোনাৰ লগত এৰিলোঁ", মাকে সাহসেৰে ক'লে আৰু বাহিৰলৈ ওলাই দুৱাৰ জপাই দিলে।

হে'ডমাষ্টৰে চকী এখন টানি ত'ত্ত'-চ্চানৰ ওচৰতে মুখামুখিকৈ পাতি ল'লে আৰু বহি লৈ ক'লে "এতিয়া তেন্তে, মোক তোমাৰ বিষয়ে সকলো কথা কোঁৱা। তোমাৰ যিহকে ক'বলৈ মন যায় কোঁৱা।"

"মোৰ যিহকে ক'বলৈ মন যায়?" ত'ত্ত'-চ্চানে আশা কৰিছিল যে তেখেতে প্ৰশ্ন সুধিব আৰু তাই উত্তৰ দিব লাগিব। তেখেতে যেতিয়া ক'লে যে তাই যিহকে ক'বলৈ বিচাৰে তাকে ক'ব পাৰিব, তেতিয়া তাই ইমান ভাল পালে যে চিধাই কথা আৰম্ভ কৰি দিলে। কওঁতে কিছু ওলট-পালট হ'ল কিন্তু তাই যিমানৰ যোগ্য, সকলোখিনিকে ক'লে। তাই ক'লে সিহঁত অহা ৰে'লখন কিমান বেগাই আহিছিল; কেনেকৈ তাই টিকেট-সংগ্ৰাহকজনক খুজিছিল যদিও তেওঁ টিকেটখন ৰাখিবলৈ নিদিলে; আনখন স্কুলত তাইৰ শ্ৰেণীকোঠাৰ শিক্ষয়িত্ৰীগৰাকী কিমান ধুনীয়া আছিল; বতাহী চৰাইৰ বাহৰ বিষয়ে, সিহঁতৰ মুগা ৰঙৰ কুকুৰ ৰকিৰ বিষয়ে, কুকুৰটোৱে কিমান কৌশল জানে, কেনেকৈ তাই কিণ্ডাৰগাৰ্টেনত মুখৰ ভিতৰত কেঁচী ৰাখি কিছিক্-কিছিক্ শব্দ কৰিছিল, আৰু শিক্ষয়িত্ৰীয়ে যে কৈছিল তাই তেনেকুৱা কৰিব নালাগে বুলি, কাৰণ জিভাখন কাটি যাব পাৰে; তথাপি তাই সেই কামটো কৰি আছিল; কেনেকৈ তাই সদায় সেঙুন চুঁচি পেলায়, কাৰণ সেঙুন বৈ থাকিলে মাকে খং কৰে, দেউতাকে কেনে ভালকৈ সাতুঁৰিব পাৰে, কেনেকৈ তেখেতে ওপৰৰপৰা পানীলৈ জপিয়াই ডুব মাৰিবও পাৰে। তাই কৈয়েই গ'ল। হে'ড মাষ্টৰে হাঃ হাঃ কৈ হাঁহে, মূৰ দুপিয়ায় আৰু কয়, "তাৰ পিছত?" আৰু ত'ত্ত'-চ্চান ইমান সুখী হৈছিল যে তাই চিধাচিধি কৈ গৈ থাকিল। কিন্তু অৱশেষত তাইৰ কথা শেষ হৈ গ'ল। মুখখন বন্ধ কৰি তাই কিবাকিবি ভাবি উলিয়াবলৈ চেষ্টা কৰিবলৈ ধৰিলে।

"তোমাৰ আৰু মোক ক'বলৈ একো নাই?" হে'ডমাষ্টৰে সুধিলে।

'এতিয়া ৰৈ যাব লগাটো কিমান লাজৰ কথা হ'ল', ত'ত্ত'-চ্চানে ভাবিলে। ইমান বঢ়িয়া সুবিধা মিলিছিল। কথা ক'বলৈ আৰু একো বিষয় নাই? মগজটো চলাথ কৰি তাই ভাবিলে। তেনেতে এটা ধাৰণা আহিল।

তাই সেইদিনা পিন্ধি অহা চোলাটো সম্পৰ্কেই কথা ক'ব পাৰি দেখোন। মাকে নিজেই তাইৰ বেছিভাগ চোলা চিলাই দিয়ে। কিন্তু এইটো চোলা দোকানৰপৰা কিনা। সন্ধিয়া ঘৰলৈ ওভতোতে তাইৰ কাপোৰ-কানি সদায় ফাটি আহে। কিছুমান যে বৰ বেয়াকৈ ফাটে। সেইবোৰনো কেনেকৈ এনেকুৱাকৈ ফাটে মাকে নাজানিছিল। আনকি তাইৰ বগা কপাহী জাঙিয়াবোৰো কেতিয়াবা ছিৰাছিৰ হৈ আহে। হে'ডমাষ্টৰক তাই বুজাই ক'লে যে তাই আন মানুহৰ বাৰীত জেওৰাৰ তলেৰে বগুৱা বাই সোমাওঁতে আৰু খালী পৰি থকা মাটিবোৰৰ কেউফালে থকা কাঁইটীয়া তাঁৰৰ বেৰাৰ তলেদি খান্দি ওলোৱা-সোমোৱা কৰোঁতেই তেনেকৈ ফাটে। সেইকাৰণে ৰাতিপুৱা যেতিয়া তাইক ইয়ালৈ আনিবলৈ উলিউৱা হৈছিল তেতিয়া মাকে চিলোৱা ধুনীয়া ধুনীয়া চোলাবোৰ ফাটি থকা কাৰণে মাকেই কিনা এইটো চোলাকে পিন্ধিবলগীয়া হ'ল। চোলাটো কাৰা ৰঙা আৰু মুগা ৰঙৰ সৰু সৰু আঁচ দিয়া আৰু গোঁথা কাপোৰ আছিল আৰু সিমান বেয়া নাছিল। কিন্তু কলাৰত চিলাই কৰি তুলি দিয়া ৰঙা ফুলটো মাকে বেয়া হোৱা বুলি ভাবে। "মাই কলাৰটো ভাল নেদেখে," হে'ডমাষ্টৰে দেখাকৈ কলাৰটো দাঙি ধৰি ত'ত্ত'-চ্চানে ক'লে।

তাৰ পিছত ইমান চেষ্টা কৰিও তাই আৰু ক'বলৈ একোকে বিচাৰি নাপালে। গতিকে তাইৰ বেছ দুখেই লাগিল। পিছে ঠিক তেনেকুৱাতে হে'ডমাষ্টৰ উঠি তেখেতৰ ডাঙৰ, উমাল হাত এখন তাইৰ মূৰত ৰাখি ক'লে, "ঠিক আছে, তুমি এতিয়া এই স্কুলৰ ছাত্ৰী হ'লা।"।

ঠিক এইকেইটাই আছিল তেখেতে কোৱা শব্দ। আৰু সেই মুহূৰ্তত ত'ত্ত'-চ্চানে অনুভৱ কৰিলে যে জীৱনত এই প্ৰথমবাৰৰ কাৰণে তাই সঁচাকৈয়ে ভাল পোৱা মানুহ এজনক লগ পালে। তেতিয়ালৈকে কোনেও তাইৰ কথা ইমান সুদীৰ্ঘ সময় ধৰি মন দি শুনা নাছিল। গোটেইখিনি সময়ত হে'ডমাষ্টৰে এবাৰো হামিওৱা নাছিল বা বিৰক্তি লগা যেন দেখুউৱা নাছিল। তাই ক'বলৈ লোৱা কথাবোৰত তেখেতৰো তাইৰ সমানেই আগ্ৰহ থকা যেন দেখা গৈছিল।

সময় কিমান হৈছে সেই কথা বুজিবলৈ ত'ত্ত'-চ্চানে তেতিয়ালৈকে শিকা নাছিল। কিন্তু বহুত সময় পাৰ হৈ যোৱা যেন লাগিছিল। তাই জনা হ'লে আচৰিত হ'লহেঁতেন আৰু হে'ডমাষ্টৰৰ ওচৰত অধিক কৃতজ্ঞ হ'লহেঁতেন কাৰণ মাক আৰু ত'ত্ত'-চ্চান আহি স্কুল পাওঁতে আঠ বাজিছিল, আৰু যেতিয়া তাই কথা শেষ কৰিছিল আৰু হে'ডমাষ্টৰে তাইক কৈছিল 'তাই সেই স্কুলৰ ছাত্ৰী' বুলি, তেতিয়া তেখেতে জেপঘড়ীটো চাই কৈছিল, "অ', ভাত খোৱাৰ সময় হ'ল"। তাৰ মানে হে'ডমাষ্টৰে নিশ্চয় নগদ চাৰিঘণ্টা ধৰি তাইৰ কথা মন দি শুনিলে।

তাৰ আগতে, অথবা তাৰ পিছতো কোনো ডাঙৰ মানুহে ত'ত্ত'-চ্চানৰ কথা ইমান সময় ধৰি মন দি শুনা নাছিল। তাৰ উপৰি এজনী সাত বছৰীয়া ছোৱালীয়ে চাৰি ঘণ্টা একে লেথাৰিয়ে ক'বলৈ যথেষ্ট কথা বিচাৰি পোৱাৰ কথা গম পালে তাইৰ মাক আৰু শ্ৰেণীৰ শিক্ষয়িত্ৰীগৰাকী আচৰিত হৈ গ'লহেঁতেন।

সেইখিনি সময়ত ত'ত্ত'-চ্চানৰ ধাৰণাই নাছিল যে তাইক বহিষ্কাৰ কৰা হৈছিল আৰু কি কৰিব কি নকৰিব ভাবি মানুহবোৰ বিবুধি হৈ পৰিছিল। স্বভাৱতে ৰাংঢালী আৰু অলপ অন্যমনস্ক হোৱা কাৰণে তাইক সৰল যেন দেখা গৈছিল; কিন্তু অন্তৰৰ গহনত তাই অনুভৱ কৰিছিল যে তাইক আন ল'ৰাছোৱালীতকৈ বেলেগ আৰু কিছু অদ্ভুত বুলি বিবেচনা কৰা হয়। যি হওক, হে'ডমাষ্টৰে তাইক নিৰাপদ, উৎসাহী আৰু সুখী যেন অনুভৱ কৰিব পৰা কৰিছিল। তাইৰ তেখেতৰ লগত চিৰকাল থাকি যাবলৈ মন গৈছিল।

সেই প্ৰথম লগ পোৱাৰ দিনা হে'ডমাষ্টৰ ছ'ছাকু ক'বায়াশ্বিৰ বিষয়ে ত'ত্ত'-চ্চানে এনেকৈয়ে অনুভৱ কৰিছিল। আৰু সৌভাগ্যবশতঃ হে'ডমাষ্টৰেও তাইৰ বিষয়ে তেনেকৈয়ে ভাবিছিল।

দুপৰীয়াৰ আহাৰ

ল'ৰাছোৱালীবোৰে দিনৰ ভাতসাজ য'ত খায় তালৈ হে'ডমাষ্টৰে ত'ত্ত'-চ্চানক লৈ গ'ল। "ডবাত আমি খোৱা-বোৱা নকৰোঁ নহয়, " তেখেতে বুজাই কৈছিল, "সভাভৱনতহে খাওঁ।" সভাভৱনটো আছিল ত'ত্ত'-চ্চানে কিছু আগতে দেখা ছিৰিকেইটাৰ মূৰত। সিহঁত সেইখিনি গৈ পাওঁতে ল'ৰা-ছোৱালীবোৰে হুলস্থুল লগাই ডেস্ক আৰু চকীবোৰ অদল-বদল কৰি সেইবোৰ গোলকৈ সজাই আছিল। এটা চুকত ৰৈ চাই থাকোঁতে ত'ত্ত'-চ্চানে হে'ডমাষ্টৰৰ জেকেটত টানি ধৰি সুধিলে, "বাকীবোৰ ল'ৰা-ছোৱালী ক'ত?"

"ইয়াতেই আছে আটাইবোৰ ", তেখেতে উত্তৰ দিছিল।

"আটাইবোৰ ?" ত'ত্ত'-চ্চানে বিশ্বাস কৰিব পৰা নাছিল। আন স্কুলত এটা শ্ৰেণীতে ইমানখিনি ল'ৰা-ছোৱালী আছিল।

"তাৰ মানে গোটেই স্কুলত কেৱল পঞ্চাছটামানহে ল'ৰা-ছোৱালী আছে। "

"সিমানখিনিয়েই ", হে'ডমাষ্টৰে কৈছিল।

'এইখন স্কুলত প্ৰতিটো কথাই ইখন স্কুলতকৈ বেলেগ', ত'ত্ত'-চ্চানে ভাবিলে।

আটাইবোৰ বহাত হে'ডমাষ্টৰে ছাত্ৰ-ছাত্ৰীবোৰক সুধিলে সিহঁতে মহাসাগৰৰপৰা কিবা অলপ আৰু পাহাৰৰপৰা কিবা অলপ আনিছে নে?

"আনিছোঁ", সিহঁতে সমস্বৰে উত্তৰ দিলে।

"কি কি আছে চাওঁচোন বাৰু, " ডেস্কৰ বৃত্তটোত ঘূৰি-পকি আৰু প্ৰতিটো আহাৰ অনা টেমা পৰীক্ষা কৰি কৰি হেড'মাষ্টৰে ক'লে আৰু ল'ৰা-ছোৱালীবোৰে আনন্দত চেঁ-চেঁয়াবলৈ ধৰিএল।

"কেনে মজাৰ।" ত'ত্ত'-চ্চানে ভাবিলে।

"তেখেতেনো মহাসাগৰৰপৰা কিবা অলপ আৰু পাহাৰৰপৰা কিবা অলপ মানে কি বুজাইছে বা।"এইখন স্কুল বেলেগ ধৰণৰ । কেনে মজাৰ ! তাই কেতিয়াও ভবা নাছিল যে স্কুলত দিনৰ সাজ আহাৰ খোৱাটো ইমান স্ফূৰ্তিৰ কথা হ'ব পাৰে। কাইলৈ তাই সেই ডেস্কবোৰৰ এখনত বহিব, হে'ডমাষ্টৰক "মহাসাগৰৰপৰা কিবা অলপ, পাহাৰৰপৰা কিবা অলপ"ৰ সৈতে আহাৰখিনি দেখুৱাব। এই ভাবটোৱেই ত'ত্ত-চ্চানৰ মনত ইমান আনন্দ দিলে যে তাইৰ স্ফূৰ্তিতে জঁপিয়াবৰ মন গ'ল।

আহাৰৰ টেমাবোৰ চাই ঘূৰি ফুৰোঁতে হে'ডমাষ্টৰৰ কান্ধ দুখন দিনৰ কোমল পোহৰেৰে বিধৌত হৈ আছিল।

ত'ত্ত'-চ্চানে স্কুলীয়া জীৱন আৰম্ভ কৰিলে

হে'ডমাষ্টৰে "এতিয়া তুমি এইখন স্কুলৰ ছাত্ৰী" বুলি কোৱাৰপৰাই ত'ত্ত'-চ্চানে পিছদিনাৰ দিনটো আৰম্ভ হোৱালৈ বাট চাবই নোৱৰা হ'ল। এটা দিন আৰম্ভ হোৱালৈ আগতে তাই কেতিয়াও ইমান আগ্ৰহেৰে বাট চোৱা নাছিল। সাধাৰণতে ত'ত্ত'-চ্চানক ৰাতিপুৱা বিছনাৰপৰা তুলিবলৈ মাকৰ যথেষ্ট অসুবিধা হৈছিল। কিন্তু সেইদিনা আন কোনোবা উঠাৰ আগতেই তাই উঠিল, পোছাক পিন্ধিলে আৰু পিঠিত স্কুলৰ মোনা ওলোমাই লৈ সাজু হৈ থাকিল।

ঘৰখনৰ আটাইতকৈ বেছি নিয়মানুবৰ্তী সদস্য জাৰ্মান শ্বেফাৰ্ড ৰকিয়ে ত'ত্ত'-চ্চানৰ ব্যতিক্ৰমী ব্যৱহাৰ দেখি সন্দেহৰ চাৱনিৰে চালে, কিন্তু ভালকৈ এঙামুৰি এটা দি উঠি সি কিবা ঘটিব বুলি আশা কৰি তাইৰ ওচৰত থিয় হৈ ৰ'ল।

মাকৰ বহুত কাম আছিল। তেখেতে লৰালৰিকৈ মহাসাগৰৰপৰা কিবা অলপ আৰু পাহাৰৰপৰা কিবা অলপ" থকা দিনৰ সাজ আহাৰৰ টেমা সাজু কৰিলে আৰু আনহাতে ত'ত্ত'-চ্চানক পুৱাৰ আহাৰ খাবলৈ দিলে। তেখেতে ত'ত্ত'-চ্চানৰ ৰে'লৰ 'পাছ'খন প্লষ্টিকৰ খাম এটাত ভৰালে আৰু তাই যাতে হেৰুৱাব নোৱাৰে তাৰ বাবে সেইখন ৰছী এডালেৰে তাইৰ ডিঙিত আঁৰি দিলে।

"ভাল ছোৱালী হ'বি দেই, " অবিন্যস্ত চুলিৰে দেউতাকে ক'লে।

"হ'মতো।" ত'ত্ত'-চ্চানে জোতা পিন্ধিলে আৰু সমুখৰ দুৱাৰ খুলিলে, তাৰ পিছত ঘূৰিল, নম্ৰভাৱে মূৰ দোঁৱালে আৰু ক'লে, "সকলোকে কৈছোঁ দেই, শুভ বিদায়।"

ত'ত্ত'-চ্চান বাহিৰলৈ ওলাই যোৱা চাই চাই মাকৰ দুচকু পানীৰে উপচি পৰিল। এই তজবজীয়া সৰু ছোৱালীজনী ইমান বাধ্যতাৰে আৰু ৰংমনেৰে যাবলৈ ওলাইছে, তাইক যে কিছু আগতে স্কুলৰপৰা খেদি পঠিওৱা হ'ল— বিশ্বাস কৰিবলৈকে টান লাগে। তেখেতে আন্তৰিকতাৰে প্ৰাৰ্থনা কৰিলে এইবাৰ যেন সকলো ভালে ভালে যায়।

এক মুহূৰ্ত পিছত মাকে দেখি চক খালে যে ত'ত্ত'-চ্চানে ৰে'লৰ 'পাছ'খন খুলি ৰকিৰ ডিঙিত পিন্ধাই দিছে। 'ইছ্, কি যে কৰে .....", মাকে ভাবিলে কিন্তু একো নকৈ কিনো কৰে চাবলৈ সিদ্ধান্ত কৰিলে।

পাছখনৰ সৈতে ৰছীডাল ৰকিৰ ডিঙিত সুমুৱাই দিয়াৰ পাছত তাই আঁঠুকাঢ়ি বহিল আৰু ক'লে "দেখিছ, এইখন তোলৈ জোখৰ নহয়।" ৰছীডাল বৰ দীঘল আছিল আৰু পাছখন মাটিত চুচঁৰি গৈছিল।

"বুইছনে ? এইখন মোৰ 'পাছ', তোৰ নহয়। তই ৰে'লত উঠিব নোৱাৰিবি। মই বাৰু হে'ডমাষ্টৰক সুধিম আৰু ষ্টেচনৰ মানুহজনকো সুধিম দেই। তোকো তেওঁলোকে স্কুললৈ যাবলৈ দিয়ে নে কি, চাম বাৰু।"

ৰকিয়ে প্ৰথমতে মনোযোগেৰে কাণ থিয় কৰি শুনিছিল। কিন্তু পাছখন কেইবাৰমান চেলেকি উঠি সি হামিয়ালে। ত'ত্ত'-চ্চানে কৈ গ'ল, "স্কুলৰ ৰে'লখন নচলে নহয়। সেইকাৰণে চাগে' তোক তাত উঠিবলৈ টিকেট নালাগিবই। পিছে আজি তই মোলৈ বাট চাই ঘৰতে থাকিবি দেই।"

ৰকি সদায় আনখন স্কুলৰ গে'ইটলৈকে ত'ত্ত'-চ্চানৰ লগত গৈ তাৰপৰা উভতি আহিছিল। স্বাভাৱিকতে আজিও সি তাকেই আশা কৰিছিল।

ত'ত্ত'-চ্চানে ৰকিৰ ডিঙিৰপৰা পাছখন লগোৱা ৰছীডাল খুলি আনি সযতনে নিজৰ ডিঙিত পিন্ধি ল'লে। আকৌ এবাৰ তাই মাক আৰু দেউতাকক ক'লে, "যাওঁ দেই"।

তাৰ পিছত পিছলৈ এবাৰো নোচোৱাকৈ তাই দৌৰি গ'লগৈ, তাইৰ বেগটোৱে পিঠিত ধপধপাই শব্দ কৰি গ'ল। ৰকি ৰংমনেৰে তাইৰ লগত উফৰি যোৱাদি গ'ল।

ষ্টেচনলৈ যোৱা ৰাস্তাটো আগৰ স্কুললৈ যোৱাটোৱেই। সেইকাৰণে তাই বাটত চিনাকি কুকুৰ-মেকুৰীবোৰ আৰু আগৰ একে শ্ৰেণীতে পঢ়া ল'ৰা-ছোৱালীবোৰ লগ পালে।

'সিহঁতক পাছখন দেখুৱাই চমক লগাই দিব নে কি,' ত'ত্ত'-চ্চানে ভাবিলে। কিন্তু পলম হয় বুলি ভয় কৰি তাই সেইদিনা নালাগে বুলি সিদ্ধান্ত কৰিলে আৰু লৰালৰিকৈ গ'লগৈ।

ষ্টেচন পাই যেতিয়া ত'ত্ত'-চ্চান সচৰাচৰ যোৱাৰ দৰে বাওঁফালে নগৈ সোঁফালে ঘূৰিল তেতিয়া বেচেৰা ৰকি ৰ'ল আৰু উদ্বিগ্নভাৱে কেউফালে চালে। ত'ত্ত'-চ্চান ইতিমধ্যেই টিকেটৰ গে'ইট পাইছিলগৈয়ে, পিছে তাই আচৰিত হৈ চাই থিয় হৈ থকা ৰকিৰ ওচৰলৈ উভতি আহিল।

"মই আৰু সেইখন স্কুললৈ নাযাওঁ নহয়। মই আন এখন স্কুললৈ যাওঁ।" ত'ত্ত -চ্চানে তাইৰ মুখখন ৰকিৰ মুখত লগালে। আনদিনাৰ দৰেই তাৰ কাণখন গোন্ধাইছে। কিন্তু ত'ত্ত -চ্চানৰ কাৰণে এইটো বঢ়িয়া গোন্ধ।

"যাওঁ দেই, " তাই ক'লে আৰু মানুহজনক পাছখন দেখুৱাই ষ্টেচনৰ থিয় ছিৰিবোৰ বগাবলৈ ধৰিলে। সৰু সৰুকৈ কেঁউ কেঁউ কৰি কৰি ৰকিয়ে ত'ত্ত -চ্চান দৃষ্টিৰ বাহিৰ হোৱালৈকে চাই ৰ'ল।

ৰে'লৰ ডবাত শ্ৰেণীকোঠা

ত'ত্ত -চ্চান যেতিয়া আগদিনা হে'ডমাষ্টৰে তাইৰ শ্ৰেণীৰ কোঠা বুলি দেখুৱাই দিয়া ৰে'লৰ ডবাটোৰ দুৱাৰমুখ পালেগৈ তেতিয়ালৈকে কোনো অহাই নাছিল। ডবাটো পুৰণা ধৰণৰ, দুৱাৰৰ নালডাল বাহিৰৰ ফালে থকা। নালডাল

দুয়োহাতেৰে ধৰি সোঁফাললৈ ঠেলা মাৰি দিব লাগিব। ভিতৰলৈ জুমি চাওঁতে ত'ত্ত -চ্চানৰ বুকুখন উত্তেজনাত খৰকৈ ধপধপাবলৈ ধৰিলে।

"উ-উ-উ!"

ইয়াত পঢ়া মানে হ'ব এক অনন্ত যাত্ৰা। খিড়িকীৰ ওপৰত এতিয়াও টোপোলা-টাপলি থোৱা ৰেক আছে একমাত্ৰ পাৰ্থক্যটো হ'ল এই যে ডবাৰ সমুখত এখন ব্লেকব'ৰ্ড আছে ; আৰু দীঘলে দীঘলে থকা ছিটবোৰৰ সলনি সমুখৰ ফাললৈ মুখ কৰা চকী-ডেস্ক আছে। ৰে'লত হাতেৰে ধৰিবলৈ থকা ওলোমা ফিটাবোৰো নাই । কিন্তু তাৰ বাহিৰে সকলো একেই আছে। ত'ত্ত -চ্চান সোমাই গ'ল আৰু কাৰোবাৰ ডেস্কত বহিল। কাঠৰ চকীবোৰ দেখাত সিখন স্কুলৰ দৰে একেই, কিন্তু ইমান আৰামদায়ক যে তাই গোটেই দিনটো তাতে বহি থাকিব পাৰিব। ত'ত্ত -চ্চানৰ ইমান ৰং লাগিল আৰু স্কুলখন ইমান ভাল লাগিল যে তাই প্ৰতিদিনেই স্কুললৈ আহিবলৈ আৰু কেতিয়াও ছুটী নল'বলৈ দৃঢ় সিদ্ধান্ত কৰিলে।

ত'ত্ত -চ্চানে খিড়িকীৰে বাহিৰলৈ চালে। তাই, জানিছিল যে ৰে'লখন অলৰ, কিন্তু ফুলবোৰ আৰু গছবোৰ মৃদু বতাহত হালি জালি থকাৰ কাৰণেই নে কি এইখন গৈ থকা যেন লাগিছিল।

"মোৰ ইমান যে ভাল লাগিছে" অৱশেষত তাই ডাঙৰকৈ চিঞৰি দিলে। তাৰ পিছত তাই খিড়িকীত মুখখন হেঁচি ধৰিলে আৰু সদায় মন ভাল লাগিলে কৰাৰ দৰে এটা গান তৈয়াৰ কৰি পেলালে ঃ

ইমান যে ভাল লাগিছে
ভাল লাগিছে ইমান যে
কিয় যে ইমান ভাল লাগে
কাৰণ.....

ঠিক সেই মুহূৰ্ততে কোনোবা এটা সোমাল। এজনী ছোৱালী। তাই বেগটোৰপৰা বহী আৰু পেন্সিলৰ টেমা উলিয়াই ডেৰাজত ভৰালে। তাৰ পিছত বেঙা মেলি বেগটো ৰেকত থ'লে। নিজৰ জোতাৰ মোনাও তাত থ'লে। ত'ত্ত -চ্চানে গান গোৱা বন্ধ কৰিলে আৰু লৰালৰিকৈ তায়ো তেনেকুৱা কৰিলে। তাৰ পিছত এটা ল'ৰা সোমাল। দুৱাৰমুখত থিয় হৈ সি তাৰ বেগটো ৰেকলৈ এনেকৈ মাৰি পঠিয়ালে যেন বাস্কেটবলহে খেলিছে। বেগটো উফৰি আহি মজিয়াত পৰিল। "শ্বটটো বেয়া হ'ল", আকৌ একেখিনি ঠাইৰপৰাই লক্ষ্য পোনাই ল'ৰাটোৱে ক'লে। এইবাৰ ই ৰ'ল। "বঢ়িয়া শ্বট", সি চিঞৰিলে। তাৰ পিছতেই "নহয়, বেয়া শ্বট" বুলি কৈ বগুৱা বাই ডেস্কত উঠিল আৰু বেগটো

খুলি বহী আৰু পেন্সিলৰ টেমা উলিয়ালে। আগতেই মনত পেলাই বহী আৰু পেন্সিল উলিয়াই ৰাখিব নোৱৰাকে সি দেখ দেখকৈ "বেয়া শ্বট" বুলি ধৰিছিল।

অৱশেষত ডবাটোত নটা ছাত্ৰ-ছাত্ৰী হ'লগৈ। সিহঁতেই গঠন কৰিছিল ত'মে গাকুএনৰ প্ৰথম শ্ৰেণীটো।

সিহঁত আটায়ে একেলগে একেখন ৰে'লতে যাত্ৰা কৰিব।

ত'মে'ত পাঠগ্ৰহণ

ৰে'লৰ ডবাৰ স্কুল এখনলৈ যোৱা কথাটো দেখাত অসাধাৰণ ব্যৱস্থা, পিছে বহা আসনৰ বেলিকাও দেখা গ'ল একেই ব্যতিক্ৰম। আনখন স্কুলত প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ একোখন আসন আছিল। কিন্তু ইয়াত যিকোনো সময়তে সিহঁত য'তে মন যায় তাতে বহিব পাৰিছিল।

বহুত ভাবি-চিন্তি আৰু ভালকৈ চাই লৈ ত'ত্ত -চ্চানে সেই ৰাতিপুৱা তাইৰ পিছতেই অহা ছোৱালীজনীৰ ওচৰত বহাকে ঠিক কৰিলে, কাৰণ তাইৰ পিঠি খোলা, হাত নথকা চোলাটোত দীঘল কাণ থকা শহাপহু এটা আছে।

যিহওক এই স্কুলখনৰ সম্পৰ্কে আটাইতকৈ ব্যতিক্ৰমী কথাটো আছিল পাঠবোৰ নিজেই।

স্কুলবিলাকে সাধাৰণতে এটা বিষয়, উদাহৰণস্বৰূপে জাপানী ভাষা— প্ৰথম পিৰিয়ডত লয়। সেইখিনি সময়ত কেৱল জাপানী ভাষাহে শিকিব পাৰি; তাৰ পিছত ধৰা হওক— দ্বিতীয় পিৰিয়ডত পাটীগণিত, তেতিয়া কেৱল পাটীগণিতহে শিকা হয়। কিন্তু ইয়াত কথাটো সম্পূৰ্ণ বেলেগ। প্ৰথম পিৰিয়ডৰ আৰম্ভণিতে শিক্ষয়িত্ৰীয়ে দিনটোত অধ্যয়ন কৰিবলগীয়া সকলো সমস্যা আৰু প্ৰশ্নৰ এখন তালিকা প্ৰস্তুত কৰে। তাৰ পিছতে তেখেতে কয়, "এতিয়া তোমালোকে নিজৰ ভাল লগা মতে আৰম্ভ কৰা"।

সেইকাৰণে আপুনি জাপানী ভাষা নে পাটীগণিত নে আন কিবাৰে আৰম্ভ কৰিছে সেইটো কোনো কথা নহয়। ৰচনা ভাল পোৱা কোনোবা এজনে কিবা লিখি থাকিব পাৰে, সেই সময়ত তেওঁৰ পিছফালে বিজ্ঞান ভাল পোৱা এজনে হয়তো স্পিৰিট-লেম্প জ্বলাই কুপী এটাত কিবা উতলাই থাকিবও পাৰে আৰু

তাৰ ফলত যি কোনো শ্ৰেণীকোঠাতে সৰু সুৰা বিস্ফোৰণ একোটাও ঘটিব পাৰে।

এই পদ্ধতিত শিক্ষাদানে ল'ৰা-ছোৱালীবোৰ ক্ৰমে ওপৰৰ শ্ৰেণীলৈ আগবাঢ়ি যাওঁতে সিহঁতৰ আগ্ৰহৰ বিষয়, চিন্তাৰ প্ৰণালী আৰু সিহঁতৰ চৰিত্ৰ নিৰীক্ষণ কৰিবলৈ শিক্ষক-শিক্ষয়িত্ৰীক সমৰ্থ কৰে। ছাত্ৰ-ছাত্ৰীক সিহঁতৰ প্ৰকৃত ৰূপত জানিবৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীৰ এইটো এটা আদৰ্শ উপায়।

ছাত্ৰ-ছাত্ৰীৰ বিষয়ে ক'বলৈ গ'লে সিহঁতে নিজৰ প্ৰিয় বিষয়েৰে আৰম্ভ কৰিবলৈ ভাল পাইছিল আৰু বেয়া পোৱা বিষয়বোৰৰ লগত যুঁজিবলৈ দিনৰ দিনটো সময় পোৱাত সিহঁতে সাধাৰণতে কিবাকৈ সেইবোৰ চম্ভালিব পাৰিছিল। পঢ়াশুনা সেইকাৰণে মূলতঃ স্বাধীন ধৰণৰ আছিল। ছাত্ৰ-ছাত্ৰীয়ে প্ৰয়োজন অনুসৰি শিক্ষক-শিক্ষয়িত্ৰীৰ ওচৰলৈ পৰামৰ্শ বিচাৰি গৈছিল। মন গ'লে শিক্ষক-শিক্ষয়িত্ৰীও সিহঁতৰ ওচৰলৈ আহিছিল আৰু পুংখানুপুংখৰূপে বুজা-নোহোৱালৈকে সমস্যাবোৰ ব্যাখ্যা কৰি দিছিল। তাৰ পিছত ছাত্ৰী-ছাত্ৰীক নিজে নিজে অকলে কৰিবলৈ আৰু অধিক অনুশীলন দিয়া হৈছিল। শব্দটোৰ প্ৰকৃত অৰ্থতেই এয়া আছিল অধ্যয়ন। ই আৰু বুজাইছিল যে শিক্ষক-শিক্ষয়িত্ৰীয়ে কথা কৈ কৈ ব্যাখ্যা কৰি থাকোঁতে অমনোযোগী হৈ বহি থকা ছাত্ৰ-ছাত্ৰী আৰু নাছিল।

প্ৰথম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী ঠিক স্বাধীনভাৱে অধ্যয়ন কৰাৰ স্তৰ পোৱাগৈ নাছিল; কিন্তু আনকি সিহঁতকো নিজে ভাল পোৱা বিষয়েৰে দিনটো আৰম্ভ কৰিবলৈ দিয়া হৈছিল।

কিছুমানে বৰ্ণমালাৰ আখৰবোৰৰ প্ৰতিলিপি কৰিছিল, কিছুমানে ছবি আঁকিছিল, কিছুমানে কিতাপ পঢ়িছিল আৰু আন কিছুমানে খালী হাতৰ ব্যায়ামো কৰিছিল। ত'ত্ত-চ্চানৰ ওচৰত বহা ছোৱালীজনীয়ে বৰ্ণমালাখন গোটেইখন জানিছিল আৰু নিজৰ বহীত লিখি আছিল। এই গোটেইবোৰ কথা ত'ত্ত-চ্চানৰ বাবে ইমান অচিনাকি আছিল যে তাই বিব্ৰত হৈছিল আৰু কি কৰিব কি নকৰিব উৰাদিহ পোৱা নাছিল।

ঠিক তেনেতে তাইৰ পিছফালে বহা ল'ৰা এটা উঠি বহীখন লৈ ব্লেকব'ৰ্ডৰ ওচৰলৈ শিক্ষয়িত্ৰীক কিবা সুধিবলৈ গ'ল। ব্লেকব'ৰ্ডৰ ওচৰতে এখন ডেস্কত তেখেত বহি আছিল আৰু আন এজন ছাত্ৰক কিবা বুজাই আছিল। কোঠাটোৰ কেউফালে চকু ফুৰোৱা বন্ধ কৰি ত'ত্ত -চ্চানে দুই হাতৰ তলুৱাত থুঁতৰি ৰাখি, গৈ থকা ল'ৰাটোৰ পিছফালটোত দৃষ্টি নিবদ্ধ কৰিলে। ল'ৰাটোৱে ভৰি এখন চোঁচোৰাই চোঁচোৰাই খোজ কাঢ়িছে আৰু তাৰ গোটেই গা ভয়ংকৰভাৱে লৰচৰ কৰি গৈছে । সি ইচ্ছা কৰিয়েই তেনেকৈ গৈছে বুলি ত'ত্ত-চ্চানে প্ৰথমতে

ভাবিছিল, কিন্তু সোনকালেই বুজি পালে যে সি তেনেকুৱা নকৰি নোৱাৰে।

ল'ৰাজন নিজৰ ডেস্কলৈ উভতি আহোঁতেও ত'ত্ত-চ্চানে নিৰীক্ষণ কৰিয়ে থাকিল। সিহঁত চকুৱে চকুৱে পৰিল। ল'ৰাজনে মিচিকিয়াই হাঁহিলে। ত'ত্ত-চ্চানে লৰালৰিকৈ হাঁহিৰে প্ৰত্যুত্তৰ দিলে। সি তাইৰ পিছফালৰ ডেস্কত বহিলহি। বহোঁতে তাক আন ল'ৰাছোৱালীতকৈ বেছি সময় লাগে। তাই উভতি চালে আৰু সুধিলে,"তুমি কিয় তেনেকৈ খোজ কাঢ়া?"

শান্ত আৰু বুদ্ধিমান যেন লগা মাতেৰে সি ঠাণ্ডাভাৱে উত্তৰ দিলে, "মোৰ পলিঅ' হৈছিল নহয়।"

"পলিঅ'?" ত'ত্ত -চ্চানে পুনৰাবৃত্তি কৰিলে। আগতে তাই কেতিয়াও এই শব্দটো শুনা নাছিল।

"অঁ, প'লিঅ'," সি ফুচফুচাই ক'লে। "মোৰ অকল ভৰিয়েই নহয়, হাতো এনেকুৱা।" সি হাতখন দাঙি ধৰিলে। ত'ত্ত -চ্চানে তাৰ বাওঁহাতখনলৈ চালে। তাৰ দীঘল আঙুলিবোৰ লগ লগা আৰু ভাঁজ লাগি থকা যেন দেখি।

"তেওঁলোকে এই বিষয়ে একো কৰিব নোৱাৰে নে কি?" তাই উৎকণ্ঠাৰে সুধিলে। সি উত্তৰ নিদিলে আৰু নোসোধা হ'লেই ভাল আছিল বুলি ভাবি ত'ত্ত-চ্চান বিব্ৰত হ'ল। কিন্তু ল'ৰাটোৱে জিলিকা মুখেৰে ক'লে, "মোৰ নাম য়াছুআকি য়ামাম'ত'। তোমাৰ নাম কি?"

ল'ৰাজনে আনন্দভৰা মাতেৰে কথা কোৱা দেখি তাইৰ ইমান ভাল লাগিল যে তাই ডাঙৰ মাতেৰে উত্তৰ দিলে, "মই ত'ত্ত-চ্চান।"

তেনেকৈয়ে য়াছুআকি য়ামাম'ত' আৰু ত'ত্ত-চ্চান বন্ধু হ'ল।

ৰ'দে ডবাৰ ভিতৰখন গৰম কৰি তুলিছিল। কোনোবা এজনে খিড়িকী এখন খুলি দিলে। বসন্তৰ নিৰ্মল বতাহ এছাটি ডবাৰ ভিতৰত সোমাই বেপৰোৱা উৎসাহেৰে ল'ৰা-ছোৱালীবোৰৰ চুলি আউল বাউল কৰি গ'ল।

এনেকৈয়ে ত'মে'ত ত'ত্ত-চ্চানৰ প্ৰথম দিন আৰম্ভ হ'ল।

সাগৰীয় খাদ্য আৰু মাটিৰ খাদ্য

এতিয়া ত'ত্ত-চ্চানে ইমান আগ্ৰহেৰে বাট চাই থকা "মহাসাগৰৰপৰা কিবা অলপ আৰু পাহাৰৰপৰা কিবা অলপে"ৰে দিনৰ সাজ ভাত খোৱাৰ সময় হ'ল।

এই বাক্যাংশটো হে'ডমাষ্টৰে সুষম আহাৰৰ বৰ্ণনাৰ বাবে ব্যৱহাৰ কৰিছিল। দিনৰ আহাৰত ভাতৰ লগতে এইবিলাকো অনাটো তেখেতে বিচাৰিছিল। সাধাৰণতে কথিত বাক্য— "আপোনাৰ ল'ৰা-ছোৱালীক সকলো বস্তু খাবলৈ প্ৰশিক্ষণ দিয়ক" আৰু "অনুগ্ৰহ কৰি চাব যাতে সিহঁতে যেন পৰিপুষ্টিৰ ফালৰ পৰা সন্তুলিত আহাৰ আনে"—এইবোৰৰ সলনি এইজন হে'ডমাষ্টৰে মাক-দেউতাকসকলক অনুৰোধ কৰে যাতে ল'ৰা-ছোৱালীৰ আহাৰৰ টেমাত "মহাসাগৰৰপৰা কিবা অলপ আৰু পাহাৰৰপৰা কিবা অলপ" সন্নিৱিষ্ট কৰি দিয়ে।

"মহাসাগৰৰপৰা কিবা অলপ" মানে সাগৰীয় খাদ্য, যেনে—মাছ আৰু ৎছুকুদা-নি (ছয়া ছ'ছ বা মিঠা 'ছাকে' নামৰ লাওপানী জাতীয় মদত সিজোৱা সৰু মিছা-মাছ, কেকোঁৰা আদি খোলা থকা জীৱ), আনহাতে পাহাৰৰপৰা কিবা অলপ মানে বুজায় মাটিত উৎপন্ন হোৱা আহাৰ, যেনে— তৰি-তৰকাৰী, গো-মাংস, গাহৰিৰ মঙহ আৰু মুৰ্গী।

এই কথাষাৰ মাকৰ মনত বৰকৈ লাগিল আৰু তেখেতে ভাবিলে যে নিচেই কম হে'ডমাষ্টৰেহে ইমান গুৰুত্বপূৰ্ণ নীতি এটা ইমান সৰল ভাষাত প্ৰকাশ কৰিব পাৰিব। তাৰ বিপৰীতে মাত্ৰ দুটা শ্ৰেণীৰপৰা বাছি ল'ব লগা হোৱা বাবে আহাৰ প্ৰস্তুত কৰাটো সহজতৰ হৈ পৰে। আৰু তাৰ বাহিৰেও হে'ডমাষ্টৰে আঙুলিয়াই দিছিল যে এই দুটা প্ৰয়োজন পূৰণৰ ক্ষেত্ৰত বৰ বেছি চিন্তা-ভাৱনা কৰাৰ বা বৰ খৰচী হোৱাৰ দৰকাৰ নাই। মাটিত পোৱা আহাৰ হ'ব পাৰে 'কিনপিৰা গ'ব'অ' (মচলা দি ৰন্ধা বাৰ্ডকৰ আঞ্জা বা এটা অমলেট; আৰু সাগৰীয় খাদ্য হ'ব পাৰে কেৱল শুকান বনিট' (টুনা জাতীয় মাছ)ৰ কেইছিটামান। বা তাতকৈয়ো সহজ হ'ব পাৰে "মহাসাগৰৰ" বাবে 'ন'ৰি' (এবিধ সাগৰীয় উদ্ভিদ) আৰু "পাহাৰৰ" ক্ষেত্ৰত এটা প্লামৰ মোৰব্বা।

আগদিনা ত'ত্ত'-চ্চানে ইমান ঈৰ্ষাৰে লক্ষ্য কৰি থকাৰ দৰেই হে'ডমাষ্টৰে আহি সকলোৰে আহাৰৰ টেমা চালে।

"তোমাৰ টেমাত মহাসাগৰৰ কিবা আৰু পাহাৰৰ কিবা অলপ আছেনে?" তেখেতে প্ৰতিজনৰে খাদ্য পৰীক্ষা কৰি চাইছিল আৰু সুধিছিল। আটাইবোৰে সাগৰৰ বস্তু আৰু পাহাৰৰ বস্তু কি কি আনিছে সেইবোৰ জানিবলৈ পোৱাটো কিমান যে স্ফূৰ্তিৰ কথা!

কেতিয়াবা কোনোবা মাক বৰ ব্যস্ত হৈ থাকিব লগা হয় বাবে তেখেতৰ সন্তানে কেৱল পাহাৰৰ বা কেৱল সাগৰৰ বস্তুহে আনে। কিন্তু কোনো কথা নাই। হে'ডমাষ্টৰ পৰিদৰ্শনৰ কাৰণে ঘূৰোঁতে ৰান্ধনীৰ এপ্ৰ'ন পিন্ধি, দুহাতত দুটা চ'চপেন লৈ তেখেতৰ পৰিবাৰ তেখেতৰ পিছে পিছে আহে। যদি কোনোবাজনৰ আগত "মহাসাগৰ" বুলি কৈ হে'ডমাষ্টৰ ৰৈ যায় তেন্তে তেখেতে দুটি সিদ্ধ "চিকুআ" (ফিশ্ ৰ'ল) "মহাসাগৰ"ৰ চ'চপেনৰপৰা আৰু যদি হে'ডমাষ্টৰে "পাহাৰ" বুলি কয় তেন্তে "পাহাৰ'ৰ চ'চপেনৰপৰা ছয়া দি সিজোৱা আলু কেইটুকুৰামান সেইজনক দি দিয়ে।

কোনেও সপোনতো ভাবিব নোৱাৰে মই "ফিশ্ ৰ'ল ভাল নাপাওঁ" বুলি কোৱাৰ কথা, যেনেকৈ ভাবিব নোৱাৰে 'অমুক চন্দ্ৰ তমুকে' কেনে বঢ়িয়া খোৱা বস্তু আনিছে বুলি বা বেচেৰা 'তমুক চন্দ্ৰ ভছুকে' সদায় যে কেনেকুৱা আজে বাজে খোৱা বস্তু আনে বুলি কোৱাৰ কথা। ল'ৰা-ছোৱালীবোৰৰ একমাত্ৰ চিন্তাৰ



বিষয় আছিল সিহঁতে সেই দুটা প্ৰয়োজন, — মহাসাগৰ আৰু পাহাৰৰ বস্তুৰ প্ৰয়োজন পূৰণ কৰিছে নে নাই— সেইটোহে, আৰু সেইটো যদি পূৰণ হয় তেন্তে সিহঁতৰ আনন্দ সম্পূৰ্ণ হয় আৰু আটাইবোৰ উলাহতে মতলীয়া হৈ থাকে।

"সাগৰৰপৰা কিবা অলপ আৰু পাহাৰৰপৰা কিবা অলপ" নো কি, সেই বিষয়ে বুজিবলৈ লৈ ত'ত্ত'-চ্চানৰ সন্দেহেই হৈছিল যে সেইদিনা ৰাতিপুৱা মাকে ইমান লৰালৰিকৈ সাজু কৰি দিয়া তাইৰ টেমাটোৰ খাদ্যখিনিয়ে অনুমোদন লাভ কৰিব নে? কিন্তু ঢাকন খুলি ভিতৰত অতি চমৎকাৰ খাদ্য পাই "বাঃ কি বঢ়িয়া খানা" বুলি চিঞৰি নিদিবলৈ বৰকৈ চেষ্টা কৰিহে তাই সফল হ'ব পাৰিলে।

ত'ত্ত'-চ্চানৰ টেমাত আছিল উজ্জ্বল হালধীয়া ৰঙৰ কণীভজা, সেউজীয়া মটৰ, মুগা ৰঙৰ 'ডেনবু' আৰু গুলপীয়া ৰঙৰ চেপেটা কৰি ভজা কড মাছৰ কণী। ফুলনি বাগিছাৰ দৰে ৰং-বেৰং।

"কেনে সুন্দৰ!" হে'ডমাষ্টৰে ক'লে।

ত'ত্ত'-চ্চান পুলকিত হ'ল। "মাই খুব বঢ়িয়া ৰান্ধে, " তাই ক'লে।

"হয় দেই! নহয়নে ?" হে'ডমাষ্টৰে ক'লে।

তাৰ পিছত তেখেতে 'ডে'নবু'খিনিলৈ আঙুলি টোঁৱালে, "ঠিক আছে বাৰু, এইখিনি কি? এয়া মহাসাগৰৰ নে পাহাৰৰ?"

ত'ত্ত'-চ্চানে বস্তুখিনিলৈ চালে আৰু কোনটো শুদ্ধ হ'ব ভাবিলে। মাটিৰ দৰে ৰঙৰ, সেইকাৰণে এইখিনি পাহাৰৰ হ'বও পাৰে। কিন্তু তাই নিশ্চিত নহয়।

"মই নাজানো," তাই ক'লে।

তেতিয়া হে'ডমাষ্টৰে সকলো ল'ৰাছোৱালীক সম্বোধন কৰি সুধিলে, "ডেনবু' কিহৰপৰা আহে, মহাসাগৰৰপৰা নে পাহাৰৰপৰা?"

ক্ষন্তেক নীৰৱ হৈ ৰৈ আটায়ে ভাবি চালে। তাৰ পিছত কোনোবা এজনে চিঞৰিলে, "পাহাৰৰপৰা।" আনবোৰে চিঞৰিলে, "মহাসাগৰৰপৰা"। কিন্তু নিশ্চিতকৈ কথাটো কোনেও নাজানে যেন দেখা গ'ল।

"ঠিক আছে, মই ক'ম বাৰু, " হে'ডমাষ্টৰে ক'লে। "ডেনবু মহাসাগৰৰপৰা আহিছে।"

"কেনেকৈ?" এটা শকত ল'ৰাই সুধিলে।

ডেস্কৰ গোলটোৰ মাজত থিয় হৈ হেড'মাষ্টৰে বুজাই দিলে। "মাছ সিজাই লৈ মঙহখিনি কাঁইটৰপৰা একৰাই লৈ কমকৈ ভাজি ধুনীয়া ধুনীয়া টুকুৰা কৰি তাৰ পিছত মচলা দি শুকুৱাই লোৱা হয়।"

"অ'," ল'ৰাছোৱালীবোৰে ভালকৈ বুজাৰ দৰে ক'লে। তেতিয়া কোনোবা এজনে ত'ত্ত'-চ্চানে অনা ডে'নবু'খিনি চাব খুজিলে।

"নিশ্চয়", হে'ডমাষ্টৰে ক'লে। গোটেই স্কুলৰ ল'ৰা-ছোৱালীবোৰ একেলগে উবুৰি খাই পৰি ত'ত্ত'-চ্চানৰ 'ডে'নবু'খিনি চাবলৈ আহিল। ডে'নবু'নো কি, সেই কথা জনা ল'ৰা-ছোৱালী নিশ্চয় আছিল, কিন্তু সিহঁতৰো আগ্ৰহ জগোৱা হৈছিল। আৰু কিছুমান আছিল যিবোৰে চাবলৈ বিচাৰিছিল সিহঁতে ঘৰত খোৱাতকৈ ত'ত্ত'-চ্চানে অনা ডে'নবু' কিবা বেলেগ নে কি? ইমানবোৰ ল'ৰা-ছোৱালীয়ে ত'ত্ত'-চ্চানৰ 'ডে'নবু'খিনি শুঙি চালে যে টুকুৰাবোৰ উৰি যাব বুলি তাইৰ ভয়েই লাগিছিল।

সেই প্ৰথম দিনাৰ আহাৰৰ সময়ত ত'ত্ত'-চ্চান কিছু বিব্ৰত হৈছিল, কিন্তু তাইৰ বৰ স্ফূৰ্তি লাগিছিল। কোনবিধ আহাৰ সাগৰৰপৰা অহা আৰু কোনবিধ মাটিৰপৰা অহা সেইটো ভাবি উলিওৱাটো বেছ মজাৰ কথা। তাই আৰু শিকিলে যে 'ডে'নবু মাছৰপৰা তৈয়াৰী, আৰু মাকে মনত ৰাখি সাগৰৰপৰা কিবা অলপ আৰু পাহাৰৰপৰা কিবা অলপ দিছে! দেখা গ'ল যে সকলো ঠিকেই আছে। তাই সন্তুষ্টচিত্তে ভাবিলে আৰু তাৰ পিছৰ যিটো কথাত ত'ত্ত'-চ্চানৰ মন ভাল লাগিল সেইটো হৈছে মাকে ৰন্ধা বস্তুখিনি খাবলৈ আৰম্ভ কৰি তাই বৰ উৎকৃষ্ট সোৱাদ পালে।

"ভালকৈ চোবোঁৱা !"

সাধাৰণতে মানুহে ভাত খোৱাৰ আগতে কৈ লয় "ইতাদাকিমাছু" (মই কৃতজ্ঞচিত্তে অংশগ্ৰহণ কৰিছোঁ), কিন্তু ত'মে' গাকুএন আন এটা কথাতো বেলেগ যে প্ৰথমতে সকলোৱে গান এটা গাই লয়। হে'ডমাষ্টৰজন এজন সংগীতজ্ঞ আছিল আৰু তেখেতে এটা বিশেষ ভাত খোৱাৰ আগতে গোৱা গান ৰচনা কৰিছিল। প্ৰকৃততে তেখেতে কেৱল শব্দখিনি ৰচনা কৰি বিখ্যাত 'ৰো ৰো ৰো ইয়োৰ বোট' গানটোৰ সুৰত বহুৱাই দিছিল। হে'ডমাষ্টৰে বহুৱাই দিয়া শব্দবোৰ আছিল ঃ

চোবোঁৱা চোবোঁৱা ভালকৈ চোবোঁৱা
তুমি যি খাইছা সকলো
চোবাই খোঁৱা, চোবাই খোঁৱা, চোবাই খোঁৱা চোবাই খোঁৱা
তোমাৰ ভাত আৰু মাছ-মঙহ!

গানটো গাই শেষ নোহোৱালৈকে কোনেও "ইতাদাকিমাছু" বুলি নকয়।

"ৰো ৰো ৰো ইয়োৰ বোট"ৰ সুৰত শব্দবোৰ ইমান ভালকৈ খাপ খাই যায় যে বহুত বছৰৰ পিছলৈকে বহুতো ছাত্ৰ-ছাত্ৰীয়ে দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে এইটো সদায় ভাত খোৱাৰ আগতে গোৱা গানেই আছিল।

হে'ডমাষ্টৰৰ কেইবাটাও দাঁত সৰিছিল বাবেও এই গানটো ৰচনা কৰিব পাৰে। কিন্তু তেখেতে সদায় ল'ৰা-ছোৱালীবোৰক লাহে লাহে খাবলৈ, খাওঁতে মন ভাল লগা-বতৰা পাতি প্ৰচুৰ সময় লৈ খাবলৈ কয়, আৰু সেইকাৰণেই বোধহয় সেই কথাটো সিহঁতক সোঁৱৰাই দিবলৈকে তেখেতে এই গানটো ৰচনা কৰিছিল।

খোলা গলাৰে গানটো গাই উঠাৰ পিছত ল'ৰা-ছোৱালীবোৰে ক'লে, 'ইতাদাকিমাছু' আৰু মহাসাগৰৰপৰা কিবা অলপ আৰু পাহাৰৰপৰা কিবা অলপ" খাবলৈ থিতাপি লৈ বহিল। কিছু সময়ৰ বাবে সভাভৱনটো নীৰৱ হৈ পৰিল।

স্কুলৰপৰা খোজকাঢ়ি ভ্ৰমণ

খোৱা-বোৱাৰ পিছত ক্লাছৰুমলৈ ওভোতাৰ আগতে ত'ত্ত'-চ্চানে স্কুলৰ খেল-পথাৰত আনবোৰ ল'ৰা-ছোৱালীৰে সৈতে খেলিলে আৰু ক্লাছৰুমলৈ গৈ বাট চাই থকা শিক্ষয়িত্ৰীক লগ পালে।

"আগবেলা তোমালোকে বহুত খাটিলা।" তেখেতে ক'লে, "গতিকে এতিয়া আৰেলি কি কৰিবলৈ পালে ভাল পাবা?"

ত'ত্ত'-চ্চানে কি কৰিবলৈ ভাল লাগিব ভাবিবলৈ আৰম্ভই কৰিব নোৱাৰিলে, সকলোৱে সমস্বৰে চিঞৰি উঠিল, "ফুৰিবলৈ যাম।"

"ঠিক আছে, " শিক্ষয়িত্ৰীয়ে ক'লে আৰু সকলো দুৱাৰৰ ফালে দৌৰি গৈ বাহিৰলৈ ওলাল। দেউতাক আৰু আৰু ৰকিৰ লগত ত'ত্ত'-চ্চানৰ ফুৰাৰ অভ্যাস আছিল। কিন্তু তাই কেতিয়াও স্কুলৰপৰা 'ফুৰা'ৰ কথা শুনা নাছিল। তাই আচৰিত হ'ল। যি হওক, তাই ফুৰিবলৈ ভাল পাইছিল কাৰণে ৰ'বই নোৱৰা হ'ল।

পিছলৈ তাই গম পাইছিল যে যদি সিহঁতে ভালকৈ লেখা-পঢ়াখিনি কৰি

শিক্ষয়িত্ৰীয়ে ব্লেকৰ্ডত তালিকা কৰি দিয়া কামখিনি সম্পূৰ্ণ কৰি অঁটায় তেন্তে সাধাৰণতে পিছবেলা ফুৰিবলৈ যাবলৈ দিয়া হয়। প্ৰথম শ্ৰেণীৰ ক্ষেত্ৰতে হওক বা ষষ্ঠ শ্ৰেণীৰ ক্ষেত্ৰতে হওক কথাটো একেই।

প্ৰথম শ্ৰেণীৰ গোটেই নজন ল'ৰা-ছোৱালী মাজত শিক্ষয়িত্ৰীগৰাকীক লৈ ওলাই গ'ল আৰু সিহঁতে এটা জুৰিৰ পাৰে পাৰে খোজ কাঢ়িবলৈ আৰম্ভ কৰিলে। জুৰিটোৰ দুই পাৰত শাৰী শাৰী প্ৰকাণ্ড চেৰী ফুলৰ গছ অলপতে ফুলা ফুলেৰে জাতিষ্কাৰ হৈ আছিল। চকুৰে মণিব পৰা দূৰলৈকে আছিল হালধীয়া সৰিয়হ ফুলৰ পথাৰ। সেই জুৰিটো এতিয়া অদৃশ্য হৈ গ'ল আৰু সেই ঠাই এতিয়া বহু-বাসস্থানযুক্ত অট্টালিকা আৰু দোকানে আৱৰি থৈছে। কিন্তু সেই দিনত জিয়োগাওকা আছিল মূলতঃ পথাৰ।

"আমি কুহ্নবুৎছু মন্দিৰলৈ যাম," শহাপহু থকা, পিঠিখোলা চোলা পিন্ধা ছোৱালীজনীয়ে ক'লে। তাইৰ নাম আছিল ছাক্ক'-চ্চান।

"আমি যোৱাবাৰ পুখুৰীটোৰ কাষতে সাপ এটা দেখিছিলোঁ," ছাক্ক'-চ্চানে ক'লে। "মন্দিৰটোৰ চোতালত এটা পুৰণা কুঁৱা আছে। মানুহে কয় বোলে তাতে এবাৰ এটা পপীয়া তৰা পৰিছিল"।

ল'ৰা-ছোৱালীবোৰে গৈ থাকোঁতে যি মন যায় সেই কথাকে পাতিছিল। আকাশ আছিল নীলা আৰু শূন্যত পখিলাবোৰ যেনি-তেনি পাখি কোবাই উৰি ফুৰিছিল।

দহমিনিটমান খোজ কঢ়াৰ পিছত শিক্ষয়িত্ৰী ৰ'ল। হালধীয়া ফুলবিলাকলৈ আঙুলিয়াই তেখেতে ক'লে, "সৰিয়হ ফুলবিলাকলৈ চোঁৱা। ফুল কিয় ফুলে বাৰু? জানানে?"

তেখেতে গৰ্ভকেশৰ, পুংকেশৰ আদি বিষয়ে বুজাই ক'লে আৰু ল'ৰা-ছোৱালীবোৰে বাটৰ কাষতে বহি ফুলবোৰ পৰীক্ষা কৰি চাবলৈ ধৰিলে। শিক্ষয়িত্ৰীয়ে সিহঁতক ক'লে কেনেকৈ পখিলাবোৰে ফুলবোৰ ফলত পৰিণত হোৱাত সহায় কৰে। আৰু সচাঁকৈয়ে সিহঁত সহায় কৰাত ব্যস্ত হৈয়ে আছিল।

শিক্ষয়িত্ৰীয়ে পুনৰ যাত্ৰা আৰম্ভ কৰিলে। সেই কাৰণে ফুল চোৱা বাদ দি ল'ৰা-ছোৱালীবোৰ থিয় হ'ল। কোনোবা এজনে ক'লে, "সেইবোৰ দেখিবলৈ পিস্তলৰ দৰে, নহয়নে?"

ত'ত্ত'-চ্চানে তেনে বুলি নাভাবে, কিন্তু আন ল'ৰা-ছোৱালীবোৰৰ দৰেই তায়ো নিশ্চিত আছিল যে গৰ্ভকেশৰ, পুং কেশৰ আদি অতি প্ৰয়োজনীয় বস্তু।

আৰু দহমিনিটমান গৈ থকাৰ পিছত চকুত পৰিল ডাঠ গছ-বন থকা এখন উদ্যান। এই উদ্যানে কুহ্নবুৎছু নামৰ মান্দিৰ এটা ঘেৰি ৰাখিছে। মন্দিৰৰ প্ৰাংগণ পাই ল'ৰা-ছোৱালীবোৰ কেউফালে সিচঁৰতি হৈ পৰিল।

"পপীয়া-তৰা পৰা কুঁৱাটো চাবা?" ছাক্ক'-চ্চানে সুধিলে। স্বাভাৱিকতে ত'ত্ত'-চ্চান সন্মত হ'ল আৰু তাইৰ পিছে পিছে লৰ ধৰিলে।

কুঁৱাটো পাথৰেৰে তৈয়াৰী যেন দেখি আৰু সিহঁতৰ বুকুৰ ওচৰলৈকে ওখ। এখন কাঠৰ ঢাকোন আছে। সিহঁতে ঢাকোনখন দাঙি জুমি চালে। ভিতৰখন ডাঠ আন্ধাৰে ভৰা আৰু ত'ত্ত'-চ্চানে কংক্ৰিটৰ নে শিলৰ গোটা কিবা এটা ভিতৰত দেখা পালে। কিন্তু তাৰ লগত তাইৰ কল্পনাৰ চিকমিক তৰাৰ অকণো সাদৃশ্য নাই। কিছু সময় ভিতৰলৈ একেথিৰে চাই থকাৰ পিছত তাই সুধিলে, "তুমি তৰাটো দেখিছানে?"

ছাক্ক-চ্চানে মূৰ জোকাৰিলে, "ওহোঁ, একেবাৰে নাই দেখা।"

ত'ত্ত'-চ্চানে ভাবি নাপালে সেইটো জিলিকি থকা নাই কিয়? অলপ পৰ ভাবি তাই ক'লে, "শুইছে কিজানি।"

ডাঙৰ ডাঙৰ গোল চকু দুটা মেলি ছাক্ক'-চ্চানে সুধিলে, "তৰাবোৰ শোৱে জানো?"

"মই ভাবোঁ সিহঁত দিনত নিশ্চয় শোৱে আৰু ৰাতি হ'লে পোহৰ দিয়ে।" ত'ত্ত'-চ্চানে লৰালৰিকৈ উত্তৰ দিলে কাৰণ তাই আচলতে নিজেই নিশ্চিতকৈ নাজনিছিল।

ল'ৰা-ছোৱালীবোৰ গোট খাই মন্দিৰৰ প্ৰাংগণত খোজ কাঢ়ি ফুৰিলে। গে'ইটৰ দুফালে মন্দিৰৰখীয়া হৈ থিয় দি থকা দেৱ ৰজা দুজনৰ মূৰ্তি দুটাৰ উদং পেট দেখি হাঃ হাঃ কৈ হাঁহিলে আৰু প্ৰধান ভৱনৰ আধা অন্ধকাৰত থকা বুদ্ধৰ মূৰ্তিটোলৈ সমীহেৰে থৰ লাগি চালে। টেংগুৱে অৰ্থাৎ এটা দীঘলনকা বীৰাভূতে দিয়া ছাপ থকা এটা প্ৰকাণ্ড ভৰিৰ খোজৰ সাঁচত সিহঁতে ভৰি দি চালে, পুখুৰীটোৰ কেউকাষে ঘূৰি ফুৰি তাত ব'ঠা মাৰি নাও বাই থকা মানুহবোৰৰ লগত চিঞৰি চিঞৰি কথা পাতিলে, কবৰবোৰৰ কাষে-পাজঁৰে চিকচিকীয়া ক'লা শিলগুটিৰে হেপাঁহ পলুৱাই 'এম আই ইয়েছ' খেলিলে। ত'ত্ত'-চ্চানৰ বাবে সকলো নতুন। প্ৰতিটো আৱিষ্কাৰকেই তাই উত্তেজিত চিঞৰ-বাখৰেৰে অভ্যৰ্থনা জনালে।

"উভতি যাবৰ সময় হ'ল," বেলি ডুবিবলৈ ধৰোঁতে শিক্ষয়িত্ৰীগৰাকীয়ে ক'লে আৰু সৰিয়হ ফুল আৰু চেৰী গছেৰে আগুৰা বাটটোৰেদি ল'ৰা-ছোৱালীবোৰ স্কুললৈ উভতিল।

তেতিয়া ল'ৰা-ছোৱালীহঁতে উপলব্ধি কৰিব পৰা নাছিল যে সিহঁতৰ কাৰণে স্বাধীনতা আৰু খেল-ধেমালিৰে ভৰা এই সময়ছোৱা প্ৰকৃততে বিজ্ঞান, বুৰঞ্জী আৰু জীৱবিজ্ঞানৰ পাঠদানৰ সময়হে আছিল।

ত'ত্ত'-চ্চান ইতিমধ্যে ল'ৰা-ছোৱালীবোৰৰ বন্ধু হৈ পৰিছিল আৰু তাইৰ এনে লাগিছিল যেন গোটেই জীৱন ধৰি সিহঁতক তাই চিনি পাই আহিছে।

"কাইলৈ আমি আকৌ ফুৰিবলৈ আহিম, দেই" উভতি অহাৰ বাটত তাই চিঞৰি ক'লে।

"অঁ, আহিম দেই," দেও দি দি জঁপিয়াই জঁপিয়াই সিহঁতে উত্তৰ দিলে।

পখিলাবোৰ তেতিয়াও নিজৰ কামত ব্যস্ত হৈ আছিল। চৰাইৰ গানেৰে আকাশ-বতাহ পূৰ্ণ হৈ আছিল। ত'ত্ত'-চ্চানৰ অন্তৰ আনন্দেৰে উপচি পৰিছিল।

বিদ্যালয়-সংগীত

ত'ত্ত'-চ্চানৰ বাবে ত'মে'গাকুএনৰ প্ৰতিটো দিন আশ্চৰ্য্যৰে ভৰা। স্কুললৈ যাবলৈ তাইৰ ইমান হেপাঁহ লাগি থাকিছিল যে কেতিয়াও যেন সোনকালে ৰাতি নুপুৱাইছিলেই আৰু উভতি আহি ঘৰ পালেই তাই আৰু কথা বন্ধ কৰিব নোৱাৰিছিল — ৰকিক, মাকক আৰু দেউতাকক দিনটো স্কুলত কি কৰিলে, কি কি স্ফুৰ্তি হ'ল আৰু কি কি আচৰিত ঘটনা ঘটিল, সেইবোৰ কৈ থাকিছিল। অৱশেষত মাকে ক'ব লগা হৈছিল, "হৈছে সোণজনী, কথা বন্ধ কৰা আৰু । এতিয়া জলপান খাই লোঁৱা।"

স্কুলখনৰ লগত অভ্যস্ত হোৱাৰ পিছতো তাইৰ সদায় ক'বলৈ কথাৰ পাহাৰ একোটা থাকে। কথাবোৰে যে এনে ৰূপ ল'লেগৈ তাকে ভাবি মাকৰ বৰ আনন্দ হয়।

এদিন স্কুললৈ যোৱাৰ বাটত ৰে'লত ত'ত্ত'-চ্চানে হঠাতে ভাবিলে ত'মে'ৰ বাৰু বিদ্যালয়-সংগীত আছে নে নাই। যিমান সোনকালে পাৰি সিমান সোনকালে উত্তৰটো জানিবলৈ বিচাৰি তাই সেইখিনি গৈ পাবলৈ ৰ'বই নোৱৰা হ'ল। দুটা ষ্টেচন বাকী আছিলেই যদিও তাই জিয়ুগাওকা পালেই যাতে জাঁপ মাৰি নামিব পাৰে তাৰ কাৰণে দুৱাৰমুখৰ ওচৰলৈ গৈ সাজু হৈ থাকিল। পিছৰ ষ্টেচনটোত উঠিবলৈ অহা এগৰাকী ভদ্ৰমহিলাই সৰু ছোৱালীজনীক তেনেকৈ দুৱাৰমুখত ৰৈ থকা দেখি স্বাভাৱিকতে ভাবিলে যে তাই বোধহয় নামিব। দৌৰিবলৈ সাজু হৈ ভাৰসাম্য ৰাখি "নিজৰ চিনত সাজু হৈ ৰৈ থাকাঁ" অৱস্থাত থকা এজন

দৌৰবিদৰ দৰে তাই অলৰ হৈ থকা দেখি ভদ্ৰমহিলাই অস্ফুট উচ্চাৰণেৰে ক'লে, "কি বা হৈছে ছোৱালীজনীৰ।"

ৰে'লখন ষ্টেচন পাওঁতে নিমিষতে ত'ত্ত'-চ্চান নামি পৰিল। ৰে'লখন ঠিকমতে ৰোৱাৰ আগতেই, কণ্ডাক্টৰে এখন ভৰি প্লেটফৰ্মত দি "জিয়ুগাওকা", "জিয়ুগাওকা" বুলি তজবজীয়াকৈ চিঞৰ দুটামান মাৰে মানলৈ ত'ত্ত'-চ্চান প্ৰস্থান-পথেদি অদৃশ্য হৈ গ'ল।

শ্ৰেণীকোঠা সোমোৱা মুহূৰ্ততে তাইজি য়ামানোউচ্ছিক লগ পাই তাই সুধিলে, "তাই-চ্চান! আমাৰ স্কুলৰ বাৰু নিজা গান এটা আছেনে?"

পদাৰ্থবিজ্ঞান ভাল পোৱা তাই-চ্চানে অলপ পৰ ভাবি উত্তৰ দিলে, "আছে বুলি নাভাৱো মই।"

"অঁ," চিন্তাশীলৰ দৰে ত'ত্ত'-চ্চানে উত্তৰ দিলে, "পিছে মই ভাবোঁ এটা থাকিব লাগিছিল। মোৰ ইখন স্কুলত হ'লে বঢ়িয়া গান এটা আছিল।" তাই টেটুফালি চিঞৰি গানটো গাবলৈ ধৰিলে ঃ

ছেন্‌জুকু পুখুৰীৰো যদি পানী অগভীৰ হয়
আমাৰ জ্ঞান গভীৰ হৈ সুদূৰ বিয়পি ৰয়.....

স্কুলখনলৈ ত'ত্ত'-চ্চান কেইদিনমানহে গৈছিল আৰু শব্দবোৰো কঠিনেই আছিল; কিন্তু গানটো মনত ৰখাত তাইৰ অকণো অসুবিধা হোৱা নাছিল। অন্ততঃ সেইখিনিকে, যেনে তেনে হ'লেও।

তাই-চ্চান মুগ্ধ হ'ল। ইতিমধ্যে আন ছাত্ৰ-ছাত্ৰীও আহি পালে আৰু সিহঁতো তাইৰ গানটোৰ ডাঙৰ ডাঙৰ শব্দবোৰ শুনি যথেষ্ট প্ৰভাৱিত হ'ল যেন দেখা গ'ল।

"আমি হে'ডমাষ্টৰক বিদ্যালয়-সংগীত এটা লাগে বুলি কওঁগৈ ব'লা, " ত'ত্ত'-চ্চানে ক'লে।

"হয় দেই, যাওঁ আঁহা," আনবোৰে সন্মতি জনালে আৰু আটায়ে দল বান্ধি হে'ডমাষ্টৰৰ অফিছলৈ গ'ল।

ত'ত্ত'-চ্চানে আনখন স্কুলৰ গানটো গোৱা শুনাৰ পিছত আৰু ল'ৰাছোৱালীবোৰৰ অনুৰোধ শুনি ভাবি চোৱাৰ পিছত হে'ডমাষ্টৰে ক'লে, "ঠিক আছে, কাইলৈ ৰাতিপুৱা এটা দিম বাৰু। "

"শপত। দিবই লাগিব কিন্তু," ল'ৰা-ছোৱালীবোৰে চিঞৰিলে আৰু শাৰী পাতি নিজৰ ক্লাছৰুমলৈ গ'লগৈ।

পিছদিনা ৰাতিপুৱা স্কুলৰ খেলপথাৰত সকলো গোট খাবলৈ জাননী আহিল। উলাহৰ মাদলি হৈ ত'ত্ত'-চ্চানেও আনবোৰৰ লগত যোগ দিলে। পথাৰৰ মাজলৈ

এখন ব্লেকব'ৰ্ড আনি হে'ডমাষ্টৰে ক'লে, "এতিয়া তেন্তে তোমালোকৰ ত'মে' স্কুলৰ কাৰণে এইটো এটা গান"। তেখেতে ব্লেকব'ৰ্ডত পাঁচডাল সমান্তৰাল ৰেখা আঁকিলে আৰু তলত দিয়া স্বৰবোৰ লিখিলে ঃ

ত'মে' এ' ত' মে' এ' ত' - মে' - এ'

তাৰ পিছত পৰিচালকৰ দৰে দুই বাহু দাঙি তেখেতে ক'লে, "আমি একেলগে আটায়ে গাওঁ আঁহা।" হে'ডমাষ্টৰে তাল দিলে আৰু গানটোত আগভাগ ল'লে, লগে লগে গোটেই স্কুলৰ পঞ্চাছজন ছাত্ৰই একেলগে গালে ঃ

ত'মে' এ' ..... ত'মে' এ'.....ত'মে' এ'.....

"মাত্ৰ এইখিনি?" অলপ পৰ ৰৈ ত'ত্ত'-চ্চানে সুধিলে।

"এৰা, এইখিনিয়েই, " গৌৰৱেৰে হে'ডমাষ্টৰে ক'লে।

"ধুনীয়া ধুনীয়া শব্দ লগাই লিখা হ'লে ভাল হ'লহেঁতেন," ভীষণ হতাশাৰ স্বৰেৰে ত'ত্ত'-চ্চানে ক'লে। "ছেন্‌জুকু পুখুৰীৰো যদি পানী অগভীৰ হয়"টোৰ নিচিনা।"

"কিয়? তুমি এইটো গান ভাল পোৱা নাইনে কি?" ৰঙা পৰা মুখেৰে কিন্তু মিচিকিয়া হাঁহিৰে হে'ডমাষ্টৰে সুধিলে। "মই আকৌ এইটো ভাল হৈছে বুলিহে ভাবিছিলোঁ।"

কোনেও কিন্তু গানটো ভাল নাপালে। বৰ বেছি সাধাৰণ। দেখা গ'ল যে ইমান সাধাৰণ গান এটা থকাতকৈ সিহঁতক গানেই নালাগে।

হে'ডমাষ্টৰে বৰ দুখ পালে, কিন্তু তেখেতৰ খং উঠা নাছিল। তেখেত ব্লেকব'ৰ্ডখন মচিবলৈ আগবাঢ়ি গ'ল। ত'ত্ত'-চ্চানে অনুভৱ কৰিলে যে সিহঁত অলপ বেছি কঠোৰেই হ'ল। কিন্তু তাই মনত অলপ বেছি ছাপ বহুৱাব পৰা গান এটাৰ বাবেহে আশা কৰিছিল।

আচল কথা হ'ল যে হে'ডমাষ্টৰৰ ল'ৰা-ছোৱালীবোৰলৈ আৰু স্কুলখনৰ প্ৰতি থকা মৰম ইয়াতকৈ বেছিকৈ আন একোৰেই প্ৰকাশ কৰিব নোৱাৰিলেহেঁতেন। কিন্তু ল'ৰা-ছোৱালীহঁত এই কথাষাৰ উপলব্ধি কৰিব পৰাকৈ ডাঙৰ হোৱা নাছিল। সোনকালেই সিহঁতে বিদ্যালয়-সংগীত এটা লগাৰ কথাটো

পাহৰি গ'ল। হে'ডমাষ্টৰে বোধহয় কেতিয়াও এনে এটা বস্তুৰ দৰকাৰ বুলিয়ে ভবা নাছিল। সেইকাৰণে সুৰটো ব্লেকব'ৰ্ডৰপৰা মছ খাই যাওঁতেই বিষয়টোৰ সিমানতে অন্ত পৰিল আৰু ত'মে' গাকুএনৰ আৰু কেতিয়াও বিদ্যালয়-সংগীত এটা নহ'ল।

"সেই গোটেইবোৰ আকৌ ভৰাই থ'বা!"

ত'ত্ত'-চ্চানে জীৱনত আৰু কেতিয়াও ইমান পৰিশ্ৰম কৰা নাই। তাইৰ মৰমৰ থুনপাকটো পায়খানাত পৰি যোৱাৰ দিনটো যে কি দিন আছিল। তাত পইছা নাছিল, কিন্তু ত'ত্ত'-চ্চানে সেইটো ইমান ভাল পাইছিল যে তাই সেইটো পায়খানালৈকো লৈ গৈছিল। ৰঙা, সেউজীয়া আৰু হালধীয়া, দীঘে-পথালিয়ে আঁচ টনা টাফেটাৰে তৈয়াৰী এটা সঁচাসঁচিকৈয়ে ধুনীয়া বেগ। বস্তুটো দীঘে-পথালিয়ে সমান আৰু চেপেটা, বন্ধ কৰিবলৈ থকা তিনিকোণীয়া ঢাকনিখনৰ ওপৰত এটা ব্ৰোচ্ছ-পিনৰ দৰে ৰূপৰ স্কচ্চ টেৰিয়াৰ কুকুৰ এটা আছিল।

ত'ত্ত'-চ্চানৰ আছিল এটা অদ্ভুত অভ্যাস। সৰু হৈ থকাৰপৰাই তাই পায়খানালৈ যাওঁতে পায়খানা ব্যৱহাৰ কৰা হোৱাৰ পিছত ফুটাটোৰে জুমি চাইছিল। ফলত প্ৰাথমিক স্কুললৈ যোৱাৰ আগতেই তাই কেইবাটাও টুপী তাত পেলাই হেৰুৱাইছিল, তাৰে এটা আছিল স্ট্ৰ-হেট আৰু আন এটা বগা লে'চৰ।

সেই দিনত পায়খানাত পানী ঢালি উটাই দিয়াৰ (ফ্লাছ কৰাৰ) পদ্ধতি নাছিল, তাৰ সলনি তলত চুৱা-পাতনিৰ গাঁতৰ দৰে গাঁত আছিল। সেইকাৰণে পৰি যোৱা টুপীবোৰ সাধাৰণতে তাতে ওপঙি ৰৈছিল। পায়খানা ব্যৱহাৰ কৰাৰ পিছত এনেকৈ জুমি চোৱাটো এৰিবলৈ মাকে সদায় ত'ত্ত'-চ্চানক কৈ আছিল।

সেইদিনা স্কুল আৰম্ভ হোৱাৰ আগতে যেতিয়া ত'ত্ত'-চ্চান পায়খানালৈ গ'ল, তাই মাকৰ সাৱধান-বাণী পাহৰি গ'ল। নিজেই গম নোপোৱাকৈ তাই ফুটাৰে তললৈ জুমি চালে। সেই মুহূৰ্তত নিশ্চয় তাইৰ হাতৰ মুঠি ঢিলা হৈ গৈছিল, কাৰণ হাতৰপৰা পিছলি গৈ সেইটো তলত থপলং কৈ পৰি গ'ল। তলৰ আন্ধাৰত বেগটো নেদেখা হৈ যাওঁতে ত'ত্ত'-চ্চানৰ মুখৰপৰা চিঞৰ ওলাই গ'ল।

কিন্তু ত'ত্ত'-চ্চানে চকুপানী টুকিবলৈ অস্বীকাৰ কৰিলে আৰু বেগটো হেৰাল বুলিও এৰি নিদিলে। তাই চকীদাৰজনৰ ঘৰলৈ গ'ল আৰু ফুলনিত পানী দিবলৈ ব্যৱহাৰ কৰা দীঘল নালৰ কাঠৰ হেঁতা এখন বিচাৰি আনিলে। নালডালেই তাইতকৈ দুগুণ দীঘল আছিল, কিন্তু সেই কথাই তাইক পৰাঙ্মুখ কৰিব নোৱাৰিলে। সেইডাল লৈ তাই স্কুলৰ পিছফাললৈ গ'ল আৰু ময়লাৰ গাঁতটোৰ যি ফালেদি কেতিয়াবা কেতিয়াবা খালটো খালী কৰা হয় সেই খোলা মুখখন বিচাৰিবলৈ ধৰিলে। তাই ভাবি লৈছিল যে মুখখন পায়খানাৰ বাহিৰৰ ফালৰ বেৰাত থাকিব লাগে। কিন্তু মিছাতে বিচাৰি ফুৰি অৱশেষত তাই প্ৰায় এগজ আঁতৰত এখন কংক্ৰিটৰ ঘূৰণীয়া মেনহ'লৰ (এজন মানুহ সোমাব পৰা গাঁতৰ) ঢাকন দেখিলে। বৰ কষ্টেৰে সেইখন দাঙি তাই আৱিষ্কাৰ কৰিলে এটা বাট-যিটো নিশ্চয় তাই বিচাৰি ফুৰাটোৱেই হ'ব। তাই ভিতৰলৈ মূৰ সুমুৱাই চালে।

"ঔ আই! এইটো দেখোন কুহ্নবুৎছুত থকা পুখুৰীটোৰ সমান!" তাই কৈ উঠিল।

তাৰ পিছত তাই কাম আৰম্ভ কৰিলে। তাই সেই ময়লাৰ গাঁতৰ বস্তুবোৰ হেঁতাখনেৰে বাহিৰ কৰিবলৈ আৰম্ভ কৰিলে। প্ৰথমতে তাই যি ডোখৰ ঠাইত বেগটো পেলাইছিল, সেই ডোখৰতে কাম আৰম্ভ কৰিলে। কিন্তু পুখুৰীটো আছিল দ, আন্ধাৰ আৰু যথেষ্ট বহল, কাৰণ এইটো আছিল তিনিটা বিভিন্ন পায়খানাৰ কাৰণে খন্দা গাঁত। তদুপৰি মূৰটো বেছি দূৰলৈ হলাই দিলে তাই নিজে পৰি যোৱা বিপদৰ ভয় আছিলেই। সেইকাৰণে তাই ঠিক কৰিলে যে সেইবোৰ কেৱল হেঁতাৰে উলিয়াই থাকিব আৰু সুফল পাবলৈ সেইবোৰ গাঁতৰ ওচৰ-পাঁজৰৰ ঠাইত পেলাব।

কেনেবাকৈ বেগটো আছে নে কি বুলি তাই প্ৰতি হেঁতা ময়লাতে চকু ফুৰালে। বেগটো পাবলৈ বেছি সময় নালাগিব বুলি তাই ভাবিছিল কিন্তু এতিয়া দেখোন তাৰ চিন-চাবেই নাই। ক'লৈনো গ'ল এইটো? ইফালে শ্ৰেণী আৰম্ভ হোৱাৰ ঘণ্টা বাজিলেই।

কি কৰিব তাই ভাবিলে। কিন্তু ইমানখিনি কৰাৰ পিছত কামটো চলাই যোৱাটোকে তাই ঠিক কৰিলে। নতুন উদ্যম লৈ তাই হেঁতা চলাই যাবলৈ ধৰিলে। মাটিত প্ৰকাণ্ড দ'ম এটা হোৱাৰ পিছতে হে'ডমাষ্টৰ সেই পিনেদি আহিল।

"কি কৰিছা নো?" তেখেতে ত'ত্ত'-চ্চানক সুধিলে।

"মোৰ বেগটো পৰিল", এক মুহূৰ্তও নষ্ট কৰিবলৈ মন নকৰি হেঁতা চলাই থাকিয়ে তাই উত্তৰ দিলে।

"অ', বাৰু," সাধাৰণতে টহল দিয়াৰ সময়ত যেনেকৈ হাত দুখন পিছফালে মুঠি মাৰি ধৰে, তেনেকৈ কৰি হে'ডমাষ্টৰ গুচি গ'ল।

সময় পাৰ হৈ গৈ থাকিল, কিন্তু তাই বেগটো নাপালে। দুৰ্গন্ধ দ'মটো আৰু ওখ হৈ গৈ থাকিল।

হে'ডমাষ্টৰ আকৌ এবাৰ আহিল। "তুমি সেইটো পালানে?" তেখেতে সুধিলে।

"নাই পোৱা," দ'মটোৰ মাজৰপৰা ঘামি জামি জুৰুলি-জুপুৰি হৈ ৰঙা পৰা দুগালেৰে সৈতে ত'ত্ত'-চ্চানে উত্তৰ দিলে।

হে'ডমাষ্টৰ আৰু ওচৰলৈ আহিল আৰু বন্ধুৰ দৰে কণ্ঠেৰে ক'লে, "তোমাৰ কাম হৈ গ'লে সেই গোটেইবোৰ আকৌ ভৰাই থ'বা, নহয়?" তাৰ পিছত আগৰবাৰৰ দৰেই তেখেত গুচি গ'ল।

"হয়," নিজৰ কাম কৰি কৰি ৰংমনেৰে ত'ত্ত'-চ্চানে উত্তৰ দিলে। হঠাৎ তাইৰ মনত এটা ভাৱ হ'ল। তাই সেই দ'মটোলৈ চালে "মোৰ কাম হৈ গ'লে বাৰু গোটা বস্তুবোৰ আকৌ ভৰাই থ'ম, কিন্তু পনীয়াখিনি?"

পনীয়া অংশটো মাটিত বেগাই মিহলি হৈ গৈছে। ত'ত্ত'-চ্চানে কাম বন্ধ ৰাখি চিন্তা কৰি উলিয়াব খুজিলে কেনেকৈ তাই সেই অংশটোও খালটোত ভৰাব, কাৰণ তাই হে'ডমাষ্টৰক কথা দিলে যে গোটেইবোৰ ভৰাব। অৱশেষত তাই সিদ্ধান্ত ল'লে যে ভিজা মাটিও কিছু ভৰাই থ'ব লাগিব।

দ'মটো এতিয়া এটা আচল পৰ্বত হৈ পৰিছে আৰু খালটোও প্ৰায় খালী হৈ গ'ল। কিন্তু বেগটোৰ চিন-মোকাম নাই। বোধহয় খালটোৰ বেৰৰ গাত লাগি আছে বা তললৈ পৰি গ'ল। কিন্তু ত'ত্ত'-চ্চানৰ কোনো দুশ্চিন্তা নাই। তাই যি পাৰে কৰিছে আৰু তাকে লৈ সন্তুষ্ট। তাইৰ সন্তুষ্টিৰ কিছু অংশ নিঃসন্দেহে তাইক নবকি আৰু বিশ্বাস কৰি হে'ডমাষ্টৰে তাইক অনুভৱ কৰিবলৈ দিয়া আত্মসন্মানবোধৰপৰা উদ্ভূত। কিন্তু এই কথাটো ইমান জটিল যে সেই সময়ত ত'ত্ত'-চ্চানে উপলব্ধি কৰা টান।

ত'ত্ত'-চ্চানক এই পৰিস্থিতিত আৱিষ্কাৰ কৰিলে বেছিৰ ভাগ বয়সীয়া মানুহেই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলেহেঁতেন এনেকৈ চিঞৰি, "বন্ধ কৰা, কি যে কৰিছা; কিয় এই বিপজ্জনক কামবোৰ কৰিছা বাৰু?" বা হয়তো সহায় কৰিবলৈ বিচাৰিলেহেঁতেন।

কল্পনা কৰকচোন, এনেকৈ ক'লেহেঁতেননে বাৰু? "তোমাৰ কাম হৈ গ'লে সেই গোটেইবোৰ আকৌ ভৰাই থ'বা, নহয়?" ত'ত্ত'-চ্চানৰপৰা কাহিনীটো শুনি মাকে ভাবিছিল, "কেনে বঢ়িয়া হে'ডমাষ্টৰ।"

এই ঘটনাৰ পিছৰপৰা ত'ত্ত'-চ্চানে পায়খানা ব্যৱহাৰ কৰাৰ পিছত ফুটাইদি জুমি চোৱাটো বাদ দিলে। আৰু তাই অনুভৱ কৰিলে যে হে'ডমাষ্টৰ হ'ল এনে

এজন মানুহ যাক তাই সম্পূৰ্ণৰূপে বিশ্বাস কৰিব পাৰে। তাই তেখেতক আগতকৈও বেছি ভাল পোৱা হ'ল।

ত'ত্ত'-চ্চানে কথা ৰাখিছিল আৰু সকলোখিনি পুনৰ খালটোত ভৰাই থৈছিল। সেইখিনি খান্দি উলিওৱাটো এটা সাংঘাতিক কাম হয়, কিন্তু সুমুৱাই থওঁতে বেছি সময় নালাগিল। তাই কিছু ভিজা মাটিও ভৰালে। তাৰ পিছত তাই মাটিখিনি সমান কৰিলে, ঠিকমতে ঢাকনখন দিলে আৰু হেঁতাখন চকীদাৰৰ ছালিৰ তললৈ লৈ গ'ল।

ৰাতি শুবলৈ যোৱাৰ আগতে ত'ত্ত'-চ্চানে সেই আন্ধাৰত হেৰাই যোৱা ধুনীয়া বেগটোৰ কথা ভাবিলে। সেইটো হেৰুৱাই তাই দুখ পাইছিল সচাঁ, কিন্তু দিনটোৰ পৰিশ্ৰমৰ অন্তত তাইৰ ইমান ভাগৰ লাগিছিল যে সোনকালেই তাইৰ গভীৰ টোপনি আহিল।

ইতিমধ্যে তাইৰ কষ্টৰ ঠাইখিনিত জোনাকত সেমেকা মাটি কিবা সুন্দৰ বস্তুৰ দৰে জিলিকি আছিল।

আৰু বেগটোৱে ক'ৰবাত শান্তিৰে জিৰণি লৈ আছিল।

ত'ত্ত'-চ্চানৰ নামটো

ত'ত্ত'-চ্চানৰ আচল নাম আছিল তেৎছুকো। তাই জন্ম হোৱাৰ আগতে মাক-দেউতাকৰ সকলো বন্ধুৱে আৰু আত্মীয়-স্বজনে কৈছিল যে তেওঁলোকৰ সন্তানটো ল'ৰা হ'ব। এয়া তেওঁলোকৰ প্ৰথম সন্তান। আৰু তেওঁলোকে কথাটো বিশ্বাস কৰিছিল। সেইকাৰণে তেওঁলোকে ঠিক কৰিছিল যে কেঁচুৱাটোৰ নাম থ'ব ত'ৰু। সন্তানটো যেতিয়া ছোৱালীহে হ'ল তেতিয়া তেওঁলোক অলপ হতাশ হ'ল। কিন্তু তেওঁলোক ত'ৰুৰ চীনা আখৰটো (যাৰ অৰ্থ হ'ল গভীৰলৈ যোৱা, দূৰলৈ যোৱা, এটা পৰিষ্কাৰ, প্ৰতিধ্বনি উঠা মাতৰ দৰে) ভাল পাইছিল। গতিকে তাৰ চীনা ভাষাৰ উচ্চাৰণ অনুসৰি 'তেৎছু' কৰি ছোৱালীৰ নাম সজালে আৰু তাতে ছোৱালীৰ নামত প্ৰায়েব্যৱহৃত প্ৰত্যয় 'কো' বহুৱালে।

সেই কাৰণে আটায়ে তাইক তেৎছুকো-চ্চান (ব্যক্তিৰ নামৰ পাছত ব্যৱহাৰ কৰা 'ছান'টোৰে পৰিচিত ৰূপ হ'ল 'চ্চান') বুলিবলৈ ল'লে। তাই কিন্তু নামটো ঠিক তেৎছুকো-চ্চান যেন নুশুনে। কোনোবাই তাইৰ নাম সুধিলে তাই উত্তৰ

দিছিল—"ত'ত্ত'-চ্চান"। আন কি তাই "চ্চান"টো তাইৰ নামৰে অংশ বুলিহে ভাবিছিল।

দেউতাকে কেতিয়াবা তাইক ল'ৰাক মতাৰ দৰে তত্স্কি বুলি মাতিছিল। তেখেতে কৈছিল, "তত্স্কি ! আহ। মোৰ লগত গোলাপ ফুলৰ পোক মাৰিবি আহ।"

কিন্তু দেউতাক আৰু ৰাকৰ বাহিৰে আটায়ে তাইক ত'ত্ত'-চ্চান বুলিয়ে মাতিছিল। স্কুলৰ বহীত নামটো তেৎছুকো বুলি লিখিছিল যদিও তাই সদায় নিজকে ত'ত্ত-চ্চান বুলিয়ে ভাবে।

ৰেডিঅ'ৰ বিদূষক

কালি ত'ত্ত'-চ্চানৰ মনটো বৰ উগুল-থুগুল লাগিছিল। মাকে কৈছিল, "তুমি আৰু কেতিয়াও ৰেডিঅ'ৰ ফুচুৰী মেল নুশুনিবা।"

ত'ত্ত'-চ্চান সৰু হৈ থকা দিনত ৰেডিঅ'বোৰ ডাঙৰ আৰু কাঠেৰে সজা আছিল। দেখিবলৈ বৰ সুন্দৰ। সিহঁতৰটো আছিল আয়তাকাৰ, মূৰৰ ফালে গোল। সমুখত পাতল ৰঙচুৱা ৰঙৰ পাটৰ কাপোৰ আৰু ফুল-জালি কটা নক্সাৰে ঢকা। পকাই ঠিক-ঠাক কৰিবলৈ দুটা বুটাম।

স্কুলীয়া জীৱন আৰম্ভ কৰাৰ আগৰেপৰাই তাই 'ৰাকুগো' অনুষ্ঠানৰ বহুৱালিবোৰ ৰঙচুৱা পাট কাপোৰখিনিত কাণ হেঁচি লৈ শুনিবলৈ ভাল পাইছিল। তেওঁলোকৰ ৰগৰবিলাক সাংঘাতিক ধেমেলীয়া বুলি তাই ভাবিছিল। কালিলৈকে মাকে তাইক এই অনুষ্ঠান শুনিবলৈ হাক দিয়া নাছিল।

যোৱা নিশা দেউতাকৰ অৰ্কেষ্ট্ৰাৰ বন্ধু কেইজনমানে বৈঠকখানাত চাৰিবিধ তাঁৰৰ বাদ্যৰে একেলগে সুৰ এটা বজোৱাৰ অভ্যাস কৰি আছিল।

"সেই ছেল'বাদকজন যে —ৎছুনেছাদা তাচ্ছিবানা—তেখেতে তোমালৈ কল আনিছে" মাকে ক'লে।

ত'ত্ত'-চ্চান পুলকিত হ'ল। তাই ভদ্ৰভাৱে তাচ্ছিবানালৈ মূৰ দোঁৱালে আৰু ধন্যবাদৰ ভংগীত মাকক উৎসাহেৰে ক'লে, "ইছ মা, কলখিনি তামাম বঢ়িয়া চিজ দেই।"

তাৰ পিছৰপৰা মাক আৰু দেউতাক ঘৰত নাথাকিলে তাই মনে মনেহে ৰেডিঅ' শুনিব লগা হৈছিল। যেতিয়া ভাল ফুচুৰী কথা কয় তাই হাঃ হাঃ কৈ বাগৰি বাগৰি হাঁহে। কোনো ডাঙৰ মানুহে দৃশ্যটো দেখিলে আচৰিত হৈ ভাবিলেহেঁতেন যে ইমান টান ৰগৰনো ইমান সৰু ছোৱালীজনীয়ে বুজি পায় কেনেকৈ? কিন্তু সন্দেহ নাই শিশুৰ জন্মগত ৰসবোধ থাকে। যিমানেই সৰু নহওক লাগে, কিবা এটা সঁচাকৈয়ে হাঁহি উঠা কাণ্ড হ'লে সিহঁতে বুজিবই।

এটা ডবা আহিল

"আজি ৰাতি এটা নতুন ডবা আহি পাব, " দিনত ভাত খোৱা ছুটীৰ সময়ত মিয়'-চ্চানে ক'লে। মিয়'-চ্চান হে'ডমাষ্টৰৰ তৃতীয়া কন্যা আৰু ত'ত্ত'-চ্চানৰ লগত একে শ্ৰেণীৰে।

ছয়টা ডবা শাৰী পাতি শ্ৰেণী-কোঠা হিচাপে আছিলেই, পিছে আৰু এটা আহিব। মিয়'-চ্চানে এইটো ডবা পুথিভঁৰাল হ'ব বুলি ক'লে। আটাইবোৰ সাংঘাতিক উত্তেজিত হৈ ৰ'ল।

"কোনটো বাটেৰে বা ডবাটো স্কুললৈ আহিব, মই ভাবিয়ে পোৱা নাই," কোনোবা এজনে ক'লে।

আলোচনাৰ বিষয়টো লেখত ল'বলগীয়া। এখন্তেক সকলো নিতাল মাৰিলে।

"কিজানি ওয়িমাচ্ছি ৰে'ল লাইনটোৰেদিও আহিব পাৰে। আৰু তেতিয়া সেই লেভেল-ক্ৰছিংটোতে ঘূৰি দি এইফালে গুচি আহিব," কোনোবাই ক'লে।

"তেনেহ'লে ৰে'লৰ ছিৰিৰপৰা নামিব লাগিব দেখোন।" আন কোনোবাই ক'লে।

"তেওঁলোকে গাড়ীত ভৰাই আনিবওতো পাৰে", আন এজনে ক'লে।

"এনেকুৱা ডবা এটা ধৰিবৰ জোখাৰে গাড়ীয়েই নাই, "তৎক্ষণাৎ কোনোবাই আঙুলিয়াই দিলে।

"মই নাভাবোঁ ....."

ধাৰণাবোৰ শেষ হৈ গ'ল। ল'ৰা-ছোৱালীবোৰে উপলব্ধি কৰিছিল যে ডবা এটা গাড়ীত, আনকি ট্ৰাকতো নধৰে।

"ছিৰি," বহুত ভবা-চিন্তাৰ মূৰত ত'ত্ত'-চ্চানে ক'লে।"তেওঁলোকে কিজানি ইয়ালৈ, স্কুললৈকে ছিৰি পাতি দিব, বুজিছা।"

"ক'ৰপৰা?" কোনোবাই সুধিলে।

"ক'ৰপৰা আৰু । এতিয়া ডবাটো য'ত আছে তাৰপৰা", শেষত তাইৰ ধাৰণাটোও যে সিমান ভাল নহ'ল, সেইটো বুজিবলৈ আৰম্ভ কৰি ত'ত্ত'-চ্চান ক'লে। ডবাটোনো ক'ৰপৰা আহিব সেই বিষয়ে তাইৰ কোনো ধাৰণা নাছিল। আৰু আন যি কি নহওক তেওঁলোকে ঘৰবাৰীবোৰ, আন সকলোবোৰ বাটৰ পৰা আঁতৰাই ৰেলৰ ছিৰি নাপাতে।



এটাৰ পিছত এটাকৈ নানা সম্ভাৱনাৰ বিষয়ে নিষ্ফল আলোচনাৰ পিছত ল'ৰা-ছোৱালীহঁতে সেইদিনা আবেলি ঘৰলৈ নগৈ ডবাটো আহি পোৱা চাবলৈ ৰৈ যোৱাকে ঠিক কৰিলে।

সেইদিনা ৰাতিলৈকে সকলোবোৰ ৰ'ব পাৰিব নে সেই কথা হে'ডমাষ্টৰ দেউতাকক সুধি আহিবলৈ মিয়'-চ্চানকে বাছি পঠিউৱা হ'ল। তাই উভতি আহোঁতে কিছু সময় লাগিল।

"ডবাটো আজি ৰাতি মস্ত দেৰীকৈ অহিব," তাই ক'লে। "আটাইবোৰ ৰে'লগাড়ী আহি শেষ হোৱাৰ পিছত। কোনোবাই সঁচাকৈয়ে সেইটো আহি পোৱা চাব খুজিলে প্ৰথমতে ঘৰলৈ গৈ অনুমতি ল'বগৈ লাগিব। তাৰ পিছত ৰাতিৰ ভাত খাই পায়জামা আৰু কম্বল লৈ উভতি আহিব পাৰিব বোলে।"

"ইয়ে !" ল'ৰা-ছোৱালীবোৰ আৰু বেছি উত্তেজিত হৈ পৰিল।

"তেখেতে আমাক পায়জামা আনিবলৈ কৈছে?"

"আৰু কম্বলো?"

সেইদিনা আবেলিটোত আৰু কোনেও পাঠত মনোযোগ দিব নোৱাৰিলে। প্ৰত্যেকেই প্ৰত্যেককে পুৰাকৈ পায়জামা আৰু কম্বলেৰে সৈতে পুনৰ দেখা পোৱাৰ সৌভাগ্য ঘটিব বুলি আশা লৈ স্কুল ছুটীৰ পিছত ত'ত্ত'-চ্চানৰ শ্ৰেণীৰ ল'ৰা-ছোৱালীহঁত চিধাই ঘৰলৈ গ'ল।

ঘৰ পোৱা মাত্ৰেই ত'ত্ত'-চ্চানে মাকক ক'লে, "ডবা এটা আহিব। কেনেকৈ যে তাত সোমাব ! পায়জামা আৰু কম্বল লাগিব। যাব পাৰিমনে?"

এনেকুৱা ব্যাখ্যাৰেনো কোন মাকে পৰিস্থিতিটো বুজিব পাৰিব? তাইনো কি কৈছে মাকে একো ধৰিবই নোৱাৰিলে। কিন্তু জীয়েকৰ মুখৰ গাম্ভীৰ্য্য দেখি অনুমান কৰিলে যে অসাধাৰণ কিবা এটা ঘটিবলৈ ধৰিছে।

মাকে ত'ত্ত'-চ্চানক অনেক ধৰণৰ প্ৰশ্ন সুধিলে আৰু অৱশেষত কি কথা, কি বতৰা, আচলতেনো কি ঘটিব সেইটো আৱিষ্কাৰ কৰিলে। তেখেতে ভাবিলে যে ত'ত্ত'-চ্চানে এইটো দেখা উচিত, কাৰণ এনে সুবিধা সতকাই নিমিলে। ডবাটো আহি পোৱা চাবলৈ আনকি তেখেতৰ নিজৰো মন গ'ল।

ত'ত্ত'-চ্চানৰ পায়জামা আৰু কম্বল উলিয়াই লৈ, ৰাতি ভাত খোৱাৰ পিছত মাকে তাইক স্কুললৈ লৈ গ'ল। দহটামান ল'ৰা-ছোৱালী আহিছিল। ঘটনাটোৰ কথা শুনি কেইটামান ডাঙৰ ল'ৰা-ছোৱালীও সিহঁতৰ দৰেই আহিছিল। নিজৰ ল'ৰা-ছোৱালীক লৈ আৰু দুগৰাকী মাকো আহিছিল। তেখেতসকলো থাকিবলৈ ভাল পালেহেঁতেন যেন দেখা গৈছিল, পিছে হে'ডমাষ্টৰৰ হাতত নিজৰ ল'ৰা-ছোৱালীক গতাই দি তেখেতসকল ঘৰলৈ গ'লগৈ।

"সেইটো আহি পালে মই তোমালোকক জগাই দিম বাৰু," সভাভৱনত নিজৰ নিজৰ কম্বল গাত মেৰিয়াই শুই পৰাৰ সময়ত হে'ডমাষ্টৰে ল'ৰা-ছোৱালীকেইটাক খাটাংকৈ ক'লে।

ডবাটো কেনেকৈ তাত সোমাব, সেই চিন্তাত টোপনি নধৰিবই বুলি ল'ৰা-ছোৱালীহঁতে ভাবিছিল। কিন্তু ইমান উত্তেজনাৰ পিছত সিহঁতৰ ভাগৰ লাগিছিল আৰু টোপনিয়ে ধৰিছিল। "মোক কিন্তু জগাই দিবাই দেই" বুলি কৈ উঠাৰ লগে লগেই বেছিভাগৰে টোপনি গ'ল।

"সেইটো আহি গ'ল, আহি গ'ল," হুলস্থূলৰ মাজত সাৰ পাই ত'ত্ত'-চ্চান জাঁপ মাৰি উঠিল আৰু স্কুলৰ খেল-পথাৰৰ মাজেদি গে'ইটৰ বাহিৰ পালেগৈ। দোকমোকালিৰ অস্পষ্ট পোহৰত এটা ডবা। সপোনহে যেন— ছিৰি নাই, শব্দ নাই, ৰাস্তাৰে ৰে'ল আহিছে। ওয়িমাচ্ছি শাখা ৰে'লৰ মালখানাৰ এখন ট্ৰেক্টৰে প্ৰকাণ্ড ট্ৰেইলাৰত ভৰাই আনিছে সেইটো। ত'ত্ত'-চ্চান আৰু আন সকলোৱে নজনা কথা শিকিলে— ট্ৰেক্টৰ নামৰ এটা বস্তুৱে গাড়ীতকৈ বহুত ডাঙৰ ট্ৰেইলাৰ এখন কঢ়িয়াব পাৰে। সিহঁতে তবধ মানিলে।

ৰাতিপুৱাৰ নিৰ্জন ৰাস্তাৰে ট্ৰেইলাৰত উঠি ডবাটো লাহে লাহে আগবাঢ়িল।

তৎক্ষণাৎ মহা হুলস্থূল লাগি গ'ল। তেতিয়াৰ দিনত দৈত্যাকাৰ ক্ৰেইনবোৰ নাছিল। গতিকে ট্ৰেইলাৰৰপৰা ডবাটো নমোৱা আৰু স্কুলৰ খেলপথাৰত তাক নিৰ্দিষ্ট ঠাইত ৰখোৱাটো এক বিৰাট লংকাকাণ্ড। সেইটো লৈ অহা মানুহবোৰে বহুত ডাঙৰ ডাঙৰ কাঠ ডবাটোৰ তলত পেলাই দি দি ট্ৰেইলাৰৰপৰা সেইটো স্কুলৰ চোতাললৈ আনিলে।

"সাৱধানে মন কৰি থাঁকা হক," হে'ডমাষ্টৰে ক'লে, "সেইবোৰক ৰ'লাৰ [illegible] বুলি কয়। সেই প্ৰকাণ্ড ডবাটো লৰাবলৈ এই ৰ'লাৰবোৰৰ শক্তিক কামত লগোৱা হৈছে।"

ল'ৰা-ছোৱালীবোৰে মনোযোগেৰে চালে।

"হেই ঔ, হেই ঔ," কাম কৰি থকাৰ সময়ত মানুহবোৰে চিঞৰি আছিল আৰু তেওঁলোকৰ চিঞৰৰ ছন্দে ছন্দে যেন বেলিটোৱে ভুমুকি মাৰিব খুজিলে।

স্কুলৰ আন ছয়টা ডবাৰ দৰেই, অতদিনে অতবোৰ মানুহ কঢ়িয়াই ফুৰা এইটো ডবাৰো চকাবোৰ এৰুৱাই পেলোৱা হৈছিল। ইয়াৰ ভ্ৰাম্যমাণ জীৱনৰ অন্ত পৰিল। এতিয়াৰেপৰা ই শিশুৰ হাঁহিৰ বোজা ব'ব।

পুৱাৰ বেলিৰ পোহৰত পায়জামা পিন্ধি থিয় হৈ থকা ল'ৰা-ছোৱালীবোৰ আনন্দত আত্মহাৰা হৈছিল আৰু থিৰেৰে থাকিব নোৱাৰি জঁপিয়াই দৌৰাদৌৰি কৰি, হে'ডমাষ্টৰৰ ডিঙিত সাৰটি ধৰি, বাহুত ওলোমা-বাদুলি দি ফুৰিছিল।

এনে ভয়ংকৰ আক্ৰমণত টলং ভটং কৰি হে'ডমাষ্টৰে আনন্দেৰে মিচিকিয়াই হাঁহি ফুৰিছিল। তেখেতৰ আনন্দ দেখি ল'ৰা-ছোৱালীহঁতেও হাঁহিছিল।

আৰু সিহঁতৰ কোনেও এই আনন্দৰ কথা জীৱনত কেতিয়াও নাপাহৰিছিল।

সাঁতোৰা-পুখুৰী

সেইটো আছিল ত'ত্ত'-চ্চানৰ জীৱনৰ এটা চিৰস্মৰণীয় দিন। প্ৰথমবাৰৰ কাৰণে তাই পুখুৰীত সাঁতুৰিলে, আৰু গাত সূতা এডালো নথকাকৈ।

ৰাতিপুৱাই কাণ্ডটো ঘটিল। হে'ডমাষ্টৰে সিহঁতবোৰক ক'লে, "হঠাৎ দেখোন বৰ গৰম পৰি গৈছে। গতিকে ভাবিছোঁ পুখুৰীটোত পানী ভৰায়ে দিওঁ।"

"কেনে মজা!" আটায়ে দৌৰ-জাঁপ মাৰি চিঞৰিবলৈ ধৰিলে। ত'ত্ত'-চ্চান আৰু প্ৰথম শ্ৰেণীৰ আনবিলাকেও "কেনে মজা, কেনে মজা" কৈ চিঞৰি ডাঙৰবোৰতকৈ বেছি উত্তেজনাৰে ইফালে সিফালে জঁপিয়াই ফুৰিবলৈ ধৰিলে। এটা মূৰ আনটো মূৰতকৈ সৰু বাবে ত'মে'ৰ পুখুৰীটো আনবোৰ সাতোঁৰা পুখুৰীৰ দৰে আয়তাকাৰ নহয়, এইটো নাও এখনৰ দৰে ধুনীয়া আকৃতিৰ। মাটিখিনিৰ আকাৰৰ বাবেই বোধহয় এনে কৰা হৈছে। তৎসত্ত্বেও পুখুৰীটো ডাঙৰ আৰু চমৎকাৰ। পুখুৰীটো শ্ৰেণীকোঠাবোৰ আৰু সভাভৱনটোৰ মাজতে আছিল।

পাঠ চলি থকাৰ গোটেই সময়খিনিত ত'ত্ত'-চ্চান আৰু আনবোৰে খিড়িকীৰে পুখুৰীটোলৈ লুকাই-চুৰকৈ চাই আছিল। খালী হৈ থাকোঁতে খেলপথাৰখনৰ দৰে ইয়াতো সৰা পাতবোৰ পৰি লেতেৰা হৈ আছিল। কিন্তু এতিয়া যে ইয়াক পৰিষ্কাৰ কৰা হৈছে আৰু ই পানীৰে ভৰি আহিছে গতিকে ইয়াক সাঁতোৰা পুখুৰী যেন লাগিবলৈ ধৰিছেই।

অৱশেষত ভাত খোৱাৰ সময় হ'ল। তাৰ পিছত ল'ৰা-ছোৱালীবোৰ পুখুৰীটোৰ চাৰিওফালে গোট খালে। হে'ডমাষ্টৰে ক'লে, "আমি কিছু ব্যায়াম কৰিম আৰু তাৰ পিছত সাঁতুৰিম।"

'সাঁতুৰিবলৈ মোক জানো সাঁতোৰা পোছাক নালাগিব?' ত'ত্ত'-চ্চানে ভাবিলে। মাক-দেউতাকৰ লগত কামাকুৰালৈ গ'লে তাই সাঁতোৰে আৰু তেতিয়া

সাঁতোৰা-পোছাক, ৰবৰৰ চকৰী আদি ব্যৱহাৰ কৰে। শিক্ষয়িত্ৰীয়ে সিহঁতক সাঁতোৰা-পোছাক আনিবলৈ কৈছিল নে কি তাই মনত পেলাবলৈ চেষ্টা কৰিলে।

তেনেতে, ঠিক যেন তাইৰ মনৰ ভাবটো পঢ়ি উঠিহে হে'ডমাষ্টৰে ক'লে, "সাঁতোৰা-পোছাকৰ কাৰণে চিন্তা নকৰিবা। সভাভৱনটোলৈ যোৱাচোন, চোঁৱাগৈ।"

ত'ত্ত'-চ্চান আৰু প্ৰথম শ্ৰেণীৰ আনবোৰ ল'ৰা-ছোৱালী গৈ সভাভৱন পাওঁতে ডাঙৰ ল'ৰা-ছোৱালীবোৰে গা ধুবলৈ সাজু হোৱাৰ দৰে স্ফূৰ্তিত চিঞৰ-বাখৰ কৰি কাপোৰ-কানি খুলি পেলাইছে। সম্পূৰ্ণ নগ্ন হৈ এটা এটাকৈ সিহঁত স্কুলৰ খেল-পথাৰলৈ দৌৰি গ'ল। ত'ত্ত'-চ্চান আৰু তাইৰ বন্ধুহঁতে লৰালৰিকৈ সিহঁতৰ পিছ ল'লে। মৃদু গৰম বতাহত পোছাক নিপিন্ধাকৈ থাকিবলৈ অদ্ভুত ভাল লাগিছে। সিহঁতে সভা-ভৱনৰ বাহিৰৰ ছিৰিৰ মূৰ পাই গৈ দেখে আনবোৰে তাতে গা গৰম কৰা ব্যায়াম কৰি আছে। ত'ত্ত'-চ্চান আৰু তাইৰ লগৰীয়াহঁত খালী ভৰিৰে ছিৰি বগাই নামি গ'ল।

সাঁতোৰ শিকাওঁতাজন হ'ল মিয়'-চ্চানৰ ককায়েক, হে'ডমাষ্টৰৰ পুতেক। তেওঁ ব্যায়ামবিদ। তেওঁ ত'মে'ৰ শিক্ষক নহয়, পিছে তেওঁ বিশ্ববিদ্যালয়ৰ সাঁতোৰৰ দলত আছিল। তেওঁৰ নামটো স্কুলখনৰ নামৰ লগত একে— ত'মে'। ত'মে'-চ্চানে সাঁতোৰা-পোছাক পিন্ধিছে।

ব্যায়াম কৰাৰ পিছত গাত ঠাণ্ডা পানী ঢালি দিওঁতে ল'ৰা-ছোৱালীবোৰে চিঞৰিবলৈ ধৰিলে আৰু পুখুৰীত জাঁপ দিলে। ত'ত্ত'-চ্চানে আন কিছুমানক নিৰীক্ষণ কৰি থাকিল আৰু সিহঁতে সহিব পাৰিব বুলি নিশ্চিত নোহোৱালৈকে পানীত নানামিল। পানীখিনি গা ধোৱা পানীৰ দৰে গৰম নহয় যদিও পুখুৰীটো দেখি ভাল লগা আৰু ডাঙৰ। হাত যিমানেই মেলি থকা যায় সিমান দূৰলৈকে পানীৰ বাহিৰে আন একো নাই।

ক্ষীণ আৰু লোদোৰ-পোদোৰ, ল'ৰা আৰু ছোৱালী— আটাইবোৰে নিজৰ জন্মৰ দিনাৰ পোছাকেৰে হাঁহি হাঁহি চিঞৰ-বাখৰ কৰি পানী ছিটিকাবলৈ ধৰিলে।

কি যে মজা, ত'ত্ত'-চ্চানে ভাবিলে ; আৰু কেনে যে ভাল লগা অনুভূতি! ৰকি যে স্কুললৈ আহিব নোৱাৰে কেৱল সেইটো কথা তহে তাইৰ দুখ লাগে। তাই ভালকৈ জানে যে সাঁতোৰা-পোছাক নোহোৱাকৈ চলিব বুলি জনা হ'লে সি নিশ্চয় পুখুৰীত নামি গ'লহেঁতেন।

হে'ডমাষ্টৰে কিয় ল'ৰা-ছোৱালীবোৰক খালী গাৰে সাঁতুৰিবলৈ দিলে সেই কথা ভাবি চাগে' আপোনালোক আচৰিত হৈছে। এই বিষয়ে কোনো ধৰা-বন্ধা নিয়ম নাই। যদি আপুনি সাঁতোৰা সাজজোৰা আনিছে আৰু পিন্ধিব খোজে

তেন্তে কোনো কথা নাই। আনহাতে আজিৰ দৰে যদি হঠাতে সাঁতুৰিব খোজে আৰু লগত সাঁতোৰা পোছাক নাথাকে তেনেহ'লেও ঠিকেই আছে। আৰু তেখেতে কিয় নাঙঠ হৈ সাঁতুৰিবলৈ দিছে? কাৰণ তেখেতে ভাবিছিল যে ল'ৰা আৰু ছোৱালীবোৰ তেওঁলোকৰ শাৰীৰিক পাৰ্থক্যৰ বিষয়ে ইমান অস্বাস্থ্যকৰভাৱে কৌতূহলী হৈ থকাটো ভাল কথা নহয়। তেখেতে আৰু ভাবিছিল যে ইজনে সিজনৰপৰা নিজৰ শৰীৰটো লুকুৱাবলৈ ইমান কষ্ট কৰাটো অস্বাভাৱিক।

তেখেতে ল'ৰা-ছোৱালীক শিকাবলৈ বিচাৰিছিল যে সকলো শৰীৰেই সুন্দৰ। ত'মে'ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এনে কোনো কোনো আছিল যাৰ পলিঅ' হৈছিল, যেনে— য়াছুআকি-চ্ছান; কোনোজন বা নিচেই ক্ষুদ্ৰ অবয়বৰ, বা আন ধৰণৰ প্ৰতিবন্ধী; আৰু তেখেতে অনুভৱ কৰিছিল যে যদি তেওঁলোকে নিজৰ শৰীৰটো উদং কৰি দিয়ে আৰু সকলোৰে লগত খেলে তেন্তে লাজৰ অনুভূতিৰপৰা তেওঁলোকে ৰেহাই পাব। ইয়েই হীনমন্যতাৰ ভাব জন্মাত বাধা দিব। পিছত যেনে দেখা গ'ল— প্ৰতিবন্ধী ল'ৰা-ছোৱালীকেইটাই প্ৰথমতে লাজ কৰিছিল, সিহঁতে অনতিপলমে মজা উপভোগ কৰিবলৈ ধৰিলে আৰু শেষত নিজৰ লাজ-সংকোচক একেবাৰে জয় কৰিব পাৰিলে।

কিছুমান মাক-দেউতাক এই কামটোত চিন্তিত হৈ পৰিছিল আৰু তেখেতসকলৰ ল'ৰা-ছোৱালীক সাঁতোৰা পোছাক যোগাৰ কৰি দি সেইটো পিন্ধাৰ ওপৰত জোৰ দিছিল। এই পোছাক যে অতি কমকৈহে ব্যৱহাৰ কৰা হৈছিল সেই কথা তেখেতসকলে গমেই নাপাইছিল। ত'ত্ত'-চ্চানৰ নিচিনা প্ৰথমৰেপৰা উদং গাৰে সাঁতুৰিবলৈ সিদ্ধান্ত কৰা ল'ৰা-ছোৱালীক অথবা পোছাকটো আনিবলৈ পাহৰা বুলি কৈ পানীত নামি যোৱা ল'ৰা-ছোৱালীক লক্ষ্য কৰি সিহঁত বেছিভাগেই আনৰ দৰে উদং গাৰে সাতোঁৰাতেই বেছি মজা আছে বুলি পতিয়ন গৈছিল আৰু সেই কাৰণে সিহঁতে কেৱল ঘৰলৈ যাওঁতে পোছাকটো তিতা অৱস্থাত লৈ যোৱাতেই গুৰুত্ব দিছিল। ফলত ত'মে'ৰ প্ৰায় সকলো ল'ৰা-ছোৱালীৰে গোটেই গা পকা বগৰীৰ দৰে মুগা ৰঙৰ হৈ পৰিছিল। আৰু সাঁতোৰা পোছাক পিন্ধা গাৰ অংশটো বগা হৈ থকা ল'ৰা-ছোৱালী প্ৰায় নাছিলেই বুলিব পাৰি।

প্ৰগতি-পত্ৰখন

সোঁ-বাওঁ কোনোফালে নাচাই পিঠিত বেগটো ধপ-ধপাই ষ্টেচনৰপৰা গোটেই বাটছোৱা দৌৰি দৌৰি ত'ত্ত'-চ্চান ঘৰ পালেগৈ। তাইক দেখিলে যি কোনো মানুহেই ভাবিব যে সাংঘাতিক কিবা এটা ঘটিছে চাগে'।

ঘৰ পায়েই তাই সমুখৰ দুৱাৰখন খুলিলে আৰু চিঞৰি ক'লে, "মই আহিলোঁ" বুলি, আৰু ৰকিক বিচাৰিলে। সি সমুখৰ বাৰান্দাত গা জুৰ লগাই মজিয়াত পেট পেলাই পৰি আছিল। ত'ত্ত'-চ্চানে এটা শব্দও নক'লে। তাই ৰকিৰ সমুখত বহিল, পিঠিৰপৰা বেগটো এৰুৱালে আৰু তাৰপৰা এখন প্ৰগতি-পত্ৰ উলিয়ালে। এইখন তাই প্ৰথমবাৰৰ কাৰণে পোৱা প্ৰগতি-পত্ৰ। তাই সেইখন মেলি ধৰিলে যাতে নম্বৰবোৰ ৰকিয়ে স্পষ্টকৈ দেখে।

"চা", তাই গৌৰৱেৰে ক'লে। "তাত এ' আছে বি আছে আৰু আন আন আখৰো আছে।" স্বাভাৱিকতে ত'ত্ত'-চ্চানে নাজানে এ' পোৱা বেছি ভাল নে বি পোৱা বেছি ভাল। ৰকিয়ে জনাটোতো আৰু বেছি টান। কিন্তু ত'ত্ত'-চ্চানে তাইৰ একেবাৰে প্ৰথমখন প্ৰগতি-পত্ৰ আনক দেখুউৱাৰ আগতে ৰকিক দেখুৱাব খুজিছিল আৰু তাই থিৰাংকৈ জানিছিল যে ৰকিয়ে বৰ ৰং পাব।

মুখৰ আগত কাগজখন দেখি ৰকিয়ে শুঙিলে আৰু ত'ত্ত'-চ্চানলৈ থৰ লাগি চালে। "তবধ মানি গৈছ, নহয়?" ত'ত্ত'-চ্চানে ক'লে। "কিন্তু এইখন গোটেইখন টান টান শব্দৰে ভৰ্তি। তই চাগে' গোটেইবোৰ পঢ়িব পৰাই নাই।"

ৰকিয়ে মূৰটো বেঁকা কৰি দিলে, যেন কাগজখন ভালকৈ চাইছেহে। তাৰ পিছত সি ত'ত্ত'-চ্চানৰ হাতখন চেলেকি দিলে।

"বঢ়িয়া", তাই সন্তোষ মনেৰে কৈ থিয় হ'ল। "এতিয়া মই এইখন মাক দেখুৱাওঁগৈ।"

ত'ত্ত'-চ্চান যোৱাৰ পিছত ৰকি উঠি গৈ বেছি ঠাণ্ডা ঠাই অকণ বিচাৰি ল'লে। তাৰ পিছত সি লাহে লাহে দীঘল দিলে আৰু চকু মুদিলে। সি যি ধৰণেৰেহে চকু দুটা মুদিলে যে অকল ত'ত্ত'-চ্চানেই নহয়, আনেও ক'ব যেন সি প্ৰগতি-পত্ৰখনৰ বিষয়েহে চিন্তা কৰি আছে।

গৰমৰ বন্ধ আৰম্ভ হ'ল

"কাইলৈ আমি শিবিৰ পাতিম। অনুগ্ৰহ কৰি সন্ধিয়া স্কুললৈ পায়জামা আৰু কম্বল লৈ আহিবাহঁত"— ত'ত্ত'-চ্চানে ঘৰলৈ আহি মাকক দেখুউৱা হে'ডমাষ্টৰৰ টোকাটোত লিখা আছিল। গৰমৰ বন্ধ তাৰ পিছদিনাৰপৰা আৰম্ভ হৈছিল।

"শিবিৰ পতা মানেনো কি?" ত'ত্ত'-চ্চানে সুধিলে।

মাকেও কথাটো ভাবিহে আছিল। পিছে তেখেতে উত্তৰ দিলে, "কিয়, তাৰ মানে জানো তোমালোকে বাহিৰত ক'ৰবাত তম্বু তৰি তাতে নুশুবা? তম্বুত শুলে তুমি জোন আৰু তৰা দেখি থাকিবলৈ পাবা। ভাবিছোঁ, তম্বু বা ক'ত অৰে! ইয়াত ক'লৈকো যোৱা-অহাৰ ভাৰাৰ কথা লিখা নাই দেখোন! তাৰ মানে বোধহয় স্কুলৰ ওচৰতে ক'ৰবাত হ'ব।"

সেই ৰাতি শুবলৈ গৈ ত'ত্ত'-চ্চানৰ বহুত সময়লৈকে টোপনি নধৰা হ'ল। কেম্প কৰাৰ ধাৰণাটো ভাবিবলৈকে ভয় লগা— এটা মস্ত ডাঙৰ অভিযান, আৰু তাইৰ কলিজাটোৱে যেন খৰকৈ ধপধপাবলৈ ধৰিলে।

পিছদিনা পুৱা সাৰ পায়েই তাই টোপোলা বান্ধিবলৈ আৰম্ভ কৰিলে। কিন্তু সন্ধ্যা যেতিয়া পায়জামা ভৰোৱা মোনাটোৰ ওপৰত কম্বলখন জাপি থোৱা হ'ল আৰু তাই শুভ বিদায় জনাই যাত্ৰা আৰম্ভ কৰিলে, তেতিয়া তাইৰ নিজকে নিচেই সৰু ছোৱালী যেন লাগিল আৰু বৰ ভয় লাগিল।

স্কুলত ল'ৰা-ছোৱালীবোৰ গোট খাওঁতে হে'ডমাষ্টৰে ক'লে, "আটাইবোৰ সভাভৱনলৈ আঁহা।" সিহঁত গৈ পাওঁতে তেখেতে সৰু মঞ্চটোলৈ কিবা এটা টান খমখমীয়া বস্তু কঢ়িয়াই নিলে। এটা সেউজীয়া তম্বু।

"কেনেকৈ তম্বু তৰে মই দেখুৱাই দিছোঁ, ৰ'বা;" সেইটো খুলি-মেলি লৈ তেখেতে ক'লে, "তোমালোকে ভালকৈ মন দি চাই থাকিবা, দেই।"

তেখেতে অকলে অকলে ফোঁপাই-জোপাই ৰছী টানি খুটী পুতিবলৈ ধৰিলে আৰু 'তই-ৰাম' বুলি কৈ নুঠোঁতেই এটা ধুনীয়া তম্বু থিয় হৈ গ'ল।

"আঁহা তেন্তে", তেখেতে ক'লে। "এতিয়া গোটেইটো হলতে তম্বুবোৰ তৰি পেলোৱা আৰু শিবিৰ আৰম্ভ হওক।"

আন যি কোনো মানুহৰ দৰে তাইৰ মাকেও ভাবি লৈছিল 'সিহঁতে বাহিৰতে তম্বু তৰিব চাগে' বুলি। কিন্তু হে'ডমাষ্টৰৰ চিন্তা আছিল বেলেগ। সভা-ভৱনটোত ৰাতি বৰষুণ দিলেও বা অলপ ঠাণ্ডা পৰিলেও ল'ৰা-ছোৱালীবোৰ ঠিকেই থাকিব।

"আমি শিবিৰ পাতিছোঁ, আমি শিবিৰ পাতিছোঁ," আনন্দৰ এই চিঞৰেৰে ল'ৰা-ছোৱালীবোৰ বেলেগ বেলেগ দল হৈ গ'ল আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ

সহযোগত সিহঁতে দৰকাৰৰ জোখাৰে তম্বু তৰিলে। একোটা তম্বুত তিনিটালৈকে ল'ৰা-ছোৱালী শুব পাৰে। ত'ত্ত'-চ্চানে লৰালৰিকৈ পায়জামা পিন্ধি ল'লে আৰু অলপ পিছতেই ল'ৰা-ছোৱালীবোৰে বগুৱা বাই বাই ইটোৰপৰা ওলাই, সিটোত সোমাই ফুৰিবলৈ ধৰিলে। ইফালৰপৰা সিফাললৈকে বহুত ফুৰা-চকা হ'ল।

সকলোৰে পায়জামা পিন্ধা হোৱাত হে'ডমাষ্টৰে মাজৰ ঠাইত সকলোৱে দেখাকৈ বহি লৈ তেখেতৰ বিদেশ-ভ্ৰমণবিলাকৰ কথা ক'বলৈ ধৰিলে।

কিছুমান ল'ৰা-ছোৱালীয়ে বাহিৰলৈ কেৱল মূৰটো উলিয়াই তম্বুত পৰি থাকি, কিছুমানে ঠিকমতে বহি লৈ আৰু কিছুমানে আনৰ কোলাত মূৰ দি শুই শুই কেতিয়াও নেদেখা-নুশুনা বিদেশৰ কাহিনী শুনিবলৈ ধৰিলে। কাহিনীবোৰ অতি আকৰ্ষণীয় আছিল। সাগৰৰ সিপাৰৰ কোনোবা বিদেশত থকা শিশুবোৰৰ বিষয়ে তেখেতৰ বৰ্ণনা শুনি শুনি সিহঁতকো ল'ৰা-ছোৱালীবোৰৰ নিজৰ বন্ধু যেন লাগিছিল।

আৰু এনেকুৱা হ'লগৈ যে সভাভৱনৰ তম্বুত শোৱা এই সাধাৰণ ঘটনাটোৱেই ল'ৰা-ছোৱালীহঁতৰ কাৰণে আনন্দৰ আৰু মহামূল্যবান এটা চিৰস্মৰণীয় অভিজ্ঞতা হৈ ৰৈ গ'ল। ল'ৰা-ছোৱালীক কেনেকৈ আনন্দ দিব পাৰি এই কথা হে'ডমাষ্টৰে নিশ্চয় ভালকৈ জানিছিল।

হে'ডমাষ্টৰৰ কথা শেষ হোৱাৰ পিছত, ভৱনৰ লাইটবোৰ নুমুৱাই দিয়া হ'ল, আৰু সকলোবোৰ নিজৰ নিজৰ তম্বুত সোমাল। কিছুমান তম্বুৰপৰা হাঁহিৰ শব্দ, কিছুমানৰপৰা ফুচফুচনি আৰু সিটো মূৰৰ এটাৰপৰা ডবৰাডবৰিৰ শব্দ শুনা গ'ল। ক্ৰমে নীৰৱতাই সকলোখিনিকে গ্ৰাস কৰিলে।

জোন-তৰা নোহোৱাকৈয়ে এই শিবিৰ পতা হ'ল, কিন্তু ল'ৰা-ছোৱালীয়ে বাৰুকৈয়ে আনন্দ-উপভোগ কৰিলে। সিহঁতৰ কাৰণে সেই সৰু সভা-ভৱনটোৱেই আচল শিবিৰপ্ৰাংগন হৈ পৰিছিল আৰু সোঁৱৰণীয়ে সেই ৰাতিটোক চিৰকালৰ কাৰণে জোনাকেৰে আৰু তৰাৰ পোহৰেৰে মেৰিয়াই বান্ধি দিছিল।

মহা-অভিযান

সভা-ভৱনত শিবিৰ পতাৰ দুদিনৰ পিছত ত'ত্ত'-চ্চানৰ মহা-অভিযান- দিৱসটো আহি গ'ল। সেইদিনা তাইৰ য়াছুআকি-চ্চানক লগ ধৰাৰ বাবে পূৰ্ব-নিৰ্দিষ্ট

বন্দোৱস্ত আছিল। তাইৰ বা য়াছুআকি-চ্চানৰ মাক-দেউতাক কোনেও নজনা এইটো এটা গোপন কথা আছিল। য়াছুআকি-চ্চানক তাই নিজৰ গছলৈ আমন্ত্ৰণ জনাইছিল।

স্কুলৰ খেল-পথাৰত ত'মে'ৰ ছাত্ৰ-ছাত্ৰীবোৰৰ প্ৰত্যেকৰে বগাবলৈ নিজাকৈ একো একো জোপাকৈ গছ আছিল। ত'ত্ত'-চ্চানৰ গছজোপা আছিল পথাৰৰ এমূৰে কুহ্নবুৎছুলৈ যোৱা ৰাস্তাৰ ওচৰৰ বেৰাখনৰ কাষত। গছজোপা ডাঙৰ আৰু বগাবলৈ পিছল। কিন্তু কৌশলেৰে বগালে মাটিৰপৰা ছয়ফুট ওপৰৰ এটা ফেৰেঙনি পাবগৈ পাৰি। ফেৰেঙনিটো হেদালিবিছনাৰ দৰে আৰামদায়ক; আজৰি সময়ত আৰু স্কুল ছুটীৰ পিছত ত'ত্ত'-চ্চান তালৈ যায় আৰু বহুত দূৰলৈ বা ওপৰৰ আকাশলৈ বা তলেদি গৈ থকা মানুহ-দুনুহলৈ চাই থাকে।

ল'ৰা-ছোৱালীবোৰে ''নিজৰ'' গছজোপাক ব্যক্তিগত সম্পত্তি বুলি ভাবে। সেই কাৰণে যদি কোনোবাই আন কাৰোবাৰ গছত বগাব খোজে, তেন্তে নম্ৰভাৱে

আনজনৰ অনুমতি বিচাৰিব লাগিব; ক'ব লাগিব ঃ ''ক্ষমা কৰিবা, সোমাব পাৰোঁনে?''

য়াছুআকি-চ্চানৰ পলিঅ' হৈছিল বাবে সি কেতিয়াও গছত উঠা নাছিল আৰু সেইবাবে এজোপাকো নিজৰ বুলি দাবী কৰিব পৰা নাছিল। সেইকাৰণে তাক ত'ত্ত'-চ্চানে নিজৰ গছলৈ আমন্ত্ৰণ কৰিবলৈ ঠিক কৰিলে। আনে জানিলে মিছাতে হৈ-চৈখন লগাব বুলি ভাবি কথাটো সিহঁতে গোপনে ৰাখিছিল।

ঘৰৰপৰা ওলাওঁতে মাকক ত'ত্ত'-চ্চানে দেনেনচ্চোফুলৈ, য়াছুআকি-চ্চানৰ ঘৰলৈ দেখা কৰিবলৈ যাব বুলি ক'লে। মিছা কথা কোৱা বাবে তাই মাকলৈ নাচাই নিজৰ জোতাৰ ফিটাত চকু ৰাখি কথা কৈছিল। কিন্তু ৰকি তাইৰ পিছে পিছে ষ্টেচনলৈ আহিছিল, সেইকাৰণে এৰা এৰি হোৱাৰ সময়ত তাই তাক সঁচা কথাটো ক'লে।

''মই য়াছুআকিক মোৰ গছজোপাত বগাবলৈ দিবলৈ যাওঁ, বুইছ?'' তাই ক'লে।

ৰে'লৰ 'পাছ'খন ডিঙিত থপথপাই লৈ তাই গৈ স্কুল পাওঁতে দেখা পালে গৰমৰ বন্ধৰ পৰিত্যক্ত খেল-পথাৰৰ ফুলনিত য়াছুআকি-চ্চানে তাইলৈ বাট চাই আছে। সি তাইতকৈ মাত্ৰ এবছৰৰ ডাঙৰ, কিন্তু সি কথা ক'লে বৰ ডাঙৰ মানুহৰ কথা যেন শুনি।

ত'ত্ত'-চ্চানক দেখা পাই ভৰি চোঁচোৰাই চোঁচোৰাই আৰু নিজক থিৰে ৰাখিবলৈ হাত আগলৈ মেলি ধৰি য়াছুআকি-চ্চান আগুৱাই আহিল। সিহঁতে গোপনে কিবা এটা কৰিবলৈ গৈছে এই কথা ভাবি ত'ত্ত'-চ্চান পুলকিত হৈ উঠিল আৰু খুকখুকাই হাঁহিলে। য়াছুআকি-চ্চানেও খুকখুকাই হাঁহিলে।

ত'ত্ত'-চ্চানে য়াছুআকি-চ্চানক নিজৰ গছজোপালৈ লৈ গ'ল। আগদিনা ৰাতিয়েই ভাবি থোৱাৰ দৰে তাই চকীদাৰজনৰ ছালিৰ ফালে গ'ল আৰু জখলা এডাল চোঁচোৰাই গছজোপাৰ ওচৰলৈ আনিলে। ফেৰেঙনিটো ঢুকি পোৱাকৈ তাই জখলাডাল গা-গছৰ গাত আঁউজাই দিলে। খৰধৰকৈ বগাই গৈ জখলাডালৰ ওপৰটো ধৰি তাই তললৈ চাই মাতিলে, ''ঠিক আছে, বগাই উঠিবলৈ চেষ্টা কৰা।''

য়াছুআকি-চ্চানৰ হাত-ভৰি ইমান দুৰ্বল আছিল যে দেখা গ'ল সি সহায় নহলে প্ৰথম খলপাটোতে উঠিব নোৱাৰে। সেই কাৰণে ত'ত্ত'-চ্চানে লৰালৰিকৈ জখলা বগাই নামি আহি য়াছুআকি-চ্চানক পিছৰপৰা হেঁচুকি দিবলৈ ধৰিলে। কিন্তু ত'ত্ত'-চ্চান ইমান সৰু আৰু ক্ষীণ-মীন আছিল যে তাই কেৱল তাক ধৰি থাকিবহে পাৰিছিল, জখলাডাল ঠিককৈ ধৰি থকাৰ কথাই নুঠে। তলৰ খলপাৰপৰা ভৰি নমাই আনি য়াছুআকি-চ্চান তলমূৰ কৰি জখলাডালৰ ওচৰতে

থিয় হৈ ৰ'ল। তাই ভবাতকৈ যে কামটো টান হ'ব সেই কথা প্ৰথমবাৰৰ কাৰণে ত'ত্ত'-চ্চানে বুজিলে। তাই এতিয়া কি কৰিব?

য়াছুআকি-চ্চান তাইৰ গছত উঠাটো তাই ইমানকৈ বিচাৰিছিল আৰু সিও ইমান আশা কৰি আছিল! তাই ঘূৰি আহি তাৰ মুখামুখি হ'ল। সি ইমান বেছি বেঁজাৰ পালে যে তাৰ মন ভাল লগাবলৈ তাই গাল দুখন ওফোন্দাই মুখখন দেখিবলৈ হাঁহি উঠা কৰিলে।

"ৰ'বা, মই কথা এটা ভাবিছোঁ!"

তাই চকীদাৰৰ ছালিলৈ দৌৰি উভতি গ'ল আৰু কামত আহিব পৰা ধৰণৰ কিবা বস্তু পায় নে কি বিচাৰিবলৈ ধৰিলে। অৱশেষত তাই মৈৰ দৰে খলপা থকা বেলেগ ধৰণৰ জখলা এডাল পালে। এইডাল নিজেই থিৰ হৈ ৰ'ব, তাই আৰু ধৰি থাকিব নালাগে।

তাই জখলাডাল টানি-আঁজুৰি আনিলে, নিজৰ বল দেখি নিজেই আচৰিত হ'ল আৰু ই প্ৰায় ফেৰেঙনিটো ঢুকি পোৱা দেখি বৰ ৰং পালে।

"এতিয়া, ভয় নকৰিবা," বায়েকৰ দৰে মাতেৰে তাই ক'লে, "এইডালে লৰচৰ নকৰে।"

য়াছুআকি-চ্চানে বিব্ৰত হৈ জখলাডাললৈ চালে। তাৰ পিছত ঘামত জুৰুলি-জুপুৰি হৈ থকা ত'ত্ত'-চ্চানলৈ চালে। য়াছুআকি-চ্চানো বৰকৈ ঘামিছিল। সি গছজোপালৈ মূৰ তুলি চালে। তাৰ পিছত দৃঢ়প্ৰতিজ্ঞ হৈ প্ৰথম খলপাটোত্ ভৰি থ'লে।

য়াছুআকি-চ্চান গৈ জখলাৰ ওপৰ মূৰটো পাওঁতে মুঠতে কিমান সময় লাগিল সেই কথালৈ সিহঁত এটাৰো কাণষাৰ নাছিল। গ্ৰীষ্মৰ বেলিৰ প্ৰচণ্ড তাপে সিহঁতক লেবেজান কৰি পেলালে। কিন্তু য়াছুআকি-চ্চান মৈখনৰ ওপৰৰ মূৰটো পাবগৈ লাগে, সেই কথাটোৰ বাহিৰে সিহঁতৰ আন চিন্তা নাছিল। ত'ত্ত'-চ্চান তললৈ আহি মূৰেৰে তাৰ তপিনাত হেঁচুকি থাকি তাৰ ভৰি দুখন দাঙি দিলে। সৰ্বশক্তিৰে যুঁজ কৰি কৰি য়াছুআকি-চ্চান অৱশেষত জখলাৰ ওপৰ পালেগৈ।

"হুৰ্‌ৰ্‌ ৰে!"

কিন্তু তাৰ পিছত আৰু একো আশা নাই। ত'ত্ত'-চ্চান জাঁপ মাৰি ফেৰেঙনিত বহিল। কিন্তু যিমানেই চেষ্টা নকৰক, তাই আৰু জখলাৰ মূৰৰপৰা য়াছুআকি-চ্চানক গছজোপালৈ নিব নোৱৰা হ'ল। জখলাত খামুচি ধৰি য়াছুআকি-চ্চানে ত'ত্ত'-চ্চানলৈ চালে। তাইৰ হঠাৎ কান্দোন ওলাব খুজিলে। য়াছুআকি-চ্চানক তাইৰ গছজোপাৰ ওপৰত বহুৱাই তাৰপৰা সকলো দেখুৱাবলৈ তাইৰ ইমান বেছি মন গৈছিল!

কিন্তু তাই নাকান্দিলে। তাই কান্দিলে য়াছুআকি-চ্চানেও কান্দিব বুলি তাই ভয় কৰিছিল।

তাৰ পৰিৱৰ্তে তাই পলিঅ'ৰ কাৰণে আঙুলি লাগি ধৰা তাৰ হাতখনত ধৰিলে। তাইৰ হাততকৈ হাতখন ডাঙৰ আৰু আঙুলিবোৰ দীঘল। বহুত সময় তাই হাতখনত ধৰি থাকিল। তাৰ পিছত তাই ক'লে, "শুই পৰা, মই তোমাক টানি উঠাবলৈ চেষ্টা কৰোঁ।"

কোনোবা ডাঙৰ মানুহে যদি তাইক এনেকৈ গছৰ ফেৰেঙনিত থিয় হৈ লৈ জখলাৰ মূৰত পেট পেলাই পৰি থকা য়াছুআকি-চ্চানক গছৰ ওপৰলৈ উঠাবলৈ টানি-আঁজুৰি থকা দেখিলেহেঁতেন তেন্তে চাগে' চিঞৰি দিলেহেঁতেন। অৱস্থাটো নিশ্চয় দেখাত অতি সাংঘাতিক সংকটজনক যেন লাগিছিল।

কিন্তু ত'ত্ত'-চ্চানৰ ওপৰত য়াছুআকি-চ্চানৰ পূৰা আস্থা আছিল। আৰু ত'ত্ত'-চ্চানে তাৰ কাৰণে নিজৰ জীৱন সংকটাপন্ন কৰি তুলিছিল। তাইৰ অকণ অকণ হাত দুখনেৰে তাৰ হাতত খামুচি ধৰি তাই তাক সৰ্বশক্তিৰে টানিছিল। মাজে সময়ে ডাঙৰ ডাঙৰ একো চপৰা ডাৱৰে দয়া কৰি গা পুৰি নিয়া বেলিটোৰপৰা সিহঁত দুটাক আঁৰ কৰি ৰাখিছিল।

বহুত বহুত সময় পাৰ হৈ যোৱাৰ পিছত সিহঁত দুয়ো গছজোপাৰ ওপৰত মুখামুখিকৈ থিয় হ'ল। তাইৰ সেমেকি যোৱা চুলি পিছলৈ চুঁচি ত'ত্ত'-চ্চানে নম্ৰভাৱে মূৰ দোঁৱাই ক'লে, "মোৰ গছলৈ আদৰণি জনাইছোঁ।"

য়াছুআকি-চ্চানে লাজ লাজ ভাৱেৰে গছৰ গাত আঁউজি মিচিকিয়াই হাঁহিলে। সি ক'লে, "মই সোমাব পাৰোঁনে?"

য়াছুআকি-চ্চানে আগতে কেতিয়াও নেদেখা বিস্তৃতিলৈ চাব পাৰিলে। "তাৰ মানে গছত উঠিবলৈ এনেকুৱাই লাগে," সি আনন্দ মনেৰে ক'লে।

বহুত সময় ধৰি সিহঁত গছৰ ওপৰতে থাকিল আৰু সিহঁতে নানা তৰহৰ কথা পাতিলে।

"আমেৰিকাত থকা বাইদেৱে কৈছে বোলে তাত টেলিভিশ্যন নামৰ কিবা এটা আছে," উৎসাহেৰে য়াছুআকি-চ্চানে ক'লে। "তেওঁ কৈছে সেইটো বস্তু জাপানলৈ আহিলে আমি ঘৰতে বহি ছুম' মল্লযুদ্ধ চাব পাৰিম। তেওঁ কৈছে সেইটো হেনো দেখিবলৈ বাকচ এটাৰ দৰে।"

বেছি দূৰৰ ঠাইলৈ যাব নোৱৰা য়াছুআকি-চ্চানৰ কাৰণে ঘৰতে বহি সকলো ধৰণৰ বস্তু চাবলৈ পোৱা যে কিমান বেছি পোৱা হ'ব, সেই কথা ত'ত্ত'-চ্চানে বুজিব পৰা নাছিল।

তাই কেৱল ভাবিছিল কেনেকৈনো নিজৰ ঘৰৰ এটা বাকচত ছুম' মল্লযোদ্ধা সোমাব পাৰিব! ছুম' মালবোৰ ইমান প্ৰকাণ্ড! আনহাতে এই যুঁজ আকৰ্ষণীয়ও।

সেই সময়ত টেলিভিশ্যনৰ বিষয়ে কোনেও নাজানিছিল। ত'ত্ত'-চ্চানক য়াছুআকি-চ্চানেই এই বিষয়ে প্ৰথমে কৈছিল।

জিলিবোৰে ঝিঁ-ঝিঁয়াই আছিল আৰু দুয়োটা শিশু ইমান সুখী হৈছিল। য়াছুআকি-চ্চানৰ কাৰণে জীৱনত এয়ে প্ৰথম আৰু শেষবাৰ গছত উঠা।

সাহসৰ পৰীক্ষা

"কি বস্তু ভয় লগা, বেয়া গোন্ধোৱা আৰু খাবলৈ ভাল?"

সিহঁতে এই সাঁথৰটো ইমান ভাল পাইছিল যে উত্তৰটো জনা সত্ত্বেও ত'ত্ত'-চ্চান আৰু তাইৰ বন্ধুবোৰৰ পৰস্পৰক কৈ কেতিয়াও আমনি লগা নাছিল।

"ভয় লগা আৰু বেয়া গোন্ধোৱা সাঁথৰটো মোক সোধাচোন।"

উত্তৰটো আছিল "পায়খানাত বহি বিনৰ জাম লগোৱা পিঠা খাই থকা দৈত্য এটা।"

ত'মে'ৰ সাহসৰ পৰীক্ষা যেনেকৈ শেষ হৈছিল সিও এটা ভাল সাঁথৰেই হ'বগৈ—"কি বস্তুৱে ভয় লগায়, খজুৱায় আৰু হাঁহি উঠায়?"

সভাভ ৱনত শিবিৰ পতাৰ দিনা ৰাতি হে'ডমাষ্টৰে ঘোষণা কৰিছিল, "আমি এদিন ৰাতি কুহ্নবুৎছু মন্দিৰত সাহসৰ পৰীক্ষা পাতিম। কোনোবাই ভূত সাজিব খুজিলে হাত দাঙা।"

সাতটামান ল'ৰাই হাত দাঙিলে। নিৰ্দিষ্ট দিনটোত সন্ধ্যা ল'ৰা-ছোৱালীবোৰ গোট খালে। ভূত সাজিব খোজা ল'ৰাকেইটাই নিজে সাজ-পোছাক তৈয়াৰ কৰি আনিছিল। মন্দিৰৰ পথাৰত লুকাবৰ কাৰণে সিহঁত গুচি গ'ল।

"তোমালোকক সাংঘাতিক ভয় খুৱাম, ৰ'বা," যাওঁতে সিহঁতে কৈ গ'ল।

ৰৈ যোৱা ত্ৰিছটামান ল'ৰা-ছোৱালী পাঁচটা পাঁচটামানকৈ সৰু সৰু দলত বিভক্ত হ'ল আৰু কিছু সময়ৰ মূৰে মূৰে কুহ্নবুৎছু মন্দিৰলৈ ৰাওনা হ'ল। সিহঁত মন্দিৰৰ ওচৰ- পাঁজৰৰ ঠাইখিনি আৰু কবৰস্থানখন ঘূৰি স্কুললৈ অহাৰ কথা।

হে'ডমাষ্টৰে বুজাই ক'লে যে যদিও সিহঁত কিমান সাহসী তাকে পৰীক্ষা কৰা হৈছে, তথাপি কোনোবা যদি নিৰ্দিষ্ট পথ শেষ নকৰাকৈ উভতিও আহে তেন্তে কোনো কথা নাই।

ত'ত্ত'-চ্চানে মাকক খুজি টৰ্চ এটা আনিছিল।

"নেহেৰুৱাবা হ'লে!" মাকে কৈছিল।

কিছুমান ল'ৰাই ভূত ধৰিবৰ কাৰণে পখিলা ধৰা জাল লৈ আহিছিল আৰু আন কিছুমানে ভূতক বান্ধিবলৈ ৰছীও লৈ আহিছিল।

সিহঁতে কৰিবলগীয়াখিনিৰ বিষয়ে সন্ধ্যা সময়ত হে'ডমাষ্টৰে বুজাই কৈছিল আৰু "পাথৰ-কাগজ-কেঁচী" নামৰ খেলবিধৰ সহায়ত দলবোৰ গঠন কৰা হৈছিল। উত্তেজনাত ডেডাউৰিয়াই স্কুলৰ গে'টৰপৰা প্ৰথম দলটোৱে যাত্ৰা আৰম্ভ কৰিলে। অৱশেষত ত'ত্ত'-চ্চানহঁতৰ দলটো যোৱাৰ সময় পালেহি।

হে'ডমাষ্টৰে কৈছিল যে কুহ্নবুৎছু মন্দিৰ গৈ নোপোৱালৈকে কোনো ভূত দেখা নাযাব। কিন্তু ল'ৰা-ছোৱালীবোৰ এই বিষয়ত একেবাৰে খাটাং নহয় বাবে মন্দিৰৰ প্ৰৱেশদ্বাৰ পোৱালৈকে বিব্ৰতভাৱেহে আগবাঢ়িছিল। তাৰপৰা সিহঁতে ৰখীয়া দেৱৰজা দুজনক দেখা পালে। জোন ওলোৱা সত্ত্বেও মন্দিৰৰ কেউকাষে ঘোৰ অন্ধকাৰ। দিনত ঠাইডোখৰ ভাল লগা আৰু মুকলি। কিন্তু এতিয়া কোন মুহূৰ্তত ভূত এটাই দেখা দিয়ে তাকে ঠিককৈ নজনাৰ বাবে সিহঁতে ইমান বেছি ভয় খাইছিল যে সিহঁতে সহিব নোৱৰা হৈ গৈছিল। বতাহত গছৰ পাতৰ খৰমৰণি শব্দ হ'লে কোনোবা এটাই 'আই ঐ' বুলি চিঞৰি উঠে বা কাৰোবাৰ ভৰিত কোমল কিবা এটা লাগিলে 'ভূত ঔ' বুলি চিঞৰ মাৰে। অৱশেষত বন্ধুৰ ধৰি থকা হাতখনো ভূতৰ হাত যেন লগা হ'লগৈ। ত'ত্ত'-চ্চানে কবৰৰ ফালে নাযাবলৈ মন ঠিক কৰি পেলাইছিল। তাতেই ভূতবোৰে বাট চাই থকাৰ কথা। আৰু যি কি নহওক, তাই অনুভৱ কৰিলে যে সাহসৰ পৰীক্ষাৰ বিষয়ে তাইৰ সকলো জনা হৈ গ'ল আৰু এতিয়া উভতি যাব পাৰে। তাইৰ দলত থকা আনবোৰেও একে সময়তে এক সিদ্ধান্তকে ল'লে। ফলত এনেকৈ একমাত্ৰ উভতি যোৱাজনী হ'ব নলগাটো বৰ সান্ত্বনাৰ কথা হ'ল। ভৰি দুখনেৰে যিমান বেগাই পাৰে সিমান বেগাই দৌৰি সিহঁত উভতি আহিল।

স্কুল আহি পাই সিহঁতে দেখিলে যে আগতে যোৱা দলবোৰো ইতিমধ্যে আহি পালেই। দেখা গ'ল যে কবৰস্থান পৰ্য্যন্ত যাবলৈ প্ৰায় প্ৰতিজনেই ভয় কৰিলে।

ঠিক তেনেতে মূৰত বগা কাপোৰ উৰি লোৱা এটা ল'ৰা গে'ইটেৰে কান্দি কান্দি শিক্ষয়িত্ৰী এগৰাকীৰ লগত সোমাই আহিল। সি আছিল ভূত হোৱাবোৰৰ এটা। গোটেই সময়খিনি সি কবৰস্থানত ভয়তে চেপেটা লাগি বহি আছিল। কিন্তু তালৈ কোনো নগ'ল। সি ক্ৰমে আৰু বেছিকৈ ভয় খাবলৈ ধৰিলে আৰু অৱশেষত বাহিৰ ওলাই আহিল। পহৰা দি ঘূৰি থাকোঁতে শিক্ষয়িত্ৰীয়ে তাক ৰাস্তাত কান্দি থকা লগ পালে। এতিয়া সকলোৱে তাৰ মন ভাল লগাবলৈ চেষ্টা

কৰি থাকোঁতে দ্বিতীয় ভূত এটা কান্দি কান্দি আন এটা কান্দি থকা ল'ৰাৰ লগত ওলালহি। ভূত হোৱা ল'ৰাটো কবৰস্থানত লুকাই আছিল আৰু তাৰ ফালে কোনোবা এটা দৌৰি অহা যেন শুনি ভয় খুৱাবৰ কাৰণে জাঁপ মাৰি দিলে আৰু দুইটাৰে খুন্দিয়াখুন্দি লাগিল। দুখ পাই আৰু সাংঘাতিক ভয় খাই দুইটা একেলগে দৌৰি উভতি আহিল। ইমান যে হাঁহি উঠা কাণ্ডবোৰ, আৰু ইমানকৈ ভয় খোৱাৰ পিছত ইমান স্বস্তি, ল'ৰা-ছোৱালীবোৰ হাঁহি হাঁহি হায়ৰাণ হৈ গ'ল। ভূতবোৰে একে সময়তে হাঁহিলেও, কান্দিলেও। অলপ পিছতে ত'ত্ত'-চ্চানৰ একে শ্ৰেণীৰে মিগিতা নামৰ এটা ল'ৰা উভতি আহিল। সি খবৰ কাগজেৰে তৈয়াৰী ভূতৰ মুখা এখন পিন্ধি আছিল আৰু কবৰস্থানলৈ কোনো নোযোৱাৰ বাবে তাৰ ভীষণ খং উঠিছিল।

"ইমান সময় বাট চাই থাকিলোঁ," হাত-ভৰিত মহে কামোৰাখিনিত খজুৱাই খজুৱাই সি আপত্তি কৰিবলৈ ধৰিলে।

"ভূতক মহে কামুৰিলে," কোনোবা এটাই ক'লে আৰু সকলোৱে পুনৰ হাঁহিবলৈ ধৰিলে।

"ঠিক আছে, মই গৈ বাকীকেইটা ভূতক ওভোতাই অনাই ভাল হ'ব," পঞ্চমমান শ্ৰেণীৰ শিক্ষক শ্ৰীমাৰুয়ামাই যাবলৈ ওলাই ক'লে। ৰাস্তাৰ লাইটৰ তলত কিংকৰ্তব্যবিমূঢ় হৈ ৰৈ থকা ভূতকেইটাক তেখেতে গোটাই-পিটাই আনিলে। ভয়তে কিছুমান ঘৰলৈ গুচি গৈছিল। তেখেতে সকলোকে ওভোতাই আনিলে।

সেইদিনা ৰাতিৰ পিছত ত'মে'ৰ ছাত্ৰ-ছাত্ৰীয়ে আৰু কেতিয়াও ভূতলৈ ভয় নকৰিছিল। কাৰণ, সৰ্বোপৰি, ভূতেও ভয় কৰে, নহয় জানো?

আখৰা-ভৱন

ত'ত্ত'-চ্চানে ধীৰভাৱে খোজ কাঢ়িছিল। ৰকিয়েও মাজে মাজে ত'ত্ত'-চ্চানলৈ মূৰ দাঙি চাই চাই গহীনকৈ খোজ কাঢ়িছিল। ইয়াৰ অৰ্থ এয়ে যে সিহঁত দেউতাকৰ আখৰা-ভৱনলৈ জুমি চাবলৈ গৈছিল। সাধাৰণতে ত'ত্ত'-চ্চানে যিমান পাৰে সিমান বেগেৰে দৌৰে, নহ'লে পেলোৱা কিবা বস্তু বিচাৰি ইফালে সিফালে ঘূৰি ঘূৰি যায় বা আন মানুহৰ বাগিছাৰ মাজে মাজে জেওৰাৰ তলেদি চুঁচৰি বাট লয়।

ঘৰৰপৰা দেউতাকৰ আখৰা-ভৱনলৈ পাঁচ মিনিটৰ বাট। তেখেত আছিল এটা অৰ্কেষ্ট্ৰাৰ দলৰ কনছাৰ্ট-মাষ্টাৰ। কনছাৰ্ট-মাষ্টাৰ হ'লে বেহেলা বজায়। এদিন তেনে এটা কনছাৰ্টলৈ তাইকো নিয়া হৈছিল। তাই কৌতূহলেৰে লক্ষ্য কৰিছিল যে মানুহবোৰে হাতচাপৰি বজোৱাৰ পিছত ঘামতে জুৰুলি-জুপুৰি হোৱা পৰিচালকজনে দৰ্শকৰ ফাললৈ মুখ ঘূৰাই নিজৰ মঞ্চৰপৰা নামি আহি বেহেলাবাদক তাইৰ দেউতাকৰ লগত কৰমৰ্দন কৰিলে। তেতিয়া দেউতাক থিয় হ'ল আৰু বাজনা বজোৱা আন সকলো মানুহ থিয় হ'ল।

"কিয় হেগুশ্বেইক কৰিছে?" তাই ফুচফুচাই সুধিলে।

"ইমান ভালকৈ বজোৱা কাৰণে পৰিচালকে অৰ্কেষ্ট্ৰাৰ সকলো মানুহকে ধন্যবাদ দিব খুজিছে। সেইকাৰণে বাজনা বজোৱা সকলোবিলাকৰে হৈ দেউতাৰাকে হাত জোকাৰি ধন্যবাদ দিছে।" মাকে ব্যাখ্যা কৰি দিলে।

আখৰাভৱনলৈ যাবলৈ ত'ত্ত'-চ্চানৰ ভাল লাগে, কাৰণ স্কুললৈ কেৱল সৰু ল'ৰা-ছোৱালীহে যায়, কিন্তু ইয়াত আকৌ সকলোবোৰ ডাঙৰ ডাঙৰ মানুহ হে। তেখেতসকলে নানা ধৰণৰ বাজনা বজায়। তদুপৰি পৰিচালক শ্ৰীৰ'জেনষ্টকে ইমান অদ্ভুত জাপানী কয়।

দেউতাকে তাইক কৈছিল বোলে জোছেফ ৰ'জেনষ্টক ইউৰোপৰ এজন বৰ বিখ্যাত সংগীত-পৰিচালক। কিন্তু হিটলাৰ নামৰ এজন মানুহে তাত বৰ ভয়ংকৰ কাণ্ড-কাৰখানা আৰম্ভ কৰিছে। সেইকাৰণে ৰ'জেনষ্টক পলাই ইমান দূৰ আহি গান-বাজনা চলাই যাবৰ কাৰণে জাপান পাইছেহি। দেউতাকে ক'লে যে তেখেতে ৰ'জেনষ্টকক বৰ প্ৰশংসাৰ চকুৰে চায়। ত'ত্ত'-চ্চানে বিশ্ব-পৰিস্থিতি বুজি নাপায়, পিছে ঠিক সেই সময়তে হিটলাৰে ইহুদীসকলক নিৰ্য্যাতন কৰা আৰম্ভ কৰিছিল। তাকে নকৰাহ'লে ৰ'জেনষ্টক কেতিয়াও জাপানলৈ নাহিলহেঁতেন আৰু সংগীতৰচক কছ্ছাক য়ামাদাই প্ৰতিষ্ঠা কৰা এই অৰ্কেষ্ট্ৰাৰ দলে যে এতিয়া এই আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন পৰিচালকজনৰ চেষ্টাত ইমান কম সময়তে ইমান উন্নতি কৰিছে, তেখেতৰ অবিহনে বোধহয় সিমানখিনি কৰিব নোৱাৰিলেহেঁতেন। এই অৰ্কেষ্ট্ৰা দলৰ বাদন ইউৰোপৰ এক প্ৰথম শ্ৰেণীৰ অৰ্কেষ্ট্ৰা দলৰ দৰে হোৱাটো ৰ'জেনষ্টকে আশা কৰে। সেইকাৰণেই আখৰাৰ শেষত সদায় তেখেতে কান্দে।

"মই ইমান কষ্ট কৰোঁ আৰু আপোনালোকে অকণো সঁহাৰি নিদিয়ে।"

অৰ্কেষ্ট্ৰাৰ সহকাৰী পৰিচালক ছেল'বাদক হিদেও ছাইট'ই আটাইৰে ভিতৰত ভালকৈ জাৰ্মান ভাষা ক'ব পাৰে। সকলোৰে হৈ তেখেতে উত্তৰ দিয়ে, "আমি যিমান পাৰোঁ চেষ্টা কৰিছোঁ। পিছে আমাৰ কলা-কৌশল সিমান ভাল নহয়। মই আপোনাক দঢ়াই দঢ়াই কওঁ—আমি ইচ্ছা কৰি বেয়াকৈ বজোৱা নাই।"

পৰিস্থিতিটোৰ সূক্ষ্মতা ত'ত্ত'-চ্চানৰ বোধগম্য নহয়, পিছে কেতিয়াবা কেতিয়াবা ৰ'জেনষ্টকৰ মুখখন ইমান ৰঙা পৰে যে এনে লাগে যেন তেখেতৰ মূৰৰপৰা ভাপহে ওলাব আৰু তেখেতে জাৰ্মান ভাষাত চিঞৰ-বাখৰ কৰিবলৈ ধৰে। এনে সময়ত ত'ত্ত'-চ্চান তাইৰ প্ৰিয় খিড়িকীখনৰ মুখত থুঁতৰিত হাত দি চাই থকাৰপৰা আঁতৰি যায় আৰু মজিয়াত ৰকিৰ লগত উশাহ বন্ধ কৰি বহি পুনৰ বাজনা আৰম্ভ হোৱালৈ বাট চাই থাকে।

কিন্তু সাধাৰণতে শ্ৰীৰ'জেনষ্টক বৰ বঢ়িয়া মানুহ আৰু তেখেতৰ মুখত জাপানী ভাষা শুনিবলৈ বেছ মজাৰ।

"বেছ সুন্দৰ হৈছে কুৰ'য়ানাগি-ছান" তেখেতসকলৰ বজোৱা ভাল হ'লে তেখেতে নিজৰ হাঁহি উঠা উচ্চাৰণেৰে কয়। বা কয় "বঢ়িয়া।"

ত'ত্ত'-চ্চান কেতিয়াও আখৰা-ভৱনৰ ভিতৰলৈ সোমোৱা নাছিল। খিড়িকীয়েদি জুমি চাই কাণ পাতি সুৰ-সমলয় শুনি থাকিবলৈহে তাই বেছি ভাল পায়। সেইকাৰণে যেতিয়া অলপ সময় ছুটীৰে কাৰণে তেখেতসকল ৰয় আৰু বাদকসকল ছিগাৰেট খাবলৈ বাহিৰলৈ ওলাই আহে তেতিয়া দেউতাকে প্ৰায়ে তাইক তাত লগ পায়।

"অ' তত্স্কি, তই?" তেখেতে কয়।

কেনেবাকৈ তাইক দেখা পালে শ্ৰীৰ'জেনষ্টকে হাঁহি উঠা উচ্চাৰণেৰে 'সুপ্ৰভাত' বা 'শুভদিন' জনায় আৰু এতিয়া তাই ডাঙৰ হৈছে যদিও সৰুকালতে কৰাৰ দৰে দাঙি লৈ গালত গাল লগাই মৰম কৰে। তাইৰ অস্বস্তি লাগে যদিও শ্ৰীৰ'জেনষ্টকক তাইৰ ভাল লাগে। তেখেতে পাতল ৰূপালী ৰঙৰ ফ্ৰেমৰ চচ্মা পিন্ধে, তেখেতৰ নাকটো ডাঙৰ আৰু মানুহজন বেছি ওখ নহয়। কিন্তু তেখেতৰ মুখখন বেছ ধুনীয়া আৰু দেখিলেই শিল্পী যেন লগা।

আখৰা-ভৱনটো ত'ত্ত'-চ্চানৰ ভাল লাগিছিল। দেখাত ই পশ্চিমীয়া গঢ়ৰ আৰু কিছু জৰাজীৰ্ণ।

ছেন্জুকো পুখুৰীৰ ফালৰপৰা বলা বতাহে আখৰা-ভৱনৰপৰা সংগীতৰ শব্দ কঢ়িয়াই দূৰলৈ লৈ যায়। কেতিয়াবা কেতিয়াবা কিংয়ো মাছৰ (গ'ল্ড ফিশ্ব) বেপাৰীৰ চিঞৰো এই সংগীতৰ সুৰৰ লগতে মিলি যায়।



কিংয়ো এ' এ' কিংয়ো

গৰমপানীৰ উহলৈ এক ভ্ৰমণ

গৰমৰ বন্ধ শেষ হ'ল আৰু গৰমপানীৰ উহৰ স্বাস্থ্যনিবাসলৈ যাত্ৰাৰ সময় অৱশেষত পালেহি। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এইটো ত'মে'ৰ এটা উল্লেখযোগ্য ঘটনা। মাক যি কোনো কথাত আচৰিত নহয়, কিন্তু এদিন যেতিয়া ত'ত্ত'-চ্চানে স্কুলৰপৰা আহি সুধিলে, "গৰমপানীৰ উহ চাবলৈ আনবোৰ যাব, ময়ো যাম নে?" বুলি, তেতিয়া তেখেত বিমূঢ় হ'ল। এই প্ৰথম শ্ৰেণীৰ ল'ৰা-ছোৱালীবোৰ নহয়, বুঢ়া মানুহহে দলে দলে এই উহলৈ যায় বুলি তেখেতে শুনিছিল। কিন্তু হে'ডমাষ্টৰৰ চিঠি সাৱধানে পঢ়ি উঠাৰ পিছত তেখেতে এইটো বৰ উৎকৃষ্ট কাম হ'ব বুলি ভাবিলে আৰু তেখেতৰ আঁচনি দেখি মুগ্ধ হ'ল। ভ্ৰমণটো হ'ব শ্বিজুওকাৰ ইজু উপদ্বীপৰ 'তই' নামৰ ঠাইত "সাগৰৰ পাৰৰ স্কুল" নামেৰে। সাগৰৰ বুকুতে গৰমপানীৰ উহ এটা আছে, য'ত ল'ৰা-ছোৱালীবোৰে সাঁতুৰিবও পাৰিব, গৰমপানীত গা ধুবও পাৰিব। ভ্ৰমণটো হ'ব তিনিদিন দুৰাতিৰ। ত'মে'ৰ

এজন ছাত্ৰৰ দেউতাকৰ তাতে এটা বন্ধ কটোৱা ঘৰ আছে, য'ত প্ৰথম মানৰপৰা ষষ্ঠ মান শ্ৰেণীলৈকে গোটেই পঞ্চাছটা ল'ৰা-ছোৱালী থাকিব পাৰিব। মাকে অৱশ্যে সন্মতি দিলে।

যাত্ৰাৰ আগে আগে ত'মে'ৰ সকলো ছাত্ৰ-ছাত্ৰী স্কুলত গোট খালে।

"এতিয়া তেন্তে," সকলো গোট খোৱা হ'লত হে'ডমাষ্টৰে ক'লে, "আমি ৰেলে-জাহাজে যাব লাগিব। তোমালোকৰ কোনোবা এটা হেৰোৱাটো মই নিবিচাৰোঁ। বুজি পাইছাতো? ঠিক আছে। ব'লা যাওঁহক।"

তেখেতে কেৱল সেই একেটা নিৰ্দেশেইহে দিছিল। তথাপি জিয়োগাওকাত টকিঅ' শাখাৰ ৰেলত উঠোঁতে ল'ৰা-ছোৱালীবোৰ আচৰিত ধৰণে শিষ্টাচাৰী হৈ পৰিল— এজনেও ৰেলৰ ডবাবোৰৰ মাজেৰে দৌৰি নুফুৰিলে আৰু তেওঁলোকে কেৱল ওচৰত বহাসকলৰ মাজতহে অতি শান্ত স্বৰত কথা-বতৰা পাতিলে। শাৰীপাতি উঠিবলৈ, ঠিকমতে খোজ কাঢ়িবলৈ, ৰেলত মনে মনে থাকিবলৈ অথবা কিবা খালে তলত নেপেলোৱাকৈ খাবলৈ ত'মে'ৰ ল'ৰা-ছোৱালীক এবাৰলৈকো কোৱা হোৱা নাছিল। সিহঁতৰ দৈনন্দিন স্কুলীয়া জীৱনে কেনেবাকৈ এই ভাববোৰ সিহঁতৰ মনত ৰুই দিছিল যে নিজতকৈ সৰু বা দুৰ্বল লোকক ঠেলা-হেঁচা কৰা অনুচিত, যে উদণ্ড আচৰণ কৰাটো লাজৰ কথা, যে কিবা পেলনীয়া বস্তু মাটিত পৰি থকা দেখিলে বুটলি পেলোৱা উচিত আৰু সিহঁতে আনক আমনি দিয়া বা বিৰক্ত কৰা একো কাম নকৰিবলৈ চেষ্টা কৰা উচিত। আটাইতকৈ আচৰিত কথা আছিল এয়ে যে যিজনী ছোৱালীয়ে কেইমাহমানৰ আগতে শ্ৰেণী চলি থকা সময়তে বাটৰ বাজনাদাৰৰ দলৰ লগত কথা পাতি গোটেই স্কুলখনতে গণ্ডগোল লগাই দিছিল, সেই ত'ত্ত'-চ্চানে ত'মে'ত স্কুলৰ প্ৰথমদিনাৰপৰাই নিজৰ ডেস্কত ঠিকমতে বহি নিজৰ পঢ়া-শুনা ঠিকমতে কৰিছিল। আনখন স্কুলৰ কোনো শিক্ষয়িত্ৰীয়ে যদি তাইক এতিয়া আনবোৰৰ লগত ৰেলগাড়ীত ঠিকমতে বহি যোৱা অৱস্থাত দেখিলেহেঁতেন তেন্তে তেখেতসকলে নিশ্চয় ক'লেহেঁতেন, "এইজনী নিশ্চয় কোনোবা আন ছোৱালী।"

নুমাজুত সিহঁত এনে এখন জাহাজত উঠিল যাৰ কথা আটায়ে কল্পনা কৰি আছিল। জাহাজখন ডাঙৰ নাছিল। সিহঁত ইমান উত্তেজিত হৈ আছিল যে ডেকৰ আটাইবোৰ চুক-কোণ পৰিদৰ্শন কৰিলে, ইটো বস্তু ছুই চালে, সিটোৰপৰা ওলমি চালে। অৱশেষত যেতিয়া সেইখনে যাত্ৰা আৰম্ভ কৰিলে, ল'ৰা-ছোৱালীহঁতে তেতিয়া জেটীত ৰৈ থকা নাগৰিকসকললৈ হাত জোকাৰিলে। অৱশ্যে বেছি দূৰ যাবলৈ নাপাওঁতেই বৰষুণ আহিল আৰু সিহঁত ভিতৰ সোমাব লগা হ'ল।

ক্ষন্তেক পিছতে সাগৰত ডাঙৰ ডাঙৰ ঢৌ উঠিল। ত'ত্ত'-চ্চানৰ আৰু আন কিছুমানৰ গা অসুখ লাগিল। কিন্তু তেনেকুৱাতে ডাঙৰ ল'ৰাবোৰৰ এটাই থিয় হৈ 'ভাৰসাম্য ৰখা সঁজুলি' (stabilizer)ৰ ভাও দিবলৈ ধৰিলে। জাহাজ যেতিয়া এফালে কাটি হয়, সি তেতিয়া আনফালে দৌৰি যায় আৰু কয় "হেই!" তেনেকৈয়ে আনফাললৈকো দৌৰে আৰু কয় "হেই!" কাণ্ডটো ইমান হাঁহি উঠা হৈছিল যে সাগৰ-ভ্ৰমণৰ-অসুখৰ ফলত গা বেয়া লাগি থকা সত্ত্বেও ল'ৰা-ছোৱালীবোৰে হাঁহি ৰখাব পৰা নাছিল। জাহাজখন গৈ তই পাওঁতেও সিহঁতে হাঁহি আছিল। কৌতুকৰ কথা হৈছিল এয়ে যে আটায়ে নমাৰ পিছত ঠিক সকলোৰে আৰোগ্য হৈ বেছ ভাল লাগিবলৈ ধৰোঁতেই বেচেৰা 'হেই' ল'ৰাটোৰ গা বেয়া লগা আৰম্ভ হ'ল।

সাগৰৰ পাৰতে হাবিয়ে-পাহাৰে ঘেৰা এখন শান্ত সুন্দৰ গাৱঁত 'তই' উহ অৱস্থিত। অলপ সময় জিৰোৱাৰ পিছত শিক্ষক-শিক্ষয়িত্ৰীসকলে ল'ৰা-ছোৱালীবোৰক সাগৰলৈ লৈ গ'ল। এয়াতো আৰু স্কুলৰ সাঁতোৰৰ পুখুৰী নহয়, সেয়ে আটায়ে সাঁতোৰা পোছাক পিন্ধিলে।

সাগৰৰ মাজত এই গৰম পানীৰ উহ সচৰাচৰ নোহোৱা ধৰণৰ বস্তু। কোনো বেৰা নথকাৰ কাৰণে এই উহটোক সাগৰৰপৰা পৃথক কৰিব নোৱাৰি। যি ঠাইত উহটো আছে বুলি কোৱা হয় তাতেই বহি দিলে গৰম পানীয়ে এডিঙি হ'ব আৰু গৰম পানীৰে টাবত গা ধোৱাৰ দৰেই আৰাম লাগিব। গৰম পানীৰ উহৰপৰা সাগৰৰ ফালে যাব খুজিলে কেৱল পোন্ধৰ ফুটমান কাষলৈ যাব লাগিব আৰু পানী ক্ৰমে ঠাণ্ডা যেন লাগিব। আগুৱাই গৈ থাকিলে ঠাণ্ডা বেছিকৈ লাগিব আৰু তেনেকৈ বুজিব পৰা যাব যে সেই অংশৰ পানী সাগৰৰ পানী। তাত সাঁতুৰি ঠাণ্ডা লাগিলে লৰালৰিকৈ গৰম পানীৰ উহঁৰ ফালে উভতি আহিলেই হ'ল, তেতিয়া ডিঙিলৈকে গৰম পানীৰে গা ধুব পাৰি। ঠিক ঘৰত থকাৰ দৰে লাগে। আৰু দেখিবলৈ যে এনে হাঁহি উঠা হৈছিল! গা-ধোৱা-টুপী পিন্ধা ল'ৰা-ছোৱালীবোৰে সাধাৰণ সাগৰখনত সাঁতুৰি ফুৰাৰ সময়ত গৰম পানীৰ উহত থকাবোৰ বাথটাবত থকাৰ দৰে বৃত্তাকাৰে বহি আৰাম কৰি কথা-বতৰা পাতি থাকে। মন কৰি থাকিলে এনে ভাব আহে— "গৰম পানীৰ উহঁত গা ধোৱাৰ সময়ত কিয় বা ল'ৰা-ছোৱালীবোৰেও বয়সীয়া মানুহৰ দৰে আচৰণ কৰে!"

তেতিয়াৰ দিনত সাগৰৰ পাৰ ইমান নিৰ্জন আছিল যে ঠাইখন সিহঁতৰ নিজৰ ব্যক্তিগত ঠাই যেন লাগিছিল আৰু ল'ৰা-ছোৱালীহঁতে এই সাধাৰণতে নোপোৱা গৰম পানীৰ উহটোত সমুদ্ৰ স্নান সম্পূৰ্ণ উপভোগ কৰিছিল, পানীত ইমান সময় কটাই ঘৰটোলৈ উভতি আহোঁতে সিহঁতৰ হাতৰ আঙুলিবোৰ সেৰেলা সেৰেল হৈছিল।

প্ৰতি ৰাতি নিহালিৰ মাজত সোমাই লৈ ল'ৰা-ছোৱালীবোৰৰ কথা-বতৰাই ভূতৰ সাধুৰ ফাললৈ ঢাল লৈছিল। ত'ত্ত'-চ্চান আৰু প্ৰথমমান শ্ৰেণীৰ আনবোৰে ইমান ভয় খাইছিল যে কান্দি পেলাইছিল, কিন্তু চকুপানী বোৱাই থাকিয়ে সুধিছিল, "তাৰ পিছত কি হ'ল?"

স্কুলঘৰৰ ভিতৰত শিবিৰ পতাৰ আৰু সাহসৰ পৰীক্ষাৰ দৰে নহৈ 'তই'ত থকা এই তিনিদিন আছিল বাস্তৱ জীৱনৰ অভিজ্ঞতাৰে ভৰা। উদাহৰণস্বৰূপে ক'ব পাৰি—সিহঁতক পাল পাতি ৰাতিৰ আহাৰৰ কাৰণে শাক-তৰকাৰী আৰু মাছ কিনিবলৈ পঠোৱা হৈছিল। বাটকুৱা কোনোবাই সিহঁত কোন স্কুলৰপৰা, কোন ঠাইৰপৰা আহিছে বুলি সুধিলে সিহঁতে ভদ্ৰভাৱে উত্তৰ দিব লাগিছিল। কিছুমান ল'ৰা-ছোৱালী হাবিত প্ৰায় হেৰাইছিলেই। কিছুমানে ইমান দূৰলৈ সাঁতুৰি গৈছিল যে আনসকলক চিন্তাত পেলাইছিল। বালিত পৰি থকা ভগা আয়নাৰ টুকুৰাই কাৰোবাৰ ভৰি কাটিছিল। প্ৰতিটো ক্ষেত্ৰতে প্ৰতিজনেই সাধ্যই অঁটাখিনি কৰিব লগা হৈছিল।

কিন্তু প্ৰধানকৈ মজাই হ'ল। জিলিৰে ভৰা এখন অৰণ্য আছিল আৰু আছিল সুস্বাদু খোৱা বস্তু বেচা দোকান। সিহঁতে সাগৰৰ পাৰত অকলে অকলে প্ৰকাণ্ড গোট নাও এখন সাজি থকা মানুহ এজন লগ পালে। নাওখনে প্ৰায় আকাৰ লৈ আহিছিলেই আৰু কাম কিমান আগবাঢ়িছে তাকে চাবলৈ সদায় ৰাতিপুৱাই সিহঁত সাগৰৰ পাৰলৈ দৌৰিছিল। সেই মানুহজনে ত'ত্ত'-চ্চানক এছটা বৰ দীঘল আৰু ভাঁজ থকা কাঠ দিছিল।

"ইয়ালৈ অহাৰ স্মৃতি হিচাপে এখন ফটো তুলিলে কেনে হয়?" সিহঁত আহিবলৈ ওলোৱাৰ দিনা হে'ডমাষ্টৰে সুধিলে। সিহঁত আটাইবোৰৰে কেতিয়াও একেলগে ফটো তোলা হোৱা নাছিল। ল'ৰা-ছোৱালীবোৰ কথাটোত উত্তেজিত হৈ উঠিল। কিন্তু শিক্ষয়িত্ৰীগৰাকী কেমেৰা লৈ সাজু হওঁতেই দেখা গ'ল এটা পায়খানালৈ গ'ল ; তাৰ পিছতে দেখা গ'ল কোনোবা এটাৰ ব্যায়াম কৰা জোতাজোৰ ওভোতাকৈ পিন্ধা আছে, আকৌ ঠিক কৰিব লগা হ'ল। অৱশেষত শিক্ষয়িত্ৰীয়ে যেতিয়া সুধিলে, 'সকলো সাজু নে' বুলি, তেতিয়া আকৌ 'প'জ' দি দি আমনি লাগি এটা নে দুটা মাটিতে শুই পৰিছে। গোটেই প্ৰক্ৰিয়াটোৱে বহুত বেছি সময় ল'লে। কিন্তু সাগৰখন পিছফালে ৰাখি নিজৰ নিজৰ খেয়াল-খুছি মতে প'জ দিয়া ল'ৰা-ছোৱালীবোৰৰ এই ফটোখন সিহঁত প্ৰত্যেকৰে কাৰণে একোটা মূল্যবান সংগ্ৰহ হৈ ৰ'ল। এবাৰ তালৈ চালেই মনলৈ স্মৃতিৰ জোঁৱাৰ আহে—নাৱৰ যাত্ৰা, গৰম পানীৰ উহ, ভূতৰ সাধুবোৰ, সেই 'হেই' ল'ৰাটো! ত'ত্ত'-চ্চানে সেই প্ৰথমবাৰৰ আনন্দভৰা গ্ৰীষ্মবন্ধৰ কথা কেতিয়াও নাপাহৰে।

সেই দিনত সিহঁতৰ টকিঅ'ৰ ঘৰৰ ওচৰৰ পুখুৰীতে বিচাৰিলে ডাঙৰ মিছা মাছ পোৱা গৈছিল আৰু জাবৰ পেলোৱা গাড়ী টানিছিল একোটা প্ৰকাণ্ড ষাড়গৰুৱে।

ইউৰিদ্‌মিক্‌ছ

গৰমৰ বন্ধ অন্ত হোৱাৰ পিছত দ্বিতীয় ষান্মাসিকী পঢ়া-শুনা আৰম্ভ হ'ল, কাৰণ জাপানত স্কুলবৰ্ষ আৰম্ভ হয় এপ্ৰিল মাহত। গৰমৰ বন্ধত বিভিন্ন কাৰণত একেলগ হোৱাৰ সুযোগত নিজৰ শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ লগতে কিছুমান ডাঙৰ ল'ৰা-ছোৱালীৰ লগতো ত'ত্ত'-চ্চানৰ বন্ধুত্ব হ'ল আৰু তাই ত'মে' গাকুএনক অধিক ভাল পাবলৈ ধৰিলে।

আন সাধাৰণ স্কুলৰ দৰে নহৈ ত'মে'ৰ শ্ৰেণীৰ শিক্ষা আছিল সুকীয়া ধৰণৰ, তদুপৰি আন স্কুলতকৈ বহুত বেছি সময় সংগীতৰ বাবে খৰচ কৰা হৈছিল। সকলো ধৰণৰ সংগীতৰ পাঠ দিয়াৰ উপৰিও প্ৰতিদিনে এটাকৈ পিৰিয়ড ইউৰিদ্‌মিক্‌ছৰ কাৰণেও ৰখা হৈছিল। এই ইউৰিদ্‌মিক্‌ছ হ'ল এমিল জেকছ্ ডেলক্ৰজ নামেৰে ছুইজাৰলেণ্ডৰ সংগীত-শিক্ষক আৰু সংগীতৰচক এজনে উলিউৱা বিশেষ ধৰণৰ ছন্দৰ জৰিয়তে দিয়া শিক্ষা। তেখেতৰ অধ্যয়নৰ বিষয়ে পোনপ্ৰথমবাৰৰ বাবে জনা যায় ১৯০৪ চনত। অতি সোনকালেই তেখেতৰ পদ্ধতি ইউৰোপ আৰু আমেৰিকাই গ্ৰহণ কৰিলে আৰু নানা প্ৰশিক্ষণ আৰু গৱেষণা প্ৰতিষ্ঠান য'তে ত'তে মূৰ দাঙি উঠিল। ডেলক্ৰজৰ এই 'ছন্দৰ জৰিয়তে শিক্ষা' ত'মে'ত কেনেকৈ গ্ৰহণ কৰা হ'ল তাৰেই কাহিনী এয়া।

বিদেশত ল'ৰা-ছোৱালীক কেনেকৈ শিক্ষাদান কৰা হয় তাকে চাবলৈ ত'মে' গাকুএন আৰম্ভ কৰাৰ আগতেই হে'ডমাষ্টৰ ছ'ছাকু ক'বায়াশি ইউৰোপলৈ গৈছিল। তেখেতে সেইবিলাক ঠাইৰ বহুতো প্ৰাথমিক স্কুল পৰিদৰ্শন কৰিলে আৰু শিক্ষাবিদসকলৰ লগত কথা-বতৰা পাতিলে। পেৰিছত তেখেতে উৎকৃষ্ট সংগীত-ৰচক আৰু শিক্ষাবিদ ডেলক্ৰ'জক লগ পালে।

সংগীত কেৱল কাণেৰে শুনাতকৈ মনেৰে শুনিবলৈ আৰু অনুভৱ কৰিবলৈ ল'ৰা-ছোৱালীক কেনেকৈনো শিকোৱা যায়, সংগীতক এটা জড় প্ৰাণহীন বিষয় বুলি ভবাতকৈ এটা গতিযুক্ত বিষয় বুলি ভাবিবলৈ কেনেকৈ শিকোৱা যায়,

কেনেকৈ এটা শিশুৰ সংবেদনশীলতা জগোৱা যায়—এইবোৰ বিষয় লৈ ডেলক্ৰ'জে সুদীৰ্ঘ কাল ধৰি চিন্তা-ভাৱনা কৰিছিল।

ফলস্বৰূপে শিশুৱে জঁপিওৱা, দেও দিয়া, ঢপলিয়াই ফুৰাৰ ধৰণলৈ লক্ষ্য ৰাখি তেখেতে একশ্ৰেণী ছন্দযুক্ত ব্যায়ামৰ কথা ভাবি উলিয়ালে আৰু তাৰে নাম দিলে ইউৰিদ্‌মিকছ।

শ্ৰীযুত ক'বায়াশ্বিয়ে পেৰিছত এবছৰতকৈও ওপৰ কালৰ বাবে ডেলক্ৰ'জৰ স্কুলত যোগ দিছিল আৰু এই পদ্ধতিটো পুংখানুপুংখৰূপে শিকিছিল । ডেলক্ৰজে সংগীত-ৰচক কছ্‌ছাক য়ামাদা, জাপানত আধুনিক নৃত্যৰ প্ৰৱৰ্তক বকু ইশ্বীই, কাবুকি-অভিনেতা দ্বিতীয় ইছিকাৱা ছাদান্‌জি, আধুনিক নাটৰ অগ্ৰগামী কাঅ'ৰু অ'ছান্নাই, নৃত্যবিদ মিচ্ছিয় ইত' আদি বহুতো জাপানী লোকক অনুপ্ৰাণিত কৰিছিল। এইসকল লোকে ভাবে যে ডেলক্ৰ'জৰ শিক্ষা হ'ল বহুতো শিল্পৰে মূল ভেঁটি, কিন্তু ছ'ছাকু ক'বায়াশ্বিয়েই প্ৰথমবাৰৰ কাৰণে জাপানৰ প্ৰাথমিক শিক্ষাত ইয়াক প্ৰয়োগ কৰে। ইউৰিদ্‌মিকছনো কি বুলি যদি তেখেতক সোধা হ'লহেঁতেন, তেন্তে তেখেতে উত্তৰ দিলেহেঁতেন, "এইটো হ'ল এটা খেলা। ই দেহৰ কাৰ্য্যপ্ৰণালী পৰিশোধিত কৰে। ই এনে এটা খেলা যি শৰীৰটোক ব্যৱহাৰ কৰিবলৈ আৰু নিয়ন্ত্ৰণত ৰাখিবলৈ মনটোক শিকায় আৰু তাল-মান, ছন্দ বা লয়ক বুজিবলৈ শৰীৰ আৰু মনক সমৰ্থ কৰে। ইউৰিদ্‌মিকছৰ অনুশীলনে ব্যক্তিত্বক ছন্দময় কৰে। আৰু এক ছন্দময় ব্যক্তিত্ব হ'ল সুন্দৰ আৰু সবল, যি প্ৰকৃতিৰ নিয়মৰ লগত সামঞ্জস্য আনে আৰু তাক মানি চলে।"

শৰীৰটোক তাল-মান বুজিবলৈ শিকোৱাৰেই ত'ত্ত'-চ্চানৰ দিনটোৰ শিক্ষা আৰম্ভ হৈছিল। সভাভৱনৰ সৰু মঞ্চত হে'ডমাষ্টৰে পিয়ানো বজাইছিল আৰু ল'ৰা-ছোৱালীবোৰে য'তে থাকে তাৰেপৰা সংগীতৰ লগত সংগতি ৰাখি খোজকঢ়া আৰম্ভ কৰিছিল। সিহঁতে যেনেকৈ মন যায় তেনেকৈয়ে খোজ কাঢ়িব পাৰিছিল, কেৱল আনৰ লগত খুন্দা খোৱাটো এৰাবলৈ বৃত্তাকাৰে একেফাললৈ যাবলৈকে সিহঁতে সুবিধা পায়। যদি বাজনাটো দুই মাত্ৰাৰ তাল বুলি ভাবে, তেন্তে সিহঁতে সংগীত-পৰিচালকৰ দৰে বাহু দাঙিব আৰু নমাব আৰু খোজকাঢ়ি থাকিব। খোজ বেছি গিৰিপ-গাৰাপ শব্দৰ হ'ব নালাগিব, কিন্তু তাৰ মানে আকৌ বেল্লে'ই নৃত্যৰ দৰে আঙুলিমূৰত ভৰ দি খোজ কাঢ়িবও নালাগে। সিহঁতক সম্পূৰ্ণ জিৰণিৰ ভাবত খোজ কাঢ়িবলৈ দিয়া হয় যেন আঙুলিবোৰ চোঁচোৰাই টানিহে নিছে। আটাইতকৈ দৰকাৰী কথাটো হ'ল স্বাভাৱিকতা। সেইকাৰণে সিহঁতে যিফালেই যি ধৰণেৰেই খোজকঢ়া উচিত বুলি ভাবে সেইফালেই সেই ধৰণেৰেই যাব পাৰে। যদি তালটো তিনি মাত্ৰাৰ তাললৈ সলনি হয় তেন্তে বাহু সঞ্চালন সেই মতে কৰিব আৰু প্ৰয়োজন মতে খৰকৈ বা লাহে

লাহে খোজকাঢ়ি নিৰ্দিষ্ট সময়খিনিৰ লগত গতিটো মিলাই ল'ব। সিহঁতে ছয়মাত্ৰাৰ তাললৈকে বাহু দাঙিবলৈ আৰু নমাবলৈ শিকিব লগা হৈছিল।

চাৰিমাত্ৰাৰ তাল নিচেই সহজ ঃ

"নমোৰাঁ, ঘূৰোঁৱা, দুকাষকৈ মেলি দিয়া, ওপৰলৈ দাঙি দিয়া।"

কিন্তু যেতিয়া পাঁচ মাত্ৰাৰ তাললৈ সলনি কৰা হয় তেতিয়া ই হয় ঃ

"নমোৰাঁ, ঘূৰোঁৱা, সমুখলৈ মেলি দিয়া, দুকাষলৈ মেলি দিয়া, ওপৰলৈ তোলা।"

যেতিয়া ছয় মাত্ৰাৰ হয়, তেতিয়া বাহু এনেকৈ ঃ

"নমোৱা, ঘূৰোঁৱা, সমুখলৈ মেলা, আকৌ ঘূৰোঁৱা, দুকাষলৈ মেলা, ওপৰলৈ।"

সেইকাৰণে যেতিয়া মাত্ৰা সলনি হয় তেতিয়া কামটো বেছ টান হয়।

তাতকৈয়ো বেছি টান হয় যেতিয়া হে'ডমাষ্টৰে চিঞৰি কয় ঃ

"মই পিয়ানোৰ তাল সলালেও তোমালোকে মই নোকোৱালৈকে নিজৰ ঠেও সলনি নকৰিবা।"

ধৰা হওক সিহঁতে দুই মাত্ৰাৰ তালত খোজ কাঢ়ি আছিল, আৰু বাজনাটো তিনি মাত্ৰালৈ সলনি হ'ল। ল'ৰা-ছোৱালীবোৰে দুই মাত্ৰাতে খোজ কাঢ়ি থাকিব লাগিব আৰু আনহাতে তিনিমাত্ৰাৰ তালৰ বাজনা শুনি থাকিব লাগিব। এইটো বৰ টান কাম, কিন্তু হে'ডমাষ্টৰে কৈছিল যে শিশুৰ মনোযোগৰ শক্তি বঢ়োৱাৰ বাবেই এনে কৰা হয়।

অৱশেষত তেখেতে চিঞৰে ঃ

"তোমালোকে এতিয়া সলাব পাৰা।"

ল'ৰা-ছোৱালীহঁতে সকাহ পাই লৰালৰিকৈ তিনি মাত্ৰাৰ তাললৈ যায়। কিন্তু সিহঁত বিশেষভাৱে সতৰ্ক হৈ থাকিলেহে তেনে কৰিব পাৰে। দুই-মাত্ৰাৰ তাল মনৰপৰা গুচাই তিনিমাত্ৰাত নিজকে খাপ খুৱাবলৈ মাংসপেশীবোৰে বাতৰি পায় মানে বাজনা হঠাৎ পাঁচ মাত্ৰাৰ তাললৈ সলনি হ'ব পাৰে। প্ৰথমতে সিহঁতৰ হাত-ভৰিবোৰে গোটেইখন খেলি মেলি লগায় আৰু সিহঁতে কাতৰ হৈ চিঞৰে "ৰ'ব, ছাৰ! ৰ'ব!" কিন্তু অভ্যাস কৰি থাকিলে এই ভংগীবোৰ কৰিবলৈ বৰ ভাল লগা হয় আৰু আনকি ল'ৰা-ছোৱালীহঁতে নিজেই এনে বৈচিত্ৰ্য ভাবি উলিয়ায় আৰু উপভোগ কৰে।

সাধাৰণতে প্ৰতিজন শিশুৱে ব্যক্তিগতভাৱে এনে ভংগীবোৰত অংগ সঞ্চালন কৰে। কিন্তু কেতিয়াবা দুই মাত্ৰাৰ তালৰ সময়ত দুজনে দুজনে একেলগে হাতত ধৰাধৰি কৰি ঘূৰাৰ সিদ্ধান্ত লয় বা কেতিয়াবা চকু মুদিও খোজ কাঢ়ে। নিষিদ্ধ বস্তু একেটাই আছিল—সেইটো হৈছে কথা পতা।

কেতিয়াবা, মাক-দেউতাকসকলৰ লগত শিক্ষকৰ সভাৰ দিন থাকিলে মাকসকলে খিড়িকীয়েদি জুমি চায়। প্ৰতিটো শিশুৱেই বাজনাৰ সুৰৰ লগে লগে নিখুঁত সময়ত আনন্দেৰে দেও দি দি স্বচ্ছন্দে বাহু আৰু উৰু সঞ্চালন কৰা চাই থাকিবলৈ বৰ ভাল লাগে।

এনেকৈয়ে এই 'ইউৰিদ্‌মিক্‌ছ'অৰ (অৰ্থাৎ বিজ্ঞানৰ এই তাল-মান লয় সম্পৰ্কীয় শাখাটোৰ) উদ্দেশ্য হ'ল প্ৰথমেই মন আৰু শৰীৰক তাল-লয়ৰ প্ৰতি সচেতন কৰা—তাৰপৰাই আত্মা আৰু তেজ-মঙহৰ মাজত সমন্বয় সাধন কৰা, অৱশেষত কল্পনাশক্তিক জগাই তুলি সৃষ্টিশীলতাক উন্নত কৰা।

স্কুললৈ অহাৰ প্ৰথম দিনাই ত'ত্ত'চ্চানে নঙলামুখত থকা নামটো দেখি মাকক সুধিছিল, "ত'মে' মানে কি ?"

ত'মে' হ'ল ক'মা আকৃতিৰ এটা প্ৰাচীন প্ৰতীক। হে'ডমাষ্টৰে তেখেতৰ স্কুলৰ কাৰণে এটা ক'লা আৰু এটা বগা— এই দুটা ত'মে'ৰ মিলনত এটা পূৰ্ণ বৃত্তৰ ৰূপ লোৱা এই প্ৰাচীন প্ৰতীক-চিহ্নটো লৈছিল। ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত তেখেতৰ লক্ষ্যৰ ই প্ৰতীক স্বৰূপ আছিল ঃ সেয়ে হ'ল শৰীৰ আৰু মনৰ সমানে উন্নতি সাধন কৰা আৰু উভয়কে পূৰ্ণ সমন্বয়ত ৰখা।

স্কুলৰ পাঠ্যক্ৰমত যে হে'ডমাষ্টৰে এই ইউৰিদ্‌মিক্‌ছ সন্নিৱিষ্ট কৰিছিল তাৰ কাৰণ আছিল এয়ে যে তেখেত ইয়াৰ সুফল সম্পৰ্কে নিশ্চিত আছিল আৰু প্ৰাপ্তবয়স্কসকলৰ বৰ বেছি হস্তক্ষেপ নোহোৱাকৈ শিশুৰ ব্যক্তিত্ব স্বাভাৱিকভাৱে গঢ় লোৱাত ই সহায় কৰিব বুলি ভাবিছিল।

লিখিত শব্দৰ ওপৰত অধিক গুৰুত্ব দিয়া সমসাময়িক শিক্ষাব্যৱস্থাক হে'ডমাষ্টৰে ভাল চকুৰে নাচাইছিল, কিয়নো পঞ্চেন্দ্ৰিয়ৰ সহায়ত উপলব্ধি কৰিব পৰা শক্তিক আৰু সহজাত গ্ৰহণ ক্ষমতাৰে ঈশ্বৰৰ এতিয়াও ক্ষীণ হৈ থকা কণ্ঠস্বৰ শুনাৰ শক্তিক অৰ্থাৎ অনুপ্ৰেৰণাক ই বিনষ্ট কৰে।

কেৰল কবি বাশ্ব'ইহে লিখিছিল ঃ

পুৰণি পুখুৰী—
বেং এটাই জঁপিয়ালে
পানীৰ শব্দ

অথচ পুখুৰীত বেং এটাই জঁপিওৱাৰ পৰিঘটনা নিশ্চয় আন বহুতেই দেখিছে।

যুগ যুগ ধৰি সমস্ত পৃথিৱীত ৰাট আৰু নিউটনেই মাথোঁ এনে ব্যক্তি হ'ব নোৱাৰে যি উতলা পানীৰ কেট্‌লিৰপৰা ভাপ ওলোৱা দেখিছিল অথবা আপেল এটা সৰি পৰা লক্ষ্য কৰিছিল।

চকু থাকিও সৌন্দৰ্য্যক দেখা নোপোৱা, কাণ থাকিও সংগীত নুশুনা, মন থাকিও সত্যক দেখা নোপোৱা, হৃদয় থাকিও কেতিয়াও বিচলিত নোহোৱা আৰু তাৰ ফলত কেতিয়াও জুইৰ দৰে জ্বলি নুঠা—এইবিলাক বস্তুৱেই হ'ল ভয় কৰিবলগীয়া—হে'ডমাষ্টৰে কৈছিল।

ত'ত্ত'চ্চানৰ কথা ক'বলৈ গ'লে তাই ইছাডোৰা ডানকানৰ দৰে খালী ভৰিৰে দেও দি দি দৌৰি ফুৰি প্ৰচণ্ডভাৱে সুখী হৈছিল আৰু এইবোৰ যে স্কুলীয়া জীৱনৰে অংগ, এই কথা তাই বিশ্বাস কৰিবই নোৱাৰিছিল।

"মোক অকল এই বস্তুটোহে লাগে!"

সেইবাৰ ত'ত্ত'চ্চান প্ৰথমবাৰৰ কাৰণে মন্দিৰৰ মেলালৈ গৈছিল। ছেন্‌জুকো পুখুৰীৰ মাজত, তাইৰ আগৰ স্কুলখনৰ ওচৰতে এটা সৰু দ্বীপত সৌন্দৰ্য্য আৰু সংগীতৰ দেৱী বে'নটে'নৰ এটা মন্দিৰ আছিল। বছৰেকীয়া মেলাৰ দিনা ৰাতি টিমিক-ঢামাক পোহৰৰ বাটেদি দেউতাক আৰু মাকৰ লগত গৈ থাকি তাই দেখিলে যে মেলাৰ ওচৰ পোৱাৰ লগে লগে ৰাতিটো যেন হঠাৎ জাতিষ্কাৰ হৈ উঠিল। প্ৰতিখন সৰু সৰু দোকানতে ত'ত্ত'-চ্চানে মূৰ সুমুৱাবলৈ ধৰিলে। কেউফালে অদ্ভুত শব্দ—কেঁচ্-কেঁচ্, চেৰ্-চেৰ্, ধম্-ফট্— আৰু নানা ধৰণৰ লোভনীয় গোন্ধ। প্ৰতিটো বস্তুৱেই নতুন আৰু অদ্ভুত।

হুপিলে পদিনাশাকৰ গোন্ধ ওলোৱা মিছামিছিকৈ ধঁপাত হোপা পাইপ আছে, তাতে কুকুৰ, মেকুৰী আৰু বেটি বৌপৰ (কাৰ্টুন) ছবি অঁকা আছে; ললিপপ আছে আৰু আছে তুলাৰ দৰে আঁহ থকা (কটন কেণ্ডি) মিঠাই; বাইঁৰ বন্দুক আছে যাৰ ভিতৰত এবিধ গছৰ গুটি সুমুৱাই জোৰেৰে ঠেলি দিলে 'ফট্'কৈ ডাঙৰ শব্দ এটা হয়।

বাটৰ কাষত এজন মানুহে তৰোৱাল গিলিছিল আৰু আয়না চোবাই খাইছিল। এজন মানুহে কিবা গুড়ি এবিধ বেচি আছিল— এটা পিয়লাৰ দাঁতিত এই গুড়িবিধ সানি দিলে ৰজনজনাই শব্দ হয়। যাদুৰ সোণৰ আঙুঠিয়ে টকা অদৃশ্য কৰিছিল, ৰ'দত ফটো 'ডেভেলাপ' কৰা দেখা গৈছিল, এগিলাচ পানীত দি দিওতে কাগজৰ ফুল পাহি মেলি ফুলি উঠিছিল। এবাৰ ইফালে এবাৰ সিফালে চাই গৈ থাকোঁতে ত'ত্ত'-চ্চান এঠাইত হঠাৎ ৰৈ গ'ল।

"এইয়া! চোঁৱাচোন!" চীঁ-চিঁয়াই থকা এবাকচ হালধীয়া ৰঙৰ চৰাই-পোৱালি দেখি তাই চিঞৰি দিলে।

"মোক এটা লাগিব", মাক আৰু দেউতাকক আজুঁৰি আজুঁৰি তাই ক'লে, "মোক এটা কিনি দিয়া না! দিয়ানা এটা।"

আটাইকেইটা পোৱালি ত'ত্ত'-চ্চানৰ ফালে ঘূৰিল আৰু সিহঁতৰ ক্ষুদ্ৰ শৰীৰবোৰ হেকেৰ-পেকেৰ কৰি আৰু বেছিকৈ চীঁ-চিঁয়াই তাইক চাবলৈ অকণি অকণি মূৰবিলাক দাঙিলে।

"ইমান মৰম লগা, নহয়?" ত'ত্ত'চ্চানে ভাবিলে যে তাই জীৱনত আৰু ইমান আকৰ্ষণীয় বস্তু একো দেখা নাই। তাই সিহঁতৰ ওচৰত লেপেট খাই বহি থাকিল।

"দিয়া না, দিয়া না", তাই মাক-দেউতাকলৈ চাই অনুৰোধ কৰিলে। কিন্তু

তাই আচৰিত হৈ দেখিলে যে মাক-দেউতাকে তাইক তাৰপৰা টানি নিবলৈহে বিচাৰিলে।

"কিন্তু তোমালোকে যে মোক কিবা কিনি দিবা বুলি কৈছিলা! আৰু মোক অকল এই বস্তুটোহে লাগে।"

"নহয়, সোণজনী!" মাকে শান্তভাৱে ক'লে, "এই বেচেৰা চৰাই পোৱালিকেইটা কেইদিনমানতে মৰি থাকিব।"

"কিয়?" কান্দিবলৈ আৰম্ভ কৰি ত'ত্ত'-চ্চানে সুধিলে।

দেউতাকে তাইক বেপাৰীজনৰপৰা আঁতৰলৈ লৈ গ'ল আৰু তেওঁ নুশুনাকৈ ক'লে, "তত্স্কি, সেইকেইটা এতিয়া দেখি মৰম লাগিছে নহয়, কিন্তু সাংঘাতিক দুৰ্বল। সেইবোৰ বেছিদিন নাথাকে। পোৱালিটো মৰিলে তই কান্দিবি নহয়। সেইকাৰণেহে তোক কিনি দিব খোজা নাই।"

কিন্তু ত'ত্ত'-চ্চানে 'পোৱালি এটা লগা' কথাষাৰ অন্তৰত ভালকৈয়ে সুমুৱাই ল'লে আৰু তাই কাৰো কথালৈ কাণ নিদিয়া হ'ল।

"মই তাক মৰিবলৈ নিদিওঁ। মই তাক প্ৰতিপাল কৰিম নহয়!"

মাক-দেউতাকে তাইক তাৰপৰা টানি আঁতৰাই নিবলৈ চেষ্টা কৰিয়ে থাকিল, কিন্তু তাই আশাৰ চাৱনিৰে পোৱালিকেইটালৈ চাই থাকিল আৰু পোৱালিকেইটায়ো আগতকৈও বেছিকৈ চীঁ-চিঁয়াই তাইলৈ আশাৰ চাৱনিৰে চাই ৰ'ল। ত'ত্ত'-চ্চানে মন বান্ধি ল'লে যে একমাত্ৰ চৰাই-পোৱালি এটাহে তাইক লাগে। তাই মাক-দেউতাকক কাকুতি কৰিবলৈ ধৰিলে, "দিয়ানা, মোক এটা কিনি দিয়ানা।"

মাক-দেউতাকো দৃঢ়প্ৰতিজ্ঞ।

"এইটো ল'লে শেষত তুমি কান্দিব লাগিব, আৰু সেইকাৰণেই আমি দিব নোখোজোঁ।"

ত'ত্ত'-চ্চানে বৰকৈ কান্দিবলৈ ধৰিলে আৰু ধাৰাসাৰে চকুলো বোৱাই ঘৰৰ পিনে বাট ল'লে। সিহঁত আহি আন্ধাৰ বাটটো পোৱাৰ পিছত তাই হেন্দুলি হেন্দুলি উচুপি উচুপি কান্দি ক'বলৈ ধৰিলে, "মই গোটেই জীৱনত আন একো বস্তুকে ইমান বেছিকৈ বিচৰা নাছিলোঁ। আগলৈকো আৰু তোমালোকক একো নোখোজোঁ। কেৱল মোক তাৰে পোৱালি এটা দিয়া।"

অৱশেষত মাক-দেউতাকে সেও মানিলে।

বৰষুণৰ পিছত ৰ'দ দিয়াৰ দৰে হ'ল। এটা সৰু বাকচত দুটা চৰাই পোৱালি লৈ খোজকাঢ়ি ঘৰলৈ ওভতোতে ওৰে বাটে ত'ত্ত'-চ্চান হাঁহিৰে জিলিকি আহিল।

মাকে পিছদিনা কাঠমিস্ত্ৰীৰ হতুৱাই তক্তাৰে বাকচ এটা সজাই তাতে

পোৱালিকেইটাই উম পাই থাকিবৰ কাৰণে বিজুলী চাকি এটাও লগোৱাই দিলে। গোটেই দিন ধৰি ত'ত্ত'-চ্চানে পোৱালিকেইটা চাই থাকে। হালধীয়া অকণমানি পোৱালিকেইটা বৰ মৰমলগা আছিল। পিছে হায়! চতুৰ্থদিনা তাৰে এটাই লৰচৰ নকৰা হ'ল। পঞ্চমদিনা আনটোৰো একেই গতি হ'ল। তাই সিহঁতক গাত থপৰিয়াই থপৰিয়াই মাতিলে। কিন্তু সিহঁতে এবাৰলৈ চীঁ এষাৰ নক'লে। তাই বাট চাই থাকিল, বাট চাই থাকিল, কিন্তু সিহঁতে আৰু চকু নেমেলিলে। ঠিক মাক-দেউতাকে কোৱাটোৱেই হ'ল। নিজে নিজে কান্দি-কাটি তাই বাগিছাতে গাঁত এটা খান্দিলে আৰু দুইটা অকণমানি চৰাই পোৱালি পুতি থ'লে। ঠাইকণৰ ওপৰত তাই এপাহ সৰু ফুল ৰাখিলে। সিহঁতক ৰখা বাকচটো এতিয়া অদ্ভুতভাৱে ডাঙৰ আৰু খালী খালী যেন লগা হ'ল। বাকচটোৰ চুকত এটা অকণমানি হালধীয়া পাখি পৰি থকা দেখি মেলাৰ দিনা সিহঁতে তাইলৈ চাই চীঁ-চিঁওৱাৰ কথা তাইৰ মনলৈ আহিল আৰু তাই দাঁতত দাঁত চেপি ধৰি নিঃশব্দে কান্দিবলৈ ধৰিলে।

তাই কেতিয়াও কোনো বস্তু ইমান হেঁপাহেৰে বিচৰা নাছিল। আৰু ইমান সোনকালেই সকলো শেষ হৈ গ'ল? ক্ষতি আৰু বিচ্ছেদৰ এয়া তাইৰ প্ৰথম অভিজ্ঞতা।

সিহঁতৰ আটাইতকৈ বেয়া পোছাক

ত'মে'লৈ পঢ়িবলৈ আহোঁতে সিহঁতৰ আটাইতকৈ বেয়া পোছাকেৰে ল'ৰা-ছোৱালীহঁতক পঠাবলৈ হে'ডমাষ্টৰে সদায় মাক-দেউতাকক কৈছিল। বোকা-বালি লাগিলে বা ফাটিলে যাতে একো ডাঙৰ কথা নহয়, তাৰ কাৰণেই তেখেতে ল'ৰা-ছোৱালীয়ে বেয়া পোছাক পিন্ধি অহাটো বিচাৰিছিল। পোছাক লেতেৰা হ'লে ঘৰত বকনি খাব লাগিব বুলি চিন্তা কৰিবলগীয়া হোৱাটো বা কাপোৰ ফাটে বুলি কোনো খেলত যোগ দিবলৈ দ্বিধা কৰিব লগা হোৱাটো তেখেতে ল'ৰা-ছোৱালীৰ বাবে বৰ লাজৰ কথা বুলি ভাবিছিল। ত'মে'ৰ ওচৰতে থকা আন প্ৰাথমিক স্কুলবোৰত ছোৱালীবোৰে নাবিকৰ পোছাকৰ উৰ্দি পিন্ধে আৰু ল'ৰাবোৰে ওখ কলাৰৰ জেকেট আৰু চুটি পেণ্ট পিন্ধে। ত'মেৰ ল'ৰা-

ছোৱালীয়ে স্কুললৈ সাধাৰণ পোছাক পিন্ধি আহিছিল আৰু পোছাকৰ কথালৈ মূৰ নঘমাই প্ৰাণ ঢালি খেলিবলৈ শিক্ষক-শিক্ষয়িত্ৰীয়ে সিহঁতক অনুমতি দি থৈছিল। তেতিয়াৰ দিনত আজিকালিৰ দৰে বহুত দিন যোৱা জীন্‌ছ কাপোৰৰ পেণ্ট নাছিল, সেইকাৰণে সকলো ল'ৰাৰে পেণ্টত তাপলি আছিলেই আৰু ছোৱালীহঁতেও বজাৰত মিলা আটাইতকৈ টান কাপোৰৰ স্কাৰ্ট বা আন পোছাক পিন্ধিছিল।

ত'ত্ত'-চ্চানৰ প্ৰিয় চখ আছিল আন মানুহৰ বাগিছাৰ বা খালী ঠাইৰ জেওৰাৰ তলেদি সৰকি যোৱা। গতিকে পোছাকৰ কথা ভাবিব নলগাটো তাইৰ গাত বৰকৈ খাপ খাইছিল। সেই দিনত বহুত কাঁইটীয়া তাঁৰৰ বেৰ আছিল। তাৰে কিছুমানৰ মাটিলৈকে তাঁৰ আছিল। তেনেকুৱা অৱস্থাত ভিতৰ সোমাবলৈ হ'লে কুকুৰৰ দৰে গাঁত খান্দিব লগা হয়। যিমানেই সাৱধান নহওক লাগে, ত'ত্ত'-চ্চানৰ পোছাক বেৰৰ কাঁইটত লাগি ধৰি ফাটিবই। এৱাৰ তাই মছলিন কাপোৰৰ মিহি আৰু অতি পাতল চোলা এটা পিন্ধিছিল। গোটেই বস্তুটো ওপৰৰপৰা তললৈকে ছিৰাছিৰ হৈ ফাটিল। পুৰণা যদিও চোলাটো মাকে বৰ ভাল পাইছিল বুলি তাই জানিছিল। সেইকাৰণে তাই মূৰ ঘোলা কৰি ভাবি ভাবি মাকক ক'বলৈ মিছা কথা এটা সাজু কৰিলে। কাঁইটীয়া তাঁৰৰ বেৰত লগাই সেইটো ফলাৰ কথা মাকক ক'বলৈ তাইৰ কলিজা নাছিল। চোলাটো ফটা বিষয়ত যে তাইৰ কৰিবলৈ একো উপায় নাছিল এনে ধৰণৰ মিছা কথা এটা ভাবি উলিউৱাটোৱেই ভাল কথা হ'ব বুলি তাই ভাবিলে। অৱশেষত তাই তলত দিয়া গল্পটো সাজি উলিয়ালে ঃ

"মই আহি আছিলোঁ", ঘৰ পায়েই তাই মিছাকৈয়ে ক'লে, "মই চিনি নোপোৱা ল'ৰা-ছোৱালী কিছুমানে মোৰ পিছফাললৈ ছুৰী কটাৰী কিছুমান দলিয়াই দিছিল। সেইকাৰণে চোলাটো এনেকৈ ফাটিল।" কিন্তু কথা কৈ থাকোঁতেই তাই মাকে আৰু কিবা সুধিলে কি উত্তৰ দিব তাকে ভাবি আছিল।

ভাগ্যে তাইৰ মাকে কেৱল ক'লে, "এইটোতো নিশ্চয় বৰ অদ্ভুত কথা হ'ল!"

ত'ত্ত'-চ্চানে স্বস্তিৰ নিশ্বাস এৰিলে। মাকে দেখদেখকৈয়ে উপলব্ধি কৰিলে চাগে' যে এনে পৰিস্থিতিত তাইনো কেনেকৈ মাকে ভাল পোৱা চোলাটো নফলাকৈ ৰাখে?

স্বাভাৱিকতে মাকে তাইৰ ছুৰীৰ গল্প বিশ্বাস কৰা নাছিল। পিঠিত মৰা ছুৰীয়ে চোলাটো ফলাৰ উপৰি তাইকো আঘাত কৰিলেহেঁতেন। আৰু ঘটনাটোত দেখোন ত'ত্ত'-চ্চানে অকণো ভয় খোৱা নাই! মাকে তৎক্ষণাৎ বুজিলে যে

এইবোৰ সাজি কোৱা কথা। সি যি কি নহওক দোষৰপৰা অব্যাহতি বিচাৰি ইমান দূৰলৈ যোৱাটো ত'ত্ত'-চ্চানৰ কাৰণে অলপ অস্বাভাৱিক কথা। তেখেতে উপলব্ধি কৰিলে যে ত'ত্ত-চ্চানে বোধহয় চোলাটোৰ বিষয়ে বৰ তীব্ৰভাৱেই অনুভৱ কৰিছে, সেই কথাই তেখেতক আনন্দ দিলে। পিছে কিছুদিন ধৰি মাকৰ কিছু কথা সুধিবলগীয়া হৈ আছিল আৰু এইটো সুযোগতে তেখেতে কথাটো উলিয়াই ল'বলৈ বিচাৰিলে।

"তোমাৰ চোলাবোৰ ছুৰীৰে কটা যায়, বুজিলোঁ বাৰু। কিন্তু তোমাৰ জাঙিয়াবোৰ সদায় সদায় কেনেকৈ ফাটে ?"

ত'ত্ত'-চ্চানৰ লে'চ লগোৱা জাঙিয়াবোৰৰ গোটেই পিছফালটো কেনেকৈনো ফাটি ছিৰলা-ছিৰলি হয় সেই কথা মাকে কেতিয়াও বুজি পোৱা নাছিল। হেলনীয়া বেঞ্চেদি চুঁচৰি যোৱা খেলোঁতে জাঙিয়া পাতল হৈ যোৱা আৰু থেকেচা খাই পৰোঁতে বোকা লগাৰ কথাটো বাৰু তেখেতে বুজি পায়, কিন্তু সেইবোৰ ফাটি ছিৰলা-ছিৰলি হয় কেনেকৈ?

ত'ত্ত'-চ্চানে অলপ সময় ভাবি লৈ ক'লে, "তুমি যেতিয়া গাঁত খান্দি সোমাই যাবা, তেতিয়া স্কাৰ্টটো তাঁৰৰ বেৰত লাগি নধৰাকৈ যাব নোৱাৰা। আৰু যেতিয়া পিছুৱাই আহাঁ, তেতিয়া জাঙিয়াটো লাগিবই। বেৰখনৰ এফালৰপৰা "ক্ষমা কৰিব দেই, সোমাব পাৰোঁ নে" কৰিলে আৰু আন ফালৰপৰা "ভাল বাৰু, বিদায় হে" কৰিলে জাঙিয়া আৰু চোলা ফাটি যাবই।"

মাকে ভালকৈ বুজা নাছিল যদিও কাণ্ডটো তেখেতৰ বেছ উপভোগ্য যেনেই লাগিছিল।

"স্ফূৰ্তি লাগে, নহয়?"

"তুমি কৰি নোচোৱা কিয়?" প্ৰশ্নটোৰ বাবে আচৰিত হৈ ত'ত্ত'-চ্চানে সুধিলে। "ইমান যে স্ফূৰ্তি লাগে। আৰু তোমাৰ জাঙিয়াও ফাটিব কিন্তু।"

ত'ত্ত'-চ্চানে ইমান বেছি ভাল পোৱা আৰু ইমান উত্তেজনা থকা খেলটো এনে ধৰণৰ ঃ

প্ৰথমতে আপুনি কাঁইটীয়া তাঁৰেৰে বেৰ দিয়া ডাঙৰ খালী ঠাই এডোখৰ বিচাৰি ল'ব লাগিব। "ক্ষমা কৰিব দেই, সোমাব পাৰোঁনে" খিনি হ'ল শলাৰ দৰে তাঁৰবোৰ প্ৰথমে আঁতৰাই লোৱা, গাঁত খন্দা, তলেদি চুঁচৰি সোমোৱা— এইবোৰেৰে গঠিত। এবাৰ ভিতৰ সোমাই লৈ আপুনি ওচৰৰে কাঁইটীয়া তাঁৰ অলপ আঁতৰালে আৰু আন এটা গাঁত খান্দিলে আৰু "ভাল বাৰু বিদায়হে" বুলি পিছুৱাই ওলাই আহিল। পিছুৱাই আহোঁতে কেনেকৈ স্কাৰ্টটো উজাই যায় আৰু জাঙিয়াটো কাঁইটীয়া তাঁৰত লাগি ধৰে সেই কথাটো এতিয়াহে মাকৰ মনত

পৰিষ্কাৰ হ'ল। বাৰে বাৰে গাঁত খান্দি "ক্ষমা কৰিব দেই, সোমাব পাৰোঁনে" বুলি সোমাই যোৱা আৰু নতুনকৈ এটা গাঁত খান্দি "ভাল বাৰু, বিদায়হে" কৰি ওলাই অহা— এই প্ৰক্ৰিয়াটো বাৰে বাৰে ঘটি বাৰে বাৰে তাইৰ জাঙিয়া ফালে। এনে একোখন বেৰৰ এমূৰৰপৰা আন মূৰলৈ ত'ত্ত'-চ্চানে গাঁত খান্দে আৰু মনৰ সুখত একা বেঁকাকৈ পাৰ হৈ থাকে। তাইৰ জাঙিয়াবোৰ ফটাত আচৰিত হ'ব লগা একো নাই।

ডাঙৰ মানুহৰ ভাগৰ লগাব পৰা আৰু মুঠেই আমোদজনক নোহোৱা এনে এটা ধেমালিও এটা শিশুৰ কাৰণে মজাৰ ধেমালি হ'ব পাৰে বুলি ভাবিব পাৰিনে? চুলিত ধূলি-বালি, লেতেৰা নখ, ময়লা কাণেৰে ত'ত্ত'-চ্চানক দেখি মাকৰ অলপ ঈৰ্ষাই হ'ল। তেখেতে হে'ডমাষ্টৰক প্ৰশংসা নকৰি নোৱাৰিলে। ল'ৰা-ছোৱালীয়ে যিমান মন যায় সিমান লেতেৰা কৰিব পৰা পোছাক পিন্ধিবলৈ পৰামৰ্শ দিয়াতে বুজা যায় তেখেতে সিহঁতক কিমান ভালকৈ বুজি পাইছিল।

তাকাহাশ্বি

এদিন ৰাতিপুৱা স্কুলৰ খেল-পথাৰত ঢপলিয়াই ফুৰোঁতে হে'ডমাষ্টৰে সিহঁতক ক'লে, "এওঁ তোমালোকৰ নতুন বন্ধু দেই। এওঁৰ উপাধি হ'ল তাকাহাশ্বি। প্ৰথম মান শ্ৰেণীত পঢ়িব এওঁ। চিনাকি হোৱাহঁত।"

ত'ত্ত'-চ্চানে আৰু আটাইবোৰ ল'ৰা-ছোৱালীয়ে তালৈ চালে। টুপীটো খুলি সি মূৰ দোঁৱালে আৰু লাজকুৰীয়াভাৱে হাঁহিলে।

প্ৰথম শ্ৰেণীত পঢ়া হিচাপে ত'ত্ত'-চ্চান আৰু তাইৰ লগৰীয়াবোৰ যথেষ্ট সৰুৱেই আছিল। কিন্তু তাকাহাশ্বি ল'ৰা যদিও চুটি চুটি হাত ভৰিৰে সিহঁততকৈয়ো সৰু আছিল। টুপীটো ধৰি থকা তাৰ হাতটোও সৰু আছিল কিন্তু তাৰ কান্ধ আছিল বহল। সি তাতে নিথৰুৱা মানুহৰ দৰে ৰৈ আছিল।

"আমি তাৰ লগত কথা পাতোঁ আহাঁ।" ত'ত্ত'-চ্চানে মিয়'চ্চান আৰু ছাক্ক'-ছানক ক'লে। সিহঁত তাকাহাশ্বিৰ ওচৰলৈ গ'ল। সিহঁত ওচৰ চাপোঁতে সি অমায়িকভাৱে হাঁহিলে আৰু সিহঁতেও তালৈ চাই হাঁহিলে। তাৰ চকু ডাঙৰ ডাঙৰ আৰু গোল আছিল আৰু এনেদৰে চাইছিল যেন কিবা ক'বহে খুজিছে।

"তুমি ডবাত থকা আমাৰ শ্ৰেণীৰ কোঠাটো চাবা নে কি?" ত'ত্ত'-চ্চানে প্ৰস্তাৱ দিলে।

"ওঁ", টুপীটো পিন্ধি লৈ তাকাহাশ্বিয়ে উত্তৰ দিলে।

তাক শ্ৰেণীৰ কোঠাটো দেখুৱাবলৈ ত'ত্ত'-চ্চান উদ্‌গ্ৰীৱ হৈ পৰিছিল আৰু উফৰি যোৱাদি গৈ ৰেলত উঠি তাই দুৱাৰমুখৰপৰা মাতিলে, "বেগ দি আহাঁ।"

দেখাত তাকাহাশ্বিয়ে বেগ দিছিল কিন্তু তেতিয়াও সি বহুত দূৰতে আছিল।

"গৈ আছোঁ," প্ৰায় দৌৰিবলৈ চেষ্টা কৰোঁতে থেপ থেপকৈ পৰা খোজেৰে গৈ থাকি সি ক'লে।

ত'ত্ত'-চ্চানে বুজিলে যে পলিঅ' হোৱা য়াছুআকি-চ্চানৰ দৰে ভৰি চোঁচোৰাই খোজ নাকাঢ়ে যদিও ডবাটো পাবলৈ তাৰ সমান পৰিমাণৰ সময়েই লাগিব। তাই শান্ত হৈ অপেক্ষা কৰি থাকিল। যিমান বেগেৰে পাৰি সিমান বেগেৰে সি দৌৰিছেই। আৰু লৰালৰি কৰিবলৈ কোৱাৰ কোনো অৰ্থ নাই কাৰণ সি লৰালৰি কৰিছেই। তাৰ ভৰি দুখন বৰ চুটি আৰু ফেৰেকা। শিক্ষক-শিক্ষয়িত্ৰীসকলে আৰু ডাঙৰসকলে জানিছিল যে সি আৰু নাবাঢ়ে। ত'ত্ত'-চ্চানে তাক লক্ষ্য কৰি থকা দেখি সি হাত দুখন দোলাই দোলাই আৰু বেগেৰে যাবলৈ চেষ্টা কৰিলে। দুৱাৰমুখ পাই সি ক'লে, "তুমি বৰ বেগাই দৌৰা।" তাৰ পিছত সি ক'লে, "মোৰ ঘৰ ওছাকাত।"

"ওছাকা?" ত'ত্ত'-চ্চানে উত্তেজিত হৈ চিঞৰি দিলে। ওছাকা আছিল তাইৰ কেঁতিয়াও নেদেখা সপোনৰ নগৰ। তাইৰ মামাক বিশ্ববিদ্যালয়ৰ ছাত্ৰ আৰু যেতিয়াই তেওঁ সিহঁতৰ ঘৰলৈ আহে তেতিয়াই তাইৰ মূৰটো দুইখন হাতেৰে ধৰি তাইক যিমান পাৰি ওপৰলৈ দাঙি দিয়ে, "তোমাক ওছাকা দেখুৱাওঁ ৰ'বা। দেখিছানে ওছাকা? সেইয়া, চোৱাঁ।"

এইটো আছিল ডাঙৰে সৰুৰ লগত খেলা এটা ধেমালি। কিন্তু ত'ত্ত'-চ্চানে তেওঁক বিশ্বাস কৰিছিল। এনেকৈ দাঙোতে তাইৰ মুখৰ ছাল সাংঘাতিক ধৰণে টান খাই গৈছিল, চকুকেইটা দেখিবলৈ বেলেগ হৈ গৈছিল, কাণত দুখ পাইছিল যদিও তাই উদ্ভ্ৰান্তৰ দৰে দূৰলৈ চাই ওছাকা দেখা পাবলৈ চেষ্টা কৰিছিল। কিন্তু কেতিয়াও দেখা পোৱা নাছিল। অৱশ্যে তাই সদায় বিশ্বাস কৰিছিল যে এদিন তাই ওছাকা দেখিবই। সেইকাৰণে মামাক আহিলেই তাই কৈছিল, "মোক ওছাকা দেখুউৱা।" তেনেকৈয়ে ওছাকা তাইৰ সপোনৰ নগৰী হ'ল। আৰু তাকাহাশ্বি তাৰপৰাই আহিছে!

"মোক ওছাকাৰ কৰা কোঁৱা," তাই তাকাহাশ্বিক ক'লে।

"ওছাকাৰ কথা?" ৰংমনেৰে হাঁহি সি সুধিলে। তাৰ মাত পৰিষ্কাৰ আৰু পূৰঠ। ঠিক তেনেকুৱাতে প্ৰথম পিৰিয়ডৰ ঘণ্টা বাজিল।

"কি যে দুখৰ কথা!" ত'ত্ত'-চ্চানে ক'লে।

স্কুলৰ বেগৰ আঁৰত প্ৰায় লুকাই যোৱা শৰীৰটো দোলাই দোলাই তাকাহাশ্বি ৰংমনেৰে সোমাই গ'ল আৰু প্ৰথমৰ শাৰীত বহিল। লৰালৰিকৈ ত'ত্ত'-চ্চান তাৰ ওচৰত বহিল। য'তে ইচ্ছা তাতেই বহিব পৰা ব্যৱস্থাটোৰ কাৰণে তাইৰ বৰ ভাল লাগিল। এনেকৈয়ে, তাকাহাশ্বিও তাইৰ বন্ধুসকলৰ ভিতৰৰে এজন হৈ পৰিল।

"নাচাই ডে'লে গালৈকে ঘাটি !"

স্কুলৰপৰা উভতি আহোঁতে ঘৰৰ প্ৰায় ওচৰতে বাটৰ কাষত ত'ত্ত'-চ্চানে মন টানি নিয়া কিবা বস্তু এটা দেখিলে। বস্তুটো হ'ল প্ৰকাণ্ড এদ'ম বালি। সাগৰৰপৰা ইমান দূৰত বালি পোৱাটো কিমান যে অ-সাধাৰণ কথা! তাই সপোন দেখিছে নে কি ? ত'ত্ত'-চ্চান পুলকিত হৈ উঠিল। প্ৰাথমিক সৰু জাঁপ এটা মাৰি লৈ তাই প্ৰচণ্ড বেগেৰে দ'মটোৰ ফালে দৌৰ মাৰিলে আৰু তাৰ চূড়াটোলৈ জাঁপ মাৰি দিলে। কিন্তু বস্তুখিনি মুঠেই বালি নাছিল, আছিল দেৱালৰ কাৰণে সাজু কৰা ছিমেণ্ট-প্লাষ্টাৰৰ মচলাহে। থপলংকৈ শব্দ এটা কৰি তাই ডুবি গ'ল আৰু স্কুলৰ মোনা আৰু জোতাৰ মোনাৰে সৈতে পূৰাপূৰি মূৰ্তি এটা যেন লগা হৈ আঠাসোপাৰে বুকুলৈকে ঢাক খাই গ'ল। ওলাই আহিবলৈ যিমানেই চেষ্টা কৰে সিমানেই ভৰি দুখন সোমাইহে যায়। জোতা প্ৰায় খুলিয়েই গ'ল। যাতে সম্পূৰ্ণ পোত খাই নাযায় তাৰ কাৰণে তাই সাৱধান হ'ব লগা হ'ল। গতিকে জোতাৰ বেগ লৈ থকা বাওঁহাতখনেৰে সৈতে আঠাত পোত খাই ঠেৰেঙা লাগি ৰৈ থকাৰ বাহিৰে তাই কৰিব পৰাত একোৱেই নাছিল। দুই-এগৰাকী অচিনাকি মহিলা পাৰ হৈ যাওঁতে তাই সৰু মাতেৰে কৈ চাইছিল, "ক্ষমা কৰিব.....।" কিন্তু তাই কিবা খেলিছেহে বুলি ভাবি তেখেতসকলে মিচিকিয়াই হাঁহি মাৰি গুচি গ'ল।

সন্ধ্যা নামিল আৰু ক্ৰমে আন্ধাৰ হৈ আহিল। ত'ত্ত'-চ্চানক বিচাৰি আহি তাইৰ কেৱল মূৰটোহে সেই দ'মটোৰপৰা ওলাই থকা অৱস্থাত দেখি মাকে

বিচূৰ্তি খালে। এডাল লাখুটি বিচাৰি আনি তাৰে এমূৰত ধৰিবলৈ দি তেখেতে ত'ত্ত'-চ্চানক টানি উলিয়াই আনিলে। প্ৰথমে তেখেতে তাইক হাতেৰেই টানি বাহিৰ কৰিবলৈ চেষ্টা কৰি চাইছিল, কিন্তু ভৰি দুখন প্লাষ্টাৰত লাগি ধৰাত নোৱাৰিলে।

বেৰ এখনত প্লাষ্টাৰ লগাই থোৱাৰ দৰে হৈ ত'ত্ত'-চ্চান ধোঁৱা ৰঙৰ প্লাষ্টাৰেৰে ঢাক খাই আছিল।

"মই আগতে এবাৰ তোমাক কোৱা যেন মনত পৰে," মাকে ক'লে, "কিবা বস্তু সন্দেহজনক যেন লাগিলে তাত চিধাই জাঁপ মাৰি নিদিবাচোন। নাচাই ডে'লে গালৈকে ঘাটি। বুজিছা?"

মাকে উল্লেখ কৰা 'আগতে এবাৰ'টো ঘটিছিল স্কুলত, দিনৰ ভাত খোৱাৰ সময়ত। সভাভৱনৰ পিছফালৰ সৰু বাটটোৰে পিতপিতাই ফুৰোঁতে ত'ত্ত'-চ্চানে বাটটোৰ মাজতে এখন খবৰ-কাগজ দেখিলে। খবৰ কাগজখনৰ ওপৰত জাঁপ মাৰি পৰিবলৈ বৰ মজা হ'ব বুলি ভাবি তাই কেইখোজমান পিছুৱাই গ'ল, এটা সৰু জাঁপ মাৰি ল'লে আৰু খবৰ কাগজখনৰ মাজখিনিক লক্ষ্য কৰি প্ৰচণ্ড গতিত দৌৰি আহি জাঁপ মাৰি দিলে। কিন্তু খবৰ কাগজখন আগতে উল্লেখ কৰা চুৱাপাতনিৰ গাঁতটোৰ মুখত চকীদাৰজনেহে দি থৈছিল, কংক্ৰিটৰ ঢাকনখন আঁতৰোৱাৰ কাৰণে তাৰপৰা দুৰ্গন্ধ নোলাবলৈ খবৰ কাগজখনকে দি থৈ তেওঁ আন কিবা কামত আঁতৰি গৈছিল। প্ৰকাণ্ড "থপলং" শব্দ এটা কৰি ত'ত্ত'-চ্চান চিধা গাঁতটোত সোমাই পৰিল। সঁচাকৈয়ে অদ্ভুত কাণ্ড এটাই হ'ল। ভাগ্যে আটায়ে লাগি-ভাগি, ধুই-পখালি ত'ত্ত'-চ্চানক আকৌ এজনী পৰিষ্কাৰ সৰু ছোৱালী কৰি উলিয়ালে। মাকে সেই সময়ৰ কথাকে কৈছিল।

"নাই, মই আৰু একোতে নজঁপিয়াও," ঠাণ্ডাভাৱে ত'ত্ত'- চ্চানে ক'লে। মাকে সকাহ পালে। কিন্তু তাৰ পিছতে ত'ত্ত'-চ্চানে কোৱা কথাষাৰ শুনি মাকে ভাবিলে— তেখেতৰ সকাহটো অলপ আগতীয়া হ'ল।

"মই খবৰ কাগজত আৰু বালিৰ দ'মত কেতিয়াও নজঁপিয়াওঁ।"

মাক নিশ্চিত হ'ল যে আন কিহবাত যে জঁপিয়াব পাৰি এই কথাটো তাইৰ মূৰত চাগে' ৰৈ গ'ল।

দিনবোৰ ক্ৰমে চুটি হৈ আহিছিল আৰু সিহঁত ঘৰ পায়গৈ মানে বেছ আন্ধাৰেই হৈছিল।

"আৰু তাৰ পিছত....এঁ....এঁ...."

ত'মে'ত দিনৰ সাজ ভাত খোৱাৰ সময়খিনি সদায়েই মজাৰ, কিন্তু অলপতে আৰু এটা নতুন আগ্ৰহৰ বিষয় যোগ হ'ল। গোটেই পঞ্চাছটা ছাত্ৰ-ছাত্ৰীয়ে "মহাসাগৰৰপৰা কিবা অলপ আৰু পাহাৰৰপৰা কিবা অলপ" আনিছে নে নাই চাবলৈ হে'ডমাষ্টৰে এতিয়াও সিহঁতৰ আহাৰ অনা টেমাবোৰ পৰিদৰ্শন কৰে আৰু তেখেতৰ পত্নী সদায় দুটা চচপেন লৈ কোনোবাই ননা উপাদানফেৰা দিবলৈ সাজু। তাৰ পিছতে "চোবোঁৱা, চোবোঁৱা, ভালকৈ চোবোৱাঁ" গানটো আৰু তাৰ পিছতে "মই কৃতজ্ঞতাৰে অংশগ্ৰহণ কৰোঁ।" কিন্তু এতিয়াৰেপৰা, "কৃতজ্ঞতাৰে অংশগ্ৰহণ কৰা"ৰ পিছত কোনোবা এজনে এটা সৰু ভাষণ দিব লগা হ'ল।

এদিন হে'ডমাষ্টৰে ক'লে, "মই ভাবোঁ, আমি সকলোৱে ভালকৈ কথা ক'বলৈ শিকা উচিত। তোমালোকে কি ভাবা? এতিয়াৰপৰা আমি আহাৰ খোৱাৰ সময়ত সদায় বেলেগ বেলেগ একোজনে সেই ঘেৰটোৰ মাজত থিয় হৈ আমাক কিবা কথা ক'ব। কেনে দেখাহঁক বাৰু?"

কিছুমান ল'ৰা-ছোৱালীয়ে ভাবিছিল যে সিহঁত নিজে কথা কোৱাত ভাল নহয় কিন্তু আনৰ কথা শুনিবলৈ বৰ মজা হ'ব। কিছুমানে আকৌ সিহঁতে নিজে জনা কথাবোৰ আনক ক'বলৈ বৰ ভাল লাগিব বুলি ভাবিছিল। ত'ত্ত'-চ্চানে কি ক'ব ভাবি পোৱা নাছিল কিন্তু তাইৰ চেষ্টা কৰি চাবলৈ মন আছিল। বেছিভাগ ল'ৰা-ছোৱালীয়েই ধাৰণাটোৰ সপক্ষে আছিল, গতিকে পিছদিনাৰপৰাই বক্তৃতা আৰম্ভ কৰাৰ বাবে সিদ্ধান্ত লোৱা হ'ল।

জাপানী ল'ৰা-ছোৱালীক সাধাৰণতে ঘৰত খোৱাৰ সময়ত কথা নক'বলৈ শিকোৱা হয়। কিন্তু বিদেশৰ অভিজ্ঞতাৰ ফলত হে'ডমাষ্টৰে তেখেতৰ ছাত্ৰসকলক খোৱাৰ সময়ত প্ৰচুৰ সময় ল'বলৈ আৰু মনৰ সুখেৰে কথা-বতৰা পাতিবলৈ উৎসাহিত কৰিছিল।

তাৰ বাহিৰেও জনসমাবেশৰ আগত থিয় হৈ বিব্ৰত নোহোৱাকৈ নিজৰ চিন্তা-ভাৱনাক খোলাখুলিকৈ আৰু পৰিষ্কাৰকৈ প্ৰকাশ কৰিব পৰাটো সিহঁতৰ বাবে প্ৰয়োজনীয় বুলি তেখেতে ভাবিছিল। সেই কাৰণে তেখেতে এই তত্ত্বক কামত প্ৰয়োগ কৰাৰ এয়ে সময় বুলি সিদ্ধান্ত কৰিলে।

ল'ৰা-ছোৱালীহঁতে ধাৰণাটোত সন্মতি জনোৱাৰ পিছত তেখেতে সিহঁতক কোৱা কথাখিনি ত'ত্ত'-চ্চানে মন দি শুনিছিল।

"ভাল বক্তা হ'বলৈ চেষ্টা কৰি তোমালোক চিন্তাত পৰিব নালাগে,"

তেখেতে কৈছিল। "তোমালোকে ভাল পোৱা যি কোনো কথাকেই ক'ব পাৰিবাইঁক। যিবোৰ কাম কৰিবলৈ ভাল পাবা, সেই বিষয়েও ক'ব পাৰিবা। যি কোনো কথা। যি হওক, আমি চেষ্টা কৰি চাওঁ আহাঁ।"

বক্তাৰ ক্ৰম ঠিক কৰা হ'ল। আৰু এইটোও সিদ্ধান্ত কৰা হ'ল যে যিদিনা যিজনে কথা ক'ব সেইদিনা সেইজনে গান শেষ হোৱাৰ পিছতে খৰকৈ ভাত খাই ল'ব।

অতি সোনকালেই ল'ৰা-ছোৱালীবোৰে আৱিষ্কাৰ কৰিলে যে খোৱাৰ সময়ত দুই-তিনিজন বন্ধুৰ লগত কথা পতাৰ দৰে নহৈ গোটেই স্কুলৰ আগত থিয় হোৱাটো যথেষ্ট সাহসৰ কাম আৰু যথেষ্ট টানো। কিছুমান ল'ৰা-ছোৱালীয়ে প্ৰথমে ইমান লাজ কৰিলে যে থিয় হৈ কেৱল খুকখুকাই হাঁহিলেহে। এটা ল'ৰাই যথেষ্ট যত্ন কৰি এটা বক্তৃতা তৈয়াৰ কৰিছিল কিন্তু থিয় হোৱাৰ লগে লগে সি সকলো পাহৰি গ'ল। কেইবাবাৰো সি তাৰ শ্ৰুতিমধুৰ শিৰোনামাটোৰ পুনৰাবৃত্তি কৰিলে, "ভেকুলীয়ে কিয় একাষৰীয়াকৈ জঁপিয়ায়," তাৰ পিছত আৰম্ভ কৰিলে, "বৰষুণ দিলে....." কিন্তু আৰু আগুৱাব নোৱাৰিলে। অৱশেষত সি ক'লে,

"এয়ে মোৰ ক'বলগীয়া।" সি মূৰ দোঁৱালে আৰু নিজৰ আসনলৈ উভতি গ'ল।

ত'ত্ত'-চ্চানৰ তেতিয়াও পাল পৰা নাই যদিও তাই ঠিক কৰি থ'লে যে নিজৰ পাল পৰিলে তাই ৰাজকুমাৰ-ৰাজকুমাৰীৰ সাধুটো ক'ব। সাধুটো প্ৰত্যেকেই জানিছিল আৰু ছুটীৰ সময়ত তাই সেইটো ক'ব খুজিলেই ল'ৰা-ছোৱালীবোৰে কয়, "সেইটো শুনি শুনি আমনি লাগি গৈছে আৰু।" কিন্তু তথাপি তাই সিদ্ধান্ত কৰিলে যে সেই সাধুটোকে ক'ব।

নতুন আঁচনিখনে ভালকৈয়ে কাম কৰা আৰম্ভ কৰিছিল, তেনেতে এদিন ক'বলৈ পাল পৰা ল'ৰাটোৱে ক'বলৈ অস্বীকাৰ কৰিলে।

"মোৰ ক'বলৈ একো নাই," ল'ৰাটোৱে ঘোষণা কৰিলে।

কাৰোবাৰ ক'বলৈ একো নাথাকিবও পাৰে—এইটো কথাত ত'ত্ত'-চ্চান বৰ আচৰিত হ'ল। পিছে ল'ৰাটোৰ সঁচাকৈয়ে ক'বলৈ একো নাছিল। হে'ডমাষ্টৰ আহাৰৰ টেমাটো খালী হৈ পৰি থকা তাৰ ডেস্কখনৰ ওচৰলৈ গ'ল।

"তাৰ মানে তোমাৰ ক'বলৈ একোৱেই নাই।" তেখেতে ক'লে।

"নাই।"

ল'ৰাটোৱে চালাকী কৰিব খোজা নাছিল। তেনে ধৰণৰ আন একোৱেই নহয়। সঁচাকৈয়ে সি বক্তৃতা দিবলৈ একোকে ভাবি উলিয়াব পৰা নাছিল।

হে'ডমাষ্টৰে মূৰ পিছলৈ হলাই নিজৰ সোলা মুখৰ দাঁতৰ ফাকখিনিৰ বিষয়ে মন নিদি হাঃ হাঃ কৈ হাঁহিবলৈ ধৰিলে।

"তোমাৰ ক'বলৈ কিবা যোগাৰ হয় নেকি চেষ্টা কৰি চাওঁ আহাঁ।"

"মোক যোগাৰ কৰি দিব?" ল'ৰাটো চক খাই উঠা যেন লাগিল।

হে'ডমাষ্টৰে নিজে তাৰ ডেস্কত বহি তাক ঘেৰটোৰ মাজৰ ঠাইত থিয় কৰালে।

"মনত পেলাবলৈ চেষ্টা কৰা," তেখেতে ক'লে। আজি ৰাতিপুৱা উঠাৰ পিছত স্কুললৈ অহাৰ আগে আগে তুমি কি কি কৰিছিলা? প্ৰথমতে তুমি কি কৰিছিলা?"

"মানে....", মূৰ খজুৱাই খজুৱাই ল'ৰাটোৱে ক'লে।

"বঢ়িয়া!" হে'ডমাষ্টৰে ক'লে। "তুমি ক'লা 'মানে'। তোমাৰ দেখোন ক'বলগীয়া কিবা এষাৰ ওলাল! 'মানে'ৰ পিছত কি কৰিলা?"

"মানে....এঁ....এঁ....মই উঠিলোঁ," আৰু বেছিকৈ মূৰ খজুৱাই সি ক'লে।

ত'ত্ত'-চ্চান আৰু আনবিলাকে বৰ মজা পালে কিন্তু মনোযোগেৰে শুনি থাকিল। ল'ৰাটোৱে কৈ গ'ল, "তাৰ পিছত...এঁ....এঁ.....এঁ। সি আকৌ মূৰ খজুৱালে। ল'ৰাটোৰ ফালে চাই মুখত মিচিকি হাঁহিৰে আৰু ডেস্কত হাত

দুখনেৰে খামুচি ধৰি হে'ডমাষ্টৰ ধৈৰ্য্য ধৰি বহি থাকিল। তাৰ পিছত তেখেতে ক'লে, "বৰ বঢ়িয়া! সেইটো ঠিক কৈছা। ৰাতিপুৱা তুমি উঠিলা। সকলোকে তুমি সেই কথাটো বুজিবলৈ দিছা। ভাল বক্তা হ'বলৈ তুমি আমোদজনক কথা ক'বই লাগিব বুলি বা মানুহক হুঁহুৱাবই লাগিব বুলি কোনো কথা নাই। ডাঙৰ কথাটো হ'ল এয়ে যে তুমি ক'বলৈ একো নাই বুলি কৈছিলা আৰু কিবা অলপ কথা ওলাল।"

কিন্তু ল'ৰাটো নবহিল। সি বৰ ডাঙৰকৈ চিঞৰি ক'লে, "আৰু তাৰ পিছত...এঁ....এঁ.....।"

ল'ৰা-ছোৱালীবোৰ আগলৈ হাউলি গ'ল। ল'ৰাটোৱে দীঘলকৈ উশাহ টানি ল'লে আৰু কৈ গ'ল, "আৰু তাৰ পিছত.....এঁ.....এঁ.....মাই.....এঁ.....তেওঁ ক'লে.....'দাঁত ঘঁহাঁ,.....এঁ.....এঁ..... সেইকাৰণে মই দাঁত ঘঁহিলো।"

হে'ডমাষ্টৰে হাতচাপৰি বজালে। আন সকলোৱেই চাপৰি বজালে, যাৰ ফলত ল'ৰাটোৱে আগতকৈয়ো ডাঙৰ মাতেৰে কৈ গ'ল, "আৰু তাৰ পিছত.....এঁ.....এঁ.....।"

ল'ৰা-ছোৱালীবোৰে চাপৰি বজোৱা বন্ধ কৰিলে, ৰুদ্ধশ্বাসে শুনিবলৈ বাট চালে আৰু আগতকৈও বেছিকৈ হাউলি গ'ল।

অৱশেষত বিজয়-গৌৰৱেৰে ল'ৰাটোৱে ক'লে, "আৰু তাৰ পিছত.....এঁ.....এঁ..... মই স্কুললৈ আহিলোঁ।"

ডাঙৰ ল'ৰা এটা ইমান বেছি হাউলি গৈছিল যে ভাৰসাম্য হেৰুৱাই সি নিজৰ আহাৰৰ টেমাতে মুখথেকেছা খালে। কিন্তু আটাইবোৰে সাংঘাতিক ভাল পাইছিল যে ল'ৰাটোৱে কিবা অলপ ক'ব পাৰিলে।

হে'ডমাষ্টৰে বৰ উৎসাহেৰে চাপৰি বজালে। ত'ত্ত'-চ্চান আৰু আনবোৰেও তাকেই কৰিলে। আনকি "তাৰ পিছত.....এঁ.....এঁ....." ল'ৰাটোৱেও সেই সোঁমাজত থিয় হৈ থাকিয়েই চাপৰি বজালে। হাতচাপৰিৰ শব্দৰে সভাভৱন ৰজনজনাই গ'ল।

ডাঙৰ হোৱাৰ পিছতো চাগে' সি কেতিয়াও সেই কৰতালিৰ কথা পাহৰা নাছিল।

"আমি খেলিছিলোঁহে !"

ত'ত্ত'-চ্চানৰ এটা সাংঘাতিক দুৰ্ঘটনা হ'ল। স্কুলৰপৰা অহাৰ পিছত ৰাতিৰ আহাৰ খোৱাৰ আগে আগে নিজৰ কোঠাত ৰকিৰ লগত "কুকুৰনেচীয়া বাঘ"ৰ খেলা খেলি থাকোঁতে ঘটনাটো ঘটিছিল।

বিপৰীত ফালৰপৰা দুইটা বাগৰি বাগৰি আহি অলপ যুঁজ কৰি, খুন্দিয়াখুন্দি লগাই সিহঁতে খেলাটো আৰম্ভ কৰিছিল। কেইবাবাৰো এনেকুৱা কৰাৰ পিছত সিহঁতে খেলটো অলপ জটিল কৰি খেলিব খুজিলে। অৱশ্যে সিদ্ধান্তটো ত'ত্ত'-চ্চানেই ল'লে। বাগৰি আহি মাজমজিয়াত লগালগি হওঁতে যিটোৰে মুখখন বেছি ভয়ানক কুকুৰনেচীয়াৰ দৰে হ'ব সিয়েই জিকিব বুলি ধৰি লোৱা হৈছিল। ৰকি আছিল জাৰ্মান শ্বেফাৰ্ড জাতৰ, গতিকে দেখাত কুকুৰনেচীয়াৰ দৰে হোৱাটো

তাৰ কাৰণে একো টান কথা নাছিল। সি কেৱল কাণ দুখন থিয় কৰি মুখখন মেলি গোটেইবোৰ দাঁত নিকটাই দেখুৱালেই হ'ল। চকু দুটাও সি বেছ ভয়লগা কৰিব পাৰে। ত'ত্ত'-চ্চানৰ কাৰণে কামটো অলপ বেছি টান। তাই দুইখন হাত মূৰৰ ওপৰলৈ দাঙি কাণ যেন দেখুৱাব লগা হয়, মুখ আৰু চকু যিমান পাৰি সিমান ডাঙৰকৈ মেলিব লগা হয়। গোৰগোৰণি শব্দ তুলি ৰকিক কামোৰাৰ ভাও জুৰিব লগা হয়। প্ৰথমতে ৰকিয়ে খেলটো বেছ ভালেই খেলিলে। কিন্তু সিতো এটা কুকুৰপোৱালী। অলপ সময়ৰ পিছতে সি পাহৰি গ'ল যে এইটো কেৱল এটা খেলাহে আৰু হঠাতে ত'ত্ত'-চ্চানক সঁচাসঁচিকৈয়ে কামুৰি দিলে।

তেতিয়াও পোৱালিয়েই আছিল যদিও ৰকি ত'ত্ত'-চ্চানতকৈ প্ৰায় দুগুণে ডাঙৰ আছিল আৰু তাৰ চোকা জোঙা দাঁত আছিল। সেইকাৰণে কি ঘটিছে উপলব্ধি কৰাৰ আগতেই তাইৰ সোঁ কাণখন মূৰৰপৰা ওলমি গ'ল আৰু তেজৰ সোঁত ব'বলৈ ধৰিলে।

চিঞৰ-বাখৰ শুনি মাক পাকঘৰৰ পৰা দৌৰি আহিল আৰু ঘৰৰ চুকত দুই হাতেৰে কাণখনত ধৰি থকা ত'ত্ত'-চ্চানক ৰকিৰে সৈতে দেখা পালে। তাইৰ কাপোৰ-কানিত তেজৰ ছিটিকনি। বৈঠকখানাত বেহেলা বজোৱাৰ অভ্যাস কৰি থকা দেউতাকো দৌৰি সোমাই আহিল। ভয়ংকৰ কিবা এটা কৰি পেলোৱা বুলি ৰকিয়ে বুজি পোৱা যেন লাগিল। তাৰ নেজডাল দুই ঠেঙৰ মাজত ওলমি পৰিল আৰু সি ত'ত্ত'-চ্চানলৈ দুখ লগাকৈ চাবলৈ ধৰিলে।

ত'ত্ত'-চ্চানে ভাবিব পৰা কথা এটাই আছিল যে মাক-দেউতাকে যদি খং উঠি ৰকিক খেদি দিয়ে বা কাৰোবাক দি দিয়ে তেন্তে তাই কি কৰিব? তাইৰ কাৰণে সেইটোহে হ'ব আটাইতকৈ দুখ লগা আৰু ভয় লগা কথা। সেইকাৰণে তাই ৰকিৰ ওচৰতে চেপেটা লাগি বহি সোঁ কাণখনত ধৰি কান্দি কান্দি ক'বলৈ ধৰিলে, "ৰকিক খং নকৰিবা, ৰকিক খং নকৰিবা।"

মাক আৰু দেউতাকৰ বাবে তাইৰ কাণখনত কি হৈছে সেইটোহে বেছি জৰুৰী চাবলগীয়া কথা আছিল আৰু তেখেতসকলে তাইৰ হাত দুখন কাণৰপৰা আঁতৰাবলৈ চেষ্টা কৰিলে। ত'ত্ত'-চ্চানে এৰি নিদি চিঞৰিবলৈ ধৰিলে, "দুখ পোৱা নাই, ৰকিক ধম্‌কি নিদিবা, ধম্‌কি নিদিবা।" সঁচাকৈয়ে সেই সময়ত ত'ত্ত'-চ্চান দুখ পোৱাৰ বিষয়ে অচেতন আছিল। তাই একমাত্ৰ ৰকিৰ বিষয়েহে ভাবিব পাৰিছিল।

তেজ বৈয়েই আছিল। মাক-দেউতাকে অৱশেষত উপলব্ধি কৰিব পাৰিলে যে ৰকিয়ে তাইক কামুৰিলে কিজানি। ৰকিক খং নকৰে বুলি তেখেতসকলে ত'ত্ত'-চ্চানক খাটাংকৈ ক'লে আৰু তাই অৱশেষত কাণৰপৰা হাত এৰুৱালে।

ত'ত্ত'-চ্চানৰ কাণখন ওলমি পৰা দেখি মাকে চিঞৰি দিলে। ছোৱালীজনীক কোলাত লৈ দেউতাক ডাক্তৰৰ ওচৰলৈ মাককো লগত লৈ ওলাল। ভাগ্যক্ৰমে সময়মতে পোৱা কাৰণে ডাক্তৰে তাইৰ কাণখন পুনৰ আগৰ ঠাইত লগাই দিব পাৰিলে আৰু মাক-দেউতাকে বৰ স্বস্তি পালে। কিন্তু ত'ত্ত'-চ্চানৰ চিন্তা একেটাই, মাক-দেউতাকে বাৰু ৰকিক খং নকৰে বুলি দিয়া কথা ৰাখিবনে?

মূৰৰপৰা থুঁতৰিলৈ গোটেইখিনি বেণ্ডেজ বন্ধা অৱস্থাৰে, দেখাত এটা বগা শহা পহু যেন হৈ ত'ত্ত'-চ্চান ঘৰলৈ উভতিল। ৰকিক খং নকৰিবলৈ প্ৰতিজ্ঞা কৰি থোৱা সত্ত্বেও কুকুৰটোক কিছু ধমকি দিবলৈ দেউতাকৰ বৰ মন গৈছিল। কিন্তু মাকে এনে এটা চাৱনিৰে তেখেতলৈ চালে, যেন ক'লেহে, "তোমাৰ প্ৰতিজ্ঞা ৰাখা," আৰু দেউতাকে অনিচ্ছাসত্ত্বেও তাকে কৰিলে।

সকলো যে ঠিকেই আছে আৰু কাৰো খং উঠা নাই, এই কথা ৰকিক যিমান সোনকালে পাৰি সিমান সোনকালে জনোৱাৰ হেঁপাহত ত'ত্ত'-চ্চান দৌৰি ঘৰৰ ভিতৰলৈ সোমাল। কিন্তু তাই ৰকিক ক'তো বিচাৰি নাপালে। প্ৰথমবাৰৰ বাবে তাই কান্দিলে। তাই কান্দিলে মাক-দেউতাকৰ ৰকিৰ ওপৰত বেছিকৈ খং উঠে বুলি তাই ডাক্তৰৰ ওচৰতো কন্দা নাছিল। কিন্তু এতিয়া তাইৰ চকুপানীৰ অন্ত নপৰা হ'ল। কান্দি কান্দি তাই মাতি থাকিল, "ৰকি! ৰকি! তই ক'ত আছ?"

কেইবাবাৰো মতাৰ পিছত এখন চিনাকি মুগা ৰঙৰ পিঠিয়ে চোফাৰ সিফালৰপৰা দেখা দিয়াত তাইৰ অশ্ৰুসিক্ত মুখখন মিচিকিয়া হাঁহিৰে জিলিকি উঠিল। ত'ত্ত'-চ্চানৰ ওচৰলৈ গৈ সি বেণ্ডেজৰ মাজৰপৰা ওলাই থকা একমাত্ৰ অংশ তাইৰ ভাল কাণখন লাহে লাহে চেলেকি দিলে। ত'ত্ত'-চ্চানে ৰকিৰ ডিঙিত সাৱটি ধৰি তাৰ কাণ শুঙিলে। মাক-দেউতাকৰ মতে তাৰ কাণ গোন্ধায়, কিন্তু তাই সেই চিনাকি মৰমৰ গোন্ধটো ইমান ভাল পায়।

ৰকি আৰু ত'ত্ত'-চ্চানৰ ভাগৰ লাগিছিল আৰু টোপনিয়ে হেঁচা মাৰি ধৰিছিল।

গ্ৰীষ্ম শেষৰ জোনটোৱে বাগিছাৰ ওপৰৰপৰা আৰু কাহানিও "কুকুৰনেচীয়া" খেলিব নোখোজা বেণ্ডেজ বন্ধা সৰু ছোৱালীজনী আৰু কুকুৰটোলৈ চালে। সিহঁত দুয়ো এতিয়া আগতকৈও ভাল বন্ধু হ'ল।

খেল-দিৱস

ত'মে'ৰ খেল-দিৱস পৰে প্ৰতি বছৰে তিনি নৱেম্বৰত। হে'ডমাষ্টৰে কিছু গৱেষণা কৰি পাইছিল যে তিনি নবেম্বৰ হেমন্তৰ আটাইতকৈ কম বৰষুণ দিব পৰা দিন আৰু সেইকাৰণে তেখেতে এই দিনটোকে লৈছিল। বোধহয় বতৰৰ তথ্য-সংগ্ৰহত তেখেতে খটোৱা কৌশলৰ কাৰণেই বা বোধহয় স্কুলৰ পথাৰ সজাই-পৰাই সাজু কৰি লৈ ল'ৰা-ছোৱালীহঁতে ইমান হেঁপাহেৰে বাট চাই থকা দিনটো যাতে নষ্ট নহয় তাৰ প্ৰতি থকা তেখেতৰ আশালৈ বেলি আৰু ডাৱৰে মন-কাণ কৰাৰ কাৰণেই—যি কাৰণতে হওক, মুঠৰ ওপৰত সেই দিনটোত যে কেতিয়াও বৰষুণ নহৈছিল সেইটো বৰ ৰহস্যময় কথা।

ত'মে'ৰ সকলো কাম-কাজেই যেনেকৈ বেলেগ ধৰণৰ তেনেকৈ ইয়াৰ খেল-দিৱসো অন্য ধৰণৰ আছিল। আন প্ৰাথমিক স্কুলবিলাকৰ লগত মিলা খেল মাত্ৰ দুটাহে আছিল ঃ ৰছী টনা খেল আৰু তিনি-ঠেঙীয়া দৌৰ। বাকী সকলোবোৰ হে'ডমাষ্টৰৰ আৱিষ্কাৰ। বিশেষ বাহুল্য সা-সৰঞ্জামৰ প্ৰয়োজনলৈ নগৈ কেৱল স্কুলৰ প্ৰতিদিনৰ সা-সঁজুলিয়েই এই খেলবোৰত ব্যৱহৃত হৈছিল।

উদাহৰণস্বৰূপে ক'ব পাৰি কাৰ্প দৌৰ প্ৰতিযোগিতাৰ কথা। মে'ই মাহৰ কিশোৰ-দিবসৰ উৎসৱত খুটাত উৰোৱা নিচানৰ দৰে আকৃতিৰ প্ৰকাণ্ড ভিতৰ-ফোঁপোলা তিনিকোণীয়া নিচান হেন কাপোৰত কাৰ্প মাছৰ দৰে চেহেৰা দি ৰং-ৰহন সানি স্কুলৰ খেল-পথাৰৰ মাজত ৰখা হ'ল। সংকেত পালেই ল'ৰা-ছোৱালীবোৰ এই কাৰ্প-নিচানবোৰৰ ফালে দৌৰা আৰম্ভ কৰিব লাগিব আৰু মুখৰ ফালৰপৰা ফিছাৰ ফাললৈ শেষলৈকে গৈ তাৰপৰা আকৌ আৰম্ভ কৰা ঠাইলৈ উভতি আহিব লাগিব। এটা ৰঙা আৰু দুটা নীলা—কেৱল এই তিনিটা কাৰ্পহে আছিল। সেইবাবে এবাৰত তিনিটা ল'ৰা-ছোৱালীয়েহে দৌৰিব পাৰিছিল। দেখাত সহজ যদিও প্ৰতিযোগিতাটো আচলতে বেছ টান। ভিতৰখন আন্ধাৰ, কাৰ্পটো দীঘল, সহজেই দিশ সম্পৰ্কে ভুল হ'ব পাৰে। ত'ত্ত'-চ্চানকে ধৰি কিছুমান ল'ৰা-ছোৱালী মুখেদি ওলাই আহি নিজৰ ভুল বুজিব পাৰি লৰালৰিকৈ আকৌ ভিতৰ সোমাই যায়। এই খেলটো চাবলৈ সাংঘাতিক মজা, কাৰণ ভিতৰত ল'ৰা-ছোৱালীয়ে আগলৈ-পিছলৈ বগাই ফুৰাৰ ফলত কাৰ্পটোকে কেৰমেৰ কৰা যেন আৰু জীয়া যেন দেখা যায়।

আন এটা বিষয় আছিল 'মা-এজনী-বিচাৰা' দৌৰ। সংকেতৰ লগে লগে ল'ৰা-ছোৱালীবোৰ আঁওজাই থোৱা কাঠৰ জখলা এডালৰ ফালে দৌৰে, তাৰ দুটা খলপাৰ মাজেৰে বগাই পাৰ হয়, এটা পাচিৰপৰা লেফাফা এটা লয়, খোলে,

আৰু যদি ভিতৰৰ কাগজখনত লিখা থাকে—উদাহৰণ স্বৰূপে—"ছাক্ক'-চ্চানৰ মাক" বুলি, তেন্তে সিহঁতে দৰ্শকৰ মাজত তেখেতক বিচাৰি উলিয়াব লাগিব, তেখেতৰ হাতত ধৰিব আৰু শেষ সীমালৈকে তেখেতৰ লগত দৌৰি যাব। জখলাডালৰ মাজেদি মেকুৰীৰ লেখীয়াকৈ যাব লাগিব। নহ'লে তপিনাত লাগি ধৰিব। তাৰ বাহিৰেও শিশুটোৱে ছাক্ক'-চ্চানৰ মাক নো কোন সেই কথা ভালকৈ জানিব লাগিব। কিন্তু যদি কাগজখনত লিখা থাকে "কুমাৰী অ'কুৰ বায়েক' বা "শ্ৰী ৎছুৱেৰ মাক" বা "শ্ৰীমতী কুনিন'ৰিৰ পুতেক" যাক কেতিয়াও লগ পোৱা নাই, তেন্তে তেওঁ দৰ্শকৰ ওচৰলৈ গৈ চিঞৰি মাতিব লাগিব, "কুমাৰী অ'কুৰ বায়েক!" ইয়াৰ বাবে সাহসৰ দৰকাৰ। ভাগ্য প্ৰসন্ন থকাসকলে নিজৰ মাককে পায়, সিহঁতে জঁপিয়াবলৈ ধৰে আৰু চিঞৰে, "মা, মা, বেগাই আহাঁ।" এইটো বিষয়ত দৰ্শকসকলো সতৰ্ক হৈ থাকিবলগীয়া হয় কাৰণ কোন সময়ত তেওঁলোকৰ নাম মতা হয়, তাৰ ঠিক নাই। আৰু তেওঁলোক বেঞ্চ বা কঠ য'তে বহি আছিল তাৰপৰা উঠি ওচৰৰজনক মাত লগাই কাৰোবাৰ ল'ৰা বা ছোৱালীয়ে বাট চাই থকাৰ ফালে যিমান পাৰে সিমান বেগেৰে ওলাই গৈ তাৰ বা তাইৰ হাতত ধৰি দৌৰিব লাগিব। সেইকাৰণে যেতিয়া এটা শিশু আহি ডাঙৰ মানুহবোৰৰ আগত ৰৈ যায়, তেতিয়া আনকি দেউতাকহঁতো 'কাক বা মাতে' বুলি ভাবি উশাহ বন্ধ কৰি ৰৈ থাকিবলগীয়া হয়। অলসভাৱেৰে কথাৰ মহলা মাৰিবলৈ বা কুটি কুটি কিবা খাবলৈ কাৰো সময় নাছিল। ল'ৰা-ছোৱালীৰ দৰেই ডাঙৰসকলেও সমানে খেলত ভাগ ল'বলগীয়া হৈছিল।

"হেইও, হেইও" কৈ চিয়ঁৰি টনাটনি কৰি ৰছীটনা খেলৰ দুটা দলত হে'ডমাষ্টৰ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলেও অংশ গ্ৰহণ কৰে আৰু টনাটনিত যোগ দিব নোৱৰা য়াছুআকি চ্চানৰ দৰে প্ৰতিবন্ধী ল'ৰা-ছোৱালীয়ে কোন জিকে চাবলৈ ৰছীৰ সোঁ-মাজত বন্ধা-ৰুমালখনলৈ লক্ষ্য ৰাখিব লগাত পৰে। গোটেই স্কুলকে জড়িত কৰা ত'মে'ৰ ফাইনেল ৰিলে-ৰে'ছ খেলখনো বেলেগ ধৰণৰ। বেছি দূৰলৈ কোনো দৌৰিব নালাগে। এজন খেলুৱৈৰ কৰিবলগা কাম হ'ল সভা-ভৱনলৈ উঠাৰ অৰ্ধবৃত্তাকাৰ কংক্ৰিটৰ ছিৰিবিলাকত ওপৰলৈ আৰু তললৈ দৌৰা। প্ৰথম দৃষ্টিত কামটো অত্যন্ত সহজ যেন লাগে। কিন্তু ছিৰিবোৰ অস্বাভাৱিকভাৱে চাপৰ আৰু থেপাথেপি। এবাৰত এটা ছিৰিতকৈ বেছিকৈ কাকো যাবলৈ দিয়া নহয় বাবে খেলুৱৈজন যদি ওখ হয় আৰু তেওঁৰ ভৰি যদি ডাঙৰ হয় তেন্তে কামটো যথেষ্ট টান হয়গৈ। প্ৰতিদিনে দুপৰীয়া ভাত খোৱাৰ সময়ত জঁপিয়াই পাৰ হোৱা চিনাকি ছিৰিকেইটাই খেল-দিৱসত এটা সজীৱ ধেমালিৰ বিষয়ত পৰিণত হয় আৰু ল'ৰা-ছোৱালীবোৰে চিঞৰি চিঞৰি দৌৰি

দৌৰি তল-ওপৰ কৰে। দূৰৰপৰা লক্ষ্য কৰিলে দৃশ্যটো এটা সুন্দৰ কেলেইডস্ক'পৰ দৃশ্য যেন দেখি। একেবাৰে ওপৰৰটোৰে স'তে গণিলে ছিৰি মুঠতে আঠটা হয়।

ত'ত্ত'-চ্চান আৰু তাইৰ লগৰীয়াসকলৰ কাৰণে প্ৰথমবাৰৰ খেল-দিৱসটো হে'ডমাষ্টৰে আশা কৰাৰ দৰেই সুন্দৰ দিন আছিল। আগদিনাই ল'ৰা-ছোৱালীবোৰে সজোৱা কাগজৰ শিকলি আৰু সোণালী তৰা, লগতে গ্ৰাম'ফ'নৰ ৰেকৰ্ডত উদ্দীপনাপূৰ্ণ কুচ-কাৱাজৰ সুৰৰ বাজনাই উৎসৱৰ পৰিবেশৰ সৃষ্টি কৰিছিল।

ত'ত্ত'-চ্চানে নেভী ব্লু ৰঙৰ হাফপেণ্ট আৰু বগা ব্লাউজ পিন্ধিছিল, অৱশ্যে তাই এথলেটিক্‌ছত পিন্ধা পোছাক পিন্ধিবলৈহে ভাল পালেহেঁতেন। তাই তেনে পোছাক এযোৰ পিন্ধিবলৈ বৰ আশা কৰিছিল। এদিন স্কুল ছুটীৰ পিছত হে'ডমাষ্টৰে কিণ্ডাৰ গাৰ্টেনৰ শিক্ষয়িত্ৰীসকলক ইউৰিদ্‌মিক্‌ছৰ শিক্ষা দিছিল আৰু তাৰে কেইগৰাকীমানে পিন্ধা তেনে পোছাক দেখি তাই মোহ গৈ আছিল। তেওঁলোকে যেতিয়া মাটিত ভৰি মাৰিছিল তেতিয়া সেই পোছাকৰ তলত তেওঁলোকৰ উৰুৰ তলৰ অংশটো এনে বঢ়িয়া ডাঙৰ মানুহ যেন দেখাকৈ টো খেলি গৈছিল যে তাইৰ বৰ ভাল লাগিছিল। তাই ঘৰলৈ দৌৰি গৈ তাইৰ হাফপেণ্ট উলিয়াই পিন্ধি ভৰি মাৰি চালে, কিন্তু তাইৰ ক্ষীণ শিশুসুলভ উৰুত অলপো টো নুঠিল। কেইবাবাৰো চেষ্টাৰ মূৰত তাই এই সিদ্ধান্তলৈ আহিল যে তেওঁলোকে পিন্ধা পোছাকটোৰ ফলতেই বোধহয় এনে দেখা গৈছিল। সেইবোৰনো কি বুলি সোধাত মাকে তাইক ক'লে যে সেইবোৰ 'এথলেটিক্ ব্লুমাৰ'। তাই মাকক ক'লে যে খেল-দিৱসৰ দিনা তাই তেনে ব্লুমাৰ পিন্ধিবই। কিন্তু তেখেতে ইমান সৰু জোখৰ তেনে পোছাক বিচাৰি নেপালে। গতিকে ত'ত্ত'-চ্চানে হাফপেণ্ট পিন্ধিয়েই কাম চলাব লগা হ'ল, আৰু হায়! তাৰ ফলত কোনো টো নুঠিল।

খেল-দিৱসৰ দিনা আমোদজনক ঘটনা ঘটিল। স্কুলৰ আটাইতকৈ সৰু আকৃতিৰ ল'ৰা তাকাহাশি, যাৰ হাত-ভৰিবোৰ আটাইতকৈ চুটি চুটি, সিয়েই সকলো বিষয়তে প্ৰথম হ'ল। অবিশ্বাস্য কথা। কাৰ্পটোৰ মাজত আটায়ে বগাই থাকিবলগীয়া হৈছিল, তাকাহাশি কিন্তু এক চমকতে পাৰ হৈ গ'ল। আনবোৰে যেতিয়া জখলাৰ মাজেদি মূৰটোহে উলিয়ায়, সি সেইখিনি সময়তে জখলাৰ বাহিৰ ওলায় আৰু দৌৰি কেইবাগজো আগবাঢ়ে। সভা-ভৱনৰ ছিৰিৰ ওপৰত ৰিলে' ৰে'ছত আনবোৰে এবাৰত এটা ছিৰিৰ হিচাপ মিলাবলৈ খপজপাই থাকোঁতেই তাকাহাশি তাৰ পিষ্টনৰ দৰে উঠা-নমা কৰা চুটি ভৰিৰে একে

কোবতে ওপৰ পায়গৈ আৰু খৰকৈ চলোৱা চিনেমাৰ দৰে বেগাই নামি যায়।

"আমি তাকাহাশিক পৰাস্ত কৰিবলৈ চেষ্টা কৰোঁ আহাঁ," সিহঁত আটায়ে ক'লে।

তাকাহাশিক পৰাস্ত কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হৈ ল'ৰা-ছোৱালীবোৰে প্ৰাণটাকি চেষ্টা কৰিলে কিন্তু শেষত সিহে জিকিলগৈ। বৰকৈ চেষ্টা কৰিও তাকাহাশিক পৰাস্ত কৰিবলৈ ত'ত্ত'-চ্চান সক্ষম নহ'ল। চিধাচিধি দৌৰবিলাকত সিহঁতে তাতকৈ বেছি বেগাই দৌৰিব পাৰে হয়, পিছে সৰু সৰু টান কামবোৰৰ কাৰণে শেষত গৈ হাৰিব লগা হয়।

আনন্দ মনেৰে আৰু 'পাঞ্চ'ৰ (পুতলা নাচৰ এটা চৰিত্ৰৰ) দৰে গৌৰৱেৰে তাকাহাশি পুৰস্কাৰবোৰ গোটাই আনিবলৈ গৈছিল। সকলো বিষয়তে প্ৰথম হৈছিল কাৰণে ইটোৰ পিছত সিটোকৈ সি পুৰস্কাৰ আনিছিলগৈ। প্ৰত্যেকেই ঈৰ্ষাৰে তাক নিৰীক্ষণ কৰি আছিল। "মই অহা বছৰলৈ তাকাহাশিক হৰুৱামেই", প্ৰত্যেকেই নিজকে নিজে কৈছিল। কিন্তু প্ৰতিবছৰতে তাকাহাশিয়েই হৈছিল তাৰকা-খেলুৱৈ।

পুৰস্কাৰবোৰো আছিল হে'ডমাষ্টৰৰ বৈশিষ্ট্যপূৰ্ণ ধৰণৰ। প্ৰথম পুৰস্কাৰটো আছিল এটা প্ৰকাণ্ড মূলা; দ্বিতীয় পুৰস্কাৰ দুটা বাৰ্ডক আলু তৃতীয় পুৰস্কাৰ এমুঠি পালেং শাক। তেনেকুৱা বস্তুবোৰ। ভালেখিনি ডাঙৰ নোহোৱালৈকে ত'ত্ত'-চ্চানে ভাবিছিল আন আন স্কুলতো চাগে' খেল-দিৱসৰ পুৰস্কাৰ হিচাপে শাক-পাচলিয়েই দিয়া হয়।

তেতিয়াৰ দিনত প্ৰায়ভাগ স্কুলতে বহী, পেন্সিল, ৰবৰ আদিকে পুৰস্কাৰ হিচাপে দিয়া হৈছিল। ত'মে'ৰ ল'ৰা-ছোৱালীয়ে সেই কথা নাজানিছিল কিন্তু শাক-পাচলিবিলাক ল'বলৈ পাই সিহঁতে ভাল পোৱা নাছিল। উদাহৰণ স্বৰূপে ত'ত্ত'-চ্চানেই বাৰ্ডক আলু আৰু পিয়াঁজ কিছুমান পাইছিল আৰু ৰে'লত সেইবোৰ লৈ যাবলৈ বিব্ৰত বোধ কৰিছিল। নানা বিষয়ত কিছুমান অতিৰিক্ত পুৰস্কাৰো দিয়া হৈছিল বাবে খেল-দিৱসৰ শেষত ত'মে'ৰ সকলো ল'ৰা-ছোৱালীয়েই কিছুমান তৰকাৰী পাইছিল। ল'ৰা-ছোৱালীয়েনো স্কুলৰপৰা তৰকাৰী লৈ যাবলৈ অস্বস্তি পাব লাগে কিয়? মাকহঁতে তৰকাৰী কিনিবলৈ পঠালে কোনেওতো বেয়া নাপায়। কিন্তু সিহঁতে দেখদেখকৈ স্কুলৰপৰা তৰকাৰী কঢ়িয়াই নিয়াটো অদ্ভুত কথা বুলি ভাবিছিল।

বন্ধা-কবি এটা পুৰস্কাৰ পোৱা শকত ল'ৰা এটাই কি কৰিব ভাবি পোৱা নাছিল।

"এইটো নিওঁতে কোনোবাই দেখাটো মই নিবিচাৰোঁ," সি কৈছিল, "ভাবিছোঁ, পেলায়েই দিওঁ।"

হে'ডমাষ্টৰে কিজানি অভিযোগবোৰ শুনিবলৈ পালে। তেখেত মূলা, গাজৰ আদি বস্তুবোৰ পোৱা ল'ৰা-ছোৱালীবোৰৰ ওচৰলৈ গ'ল।

"কি হৈছে? সেইবোৰ তোমালোকক নালাগে নেকি?" তেখেতে সুধিলে। তাৰ পিছত তেখেতে কৈ গ'ল, "আজি ৰাতিৰ সাজত তোমালোকক সেইবোৰ ৰান্ধি দিবলৈ মাৰাহঁতক ক'বা। তোমালোকে নিজে উপাৰ্জন কৰা তৰি-তৰকাৰী। আজি তোমালোকে নিজৰ চেষ্টাৰে পৰিয়ালৰ বাবে আহাৰৰ যোগান দিব পাৰিছা, সেইটো কথা পিছে কেনে পাইছা? মোৰ মতেৰে নিশ্চয় ভাল সোৱাদেই পাবা।"

অৱশ্যে তেখেতে সঁচা কথাই কৈছিল। উদাহৰণ স্বৰূপে জীৱনত প্ৰথমবাৰৰ কাৰণে ঘৰৰ আহাৰৰ বাবে ত'ত্ত'-চ্চানে কিবা এটা যোগাৰ কৰি দিব পাৰিলে।

"মাক ক'ম 'মচলা দিয়া বাৰ্ডক' ৰান্ধি দিবলৈ" তাই হে'ডমাষ্টৰক ক'লে। "পিয়াঁজখিনি যে কি কৰিবলৈ দিওঁ ভাবিয়ে পোৱা নাই।"

ফলত আনবিলাকেও কি কি ৰান্ধিবলৈ দিব ভাবিবলৈ ধৰিলে আৰু হে'ডমাষ্টৰৰ আগত বৰ্ণাই গ'ল।

"বঢ়িয়া! তাৰ মানে এতিয়া তোমালোকে কথাটো ধৰিব পাৰিছা," তেখেতে ইমান আনন্দৰ হাঁহিৰে ক'লে যে গাল দুখন ৰঙা পৰি গ'ল। তেখেতে বোধহয় ভাবিছিল যে ল'ৰা-ছোৱালীহঁতে পৰিয়ালৰ মানুহৰ লগত বহি খেল-দিৱসৰ বিভিন্ন বিষয়বোৰৰ সম্পৰ্কে কথা পাতি পাতি এই তৰকাৰীবোৰ খালে কেনে বঢ়িয়া কথা হয়!

সন্দেহ নাই যে যাৰ খোৱা মেজ প্ৰথম পুৰস্কাৰেৰে উপচি পৰিব সেই তাকাহাশ্বিৰ কথাই তেখেতে বিশেষকৈ ভাবিছিল আৰু তেখেতে আশা কৰিছিল যে তাৰ সৰু আকাৰৰ বাবে, আৰু সি যে আগলৈ কেতিয়াও নাবাঢ়িব এই সত্যটো জানি লৈ হীনমন্যতা ভাৱৰ জন্ম নহওঁতেই ল'ৰাটোৱে এই গৌৰৱ আৰু আনন্দ সুঁৱৰি থাকিবলৈ পাওক। আৰু কোনে জানে কিজানি তাকাহাশ্বি প্ৰথম হওক বুলিয়েই হে'ডমাষ্টৰে এই বৈশিষ্ট্যপূৰ্ণ ত'মে'-ধৰণৰ খেল-ধেমালিৰ কথা ভাবি উলিয়াইছিল।

কবি ইছ্ছা

ল'ৰা-ছোৱালীবোৰে হে'ডমাষ্টৰক ইছ্ছা ক'বায়াশ্বি বুলি ক'বলৈ ভাল পাইছিল। সিহঁতে আন কি তেখেতৰ বিষয়ে মৰমতে তলত দিয়াটোৰ দৰে পদ্যও ৰচনা কৰিছিল ঃ

ইছ্ছা ক'বায়াশ্বি
ইছ্ছা আমাৰ বুঢ়া
ইছ্ছা তপামূৰা!

ঊনৈশ শতিকাৰ কবি ইছ্ছা ক'বায়াশ্বিৰ হাইকু তেখেতে ভাল পাইছিল। তেওঁৰ দৰেই হে'ডমাষ্টৰৰ উপাধিও আছিল ক'বায়াশ্বি। তেখেতে ইমান সঘনাই ইছ্ছাৰ হাইকু গাই শুনাইছিল যে ল'ৰা-ছোৱালীহঁতে হে'ডমাষ্টৰ ছ'ছাকু ক'বায়াশ্বিৰ দৰেই ইছ্ছা ক'বায়াশ্বিকো সিহঁতৰ বন্ধু বুলিয়েই ভাবিছিল।

হে'ডমাষ্টৰে ইছ্ছাৰ হাইকু ভাল পাইছিল—সেইবোৰ ইমান সত্য আছিল আৰু জীৱনৰ সাধাৰণ ঘটনাবোৰৰ বৰ্ণনা আছিল বাবে। হাজাৰ হাজাৰ হাইকু-কবি থকাৰ সময়ত ইছ্ছাই নিজৰ এখন জগৎ তৈয়াৰ কৰি লৈছিল আৰু তেওঁক অনুকৰণ কৰিবলৈ আন কোনোৱেই সমৰ্থ হোৱা নাছিল। তেওঁৰ কবিতাত থকা প্ৰায় শিশুৰ দৰে সৰলতাৰ প্ৰতি হে'ডমাষ্টৰ মুগ্ধ আছিল। গতিকে প্ৰায় প্ৰতি সুযোগতে তেখেতে ছাত্ৰ-ছাত্ৰীহঁতক ইছ্ছাৰ কবিতা শিকাইছিল আৰু সিহঁতে সেইবোৰ মুখস্থ কৰিছিল, যেনে ঃ

দুৰ্বল ভেকুলী
আত্মসমৰ্পণ নকৰ !
ইছ্ছা আছে কাষতে

ঘৰ চিৰিকা পোৱালী !
বাট এৰি দে, বাট এৰি দে
মহান ঘোঁৰাৰ বাবে বাট

মাখিটোক ৰেহাই দিয়া !
হাত মোহাৰি, ভৰি মোহাৰি
তেওঁ তোমাৰ দয়া মাগে।

হে'ডমাষ্টৰে এবাৰ হঠাতে এটা কৰিতাত সুৰ দিছিল আৰু সিহঁত সকলোৱে গাইছিল।

ছ'ছাকু ক'বায়াশ্বি



পাঠ্যক্ৰমৰ আনুষ্ঠানিক অংশ নহয় যদিও তেখেতে প্ৰায়ে হাইকু শিকোৱা ক্লাছ লৈছিল।

ত'ত্ত'-চ্চানৰ প্ৰথম হাইকু লিখাৰ প্ৰচেষ্টা আছিল তাইৰ প্ৰিয় চিত্ৰকথাৰ চৰিত্ৰ ন'ৰাকুৰো নামৰ বাটৰ ক'লা কুকুৰ এটাৰ বিষয়ে। সি প্ৰথমে বেচৰকাৰী ভাৱে সৈন্যবাহিনীত যোগ দিছিল। পিছলৈ নানা উত্থান-পতনৰ মাজেদি নিজৰ চাকৰিত পদোন্নতি লাভ কৰিছিল। সেইটো এখন জনপ্ৰিয় ল'ৰাৰ আলোচনীত ছপা হৈছিল।

কুকুৰ ক'লাই গ'ল
মহাদেশলৈ বুলি—
সি এতিয়া দলত নাই।

হে'ডমাষ্টৰে কৈছিল, "সৎভাৱে, চিধাচিধিভাৱে তোমাৰ মনত লাগি থকা ভাবেৰে হাইকু লিখিবলৈ চেষ্টা কৰিবা।"

ত'ত্ত'চ্চানৰটো আপুনি আচল হাইকু বুলি ক'ব নোৱাৰে। কিন্তু সেই সময়ত কি ধৰণৰ কথাই তাইৰ ওপৰত প্ৰভাৱ পেলাইছিল সেই কথা আপুনি ইয়াৰ পৰাই বুজিব পাৰিব। আচল হাইকুৰ ৫-৭-৫ শব্দাংশ-অৱয়বৰ লগত তাইৰ হাইকু খাপ নাখায়। তাইৰটো ৫-৭-৭ অৱয়বৰ। পিছে ইছ্ছাৰ ঘৰচিৰিকা পোৱালি বিষয়ক হাইকুটো জাপানী ভাষাত ৫-৮-৭ শব্দাংশ অৱয়বৰ আছিল, সেইকাৰণে ত'ত্ত'-চ্চানে তাইৰটো ঠিকেই আছে বুলি ভাবিছিল।

কুহ্নবুৎছু মন্দিৰলৈ খোজকাঢ়ি অহা-যোৱাৰ সময়ত বা বৰষুণৰ দিনত বাহিৰত খেলিবলৈ যাব নোৱাৰিলে সিহঁত সভাভৱনত গোট খাইছিল আৰু ত'মে'ৰ ইছ্ছা ক'বায়াশ্বিয়ে সিহঁতক হাইকুৰ বিষয়ে কৈছিল। জীৱন আৰু প্ৰকৃতিৰ বিষয়ে নিজৰ ভাববোৰৰ বৰ্ণনা দিবলৈ তেখেতে হাইকুৰ সহায় লৈছিল।

ইছ্ছাৰ কিছুমান হাইকু বিশেষকৈ ত'মে'ৰ কাৰণেই লিখা হ'ব পাৰিলেহেঁতেন ঃ

বৰফ গলিছে—
হঠাতে গোটেই গাওঁ
শিশুৰে ভৰিল!

বৰ ৰহস্যজনক

জীৱনত প্ৰথমবাৰৰ বাবে ত'ত্ত'-চ্চানে কিছু পইছা পালে। স্কুলৰপৰা ৰেলত ঘৰলৈ যাওঁতে ঘটনাটো ঘটিল। জিয়ুগাওকাত তাই ওয়িমাচ্ছি শাখাৰ ৰেলত উঠিল। পিছৰটো ষ্টেচন মিড'ৰিগাওকা পোৱাৰ আগতে এটা বেঁকা ভাঁজ আছে, এইখিনিতে সদায় ডাঙৰ কিৰ্‌কিৰণি শব্দ তুলি ৰেলখনে ভাঁজ লয় আৰু ত'ত্ত'-চ্চানে ভৰিৰে খোপনি পুতি "ইছ" চিঞৰটো নোলাবৰ কাৰণে চেষ্টা কৰে। তাই সদায় ৰেলখনৰ শেষৰ ফাললৈ সোঁহাতে, এই ভাঁজটোৰ ফালে মুখ কৰি দুৱাৰৰ কাষত থিয় হয়। তাইৰ নিজৰ ষ্টেচনৰ প্লেটফৰ্ম সোঁহাতে পৰে বাবে আৰু ওলাবৰ কাৰণে সেই দুৱাৰখনেই আটাইতকৈ ওচৰ বাবে তাই সেইখিনিত থিয় হৈছিল।

সেইদিনা ভাঁজটোত সদায় হোৱাৰ দৰেই কিৰ্‌কিৰণি শব্দ হৈ ৰেলখন হালোঁতেই ত'ত্ত'-চ্চানে লক্ষ্য কৰিলে যে পইচাৰ দৰে কিবা এটা তাইৰ ভৰিৰ ওচৰত পৰি আছে। আগতেও এদিন তাই মুদ্ৰা বুলি কিবা এটা তুলি লৈছিল, পিছে দেখা গ'ল সেইটো বুটামহে, সেইকাৰণে তাই ভাবিলে এইবাৰ ভালকৈ চাই ল'ব লাগিব। ৰেলখন যেতিয়া পোন হ'ল তাই তেতিয়া তললৈ মূৰ কৰি সেইটো সাৱধানে চালে। খাটাং যে এইটো পইছা হয়,—এটা পাঁচ ছেনৰ মুদ্ৰা। তাই ভাবিলে ওচৰৰ কোনোজনৰপৰা এইটো পৰি গ'ল চাগে' আৰু ৰেলখন বেঁকা হওঁতে ই তাইৰ ফালে আহিল। কিন্তু ত'ত্ত'-চ্চানৰ ওচৰত ক'তো কোনো থিয় হৈ থকা নাছিল।

তাই ভাবিলে, তাই কি কৰিব? ঠিক তেনেতে তাইৰ মনত পৰিল, কোনে যেন কৈছিল যে 'পইচা পালেই তুমি পুলিচৰ হাতত দি দিবা।' কিন্তু ৰেলগাড়ীততো পুলিচ নাই, আছে জানো?

ঠিক তেনেতে কণ্ডাক্টৰৰ কোঠাৰ দুৱাৰ মুকলি হ'ল আৰু কণ্ডাক্টৰজন ত'ত্ত'-চ্চান থকা কোঠালৈ আহিল। কি কাৰণে তাই নিজেই নাজানে নিজৰ সোঁ ভৰিখন তাই পাঁচ ছেনৰ মুদ্ৰাটোৰ ওপৰত দিলে। কণ্ডাক্টৰে চিনি পায় বাবে তাইলৈ চাই হাঁহিলে। কিন্তু বিনিময়ত ত'ত্ত'-চ্চানে খোলা মনেৰে হাঁহিব নোৱাৰিলে কাৰণ সোঁ ভৰিৰ তলত থকা বস্তুটোৰ কাৰণে তাইৰ নিজকে দোষী যেন লাগি আছিল। কোনোমতে চেষ্টা কৰি দাঁত উলিয়াই তাই অতি ক্ষীণ হাঁহি এটা মাৰিলে। সেই মুহূৰ্তত ৰেলগাড়ীখন তাইৰ ষ্টেচনৰ আগৰটোত—ওওকায়ামাত ৰ'ল আৰু বাওঁফালৰ দুৱাৰ খুলি গ'ল। সদায় উঠাতকৈ বেছিসংখ্যক মানুহ ডবাত উঠিল আৰু ত'ত্ত'-চ্চানক ঠেলি-হেঁচি খুন্দিয়াখুন্দি কৰিবলৈ ধৰিলে। সোঁ ভৰিটো লৰাবলৈ ত'ত্ত'-চ্চানৰ মন নাছিল আৰু তাই মৰোঁ-জীওঁকৈ নিজৰ ঠাইত থিয় হৈ ৰ'ল। তেনেকৈ ৰৈ থাকোঁতেই তাই আঁচনি এখন ভাবি উলিয়ালে। ৰেলৰপৰা নামোতে তাই পইছাটো ল'ব আৰু এজন পুলিচক দি দিব। তাৰ পিছত তাইৰ মনত আন এটা ভাব খেলালে। যদি কোনোবা ডাঙৰ মানুহে তাইক ভৰিৰ তলৰপৰা মুদ্ৰাটো উলিউৱা দেখা পায় তেন্তে তেওঁলোকে তাইক চুৰুণী বুলি ভাবিব। তেতিয়াৰ দিনত এই পাঁচ ছেনেৰে সৰু এপেকেট চেনিগুটি বা এটুকুৰা চকোলেট কিনিব পৰা গৈছিল। গতিকে ডাঙৰৰ বাবে এইটো বৰ ডাঙৰ সংখ্যা নহয় যদিও ত'ত্ত'-চ্চানৰ কাৰণে এইটো ডাঙৰ সংখ্যাৰ পইছাই আৰু তাই বিষয়টো লৈ চিন্তাত ব্যাকুল হৈ পৰিল।

"অ', এনেকুৱা কৰিম," তাই নিজকে ক'লে, "মই ঠাণ্ডাভাৱে ক'ম, 'মোৰ পইছাটো পৰি গ'ল, বুটলি লওঁ, তেতিয়া সকলোৱে সেইটো মোৰেই আছিল বুলি ভাবিব।"

কিন্তু তৎক্ষণাৎ তাইৰ মনলৈ আন এটা সমস্যাৰ কথা আহিল। "যদি মই তেনেকৈ কওঁ আৰু আটায়ে মোলৈ চায় আৰু কোনোবা এজনে কয় 'সেইটো মোৰ পইছা', তেন্তে মই কি কৰিম?"

মনতে কেইবাটাও ধাৰণা লুটিয়াই বগৰাই তাই ঠিক কৰিলে যে আটাইতকৈ ভাল কথাটো হ'ব—তাইৰ ষ্টেচনৰ ওচৰ পাওঁতেই মজিয়াত বহি পৰা আৰু জোতাৰ ফিটা মৰাৰ ভাও জুৰি পইছাটো মনে মনে তুলি লোৱা। সেইটো ধাৰণাই কাম কৰিলে। তাই ঘামি জুৰুলি-জুপুৰি হৈ পাঁচ ছেনৰ মুদ্ৰাটো খামুচি ধৰি লৈ প্লেটফৰ্মত নামিল। তাই অৱশ হৈ পৰিল। থানাখন বহুত দূৰত আৰু তাই যদি তালৈ গৈ পইছাটো দিয়েগৈ তেন্তে বহুত পলমকৈহে ঘৰ পাবগৈ আৰু মাকৰ চিন্তা হ'ব। ছিৰিৰে থেপ্ থেপ্‌কৈ খোজ পেলাই নামি গৈ থাকোঁতে তাই কথাটো

গভীৰভাৱে চিন্তা কৰিলে, "সেইটো এতিয়া কোনেও নেদেখা এডোখৰ ঠাইত পুতি থওঁ, আৰু কাইলৈ স্কুললৈ লৈ যাম আৰু সকলোকে সুধিম কি কৰিলে ভাল হ'ব। যিকোনো প্ৰকাৰে মই সেইটো সিহঁতক দেখুৱাবই লাগিব কাৰণ সিহঁতে কেতিয়াও একো পইছা হেৰা পোৱা নাই।

পইছাটো ক'তনো লুকুৱাব তাই ভাবিলে। যদি তাই ঘৰলৈ নিয়ে তেন্তে মাকে নিশ্চয় সুধিব, সেইকাৰণে আন ক'ৰবাত লুকুৱাই থ'ব লাগিব।

তাই ষ্টেচনৰ ওচৰৰ জাৰণি এটুকুৰালৈ গ'ল। তাত তাইক কোনেও দেখা পোৱা নাই আৰু কোনো তাত সোমোৱাৰো সম্ভাৱনা নাই, সেইকাৰণে বেছ নিৰাপদ যেনেই লাগিছিল। তাই মাৰি এডালেৰে এটা সৰু গাঁত খান্দিলে, মূল্যবান মুদ্ৰাটো তাত থ'লে আৰু মাটিৰে পুতিলে। এটা কিম্ভূত আকৃতিৰ শিল পাই তাই চিন হিচাপে সেইটো তাৰ ওপৰতে দি থ'লে। তাৰ পিছত প্ৰচণ্ড গতিৰে দৌৰি ঘৰলৈ গুচি আহিল।

বেছিভাগ ৰাতিতেই স্কুলৰ বিষয়ে কথা কৈ কৈ ত'ত্ত'-চ্চান আপোনপাহৰা হৈ থাকোঁতে মাকে ঘোষণা কৰিব লগা হয়—"শুবৰ সময় হ'ল। কিন্তু সেইদিনা ৰাতি তাই বেছি কথা নকৈ শুবলৈ গ'ল।

পিছদিনা ৰাতিপুৱা তাই এই চিন্তাৰে সৈতে সাৰ পালে যে তাইৰ কৰিবলগা সাংঘাতিক জৰুৰী কাম এটা আছে। হঠাতে গোপন সম্পদটোৰ কথা মনত পৰি তাইৰ বৰ আনন্দ হ'ল।

সাধাৰণতে যোৱাৰ সময়তকৈ সোনকালেই স্কুললৈ বুলি ওলাই তাই ৰকিৰ সৈতে দৌৰি গৈ জাৰণিখন পালেগৈ, আৰু খপ্‌জপাই উঠি গ'ল।

"এইটো! এইটো!"

তাই থৈ যোৱা ঠাইতে চিন দিয়া শিলটুকুৰা আছিল।

"মই তোক বঢ়িয়া বস্তু এটা দেখুৱাম," শিলটুকুৰা এৰুৱাই আৰু সাৱধানতাৰে খান্দি খান্দি তাই ৰকিক ক'লে। কিন্তু বৰ আচৰিত কথা যে পাঁচ ছেনৰ মুদ্ৰাটো অদৃশ্য হ'ল। তাই কেতিয়াও ইমান অবাক হোৱা নাছিল। এইটো লুকুৱাওঁতে কোনোবাই দেখিছিল নেকি? পাথৰটো লৰোৱা আছে নেকি? তাই সকলোফালে খান্দি চালে কিন্তু সেই পাঁচ ছেনৰ মুদ্ৰাটো আৰু পোৱা নগ'ল। তাই ত'মে'ৰ বন্ধুবোৰক সেইটো দেখুৱাবলৈ নাপাই হতাশ হ'ল। কিন্তু তাতকৈও আচৰিত কথা যে তাই ইয়াৰ ৰহস্যৰ জঁট ভাঙিব নোৱাৰিলে।

তাৰ পিছৰপৰাই যেতিয়াই তাই কাষেদি পাৰ হৈ যায় তেতিয়াই জাৰণিটুকুৰালৈ উঠি গৈ খান্দি চায়। কিন্তু কেতিয়াও আৰু সেই পাঁচ ছেনৰ মুদ্ৰাটো নাপালে।

"সেইটো চাগে' চিকাই লৈ গ'ল," তাই ভাবে। বা "মই সপোন দেখা নাইতো?" বা "ঈশ্বৰে চাগে' মোক সেইটো লুকুওৱা দেখিছিল।" কিন্তু সেই বিষয়ে তাই যিমানেই নাভাবক, কথাটো কিন্তু বৰ আচৰিত। এই ৰহস্যজনক ঘটনাটো তাই কেতিয়াও নাপাহৰিলে।

হাতেৰে কথা পতা

এদিন আবেলি জিয়োগাওকা ষ্টেচনৰ টিকেটৰ গে'ইটৰ ওচৰত ত'ত্ত'-চ্চানতকৈ অলপ ডাঙৰ দুটা ল'ৰা আৰু এজনী ছোৱালী থিয় হৈ আছিল আৰু সিহঁতে "কাগজ, কেঁচী, পাথৰ" খেলটো খেলি থকা যেন দেখা গৈছিল। কিন্তু তাই লক্ষ্য কৰিলে যে সিহঁতে আঙুলিৰে সাধাৰণতে কৰাতকৈ বহুত বেছি অঙ্গীভঙ্গী কৰি আছে। দেখিবলৈ বেছ মজাৰ। ভালকৈ চাবৰ কাৰণে তাই অলপ ওচৰ চাপি গ'ল। সিহঁতে শব্দ নকৰাকৈয়ে কথা পতা যেন দেখা গৈছে। এজনে হাতেৰে কিছুমান সংকেত কৰিছে, তাৰ পিছত চাই থকা অন্য এজনে তৎক্ষণাৎ কিছুমান বেলেগ ভঙ্গী কৰিছে। তাৰ পিছত তৃতীয়জনে কেইটামান কৰিছে, তাৰ পিছত আটাইকেইজনে বেছি শব্দ নকৰাকৈয়ে হাঁহিত ফাটি পৰিছে। সিহঁতে বেছ আনন্দ উপভোগ কৰা যেনেই লাগিছিল। কিছু সময় ধৰি সিহঁতক লক্ষ্য কৰাৰ পিছত ত'ত্ত'-চ্চান এই সিদ্ধান্তলৈ আহিল যে সিহঁতে হাতেৰে কথা পাতিছে।

"ময়ো যদি হাতেৰে কথা পাতিব পাৰিলোহেঁতেন," তাই ঈৰ্ষাৰে ভাবিলে। সিহঁতৰ ওচৰলৈ গৈ কথাত যোগ দিব নেকি বুলি তাই ভাবি চালে। কিন্তু হাতেৰে কেনেকৈ সুধিব তাই নাজানিছিল। তদুপৰি সিহঁত ত'মে'ৰ ছাত্ৰ-ছাত্ৰী নহয় বাবে কথাটো অপ্ৰীতিকৰ হ'বও পাৰে, গতিকে সিহঁত টকিয়'লৈ যোৱা ৰেলৰ প্লেটফৰ্মলৈ যোৱালৈকে তাই কেৱল সিহঁতক লক্ষ্য কৰি থাকিল।

"আগলৈ কেতিয়াবা মই মানুহৰ লগত হাতেৰে কথা পাতিবলৈ শিকিম", তাই সিদ্ধান্ত কৰিলে।

ত'ত্ত'-চ্চানে তেতিয়ালৈকে বধিৰসকলৰ বিষয়ে জনা নাছিল। তাই সদায় স্কুললৈ অহা ৰেলখন যি ঠাইলৈ যায় সেই শেষৰ ষ্টেচন ওয়িমাচ্ছিত থকা

নগৰপালিকাৰ মূক-বধিৰৰ স্কুল এখনত যে সিহঁতে পঢ়িছিল সেই কথাও তাই জনা নাছিল।

ত'ত্ত'-চ্চানে কেৱল ভাবিছিল যে এই ল'ৰা-ছোৱালীবোৰে যে প্ৰত্যেকে প্ৰত্যেকৰ আঙুলিলৈ জিলিকা চকুৰে লক্ষ্য কৰি থাকে, তাত যেন বেছ সুন্দৰ কিবা এটা থাকে আৰু তাই বিচাৰিছিল যে কেতিয়াবা এদিন তাই এওঁলোকৰ লগত বন্ধুত্ব কৰিব।

সাতচল্লিছজন ৰনিন

শ্ৰীযুত' ক'বায়াশ্বিৰ শিক্ষা-প্ৰণালী অনন্য ধৰণৰ আছিল যদিও তেখেত ইউৰোপৰ আৰু আন আন বিদেশৰ ঠাইৰ ভাব-চিন্তাৰে প্ৰভাৱান্বিত হৈছিল,— ত'মে'ৰ ইউৰিদ্‌মিক্‌ছ, ইয়াৰ আহাৰৰ সময়ৰ ৰীতি-নীতি, ইয়াৰ স্কুলৰপৰা ফুৰিবলৈ যোৱা আৰু "ৰো ৰো ৰো ইয়োৰ বোট" গানৰ সুৰত গোৱা দিনৰ সাজ আহাৰৰ সময়ৰ গানটো— এইবোৰত আমি সেই কথাকে দেখা পাইছোঁ।

হেড'মাষ্টৰৰ সোঁহাতস্বৰূপ ব্যক্তি— সাধাৰণ স্কুলত হ'লে যাক ভাইছ-প্ৰিন্সিপাল বুলি কোৱা হ'লহেঁতেন— সেই শ্ৰীযুত মাৰুয়ামা আছিল বহুত কথাতে শ্ৰীযুত ক'বায়াশ্বিৰ সম্পূৰ্ণ বিপৰীত স্বভাৱৰ মানুহ। তেখেতৰ নামৰ অৰ্থ 'ঘূৰণীয়া পাহাৰ'ৰ দৰেই তেখেতৰ মূৰটোও সম্পূৰ্ণ ঘূৰণীয়া। মূৰৰ ওপৰত এডালো চুলি নাছিল যদিও কাণৰ ওচৰেৰে বগা চুলিৰ ঘেৰ এটা আছিল। তেখেতে ঘূৰণীয়া চছমা পিন্ধিছিল আৰু তেখেতৰ গাল দুখন আছিল উজ্জ্বল ৰঙা। তেখেত শ্ৰী ক'বায়াশ্বিতকৈ অকল দেখাতেই যে সম্পূৰ্ণ সুকীয়া আছিল এনে নহয়। তেখেতে গুৰু-গম্ভীৰ মাতেৰে চীনা ধৰণৰ ধ্ৰুপদী কবিতাহে আবৃত্তি কৰি ভাল পাইছিল।

ডিছেম্বৰৰ চৈধ্য তাৰিখে ৰাতিপুৱা সকলো ল'ৰা-ছোৱালী স্কুলত গোট খাওঁতে শ্ৰীযুত মাৰুয়ামাই তলত দিয়াৰ দৰে ঘোষণা কৰিলে ঃ

"আজিৰ এই দিনটোতে প্ৰায় আঢ়ৈশ বছৰৰ আগতে সাতচল্লিছজন ৰনিনে তেওঁলোকৰ বিখ্যাত প্ৰতিশোধ লৈছিল। সেই কাৰণে আমি এতিয়া ছেংগাকুজিৰ মন্দিৰলৈ খোজ কাঢ়ি যামহঁক আৰু তাত থকা তেওঁলোকৰ কবৰবিলাকত শ্ৰদ্ধা নিবেদন কৰিমগৈ। তোমালোকৰ মাৰা-দেউতাৰাহঁতক কোৱা হৈছে।"

হে'ডমাষ্টৰে শ্ৰীযুত মাৰুয়ামাৰ আঁচনিৰ বিৰোধিতা নকৰিলে। শ্ৰীযুত ক'বায়াশ্বিয়ে এই বিষয়ে কি ভাবিছিল সেই বিষয়ে মাক-দেউতাকসকলে জানিবলৈ পোৱা নাছিল। পিছে তেওঁলোকে জানিছিল যে যদি তেখেতে বিৰোধিতা কৰা নাই তেন্তে তেখেতে নিশ্চয় সন্মতি জনাইছে। ত'মে'ৰ ল'ৰা-ছোৱালীবোৰ সাতচল্লিছজন ৰনিনৰ সমাধি পৰিদৰ্শনলৈ যোৱাটো সঁচাকৈয়ে কৌতূহল-উদ্দীপক বিষয় আছিল।

যাত্ৰাৰ আগতে শ্ৰীমাৰুয়ামাই ল'ৰা-ছোৱালীবোৰক এই বিখ্যাত সাতচল্লিছজনৰ কাহিনী কৈছিল,— কেনেকৈ লৰ্ড আছান'ৰ সাহসী আৰু অনুগত মানুহবোৰে ইমান মাৰাত্মকভাৱে অন্যায় কৰি হত্যা কৰা তেওঁলোকৰ গৰাকীৰ মৃত্যুৰ পোতক তুলিবলৈ প্ৰায় দুবছৰ ধৰি আয়োজন কৰিছিল— তাৰে কাহিনী। এই সাতচল্লিছজনৰ উপৰিও আছিল এজন সাহসী সদাগৰ— ৰিহে'ই আমান'য়া। তেঁৱেই অস্ত্ৰ-শস্ত্ৰৰ যোগান দিছিলঁ আৰু যেতিয়া সম্ৰাটৰ প্ৰতিনিধি (শ্ব'গুণ)ৰ বিষয়াসকলে তেওঁক গ্ৰেপ্তাৰ কৰিলে, তেতিয়া তেওঁ ঘোষণা কৰিছিল, "মই, ৰিহে'ই আমান'য়া, এজন পুৰুষ" বুলি, আৰু এটাও গোপন কথা ব্যক্ত কৰিবলৈ মান্তি হোৱা নাছিল। ল'ৰা-ছোৱালীহঁতে গল্পটোৰ বিশেষ একো বুজি পোৱা নাছিল। কিন্তু ক্লাছ-ছুটী আৰু কুহ্নবুৎছু মন্দিৰলৈ যোৱাতকৈ বহুত বেছি দূৰলৈ খোজ কাঢ়ি যোৱা আৰু বনভোজ খোৱাৰ আনন্দত সিহঁত উত্তেজিত হৈ উঠিল।

হে'ডমাষ্টৰ আৰু আন আন শিক্ষক-শিক্ষয়িত্ৰীৰপৰা বিদায় লৈ শ্ৰীমাৰুয়ামাৰ নেতৃত্বত গোটেই পঞ্চাছজন ছাত্ৰ-ছাত্ৰীয়ে যাত্ৰা আৰম্ভ কৰিলে। শাৰীটোৰ মাজৰ অ'ত-ত'ত কোনোবা ল'ৰা-ছোৱালীয়ে আবৃত্তি কৰা শুনা গৈছিল ঃ "মই, ৰিহে'ই আমান'য়া, এজন পুৰুষ"। ছোৱালীবোৰেও এই কথা আবৃত্তি কৰিছিল আৰু তাকে শুনি বাটেদি যোৱা মানুহে মূৰ ঘূৰাই চাই চাই হাঁহিছিল। ছেংগাকুজিলৈ প্ৰায় সাত মাইল দূৰ, কিন্তু বাটত গাড়ী-মটৰ কম আছিল, ডিছেম্বৰ মাহৰ আকাশ আছিল নীলা আৰু গৈ থকা ল'ৰা-ছোৱালীৰ মুখৰপৰা অবিশ্ৰান্ত গুলিবৰ্ষণৰ দৰে ওলোৱা, "মই, ৰিহে'ই আমান'য়া, এজন পুৰুষ"— এই সকলো মিলি বাটটো মুঠেই দূৰ যেন লগা নাছিল।

ছেংগাকুজি গৈ পাওঁতে শ্ৰীযুত মাৰুয়ামাই প্ৰতিটো শিশুকে একোডালকৈ ধূপ আৰু কিছু ফুল দিলে। মন্দিৰটো কুহ্নবুৎছুতকৈ সৰু আছিল, কিন্তু একে শাৰীতে বহুত কবৰ আছিল। এই ঠাইডোখৰ যে সাতচল্লিছজন ৰনিনৰ স্মৃতিত পবিত্ৰ— এই ভাবটোৱে ধূপ আৰু ফুল আগবঢ়াই দিয়াৰ সময়ত ত'ও'-চ্চানক বেছ গম্ভীৰ কৰি তুলিছিল আৰু তাই শ্ৰীমাৰুয়ামাক অনুসৰণ কৰি নীৰৱে মূৰ

দোঁৱাইছিল। ল'ৰা-ছোৱালীবোৰ নিমাত হৈ ৰৈছিল। ত'মে'ৰ ল'ৰা-ছোৱালী ইমান নীৰৱে থকাটো অস্বাভাৱিক ঘটনা। সমাধিবোৰৰ আগত দিয়া ধূপকাঠিবোৰৰপৰা সুদীৰ্ঘ সময় ধৰি ধোঁৱা ওলাই আকাশৰ বুকুত ছবি আঁকিছিল।

তাৰ পিছৰপৰা ধূপৰ গোন্ধে সদায় ল'ৰা-ছোৱালীবোৰক শ্ৰীযুত মাৰুয়ামালৈ আৰু ৰিহে'ই আমান'য়ালৈ মনত পেলাইছিল। সিহঁতৰ কাৰণে একাধাৰে এয়া হৈ পৰিছিল নীৰৱতাৰ সুবাস।

ল'ৰা-ছোৱালীবোৰে সাতচল্লিছজন ৰনিনৰ বিষয়ে সকলো কথা বুজি নাপাব পাৰে, কিন্তু শ্ৰীযুত মাৰুয়ামাই ইমান আবেগেৰে এইসকলৰ বিষয়ে কৈছিল যে সিহঁতে তেখেতলৈও প্ৰায় শ্ৰীযুত ক'বায়াশ্বিৰ প্ৰতি অনুভৱ কৰাৰ সমতুল্য

সন্মান আৰু মৰমকে অলপ সুকীয়া ধৰণে অনুভৱ কৰিছিল। ত'ত্ত'-চ্চানে তেখেতৰ ডাঠ চছ্মাৰ তলৰপৰা ভূমুকি মৰা সৰু সৰু চকু দুটা আৰু ইমান ডাঙৰ শৰীৰটোৰ লগত খাপ নোখোৱা কোমল মাতটো বৰ ভাল পাইছিল।

"মাছৌ-চ্চান !"

ষ্টেছনলৈ অহা-যোৱা কৰোঁতে ত'ত্ত'-চ্চান কিছুমান কোৰিয়ান লোকে বাস কৰা বস্তি এটাৰ আগেৰে পাৰ হ'ব লগা হৈছিল। অৱশ্যে ত'ত্ত'-চ্চানে তেওঁলোকক কোৰিয়ান বুলি নাজানিছিল। তেওঁলোকৰ বিষয়ে তাই কেৱল এটা কথাই জানিছিল যে তাত থকা এগৰাকী শকত-আৱত তিৰোতা মানুহে মাজ-মূৰৰপৰা দুফালে বোৱাই মূৰ আঁচুৰিছিল আৰু পিছফালে ঘূৰণীয়াকৈ খোপা বান্ধি থৈছিল, দেখাত সৰু নাও হেন ৰবৰৰ বগা জোতা এজোৰ পিন্ধিছিল। তেওঁ এটা দীঘল স্কাৰ্ট পিন্ধিছিল আৰু চুটি ব্লাউজটো সন্মুখৰ পিনে ফিটাৰে ফুলৰ দৰে বান্ধি থৈছিল। মানুহগৰাকীয়ে সকলো সময়তে পুতেকক বিচাৰি চিঞৰি থাকে "মাছৌ-চ্চান!" তেওঁ অনবৰতে তাক গালি পাৰি থাকে আৰু "মা-ছা-ও-চ্চান" বুলি আন মানুহে যেনেকৈ মাতিলেহেঁতেন তেনেকৈ নেমাতি দ্বিতীয় শব্দাংশত জোৰ দিয়ে আৰু উচ্চগ্ৰামৰ মাতেৰে "চ্চান"টো টানি নিয়ে যিটো ত'ত্ত'-চ্চানৰ কাণত বৰ বিষণ্ণ যেন লাগে।

বস্তিটো ওয়িমাচ্ছি ৰেল-লাইনৰ ঠিক ওচৰতে ওখ আলি এটাত অৱস্থিত। ত'ত্ত'-চ্চানে মাছাও-চ্চানক চিনি পায়। তাইতকৈ সি অকণমান ডাঙৰ আৰু বোধহয় দ্বিতীয় শ্ৰেণীত পঢ়ে। অৱশ্যে সি কোন স্কুললৈ যায় সেই কথা তাই নাজানে। তাৰ চুলি আউল-বাউল, লগত সদায় কুকুৰ এটা থাকেই। এদিন ত'ত্ত'-চ্চান আলিটোৰ কাষেদি ঘৰলৈ আহি থাকোঁতে মাছাও-চ্চান আলিৰ ওপৰতে ভৰি দুখন মেলি, ককাঁলত দুই হাত দি উদ্ধত ভঙ্গীত থিয় হৈ আছিল।

"কোৰিয়ান!" সি ত'ত্ত'-চ্চানক চিঞৰিলে।

তাৰ মাতটো আক্ৰমণাত্মক আৰু ঘৃণাৰে ভৰা। ত'ত্ত'চ্চানে ভয় খালে। তাই কেতিয়াও তাৰ প্ৰতি বেয়া একোকে কৰা নাই, আনকি তাৰ লগত কথাও পাতি পোৱা নাই। সি ওপৰৰপৰা তাইলৈ চাই এনে ঘৃণাভাৱেৰে চিঞৰা বাবে সেয়ে তাই অতিকৈ অবাক হ'ল।

ঘৰ পাই তাই মাকক এই বিষয়ে ক'লে, "মাছাও-চ্চানে মোক 'কোৰিয়ান'

বুলি কৈছে"। মাকে তাইক মুখত হাত দি বাধা দিলে আৰু ত'ত্ত'-চ্চানে দেখিলে যে তেখেতৰ চকু পানীৰে ভৰি পৰিছে। এইটো কিবা বৰ বেয়া কথা বুলি ভাবি ত'ত্ত'-চ্চান বিমূঢ় হ'ল। মাকে চকুলো নমচিলে আৰু তেখেতৰ নাকৰ আগ ৰঙা হৈ গ'ল। "বেচেৰা ল'ৰাটো' তেখেতে ক'লে, মানুহে নিশ্চয় তাক ইমান বেছিকৈ 'কোৰিয়ান', 'কোৰিয়ান' বুলি চিঞৰে যে সি ভাবিছে এইটো এটা লেতেৰা কথা। তাৰ মানেনো কি সি বোধহয় নাজানেই, কাৰণ ল'ৰাটো নিচেই সৰু। সি চাগে' ভাবিছে— 'মূৰ্খ' বুলি বুজোৱা 'বাকা' শব্দটোৰ দৰে এইটো এটা বেয়া শব্দ। সি চাগে' ইমান ঘনাই 'কোৰিয়ান' বুলি কৈ থকা শুনে যে সিও কাৰোবাক কিবা লেতেৰা কথা ক'বলৈ বিচাৰিছে। সেইকাৰণেই সি তোমাক 'কোৰিয়ান' বুলিছে। মানুহবোৰ বাৰু কিয় ইমান নিষ্ঠুৰ?"

চকু মচি লৈ মাকে বৰ লাহে লাহে ত'ত্ত'-চ্চানক ক'লে, "তুমি হৈছা জাপানী আৰু মাছাও-চ্চান কোৰিয়া নামৰ দেশ এখনৰপৰা আহিছে। কিন্তু ঠিক তোমাৰ দৰেই সিও এটা শিশু। সেই কাৰণে ত'ত্ত'-চ্চান, মাজনী, কেতিয়াও মানুহক বেলেগ বেলেগ বুলি নাভাবিবা। কেতিয়াও নাভাবিবা 'সৌজন মানুহ জাপানী, এইজন মানুহ কোৰিয়ান' বুলি। মাছাও-চ্চানৰ লগত ভাল ব্যৱহাৰ কৰিবা। কিমান দুখৰ কথা যে কিছুমান মানুহে আন কিছুমানক কোৰিয়ান কাৰণেই ভাল মানুহ নহয় বুলি ভাবে।"

এইবোৰ কথা ত'ত্ত'-চ্চানে বুজিবলৈ টান পাইছিল। কিন্তু তাই বুজিছিল যে সৰু ল'ৰা মাছাও-চ্চানক কোনো কাৰণ নোহোৱাকৈয়ে মানুহে বেয়া কথা কয়। তাই ভাবিলে যে সেই কাৰণেই চাগে' তাক মাকে ইমান উৎকণ্ঠাৰে বিচাৰি থাকে। সেইকাৰণে পিছ দিনা পুৱা ওখ আলিটো পাৰ হওঁতে যেতিয়া তাই মাকগৰাকীয়ে তীক্ষ্ণ মাতেৰে তাক "মাছৌ-চ্চান" বুলি চিঞৰি মতা শুনিছিল, তেতিয়া তাই সিনো ক'ত থাকিব পাৰে বুলি ভাবি আচৰিত হৈছিল। তাই এই বুলি মন বান্ধিছিল যে 'কোৰিয়ান' নহয় যদিও, মাছাও-চ্চানে যদি তাইক আকৌ সেই বুলি কয় তেন্তে তাই কেৱল উত্তৰ দিব, "আমি সকলো হলোঁ সৰু ল'ৰা ছোৱালী, আমি আটাইবোৰ একেই," আৰু তাই তাৰ লগত বন্ধুত্ব কৰিবলৈ চেষ্টা কৰিব।

বিৰক্তি আৰু উদ্বিগ্নতাৰ সংমিশ্ৰণত মাছাও-চ্চানৰ মাকৰ মাতটোত এটা নিজস্ব বৈশিষ্ট্য আছিল যাৰ ফলত পাৰ হৈ যোৱা ৰেল এখনৰ শব্দই ডুবাই নিদিয়ালৈকে ই বতাহত বহুত পৰলৈকে বৈ গৈছিল।

"মাছৌ-চ্চান!"

আপুনি এবাৰ এই বিষণ্ণ অশ্ৰুপূৰ্ণ মাতটো শুনিলে আৰু কেতিয়াও পাহৰিব নোৱাৰিব।

পিগটেইল

সেই সময়ছোৱাত ত'ত্ত'-চ্চানৰ দুটা ডাঙৰ উচ্চাকাংক্ষা আছিল ঃ এটা আছিল এথলেটিক ব্লুমাৰ পিন্ধা আৰু আনটো হ'ল বেণী গোঁথা। ৰেলগাড়ীত দীঘল বেনী গোঁথা ডাঙৰ স্কুলীয়া ছোৱালীক দেখি তাই ঠিক কৰিলে যে তায়ো তেনেকুৱাকৈয়ে চুলি বান্ধিব। তাইৰ শ্ৰেণীৰ আন ছোৱালীবোৰৰ চুলি চুটিকৈ কটা আৰু কপালৰ আগত পৰি থকা। ত'ত্ত'-চ্চানে চুলি দীঘলকৈ ৰাখি কাষত সেওঁতা ফালে আৰু ৰিবনেৰে বান্ধি থয়। মাকে তেনেকৈয়ে ভাল দেখিছিল আৰু ত'ত্ত'-চ্চানে পিগটেইল বান্ধিবৰ কাৰণে চুলি দীঘলকৈ ৰাখিবলৈ বিচাৰিছিল।

অৱশেষত এদিন তাই মাকৰ হতুৱাই দুফালে বেণী গোঁথাই দুটা সৰু পিগটেইল কৰিলে। মূৰ দুটা ঠেক ৰিবন আৰু ৰবৰৰ বেণ্ডেৰে নিৰাপদ কৰি তাইৰ নিজকে ডাঙৰ ছাত্ৰী এজনী যেন লাগিল। আইনাত নিজকে চাই তাই উপলব্ধি কৰিলে যে ৰেলত দেখা ছোৱালীবোৰৰ দৰে নহৈ তাইৰ বেণী অতি পাতল, চুটি আৰু সঁচাকৈয়ে গাহৰিৰ নেজৰ দৰে দেখা হৈছে। কিন্তু তাই ৰকিৰ ওচৰলৈ দৌৰি গ'ল আৰু সি দেখিবলৈ পোৱাকৈ বেণী দুডাল গৌৰৱেৰে দাঙি ধৰিলে। ৰকিয়ে এবাৰ নে দুবাৰ চকু পিৰিকিয়ালে।

"তোৰ চুলিবোৰো বেণী গুঁথি দিবৰ মন গৈছে অ'," তাই ক'লে। ৰেলত উঠোতে বেণী খুলি যোৱাৰ ভয়ত তাই মূৰটো যিমান পাৰে সিমান ঠৰঙা কৰি ৰাখিলে। "ৰেলত যদি কোনোবাই মন কৰে আৰু কয় 'বাঃ কি সুন্দৰ বেণী'! তেন্তে কি বঢ়িয়া হয়!" কিন্তু কোনেও নক'লে। যেতিয়া তাই স্কুল পালেগৈ তেতিয়া অৱশ্যে তাইৰ লগত একে শ্ৰেণীৰ মিয়'-চ্চান, ছাক্ক'-চ্চান আৰু কেইক' আঅ'কিয়ে একে সুৰতে চিঞৰি উঠিল "বাঃ পিগটেইল"! তাই বৰ আনন্দিত হ'ল আৰু ছোৱালীবোৰক বেণী দুডাল ছুবলৈ অনুমতি দিলে।

এটাও ল'ৰাই কথাটো মন কৰা নাছিল। কিন্তু হঠাতে ভাত খোৱাৰ পিছত তাইৰ শ্ৰেণীৰে ওএ নামৰ ল'ৰা এটাই চিঞৰি ক'লে "বাঃ! ত'ত্ত'-চ্চানে নতুন ধৰণে মূৰ আঁচুৰিছে!"

ল'ৰাবোৰৰ এটাই হ'লেও মন কৰিছে বুলি ভাবি ত'ত্ত'-চ্চান পুলকিত হ'ল আৰু গৌৰৱেৰে ক'লে, "এয়া পিগটেইল!"

তাকে শুনি সি ওচৰলৈ আহি দুই হাতেৰে বেণী দুডাল ধৰি লৈ ক'লে, "মোৰ ভাগৰ লাগিছে। মই অকণমান ইয়াতে ধৰি ওলমি থাকোঁ। আৰে! ৰেলত ধৰিবলৈ থকা ফিটাবোৰতকৈ এইকেইডালত ধৰিবলৈ বেছি ভাল।"

কিন্তু তাইৰ হাৰাশাস্তিৰ ইমানতে শেষ নহ'ল।

ক্ষীণ-মীন-ত'ত্ত'-চ্চানতকৈ ওএ আছিল দুগুণে ডাঙৰ। দৰাচলতে শ্ৰেণীটোত সিয়েই আটাইতকৈ ডাঙৰ আৰু শকত ল'ৰা। সেইকাৰণে সি যেতিয়া তাইৰ বেণীত ধৰি টানিলে তেতিয়া তাই থৰকবৰক কৰি চিধাই ঠেকেচা খাই পৰিল। মাটিত তেনেকৈ পেলাই নিদিয়াকৈয়ে বেণী দুডালক হাতেৰে ধৰা ফিটা ঝুলি কোৱাটোৱেই যথেষ্ট দুখ পাবলগীয়া কথা, তাতে যেতিয়া ওএই তাইৰ পিগটেইলত ধৰি খেল-দিৱসৰ ৰছী টনা খেলৰ দৰে 'হেইও হেইও' কৰি উঠাবলৈ চেষ্টা কৰিলে তেতিয়া ত'ত্ত'-চ্চানে কান্দিবলৈ ধৰিলে।

ত'ত্ত'-চ্চানৰ কাৰণে পিগটেইল আছিল ডাঙৰ-ছোৱালীৰ প্ৰতীক। তাই আশা কৰিছিল তাৰ কাৰণেই তাইৰ ওচৰত প্ৰত্যেকেই বৰ ভদ্ৰ ব্যৱহাৰ কৰিব। কান্দি কান্দি তাই হেডমাষ্টৰৰ কাৰ্য্যালয়লৈ দৌৰি গ'ল। উচুপি উচুপি তাই দুৱাৰত খুন্দিওৱা শুনি তেখেতে দুৱাৰ খুলি দিলে আৰু আনদিনাৰ দৰে তাইৰ মুখৰ সমান উচ্চতালৈ মুখখন আনিবলৈ চাপৰি দিলে।

"কি হৈছে নো?" তেখেতে সুধিলে।

তাইৰ বেণী দুডাল ঠিকেই আছেনে নাই চাই তাই ক'লে, ওএই মোৰ বেণীত ধৰি 'হেইও হেইও'কৈ টানিছে।"

হেডমাষ্টৰে তাইৰ চুলিলৈ চালে। তাইৰ চকুপানীৰে ভৰা মুখখনৰ বিপৰীতে সৰু পিগটেইল দুডালে যেন ৰঙতে নাচিহে আছে। তেখেত বহিল আৰু মুখামুখিকৈ ত'ত্ত'-চ্চানকো বহুৱালে। অভ্যস্ত ধৰণে সোলা মুখৰ খালী ঠাইলৈ মন নকৰি তেখেতে হাঁহিলে।

"নাকান্দিবা", তেখেতে ক'লে, "তোমাৰ চুলিখিনি ধুনীয়া লাগিছে"।

"আপুনি ধুনীয়া দেখিছে?" চকুপানীৰ দাগ ভৰা মুখখন দাঙি লাজ লাজ ভাবেৰে তাই সুধিলে।

"সাংঘাতিক!" তেখেতে ক'লে।

"ওএই "হেইও হেইও" কৰিলেও মই আৰু নাকান্দো।" কৈ কৈ কন্দা বন্ধ কৰি ত'ত্ত'-চ্চান চকীৰপৰা নামিল।

হেডমাষ্টৰে হাঁহিৰেই মূৰ লৰাই তাইক অনুমোদন জনালে। ত'ত্ত'-চ্চানেও মিচিকিয়াই হাঁহিলে। পিগটেইলৰ লগত তাইৰ হাঁহিভৰা মুখখন খাপ খাই পৰিল। হেডমাষ্টৰলৈ মূৰ দোঁৱাই তাই দৌৰি উভতি গ'ল আৰু আনবোৰ ল'ৰা-ছোৱালীৰ লগত খেলিবলৈ ধৰিলে।

যেতিয়া তাই দেখিলে যে ওএই মূৰ খজুৱাই খজুৱাই তাইৰ সমুখত থিয় হৈ আছে তেতিয়ালৈ তাই কন্দাৰ কথা সমূলঞ্চে পাহৰি গৈছিল।

"মই বেণী টানিছিলোঁ বাবে দুখিত", সি স্পষ্ট আৰু ডাঙৰ মাতেৰে ক'লে।

"হে'ডছাৰে মোক খং কৰিছে। তেখেতে কৈছে, 'তুমি ছোৱালীহঁতৰ প্ৰতি ভাল ব্যৱহাৰ কৰা উচিত।' তেখেতে মোক ভাল ল'ৰা হ'বলৈ আৰু তোমালোকক তদাৰক কৰিবলৈ কৈছে।"

ত'ত্ত'-চ্চান কিছু আচৰিত হ'ল। তাই আগতে কেতিয়াও ছোৱালীৰ প্ৰতি ভদ্ৰ হ'ব লাগে বুলি কোনেও কোৱা শুনা নাছিল। ল'ৰাবোৰ হ'ল সদায় গুৰুত্বপূৰ্ণ ব্যক্তি। তাই জানে, যিবোৰ পৰিয়ালত বহুতো ল'ৰা-ছোৱালী আছে তাত ভাত-জলপান খোৱাৰ সময়ত ল'ৰাবোৰক প্ৰথমতে খাবলৈ দি লোৱা হয়। আৰু যেতিয়া ছোৱালীবোৰে কথা কয় তেতিয়া মাকহঁতে কয় "সৰু ছোৱালীবোৰক দেখাহে পাব লাগে, সিহঁতৰ মাত শুনিবলৈ পাব নালাগে।"

তথাপি হেড'মাষ্টৰে ওএক ক'লে ছোৱালীবোৰক তদাৰক কৰিবলৈ। ত'ত্ত'-চ্চানৰ বৰ আচৰিত লাগিল আৰু তেতিয়া তাই ভাবিলে, 'কেনে বঢ়িয়া কথা! কোনোবাই তদাৰক কৰিলে কেনে বঢ়িয়া লাগিব।'

ওএ বৰ আহত হৈছিল। ছোৱালীৰ প্ৰতি ভদ্ৰ আৰু মাৰ্জিত হ'বলৈ কোৱা হৈছে। ত'মে'ত এয়াই প্ৰথম আৰু শেষবাৰৰ বাবে সি হেডমাষ্টৰৰ বকনি খালে, আৰু সি সেই দিনটোৰ কথা কেতিয়াও নাপাহৰিলে।

"থেংক য়ু !"

নৱবৰ্ষৰ বন্ধ কাষ চাপিছিল। এই বন্ধত গৰমৰ বন্ধৰ দৰে ল'ৰা-ছোৱালীবোৰ স্কুলত এদিনো গোট নাখায়, গোটেই বন্ধটো পৰিয়ালৰ লগত কটায়। "বন্ধত মই কিয়ুছুত থকা ককাদেউতাৰ ঘৰলৈ যাম," মিগিতাই সকলোকে কৈ আছিল। আনহাতে বিজ্ঞানৰ পৰীক্ষা চলাই ভাল পোৱা তাই-চ্চানে কৈছিল, "মই দাদাৰ লগত পদাৰ্থবিজ্ঞানৰ গৱেষণাগাৰ চাবলৈ যাম।" সি এই কামটোৰ বাবে আশাৰে বাট চাই আছিল। "ঠিক আছে, লগ পাম দেই", প্ৰত্যেকে কৈছিল। ইজনে সিজনক নিজৰ নিজৰ আঁচনিবোৰ জনাই বিদায় ল'লে।

ত'ত্ত'-চ্চান মাক-দেউতাকৰ লগত 'স্কী' কৰিবলৈ গ'ল। দেউতাকৰ বন্ধু, অৰ্কেষ্ট্ৰাৰ পৰিচালক, ছেল'বাদক হিদেও ছাইট'ৰ শ্বিগা পাৰ্বত্যভূমিত এটা সুন্দৰ ঘৰ আছিল। প্ৰতিটো শীতকাল ত'ত্ত'-চ্চানহঁতে তেখেতৰ ঘৰত কটাইছিল। কিণ্ডাৰগাৰ্টেনত থকা সময়ৰেপৰা ত'ত্ত'-চ্চানে 'স্কী' কৰিবলৈকো শিকিছিল।

ষ্টেচনৰপৰা স্কী কৰা ঠাইলৈ যোঁৰাই টনা শ্লেজগাড়ীত যাব লাগে— ঠাইখন শুধ বগা বৰফেৰে আবৃত— অ'ত ত'ত কটা গছৰ মূঢ়াৰ বাহিৰে স্কী কৰাৰ চিনো নাইকিয়াকৈ সমান। শ্ৰীছাইট'ৰ ঘৰৰ দৰে যাৰ যাবলৈ ঘৰ নাই তেওঁলোকৰ বাবে অকল এটা জাপানী আৰ্হিৰ চৰাইখানা আৰু এটা পাশ্চাত্য আৰ্হিৰ হোটেলহে আছে বুলি মাকে কৈছিল। কিন্তু কৌতূহলৰ বিষয় যে অজস্ৰ বিদেশী মানুহ তালৈ যায়।

ত'ত্ত'-চ্চানৰ কাৰণে আগৰ বছৰতকৈ এই বছৰটো বেলেগ। তাই এতিয়া এখন প্ৰাথমিক স্কুলৰ প্ৰথমমান শ্ৰেণীৰ ছাত্ৰী আৰু তাই এধানমান ইংৰাজীও জানে। দেউতাকে তাইক "থেংক য়ু" বুলি ক'বলৈ শিকাইছে।

বিদেশীসকলে স্কীৰ ওপৰত বৰফত থিয় হৈ থকা ত'ত্ত'-চ্চানক দেখিলে সদায় কিবা একো আষাৰ কৈ গৈছিল। বোধহয় কৈছিল, "মৰম লগা, নহয়নে?" বা তেনে কিবা এটা যিটো তাই বুজি নাপাইছিল। এইবাৰৰ আগলৈকে তাই একো উত্তৰ দিব নোৱাৰিছিল, কিন্তু এতিয়া তাই মূৰ লৰাই "থেংক য়ু" বুলি কৈ উত্তৰ দিয়াৰ চেষ্টা কৰে।

বিদেশীসকলে তেতিয়া আৰু বেছিকৈ হাঁহে আৰু নিজৰ ভিতৰতে কিবা কোৱাকুই কৰে। কেতিয়াবা কোনো ভদ্ৰমহিলাই চাপৰি নিজৰ গাল ত'ত্ত'-চ্চানৰ গালত লগাই দিয়ে, বা কোনো ভদ্ৰলোকে তাইক সাৱটি ধৰে। ত'ত্ত'-চ্চানে ভাবে অকল "থেংক য়ু" আষাৰ কৈয়ে মানুহৰ লগত ইমান ভাল বন্ধুত্ব কৰিব পৰাটো কেনে মজাৰ কথা!

এদিন এজন মৰমিয়াল যেন লগা ডেকা মানুহ ত'ত্ত'-চ্চানৰ ওচৰলৈ আহিল আৰু এনে ভাৱ-ভংগী কৰিলে যেন 'তুমি মোৰ স্কীৰ আগত উঠিবা নে কি' বুলি সুধিলেহে। দেউতাকে তাইক যাব পাৰিব বুলি ক'লে।

"থেংক য়ু!" ত'ত্ত'-চ্চানে উত্তৰ দিলে। মানুহজনে স্কীডালত তাইক তেখেতৰ ভৰিৰ ওচৰতে আঁঠু কোঁচাই বহি ল'বলৈ দিলে। এতিয়া দুইডাল স্কী একেলগ কৰি তেখেতে ত'ত্ত'-চ্চানৰ লগত শ্বিগা পাৰ্বত্যভূমিৰ আটাইতকৈ দীঘল আৰু আটাইতকৈ নিমজ এঢলীয়া অংশইদি স্কী কৰি গ'ল। সিহঁত বতাহৰ বেগত গৈছিল আৰু তাইৰ কাণৰ কাষেদি পাৰ হৈ যাওঁতে বতাহে সুহুঁৰি বজোৱাৰ দৰে শব্দ কৰিছিল। আগলৈ পৰি নাযাবৰ বাবে ত'ত্ত'-চ্চানে নিজৰ আঁঠু দুটা টানকৈ সাৱটি ধৰিছিল। এয়া আছিল অলপ অলপ ভয় লগা প্ৰচণ্ড মজা। সিহঁত যেতিয়া বৈ গ'ল তেতিয়া সিহঁতক চাই থকা মানুহবোৰে হাত চাপৰি বজালে। মানুহজনৰ স্কীৰপৰা উঠি ত'ত্ত'-চ্চানে দৰ্শকসকলৰ ফালে মূৰ সামান্য দোঁৱালে আৰু ক'লে "থেংক য়ু"। তেখেতসকলে আৰু বেছিকৈ হাত চাপৰি বজালে।

বহুত পিছতহে তাই গম পাইছিল যে মানুহজনৰ নাম আছিল স্নেইডাৰ আৰু তেখেত আছিল এজন পৃথিৱীবিখ্যাত স্কী খেলুৱৈ। তেখেতে সদায় ৰূপৰ স্কী কৰা লাখুটি এজোৰ ব্যৱহাৰ কৰিছিল। কিন্তু সেইদিনা তেখেতৰ যিটো কথা তাইৰ আটাইতকৈ ভাল লাগিছিল সেইটো হৈছে সিহঁতে স্কী কৰি নামি যোৱাৰ পিছত আটায়ে হাতচাপৰি বজাই অঁটাওতে তেখেতে তাইৰ ওচৰতে কুচি-মুচি চাপৰি তাইৰ হাতখনত ধৰিছিল, আৰু তাই যেন বৰ গুৰুত্বপূৰ্ণ ব্যক্তিহে এনে ভাৱ দেখুৱাই তাইলৈ চাই কৈছিল "থেংক য়ু"। তেখেতে তাইক সৰু ছোৱালীৰ দৰে ব্যৱহাৰ নকৰি এগৰাকী আচল প্ৰাপ্তবয়স্কা ভদ্ৰমহিলাৰ দৰে ব্যৱহাৰ কৰিছিল। যেতিয়া তেখেত তাইৰ সমুখত হাউলি দিছিল তেতিয়া তাই অন্তৰৰ অৱচেতনত গম পাইছিল যে তেখেত এজন ভদ্ৰলোক। আৰু তেখেতৰ উপৰি, সেই বৰফ-বগা ভূমিদৃশ্যও চিৰকাললৈ তাইৰ মনত ৰৈ গ'ল।

পুথিভঁৰালৰ ডবাটো

শীতৰ বন্ধ শেষ হোৱাৰ পিছত স্কুললৈ উভতি আহি ল'ৰা-ছোৱালীহঁতে কিবা আচৰিত আৰু নতুন বস্তু এটা আৱিষ্কাৰ কৰিলে আৰু নিজৰ আৱিষ্কাৰক আনন্দৰ চিঞৰ-বাখৰেৰে অভ্যৰ্থনা জনালে। শ্ৰেণীকোঠা বহা ডবাশাৰীৰ বিপৰীতে, সভাভৱনৰ ওচৰৰ ফুলনিখনৰ কাষতে নতুন ডবাটো থিয় হৈ আছিল। সিহঁতৰ অনুপস্থিতিতে এইটো এটা পুথিভঁৰাল হৈ গ'ল। সকলোৱে সন্মান কৰা আৰু সকলো কামতে কুশল চকীদাৰ ৰ্যিঅ'-চ্চানে নিশ্চয় প্ৰচণ্ড পৰিশ্ৰম কৰিছিল। তেওঁ অজস্ৰ কিতাপ ৰখা তাক পাতি পাতি থৈছিল আৰু সেইবোৰ সকলো ধৰণৰ সকলো ৰঙৰ শাৰী শাৰী কিতাপেৰে উপচি আছিল। ডেস্ক আৰু চকীও আছিল— য'ত বহি পঢ়িব পৰা যায়।

"এইটো তোমালোকৰ পুথিভঁৰাল", হে'ডমাষ্টৰে কৈছিল। "এইবোৰৰপৰা যি কোনো কিতাপ তোমালোকে যাৰ মন যায় তেৱেঁ পঢ়িব পাৰিবাহঁত। কিছুমান কিতাপ কিছুমান শ্ৰেণীৰ কাৰণেহে সংৰক্ষিত বুলি তোমালোকে ভাবিব নালাগে বা আন তেনে কোনো কথা ভাবি ভয় কৰিব নালাগে। যেতিয়াই মন যায় ইয়ালৈ আহিব পাৰিবা। যদি ঘৰলৈ কিতাপ নিব খোজা, নিব পাৰিবা। কিন্তু পঢ়া হৈ

গ'লে মন কৰি কিতাপখন ওভোতাই আনিবা। আৰু তোমালোকৰ ঘৰত যদি আনে পঢ়িবলৈ ভাল পাব বুলি ভবা কিবা কিতাপ থাকে, সেইবোৰো ইয়ালৈ লৈ আহিলে মই বৰ ৰং পাম। যি কোনো প্ৰকাৰে, যিমান বেছি পাৰা সিমান বেছি কিতাপ পঢ়াহঁক যেন।"

"আজি প্ৰথমৰ পিৰিয়ডটো পুথিভঁৰালৰে ক্লাছ হওক," ল'ৰা-ছোৱালীবোৰে সৰ্বসন্মতভাৱে চিঞৰিলে।

"তোমালোকে ভাল পাবা নে কি?" সিহঁতক ইমান উত্তেজিত দেখি সুখৰ মিচিকি' হাঁহিৰে হে'ডমাষ্টৰে ক'লে, "ঠিক আছে তেন্তে। নহ'য়নো কি ?"

তাৰ পিছত ত'মে'ৰ সমস্ত ছাত্ৰ-ছাত্ৰী, গোটেই পঞ্চাছজন সেই পুথিভঁৰালৰ ডবাটোত জমা হ'ল। মহা উত্তেজনাৰে সিহঁতে মনে বিচৰা কিতাপখন উলিয়ালে আৰু বহিবলৈ চেষ্টা কৰিলে। কিন্তু কেৱল আধামানেহে বহাৰ ঠাই পালে, বাকীবোৰ থিয় হৈয়ে থাকিল। দেখিবলৈ ঠিক থিয় হৈ কিতাপ পঢ়ি যোৱা মানুহে ভৰ্তি ৰে'লগাড়ী যেন লাগিছিল। দৃশ্যটো বৰ হাঁহি উঠা হৈছিল।

ল'ৰা-ছোৱালীবোৰ আনন্দত আত্মহাৰা হৈছিল। ত'ত্ত'-চ্চান তেতিয়াও বৰ ভালকৈ পঢ়িব পৰা হোৱা নাছিল। সেইকাৰণে তাই বেছ আমোদজনক যেন লগা ছবি এখন থকা কিতাপ এখন বাছি লৈছিল। প্ৰত্যেকৰে হাতত একোখনকৈ কিতাপ হ'ল আৰু আটায়ে পাত লুটিয়াবলৈ ধৰিলে। ডবাটো হঠাতে নীৰৱ হৈ পৰিল। কিন্তু বেছি সময়ৰ কাৰণে নহয়। অলপ পৰৰ পিছতে সানমিহলি নানা কথা-বতৰাই নীৰৱতা ভংগ কৰিলে। কিছুমানে ডাঙৰ ডাঙৰকৈ একো অংশ পঢ়িবলৈ ধৰিলে, কিছুমানে চিনি নোপোৱা আখৰৰ অৰ্থ আনক সুধিলে, কিছুমানে আনৰ লগত কিতাপ সলাবলৈ বিচাৰিলে। হাঁহিৰে ডবাটো ভৰি পৰিল। এটাই আকৌ 'গান গোৱা ছবি' নামৰ কিতাপ এখন লৈ লগতে মুখ এখন আঁকি আঁকি ডাঙৰ ডাঙৰকৈ জুনজুননি ছন্দৰ পদ্য এটা পঢ়ি গ'ল ঃ

এটা বৃত্ত এটা ফুট; এটা বৃত্ত এটা ফুট;
কটাকুটিত হ'ল নাকটো; আৰু ঘেৰ দি এটা ডট,
তিনিডাল চুলি, তিনিডাল চুলি, তিনিডাল চুলি, চাচোন ঔ!
চকুৰ পচাৰ পৰিল কি নৌ, হ'লগৈ শকত জেঠাইদেউ।

'ঔ' শব্দটো কোৱাৰ লগে লগে মুখখন ঘেৰি দিব লাগে, "চকুৰ পচাৰ পৰিল কি নৌ" গাওঁতে অৰ্ধবৃত্ত তিনিটা দিব লাগে। ঠিকমতে আঁচকেইডাল দিলে ফলাফলত দেখা যায় পুৰণি ধৰণৰ জাপানী খোপাৰে সৈতে এগৰাকী শকত মহিলাৰ মুখ।

ত'মে'ত ল'ৰা-ছোৱালীবোৰক যিহেতু নিজে ভাল পোৱা ক্ৰম মতেই কাম কৰিবলৈ অনুমতি দিয়া হয়, গতিকে আনে কৰা কামেৰে নিজক আমনি কৰিবলৈ এৰি দিয়াটো অদ্ভুত কথা হ'লহেঁতেন। কেউফালে যিহকে ঘটি নাথাকক লাগে সিহঁতক নিজৰ কামত মনোযোগ দিবলৈ প্ৰশিক্ষণ দিয়া আছে। সেই কাৰণে ডাঙৰকৈ পদ্য গাই গাই আঁকি থকা ল'ৰাটোলৈ কোনেও মনোযোগ দিয়া নাছিল। এজন নে দুজনৰ বাহিৰে আন সকলোবোৰ নিজৰ নিজৰ কিতাপতে মগ্ন হৈ আছিল। ত'ত্ত'-চ্চানৰ কিতাপখন আছিল এটা সাধুকথাৰ। সাধুটো হ'ল সদায় বাতকৰ্ম কৰি থকাৰ কাৰণে দৰা নোপোৱা ধনী মানুহৰ ছোৱালী এজনীৰ বিষয়ে। অৱশেষত মাক-দেউতাকে যেনিবা এজন দৰা যোগাৰ কৰিব পাৰিলে কিন্তু তাই বিয়াৰ দিনা ৰাতি ইমান উত্তেজিত হৈ আছিল যে আনদিনাতকৈ বহু ডাঙৰকৈ এটা বায়ু গ'ল আৰু তাৰ বতাহখিনিয়ে দৰাজনক বিছনাৰপৰা উৰাই লৈ গ'ল, চাৰে-সাত পাক ঘূৰালে আৰু অচেতন কৰি পেলালে। ইমান আমোদজনক যেন লগা ছবিখন আছিল কোঠাটোৰ মাজেৰে তেওঁ উৰি যোৱাৰ ছবি। পিছলৈ সদায় সেই কিতাপখনৰ চাহিদা বৰ বেছি হৈছিল।

স্কুলৰ সকলো ছাত্ৰই ছাৰ্ডিন মাছৰ দৰে জপা-ওপৰা অৱস্থাত ডবা ভৰ্তি হৈ খিড়িকিৰে সোমাই অহা পুৱাৰ ৰ'দৰ পোহৰত কিতাপবোৰ আগ্ৰহেৰে গিলি খোৱাৰ দৰে পঢ়ি থকাৰ দৃশ্যই হে'ডমাষ্টৰৰ অন্তৰত নিশ্চয় আনন্দ দিছিল। ল'ৰা-ছোৱালীবোৰে সেইদিনাৰ গোটেই দিনটো পুথিভঁৰালৰ ডবাটোতে কটালে। পাছলৈ সিহঁত বৰষুণৰ বাবে বাহিৰলৈ ওলাব নোৱৰা হ'লে বা আন বহু সময়তো পুথিভঁৰালটো আটাইবোৰ গোট খোৱাৰ বাবে এডোখৰ প্ৰিয় ঠাই হৈ পৰিছিল।

"মই ভাবিছোঁ, পুথিভঁৰালৰ ওচৰতে এটা বাথৰুম সজালে ভাল হয়," হেড'মাষ্টৰে এদিন ক'লে।

কাৰণ ল'ৰা-ছোৱালীবোৰ নিজৰ নিজৰ কিতাপত ইমান ডুব গৈ থাকে যে সদায় শেষ মিনিটটোলৈ ৰৈ থাকি শেষত সভাভৱনৰ সিফালে থকা টয়লেটলৈ কষ্টত কোঁচ খোৱা দেহাৰে প্ৰচণ্ড দৌৰ মাৰিব লগা হয়।

নেজ

এদিন আবেলি স্কুল ছুটীৰ পিছত ত'ত্ত'-চ্চান ঘৰলৈ যাবলৈ সাজু হৈছিল। ওএই তাইৰ ওচৰলৈ দৌৰি আহি ফুচফুচাই ক'লেহি, "হে'ডমাষ্টৰ কাৰোবাৰ ওপৰত খঙত অগ্নিশৰ্মা হৈ গৈছে।"

"ক'ত?", ত'ত্ত'-চ্চানে সুধিলে।

তাই কেতিয়াও হে'ডমাষ্টৰৰ খং উঠাৰ কথা শুনা নাছিল আৰু আচৰিত হৈ গৈছিল। ওএই ইমান বেগাই দৌৰি তাইক ক'বলৈ অহাৰপৰা ধৰিব পাৰি যে সি দেখদেখকৈয়ে আচৰিত হৈছিল।

"তেখেতসকল পাকঘৰত আছে" ওএই ক'লে। তাৰ সৰল চকু দুটা বিস্ফাৰিত আৰু নাকৰ পাহি অলপ অলপ ফুলা।

"আহাঁ!"

ত'ত্ত'-চ্চানে ওএৰ হাতত ধৰিলে আৰু দুয়ো হে'ডমাষ্টৰৰ ঘৰৰ পিনে দৌৰি গ'ল। সভাভৱনৰ লগতে তেখেতৰ ঘৰ, আৰু স্কুলৰ খেলপথাৰলৈ থকা পিছফালৰ দুৱাৰখনৰ ঠিক ওচৰতে পাকঘৰটো। সেইবাৰ ত'ত্ত'-চ্চান চুৱাপাতনিৰ গাঁতত সোমাওঁতে তাইক ধুৱাই-পখলাই চাফা কৰিবলৈ পাকঘৰটোৰ মাজেদিয়ে বাথৰুমলৈ লৈ যোৱা হৈছিল। দিনৰ সাজ ভাত খোৱাৰ বেলিকা কোনোবাজনৰ "মহাসাগৰৰপৰা কিবা অলপ, পাহাৰৰপৰা কিবা অলপ" অনাত ঘাটি পৰিলে হে'ডমাষ্টৰৰ এই পাকঘৰটোৰপৰাই সহায় আগবঢ়োৱা হয়।

দুইটা ল'ৰা-ছোৱালী হাতত সাৰে ভৰিত সাৰে পাকঘৰৰ ফালে গৈ থাকোঁতে সিহঁতে বন্ধ দুৱাৰৰ মাজেদিয়ে হে'ডমাষ্টৰৰ খঙাল মাত শুনিবলৈ পালে।

"আপুনি কিয় তাকাহাশ্বিক নভবা-নিচিন্তাকৈ তাৰ নেজ আছে বুলি কৈছিল?"

সিহঁতৰ শ্ৰেণীৰ শিক্ষয়িত্ৰীক গালি পৰা হৈছে।

"মই কথাটোত ইমান গুৰুত্ব দি কোৱা নাছিলোঁ।" সিহঁতে তেখেতৰ উত্তৰটো শুনিবলৈ পালে। "সেই মুহূৰ্তত মই তালৈ লক্ষ্য কৰিছিলোঁ আৰু তাক বেছ মৰম লগা যেন লাগিছিল বাবেই প্ৰশ্নটো তাকে সুধিলোঁ।"

"কিন্তু আপুনি কোৱা কথাটোৰ গুৰুত্বখিনি দেখা পোৱা নাছিল নে? তাকাহাশ্বিৰ সম্পৰ্কে মই যিখিনি সাৱধানতাৰে চলোঁ সেইখিনি আপোনাক বুজাবলৈ মই কি কৰিব লাগিব, কওক।"

সেইদিনা ৰাতিপুৱা কি ঘটিছিল ত'ত্ত'-চ্চানৰ মনত পৰিল। শ্ৰেণীৰ

শিক্ষয়িত্ৰীগৰাকীয়ে মানুহৰ নেজ থকাৰ কথা কৈ আছিল। ল'ৰা-ছোৱালীবোৰে কথাটো বৰ স্ফূৰ্তিৰ কথা বুলি ভাবিছিল। প্ৰাপ্তবয়স্ক মানুহে শুনিলে তেখেতৰ বক্তৃতাটো হয়তো বিবৰ্তনবাদ তত্ত্বৰ পাতনি বুলি ক'লেহেঁতেন। কথাখিনিয়ে ল'ৰা-ছোৱালীবোৰক বৰ আকৰ্ষণ কৰিছিল আৰু যেতিয়া শিক্ষয়িত্ৰীগৰাকীয়ে ক'লে যে প্ৰত্যেকৰে নেজৰ অৱশিষ্ট চিনটো আছে আৰু তাৰ নাম পুচ্ছাস্থি, তেতিয়া প্ৰতিজনেই ভাবিবলৈ ধৰিলে তাৰটো ক'ত আছে আৰু অতি সোনকালেই শ্ৰেণীকোঠাটো হৈ-হাল্লাৰে ভৰি পৰিল। অৱশেষত শিক্ষয়িত্ৰীয়ে ধেমালিৰ সুৰত ক'লে, "ইয়াতো কাৰবাৰ কাৰবাৰ এতিয়াও নেজ থাকিব পাৰে। তোমাৰ একা, তাকাহাশ্বি?"

খৰধৰকৈ থিয় হৈ তাকাহাশ্বিয়ে জোৰেৰে মূৰ লৰালে আৰু সাংঘাতিক আন্তৰিকতাৰে ক'লে, "মোৰ নাই"।

ত'ত্ত'-চ্চানে বুজিলে হে'ডমাষ্টৰে সেই বিষয়েই কৈছে। তেখেতৰ মাতটোত এতিয়া খঙতকৈ দুখ বেছি। "তাকাহাশ্বিক নেজ আছে নে কি বুলি সুধিলে তাৰ কেনেকুৱা লাগিব পাৰে আপোনাৰ বাৰু মনত খেলাইছেনে?"

ল'ৰা-ছোৱালীহালে শিক্ষয়িত্ৰীৰ উত্তৰটো শুনিবলৈ নাপালে। নেজৰ কথাত হে'ডমাষ্টৰৰ কিয়নো ইমান খং উঠিছে ত'ত্ত'-চ্চানে বুজিব নোৱাৰিলে। হে'ডমাষ্টৰে তাইক নেজ আছে নে কি বুলি সোধা হ'লে তাই কিন্তু ভাল হে পালেহেঁতেন।

অৱশ্যে তাইৰ কোনো শাৰীৰিক গণ্ডগোল নাই আৰু সেই কাৰণে এনে প্ৰশ্নত তাই বেয়া নাপায়। কিন্তু তাকাহাশ্বি আৰু কোনোদিনেই নাবাঢ়ে আৰু সেই কথাটো সি জানে। সেইটো কাৰণতে খেল দিবসত হে'ডমাষ্টৰে এনেকুৱা বিষয়বোৰ ভাবি উলিযাইছিল য'ত তাকাহাশ্বিয়ে ভাল ফল কৰিব পাৰিব। তেখেতে সাঁতোৰা পোছাক নিপিন্ধাকৈ সিহঁতক পুখুৰীত সাঁতুৰিবলৈ দিছিল যাতে তাকাহাশ্বিৰ দৰে ল'ৰা-ছোৱালীৰ আত্মসচেতনতা নাইকিয়া হৈ যায়। শাৰীৰিক প্ৰতিবন্ধকতা থকা তাকাহাশ্বি আৰু য়াছুআকি-চ্চানৰ দৰে ল'ৰা-ছোৱালীৰ যি কোনো মানসিক জটিলতা আৰু সিহঁত যে আন ল'ৰা-ছোৱালীতকৈ হীন এনে মনোভাৱ থাকিলে নাইকিয়া কৰিবৰ কাৰণে তেখেতে যিখিনি পাৰিছিল, সকলোখিনিকে কৰিছিল। মানুহ কেনেকৈ ইমান চিন্তাশূন্য হ'ব পাৰে যে তাক দেখিবলৈ মৰম লগা বুলিয়েই তাৰ নেজ আছে নে কি বুলি সুধিব পাৰে, এই কথা হে'ডমাষ্টৰৰ ধাৰণাৰো অতীত।

ঘটনাক্ৰমে হে'ডমাষ্টৰ সেইটো শ্ৰেণী পৰিদৰ্শন কৰিবলৈ আহিছিল আৰু সেইটো কথা কোৱাৰ সময়ত তেখেত শ্ৰেণীকোঠাৰ পিছফালে থিয় হৈ আছিল।

শিক্ষয়িত্ৰীগৰাকীয়ে কন্দা ত'ত্ত'-চ্চানে শুনিবলৈ পালে। "মোৰ সাংঘাতিক ভুল হৈছিল", তেখেতে উচুপি উচুপি কান্দিলে। "তাকাহাশ্বিক ক্ষমা খুজিবলৈ মই কি কৰিব পাৰোঁ?"

হে'ডমাষ্টৰে একো কোৱা নাছিল। ত'ত্ত'-চ্চানে আয়নাৰ দুৱাৰেৰে তেখেতক দেখা পোৱা নাছিল। কিন্তু তাইৰ তেখেতৰ ওচৰলৈ যাবলৈ ইমান মন গৈছিল! সকলো কথা তাই বুজা নাছিল যদিও কেনেবাকৈ তাই আগতকৈও বেছিকৈ বুজি উঠিছিল যে তেখেত সিহঁতৰ বন্ধু। ওএয়ো নিশ্চয় তেনেকৈ ভাবিছিল। হে'ডমাষ্টৰে শিক্ষয়িত্ৰীগৰাকীক আনসকলৰ সমুখত নবকি পাকঘৰলৈ মাতি আনি খং কৰাৰ কথাটোও ত'ত্ত'-চ্চানে কেতিয়াও পাহৰা নাছিল। ত'ত্ত'-চ্চানে সেই সময়ত বুজিব পৰা নাছিল যদিও তেখেত যে শব্দটোৰ প্ৰকৃত অৰ্থতেই এজন শিক্ষাবিদ আছিল সেইটো এই কথাৰপৰাই বুজিব পৰা যায়। তেখেতৰ কণ্ঠস্বৰ, তেখেতৰ শব্দবোৰ তাইৰ অন্তৰত চিৰকালৰ কাৰণেই প্ৰোথিত হৈ ৰৈছিল।

বসন্তকাল প্ৰায় আহি গৈছিল। ত'মে'ত ত'ত্ত'-চ্চানৰ দ্বিতীয়টো বসন্ত আৰু এক নতুন স্কুলবৰ্ষৰ আৰম্ভণি হ'ল।

ত'মে'ত তাইৰ দ্বিতীয় বছৰ

স্কুলৰ খেল-পথাৰৰ সকলো গছতে কোমল সেউজীয়া কুঁহিপাত ওলাইছে, ফুলনিত ফুলবোৰ ফুলাত ব্যস্ত। ক্ৰ'কাছ, ডেফ'ডিল আৰু পেন্সিয়ে ক্ৰমে মূৰ দাঙিছে; যেন ত'মে'ৰ ছাত্ৰ-ছাত্ৰীক সুধিব খুজিছে, "তোমাৰ খবৰ কি?" টিউলিপবোৰে ঠাৰি দীঘল কৰি যেন এঙামুৰিহে দিছে। মৃদু মলয়াত চেৰী ফুলৰ কলিবোৰ কঁপিছে। সংকেত আহিলেই ফুলি জাতিষ্কাৰ হ'বলৈ সকলো ঠিকঠাক আৰু সাজু।

সাতোঁৰা পুখুৰীৰ ওচৰৰ ভৰি ধোৱা বৰ্গক্ষেত্ৰাকাৰ পকা বেছিনত ক'লা পপ্‌আই মাছবোৰ আৰু তাৰ পিছে পিছে গ'ল্ডফিশ্বৰোৰ গা পা জোকাৰি সাঁতুৰিবলৈ সাজু হৈছে।

ঋতুটোক "বসন্তকাল" বুলি ক'বৰ প্ৰয়োজনেই নাছিল, কাৰণ প্ৰতিটো

বস্তুকে উজ্জ্বল, সজীৱ আৰু সতেজ যেন লগা এই ঋতুৰ বাবে বেলেগে ঘোষণা কৰাৰ দৰকাৰ নাই। প্ৰত্যেকেই জানে যে এয়া বসন্তকাল।

সেইদিনা ৰাতিপুৱা মাকৰ সৈতে ত'ত্ত'-চ্চান ত'মে গাকুএনলৈ অহা ঠিক এবছৰ হৈছিল। স্কুলৰ গেইটখন মাটিত গজি উঠা দেখি তাই ইমান আচৰিত হৈছিল, ৰে'লৰ ডবাত স্কুল বহা দেখি ইমান উত্তেজিত হৈছিল যে তাই জঁপিয়াই তল-ওপৰ কৰি ফুৰিছিল আৰু হে'ডমাষ্টৰ ছ'ছাকু কবায়াশ্বি তাইৰ বন্ধু বুলি ইমান নিশ্চিত হৈছিল! এতিয়া নতুনকৈ অহা প্ৰথম শ্ৰেণীৰ ল'ৰা-ছোৱালীবোৰে কৌতূহলেৰে কেউফালে চাই-চিন্তি ফুৰা দেখি, নতুনকৈ লাভ কৰা দ্বিতীয় মান শ্ৰেণীৰ পদমৰ্য্যাদাত ত'ত্ত'-চ্চান আৰু তাইৰ লগৰীয়াহঁতে আনন্দ লাভ কৰিছিল।

যোৱা বছৰটো ত'ত্ত'-চ্চানৰ কাৰণে এটা ঘটনাপূৰ্ণ বছৰ আছিল আৰু তাই প্ৰতিটো ৰাতিপুৱাৰ কাৰণে আগ্ৰহেৰে বাট চাই আছিল। এতিয়াও তাই বাটে বাটে বাজনা বজাই ফুৰা দলবোৰক ভাল পায়, কিন্তু তাইৰ চাৰিওফালৰ আৰু বহুত বহুত বেছি বস্তুকো তাই ভাল পাবলৈ শিকিলে। এটা উপদ্ৰৱ বুলি বহিষ্কাৰ কৰি দিয়া সৰু ছোৱালীজনী ত'মে'ৰ উপযুক্ত হৈ গঢ় লৈ উঠিল।

ত'মে'ৰ শিক্ষা সম্পৰ্কে কিছুমান মাক-দেউতাকৰ ভুল ধাৰণা আছিল। এনেকুৱা সময়ো আহিছিল যেতিয়া ত'ত্ত'-চ্চানৰ মাক-দেউতাকে ভাবিব লগা হৈছিল তেওঁলোকে শুদ্ধ কাম কৰিছে নে নাই। চকুৰে দেখাখিনিৰ ওপৰত নিৰ্ভৰ কৰি ক'বায়াশ্বিৰ শিক্ষা-ব্যৱস্থাক সন্দেহৰ চকুৰে চোৱা আৰু ওপৰে ওপৰে বিচাৰ কৰা মাক-দেউতাকসকলৰ মাজত এনে কিছুমান লোকো আছিল যি সকলে তেখেতৰ স্কুলত ল'ৰা-ছোৱালী এৰিবলৈ আশঙ্কা কৰিছিল আৰু সিহঁতক আন ঠাইলৈ বদলি কৰি নিবলৈ যোগাৰ কৰিছিল। কিন্তু ল'ৰা-ছোৱালীবোৰে নিজেই ত'মে' স্কুল এৰি যাবলৈ অস্বীকাৰ কৰি কন্দা-কটা কৰিছিল। সৌভাগ্যবশতঃ ত'ত্ত'-চ্চানৰ শ্ৰেণীৰ এজনেও স্কুল এৰি যোৱা নাছিল। কিন্তু ওপৰৰ এটা শ্ৰেণীৰ ল'ৰা এটাই এৰি যাব লগা হওঁতে তাৰ দুয়ো গালেৰে ধাৰাসাৰে চকুপানী বৈছিল আৰু সি তাৰ হতাশাৰ প্ৰকাশ হিচাপে হে'ডমাষ্টৰৰ পিঠিত ভুকুৱাইছিল, আৰু গোটেই সময়খিনি ধৰি তাৰ ছাল-বাকলি এৰোৱা আঁঠুৰ শুকাই অহা চোকোৰা ছটা লট্‌পটাই আছিল। কন্দাৰ কাৰণে হে'ডমাষ্টৰৰ চকু দুটাও ৰঙা পৰিছিল। অৱশেষত মাক-দেউতাকে ল'ৰাটোক স্কুলৰপৰা উলিয়াই লৈ গ'ল। যাওঁতে সি উভতি উভতি চাই হাত লৰাই লৰাই গৈছিল।

কিন্তু তেনে দুখৰ ঘটনা সদায় ঘটা নাছিল। আৰু বেছি দৈনন্দিন চমক আৰু আনন্দৰ প্ৰত্যাশাৰে ত'ত্ত'-চ্চান এতিয়া দ্বিতীয় শ্ৰেণীৰ ছাত্ৰী। ইতিমধ্যে তাইৰ পিঠিৰ লগত স্কুলৰ বেগটোৰ ভালকৈয়ে চিনা-জনা হৈছিল।

ছ্ৱন লে'ইক

ত'ত্ত'-চ্চানক এদিন "ছ্ৱন লে'ইক" বেল্লে'ই চাবলৈ হিবিয়া-হললৈ নিয়া হৈছিল। দেউতাকে এককভাৱে বেহেলা বজাইছিল আৰু বৰ ভাল দল এটাই নাচিছিল। এই প্ৰথমবাৰৰ বাবে তাই বেল্লে'ই চাবলৈ পাইছিল। ৰাজ-হাঁহৰ ৰাণীজনীয়ে মূৰত এটা জিলিকি থকা অকণমানি মুকুট পিন্ধিছিল আৰু আচল ৰাজহাঁহৰ দৰে অনায়াসে শূন্যতে জঁপিয়াইছিল বা হয়তো ত'ত্ত'-চ্চানৰ তেনে যেন লাগিছিল। ৰাজকুমাৰ ৰাজহাঁহৰ ৰাণীজনীৰ প্ৰেমত পৰিল আৰু আন সকলোকে অৱজ্ঞা কৰিলে। অৱশেষত তেওঁলোক দুয়োজনে ইমান মৰমেৰে একেলগে নাচিলে! ত'ত্ত'-চ্চানৰ ওপৰত তাৰ যন্ত্ৰ-সঙ্গীতেও বৰকৈ প্ৰভাৱ পেলালে। ঘৰলৈ আহি তাই সেই বিষয়ে নভবাকৈ থাকিবই নোৱৰা হ'ল। পিছদিনা পুৱা সাৰ পাই মূৰ নাচোঁৰাকৈয়ে চিধা তাই পাকঘৰত থকা মাকৰ ওচৰলৈ গ'ল আৰু ঘোষণা কৰিলে, "মই চোৰাংচোৱা নহওঁ, বাজনাৰ দলত বাজনাও নবজাওঁ, টিকেটো নেবেচোঁ, মই বেল্লেৰিনা হ'ম আৰু 'ছ্ৱন লে'ইক'ত নাচিম।"

"অঁ" মাকে ক'লে, তেখেতক আচৰিত হোৱা যেন দেখা নগ'ল।

এই প্ৰথমবাৰৰ কাৰণে ত'ত্ত'-চ্চান বেল্লে'ই চাবলৈ গ'ল, কিন্তু তাই হে'ডমাষ্টৰৰপৰা অতি সুন্দৰকৈ নাচিব জনা মাৰ্কিন ভদ্ৰমহিলা ইছাডোৰা ডানকানৰ বিষয়ে বহুত কথা শুনিছিল। শ্ৰীযুত কবায়াশ্বিৰ দৰেই ইছাডোৰা ডানকানৰ ওপৰতো ডে'লক্ৰ'জৰ প্ৰভাৱ পৰিছিল। তাই যাৰ প্ৰতি ইমান মুগ্ধ সেই হে'ডমাষ্টৰেই যদি ইছাডোৰা ডানকানক ভাল পায় তেন্তে ত'ত্ত'-চ্চানৰ কাৰণে সিয়েই যথেষ্ট। তাই যদিও তেওঁৰ নৃত্য দেখা নাই তথাপি তাইৰ তেওঁক চিনাকি যেন লাগে। গতিকে নৰ্তকী হোৱাটো তাই এটা অসাধাৰণ কথা বুলি নাভাবে।

ঘটনাক্ৰমে ত'মে'ত ইউৰিদ্‌মিকৃছ শিকোৱা শ্ৰীযুত ক'বায়াশ্বিৰ এজন বন্ধুৰ নাচৰ স্কুল এখন ওচৰতেই আছিল। মাকে ত'ত্ত'-চ্চানক স্কুল ছুটীৰ পিছত তাতে নাচৰ পাঠ ল'বলৈ ঠিকঠাক কৰি দিলে। ত'ত্ত'-চ্চানে এইটো কৰিব লাগে, সেইটো কৰিব নালাগে বুলি মাকে কেতিয়াও নকৈছিল। পিছে তাই কিবা কৰিবলৈ বিচাৰিলে তেখেতে সন্মতি দিছিল আৰু অজস্ৰ প্ৰশ্ন সুধি নাথাকি আগবাঢ়ি গৈ সকলো যা-যোগাৰ কৰি দিছিল।

'ছ্ৱন লে'ইক' নাচিব পৰা হোৱা দিনটোলৈ প্ৰতীক্ষা কৰি ত'ত্ত'-চ্চানে নাচৰ স্কুলত পাঠ লোৱা আৰম্ভ কৰিলে। কিন্তু শিক্ষকজনৰ নিজা বিশেষ নিয়ম-প্ৰণালী

আছিল। স্কুলত কৰা ইউৰিদ্‌মিক্‌চৰ উপৰিও তেখেতে ছাত্ৰ-ছাত্ৰীবোৰক পিয়ানো বা গ্ৰামোফোনৰ সংগীতৰ লগত মিলাই ৰাজহাঁহৰ দৰে খোজ কাঢ়িবলৈ দিছিল; কিছুমান বাক্যাংশ, যেনে— ফুজি পৰ্বত বগাওঁতে তীৰ্থযাত্ৰীসকলে গাই যোৱা "মোৰ আত্মা শুদ্ধ কৰা, অ' পৰ্বতত জিলিকি উঠা" প্ৰাৰ্থনা সঙ্গীতটোৰপৰা 'পৰ্বতত জিলিকি উঠা' বাক্যাংশটো নিজে নিজে পুনৰাবৃত্তি কৰি কৰি পিয়ানো বা গ্ৰামোফোনৰ সঙ্গীতৰ লগত গহীনাই খোজ কাঢ়ি থাকিবলৈ দিছিল। হঠাতে শিক্ষকে 'পজ' বুলি চিঞৰি দিছিল আৰু ছাত্ৰ-ছাত্ৰীয়ে নিজে নিজে ঠিক কৰি লোৱা কিবা একোটা পজ দি থৰ হৈ ৰৈ থাকিব লাগিছিল। শিক্ষকেও "আ...স!" বা তেনে একোটা ভাববোধক শব্দ ডাঙৰকৈ উচ্চাৰণ কৰি আকাশৰ ফালে চাই থকা পজ দিছিল বা কেতিয়াবা 'যন্ত্ৰণাবিদ্ধ ব্যক্তি এজনৰ পজ দি কুঁজা হৈ মূৰটো দুই হাতেৰে দাঙি ধৰিছিল।

যি হওক, ত'ত্ত'-চ্চানৰ মনত সাঁচি থোৱা ভাবমূৰ্তিটো আছিল এটা জিলিকি থকা মুকুট আৰু ফ্ৰিল দিয়া বগা পোছাক পিন্ধা 'ৰাজহাঁহৰহে', 'পৰ্বতত জিলিকি উঠা' বা "আ.....স!" নহয়।

এদিন সাহস সঞ্চয় কৰি ত'ত্ত'-চ্চান শিক্ষকৰ ওচৰলৈ গ'ল। পুৰুষ যদিও তেখেতৰ চুলি কেঁকোৰা আৰু কপালৰ আগত চৌখিনকৈ পেলাই কটা আছিল। ত'ত্ত'-চ্চানে হাত দুখন মেলি ৰাজহাঁহৰ পাখিৰ দৰে ধপধপালে।

"আমি কেতিয়াও এনেকুৱা নকৰিম নেকি?" তাই সুধিলে।

ডাঙৰ ডাঙৰ ঘূৰণীয়া চকু আৰু ভাটৌঠুঁটীয়া নাকেৰে শিক্ষকজন এজন ধুনীয়া মানুহ আছিল।

"আমি ইয়াত তেনে ধৰণৰ নাচ নিশিকাওঁ নহয়," তেখেতে ক'লে।

তাৰ পিছত ত'ত্ত'-চ্চানে নাচৰ স্কুললৈ যোৱা বন্ধ কৰিলে। সঁচা কথা, বেল্লেই শ্বু নিপিন্ধাকৈ শুদা ভৰিৰে দেও দি ফুৰিবলৈ আৰু নিজে ভাবি ভাবি উলিওৱা চমক লগোৱা 'পজ' দিবলৈ তাইৰ ভালেই লাগিছিল। কিন্তু সৰ্বোপৰি সেই অকণমানি চিকমিকোৱা মুকুটটোৰ আশাতহে তাই এই কামবোৰ কৰিছিল।

"ছ্বন লে'ইকটো বৰ সুন্দৰ," শিক্ষকে ক'লে, "কিন্তু মই আশা কৰোঁ মই তোমাক ঠিক নিজৰ কল্পনামতে নাচিবলৈহে ভাল পোৱা কৰি তুলিম।"

কেইবাবছৰো পিছলৈকে ত'ত্ত'-চ্চানে জনাই নাছিল যে তেখেতৰ নাম আছিল বকু ঈশ্বীই। তেখেতে যে অকল জাপানত "ফ্ৰি বেল্লেই"ৰ প্ৰথম প্ৰৱৰ্তন কৰিছিল এনে নহয়, সেই ঠাইখনৰ নাম 'জিয়ুগাওকা' (মুক্তি পাহাৰ) তেখেতেই ৰাখিছিল। তদুপৰি --- সেই সময়ত তেখেতৰ বয়স আছিল পঞ্চাছ বছৰ— এই মানুহজনে ত'ত্ত'-চ্চানক মুক্তভাৱে নচাৰ আনন্দৰ কথা শিকাবলৈ চেষ্টা কৰিছিল।

খেতি কৰা শিক্ষকজন

"এখেত তোমালোকৰ আজিৰ শিক্ষক। এখেতে তোমালোকক বিভিন্ন ধৰণৰ বস্তু দেখুৱাব",— এই বুলি হে'ডমাষ্টৰে এজন নতুন শিক্ষকক পৰিচয় কৰাই দিলে। ত'ত্ত'-চ্চানে তেখেতক ভালকৈ লক্ষ্য কৰিলে। প্ৰথম কথা তেখেতে মুঠেই শিক্ষকৰ দৰে পোছাক পিন্ধা নাছিল। তেখেতে কামিজৰ ওপৰত এটা আঁচ আঁচ, চুটি, কপাহী, কাম কৰোঁতে পিন্ধা জেকেট পিন্ধিছিল আৰু 'টাই' বন্ধাৰ সলনি ডিঙিয়েদি ঘূৰাই এখন কাপোৰ লৈছিল। পেণ্টটো আছিল ঠেক ভৰিৰ, কপাহী, নীল দিয়া আৰু তাপলিৰে ভৰা। জোতাৰ পৰিবৰ্তে তেখেতে পিন্ধিছিল কাম কৰা মানুহে পিন্ধা ডাঠ, আঙুলিত দুটা খাঁজ থকা, ৰবৰৰ তলি থকা মোজা আৰু মূৰত আছিল জীৰ্ণ-শীৰ্ণ এটা জাঁপি।

ল'ৰা-ছোৱালী সকলোবোৰ কুহ্‌নবুৎছু মন্দিৰৰ ওচৰৰ পুখুৰীৰ কাষত গোট খালে।

শিক্ষকজনলৈ থৰ লাগি চাই থাকোঁতে ত'ত্ত'-চ্চানে ভাবিছিল যে তাই তেখেতক ক'ৰবাত দেখিছিল। "ক'ত বাৰু?" তাই ভাবিলে। তেখেতৰ মৰমিয়াল মুখখন ৰ'দে পোৰা আৰু কোঁচখোৱা। আনকি বেল্টৰ সলনি ককাঁলত বান্ধি ৰখা ক'লা ৰছীডালৰপৰা ওলমি থকা লাহী পাইপটোও চিনাকি যেন লাগিছিল। হঠাৎ তাইৰ মনত পৰি গ'ল ঃ

"আপুনি জুৰিটোৰ পাৰত পথাৰত কাম কৰি থাকে, নহয়?" ৰং মনেৰে তাই সুধিলে।

"ঠিকেই কৈছা দিয়া," 'শিক্ষক'জনে দাঁত উলিয়াই হাঁহি মাৰি ক'লে। তেখেতৰ মুখখন আৰু কোঁচ কোঁচ হৈ গ'ল। "তোমালোকে মোৰ কাষেদিয়েইতো কুহ্‌নবুৎছুলৈ অহা-যোৱা কৰা। সেইখানতো মোৰেই পথাৰ। অ' সেই বেহাৰৰ ফুলে ভৰ্তি হৈ থকা খান।"

"বাঃ বাঃ! আজি আপুনি আমাৰ শিক্ষক হ'ব," উত্তেজনাৰে ল'ৰা-ছোৱালীবোৰে চিঞৰিলে।

"এঁ, নহওঁ বাপাহঁত, মাইহঁত! মই শিক্ষক নহওঁ।" মুখৰ আগেদি হাতখন ঘূৰাই তেখেতে ক'লে, "শিক্ষক-চিক্ষক একো নহয়, খেতিয়কহে মই। অ', হেড'মাষ্টৰে মোক এইখিনি কৰি দিবলৈ দিছে আৰু, কৰি দিছোঁ, পাৰাখিনি"।

"হয়, হয় তেখেত শিক্ষক, খেতি কৰা শিক্ষক," কাষতে থিয় হৈ থকা হে'ডমাষ্টৰে ক'লে, "তেখেতে অশেষ দয়াৰে পথাৰত শস্য ৰোৱাৰ বিষয়ে তোমালোকক শিকাই দিব। এজন বে'কাৰে তোমালোকক ৰুটি কৰিবলৈ

শিকোৱাৰ দৰে কথা। বাৰু এতিয়া", তেখেতে খেতিয়কজনক ক'লে, "ল'ৰা ছোৱালীহঁতক কওক কি কৰিব লাগিব। আমি আৰম্ভ কৰোঁহক।"

সাধাৰণ প্ৰাথমিক স্কুলত কোনোবাই ল'ৰা-ছোৱালীক কোনো কথা শিকাব লাগিলে বোধহয় শিক্ষকতাৰ অৰ্হতা থাকিব লাগিব, কিন্তু শ্ৰীক'বায়াশ্বিয়ে তেনে বস্তুৰ বাবে চিন্তা নকৰে। ল'ৰা-ছোৱালীয়ে প্ৰকৃত কামটো কৰা দেখি দেখি শিকিব পৰাটোহে দৰ্কাৰী কথা বুলি তেখেতে ভাবিছিল।

"আহাঁ তেন্তে আৰম্ভ কৰোঁ," খেতি কৰা শিক্ষকজনে ক'লে।

তেওঁলোক গোট খোৱা ঠাই ডোখৰ কুহ্নবুৎছু পুখুৰীৰ কাষত আৰু ঠাইডোখৰ বেছ শান্ত, —পুখুৰীটো গছৰ ছাঁয়াৰে আবৃত বাবে আৰামদায়ক। হে'ডমাষ্টৰে ইতিমধ্যে কোৰ, খন্তি, চিপৰাং আদি খেতি কৰা সঁজুলিবোৰ ৰাখিবৰ বাবে এটা আধাখনীয়া ডবা তাত ৰখাইছিল। সেই আধাখনীয়া ডবাটো সিহঁতে খেতি কৰিবলৈ লোৱা ঠাইডোখৰৰ ঠিক মাজতে পৰিপাটীকৈ থোৱা আছিল।

খেতি কৰা শিক্ষকজনে ল'ৰা-ছোৱালীহঁতক সেই ডবাটোৰপৰা কোৰ, খন্তি আদি আনিবলৈ ক'লে আৰু সিহঁতক বন নিৰাবলৈ লগাই দিলে। তেখেতে অদৰকাৰী ঘাঁহ-বন সম্পৰ্কে ক'লে; সেইবোৰ কেনে টান; কেনেকৈ শস্যৰ গছতকৈ বেগেৰে সেইবোৰ বাঢ়ে আৰু শস্যৰ গছক বেলিৰ পোহৰৰপৰা আঁৰ কৰি ধৰে; অনিষ্টকাৰী পোক-পতঙ্গৰ কাৰণে এনে বন- বাতবোৰ কেনে বঢ়িয়া লুকোৱা ঠাই আৰু মাটিৰপৰা সকলো সাৰ টানি লৈ এনে অদৰকাৰী বন-বাতবোৰ কেনেকৈ খেতিৰ কাৰণে উপদ্ৰৱস্বৰূপ হ'ব পাৰে ইত্যাদি। তেখেতে সিহঁতক এটাৰ পিছত এটাকৈ বহুত কথা শিকালে। কথা কৈ থাকোঁতে ৰৈ নাথাকি তেখেতে হাত দুখনেৰে বন নিৰাই আছিল। ল'ৰা-ছোৱালীবোৰেও তাকে কৰিছিল। তেতিয়া শিক্ষকজনে খন্তি আদি কেনেকৈ মাৰিব লাগে দেখুৱালে, কেনেকৈ সীৰলু তৈয়াৰ কৰিব লাগে, কেনেকৈ সাৰ ছটিয়াব লাগে আৰু পথাৰত শস্য গজাবলৈ কৰিবলগীয়া সকলোখিনিকে ব্যাখ্যা কৰি আৰু নিজে কৰি দেখুৱাই বুজাই দিলে।

এটা সৰু সাপৰ মূৰটো দেখা গ'ল আৰু ই এটা ডাঙৰ ল'ৰা তা-চ্ছানক প্ৰায় খুঁটিবলৈ ধৰিছিলেই। কিন্তু খেতি কৰা শিক্ষকজনে তাক আশ্বাস দিলে, " ইয়াৰ সাপবোৰৰ বিষ নাই আৰু তুমি দুখ নোপোৱালে সিহঁতে নোখোঁটেও।"পথাৰত কেনেকৈ শস্য উৎপন্ন কৰে সেই কথা শিকোৱাৰ বাহিৰেও খেতি কৰা শিক্ষকজনে সিহঁতক পোক-পতঙ্গ, চৰাই-পখিলা আৰু বতৰৰ বিষয়ে আৰু অজস্ৰ আন কথাৰ বিষয়ে শিকালে।

তেখেতে ল'ৰা-ছোৱালীহঁতক কোৱা প্ৰতিটো কথাকে যেন তেখেতৰ

শক্তিশালী গাঁঠিযুক্ত হাত দুখনে এইবুলি প্ৰত্যায়িত কৰিছিল যে তেখেতে কোৱা প্ৰতিটো কথাই অভিজ্ঞতাৰপৰা পোৱা।

শিক্ষকজনৰ সহায়ত পথাৰখনত শস্য ৰুই শেষ কৰে মানলৈ ল'ৰা-ছোৱালীবোৰ ঘামি জুৰুলি জুপুৰি হৈছিল। কেইটামান সীৰলু মাত্ৰ অসমান দেখা গৈছিল; তাৰ বাহিৰে যিফালে চোৱা যায় সেইফালেই পথাৰখন নিখুঁত দেখা গৈছিল।

সেই দিনটোৰপৰা ল'ৰা-ছোৱালীবোৰে খেতিয়কজনক সম্মানৰ বহুত ওখ আসন দিছিল আৰু যেতিয়াই তেখেতক দেখে, আনকি দূৰত হ'লেও চিঞৰিবই, "সেয়া আমাৰ খেতি কৰা শিক্ষক।" যেতিয়া তেখেতৰ অলপ সাৰ বাকী ৰৈ যায় তেতিয়া সেইখিনি লৈ আহি তেখেতে ল'ৰা-ছোৱালীহঁতৰ পথাৰত সিঁচি দিয়ে আৰু ফলত সিহঁতৰ শস্য ভালকৈ বাঢ়িছিল। প্ৰতিদিনে কোনোবা এজনে পথাৰখন চাই আহি হে'ডমাষ্টৰ আৰু বাকী ল'ৰা-ছোৱালীহঁতক তাৰ খবৰ জনায়হি। নিজে ৰোৱা শস্যৰ গুটিয়ে গঁজালি মেলা দেখা পোৱাৰ আনন্দ আৰু আশ্চৰ্য্যৰ অনুভৱ ল'ৰা-ছোৱালীবোৰে পালে। আৰু যেতিয়াই সিহঁতৰ দুটা তিনিটা একে লগ হয় তেতিয়াই পথাৰৰ শস্যৰ উন্নতিৰ বিষয়ে কথা ওলাবই।

বিশ্বৰ বিভিন্ন ঠাইত ভয়ংকৰ ঘটনা ঘটিবলৈ আৰম্ভ কৰিছিল। কিন্তু সিহঁতৰ সৰু পথাৰখনৰ কথা পাতোঁতে ল'ৰা-ছোৱালীবোৰ তেতিয়াও শান্তিৰ একেবাৰে অন্তৰৰ মাজত জাপ খাই সোমাই আছিল।

পথাৰত পাকঘৰ

এদিন স্কুল ছুটিৰ পিছত ত'ত্ত'-চ্চানে কাৰো লগত কথা-বতৰা নাপাতি, কাকো বিদায়-সম্ভাষণো নজনোৱাকৈ লৰালৰিকৈ জিয়ুগাওকা ষ্টেচনলৈ খোজ ল'লে আৰু বাৰে বাৰে নিজকে নিজে ভোৰভোৰাই কৈ গ'ল, "বজ্ৰ-জলপ্ৰপাত-পথাৰ-পাকঘৰ।"

সৰু ছোৱালী এজনীৰ কাৰণে এইটো এটা টান বাক্যাংশই, কিন্তু ৰেডিঅ'ৰ 'ৰাকুগো' নামৰ ধেমেলীয়া অনুষ্ঠানৰ সেই সাধুটোৰ মানুহজনৰ মস্ত দীঘল নামটোতকৈ বেয়া নহয়— সেই নামটো ইমান দীঘল আছিল যে উদ্ধাৰকাৰীসকলে তেওঁ কোন জনাৰ আগতেই মানুহজন কুঁৱাত ডুবি গৈছিল।

যি হওক, ত'ত্ত'-চ্চানে বাক্যাংশটোত বেছ মনোযোগ দিব লগা হৈছিল আৰু যদি ওচৰৰ কোনোবাই "জুগেমো জুগেমো"ৰে আৰম্ভ হোৱা সেই বিখ্যাত দীঘল নামটো হঠাৎ কোৱা আৰম্ভ কৰিলেহেঁতেন তাই এই বাক্যাংশটো চিধা পাহৰি গ'লহেঁতেন। ডোঙা বন্ধা পানীৰ ওপৰেৰে জাঁপ মাৰোতে তাই যদি স্ফূৰ্তিতে ক'লেহেঁতেন "গৈ..... ছোঁ।" বুলি তেন্তে নিশ্চয় তাইৰ এই বাক্যাংশটোত আউল লাগিলহেঁতেন। সেইকাৰণে নিজ মনে বাৰেবাৰে পুনৰাবৃত্তি কৰাৰ বাহিৰে তাই আন একোকে কৰিব পৰা নাছিল। ভাগ্য ভাল যে ৰে'লত কোনেও তাইৰ লগত কথা পাতিবলৈ চেষ্টা কৰা নাছিল আৰু তাই নিজেও একো চকুত লগা বস্তু আৱিষ্কাৰ কৰিবলৈ চেষ্টা কৰা নাছিল, সেইকাৰণে, "সেইটো কি" ধৰণৰ কথা এষাৰো নোকোৱাকৈ তাই নিজৰ ষ্টেচ'ন পাবলৈ সমৰ্থ হ'ল। কিন্তু ষ্টে'চনৰপৰা যাবলৈ ধৰোঁতেই তাতে কাম কৰা তাইৰ চিনাকি মানুহ এজনে সুধিলে, "আহিলাই"? তাই উত্তৰ দিওঁ দিওঁ হৈছিলেই, পিছে খেলিমেলি হৈ যাব বুলি জানি নিজকে ৰখালে আৰু কেৱল মূৰ দুপিয়াই ঘৰলৈ দৌৰ মাৰিলে।

সমুখৰ দুৱাৰমুখ পায়েই তাই প্ৰাণপণে মাকক চিঞৰি ক'লে, "বজ্ৰ-জলপ্ৰপাত পথাৰ-পাকঘৰ"। প্ৰথমতে মাকে চিঞৰটো জুডো খেলৰ চিঞৰ বা সাতচল্লিছজন ৰনিনৰ সমাবেশৰ চিঞৰ হ'ব পাৰে বুলি ভাবিলে। তাৰ পিছতে তেখেতৰ মনত পৰিল জিয়ুগাওকা ষ্টে'চন পাৰ হৈ তিনিটা ষ্টেচ'ন যোৱাৰ পিছতে থকা ত'দ'ৰ'কি ষ্টেচ'নৰ ওচৰতে 'ত'দ'ৰ'কি কেইকুকু' বা থাণ্ডাৰ কেনিয়ন (বজ্ৰ-জলপ্ৰপাত) নামৰ এডোখৰ বৰ বিখ্যাত শুৱনি ঠাই আছে। প্ৰাচীন টকিঅ'ৰ আটাইতকৈ বিখ্যাত ঠাইবোৰৰ ভিতৰত ইও এখন। তাত জলপ্ৰপাত আছে, নিজৰা আছে, আৰু সুন্দৰ অৰণ্য আছে। আৰু পথাৰ-পাকঘৰ মানে বোধহয় ল'ৰা-ছোৱালীহঁতে তাতে ৰন্ধা-বঢ়া কৰি খাব। তেখেতে আচৰিত হৈ ভাবিলে যে ল'ৰা-ছোৱালীক বাক্যাংশটো মুখস্থ কৰাবলৈ ইমান টান অথচ আগ্ৰহ জন্মোৱাৰ বাবে ল'ৰা-ছোৱালীয়ে কিমান সহজে শিকিব পাৰে।

অৱশেষত সেই কঠিন বাক্যাংশটোৰপৰা মুক্ত হ'বলৈ পাই কৃতজ্ঞ হৈ ত'ত্ত'-চ্চানে এটাৰ পিছত এটাকৈ মাকক সকলো আনুষঙ্গিক খুটি-নাটি বৰ্ণনা কৰিবলৈ ধৰিলে। পিছৰটো শুকুৰবাৰে ল'ৰা-ছোৱালীবোৰ ৰাতিপুৱাই স্কুলত গোট খাব লাগিব। সিহঁতে নিবলগীয়া বস্তুবোৰ হ'ল চুপখোৱা বাটি, ভাত খোৱা বাটি, আহাৰ খোৱা শলা আৰু একাপকৈ চাউল। তাই লগতে যোগ দিবলৈ নাপাহৰিলে যে হে'ডমাষ্টৰৰ মতে ৰান্ধিলে চাউলখিনিৰে দুবাটি ভাত হ'ব। সিহঁতে গাহৰি মঙহৰ চুৰুহাও ৰান্ধিব, সেইকাৰণে কিছু গাহৰি মঙহ আৰু তৰি-তৰকাৰীও নিব লাগিব। আবেলি খাবলৈ কিবা জলপান নিব খুজিলে নিব পাৰে।

পিছৰ কেইদিন ত'ত্ত'-চ্চান পাকঘৰত মাকৰ গাতে লাগি থাকিল আৰু মাকে কেনেকৈ ছুৰীৰে কটা-কুটা কৰে, কেনেকৈ বাচন এটা ধৰে, কেনেকৈ ভাত বাঢ়ি দিয়ে এইবোৰ মনোযোগেৰে চাই থাকিল। পাকঘৰত তেখেতৰ কাম লক্ষ্য কৰি থাকিবলৈ বৰ ভাল। কিন্তু ত'ত্ত'-চ্চানৰ আটাইতকৈ বেছি ভাল লাগিছিল মাকে যেতিয়া ঢাকন বা আন কিবা গৰম বস্তু তুলিব খোজে তেতিয়া, "উঃ গৰম" বুলি কয় আৰু লৰালৰিকৈ তেখেতৰ তৰ্জনী আৰু বুঢ়া আঙুলি দুটা কাণৰ লতিত লগাই দিয়ে। "কাৰণ কাণৰ লতি হ'ল ঠাণ্ডা", মাকে বুজাই ক'লে তেখেতৰ বিভিন্ন ভংগীবোৰে তেখেত যে এগৰাকী ডাঙৰ মানুহ আৰু পাকঘৰৰ কামত পাৰদৰ্শিতা থকা মানুহ, এনে যেন দেখুউৱাত ত'ত্ত'-চ্চান মুগ্ধ হৈছিল। "আমি যেতিয়া 'বজ্ৰ-জলপ্ৰপাত-পথাৰ-পাকঘৰ' কৰিম, ময়ো তেতিয়া তেনেকুৱা কৰিম"।

অৱশেষত শুকুৰবাৰটো আহিল। ৰে'লৰপৰা নামি গৈ যেতিয়া সিহঁত বজ্ৰ-জলপ্ৰপাত পালেগৈ তেতিয়া হে'ডমাষ্টৰে সেই অৰণ্যত গোট খোৱা ল'ৰা-ছোৱালীবোৰক চকু ফুৰাই চালে। সিহঁতৰ মৰম লগা সৰু মুখবোৰ ওখ গছৰ মাজেৰে সৰকি অহা বেলিৰ পোহৰত জিলিকি উঠিছিল। ওফন্দি থকা সিহঁতৰ পিঠিৰ মোনাবোৰেৰে সৈতে হে'ডমাষ্টৰে কি কয় শুনিবলৈ ল'ৰা-ছোৱালীবোৰে বাট চাই আছিল আৰু সিহঁতৰ পিছফালে বিখ্যাত জল-প্ৰপাতটো প্ৰবল স্ৰোতেৰে আৰু এটা সুন্দৰ ছন্দেৰে বাগৰি আছিল।

"এতিয়া তেন্তে" হে'ডমাষ্টৰে ক'লে, "জয়জয়তে আমি সৰু সৰু দলত ভাগ হওঁ আহাঁ। শিক্ষকসকলে অনা ইটাবোৰেৰে আমি এতিয়া চৌকা সাজিম। এতিয়া তোমালোকৰ কোনোবা কোনোবাই নিজৰাত চাউল ধুই আনি ভাতখিনি বহাই দিবা। তাৰপিছত আমি গাহৰিৰ মাংসৰে চুৰুহা ৰান্ধিম। এতিয়া তেন্তে আৰম্ভ কৰোঁহঁকনে?"

ল'ৰা-ছোৱালীবোৰ "পাথৰ-কাগজ-কেঁচী" খেলটো খেলি সৰু সৰু দলত ভাগ ভাগ হ'ল। সিহঁত যিহেতু মুঠ পঞ্চাছজনহে আছিল, গতিকে ছটা ভাগ হওঁতে বেছি সময় নালাগিল। গাঁত খান্দি ইটা জাপি ঘেৰি দিয়া হ'ল। তাৰ পিছত সৰু গোটৰ লোৰ শলা ওপৰত পাৰি দি ভাতৰ আৰু চুৰুহাৰ বাচন দুটা তুলিব পৰা কৰিলে। এই বিলাক কাম চলি থাকোঁতেই কিছুমান হাবিত খৰি লুৰিবলৈ আৰু আনবোৰ চাউল ধুবলৈ গ'ল। ল'ৰা-ছোৱালীবোৰে নিজে নিজেই বিভিন্ন কাম ভগাই ল'লে। ত'ত্ত'-চ্চানে তৰকাৰী কটাত আৰু চুৰুহা ৰন্ধাত সহায় কৰিবলৈ গাত ল'লে। ত'ত্ত'-চ্চানতকৈ দুবছৰৰ ডাঙৰ ল'ৰা এটাকো তৰকাৰী কাটিবলৈ দিয়া হৈছিল, কিন্তু সি টুকুৰাবোৰ হয় বৰ বেছি ডাঙৰ কৰে, নহয় বৰ বেছি সৰু কৰে আৰু কামটো খেলিমেলি কৰি পেলায়। যি হওক, সি কামটো কৰিবলৈ লৈ এজন পুৰুষৰ দৰেই কষ্ট কৰিলে, ঘামেৰে তাৰ নাকটো জিলিকি উঠিল। ত'ত্ত'-চ্চানে মাকৰ আৰ্হি অনুসৰণ কৰি কৌশলেৰে বেঙেনা-আলু-পিঁয়াজ, বাৰ্ড'ক আদি ল'ৰা-ছোৱালীবোৰে অনা সকলো বস্তু ঠিক কামুৰিব পৰা আকাৰৰ টুকুৰা কৰি কাটিলে। তাই আনকি বিলাহী-বেঙেনা আৰু তিয়হঁ পাতলকৈ কাটি নিমখ সানি কিছু চাট্‌নিও তৈয়াৰ কৰিলে। কিছুমান ডাঙৰ ল'ৰা-ছোৱালীয়ে কামবোৰ কৰোঁতে চম্ভালিব নোৱৰা যেন দেখিলে তাই উপদেশ-পৰামৰ্শও আগবঢ়ালে। ত'ত্ত'-চ্চানে অনুভৱ কৰিলে যেন তাই ইতিমধ্যে এগৰাকী মাক হ'লেই। সকলোৱে তাইৰ চাট্‌নিখন শলাগিলে। "মই চেষ্টা কৰি চাবহে খুজিছিলোঁ কিজানি পাৰোঁৱেই" তাই নম্ৰভাৱে ঘোষণা কৰিলে।

গাহৰি মঙহৰ চুৰুহাখিনিত তেল মাৰিবৰ সময়ত সকলোৰে পৰামৰ্শ লোৱা হ'ল। বিভিন্ন দলৰপৰা 'বাঃ', 'আৰে' আদি চিঞৰ-বাখৰৰ শব্দ শুনা গ'ল।

হাবিৰ চৰাইবোৰেও এই গণ্ডগোলতে যোগ দি কিচিৰ মিচিৰ কৰিবলৈ ধৰিলে। ইতিমধ্যে বাচনবোৰৰপৰা লোভনীয় সুগন্ধ ওলাবলৈ ধৰিলে। তেতিয়ালৈকে ল'ৰা-ছোৱালীবোৰৰ কোনোবাটোৱে কাচিৎহে ঘৰত কিবা ৰান্ধোতে লক্ষ্য কৰিছিল বা জুই কমাই-বঢ়াই দিব লগা হৈছিল। সিহঁতে কেৱল মেজত যতনাই দিয়া খোৱা বস্তু খাইছিল। কিবা বস্তু সিহঁতে নিজে ৰান্ধোতে আনুষংগিক লেঠাবোৰেৰে সৈতে পোৱা আনন্দ আৰু উপকৰণবোৰ বিভিন্ন পৰিবৰ্তনৰ মাজেদি যাব লগা হোৱা দেখাটো সিহঁতৰ কাৰণে সম্পূৰ্ণ নতুন অভিজ্ঞতা।

অৱশেষত প্ৰতিটো দলৰ অস্থায়ী চৌকাৰ কাম-কাজ শেষ হ'ল। হে'ডমাষ্টৰে ল'ৰা-ছোৱালীবোৰক ঘাঁহৰ মাজত বৃত্তাকাৰে বহিব পৰাকৈ ঠাই উলিয়াবলৈ ক'লে। প্ৰতিটো দলৰ আগত এটাকৈ ভাতৰ আৰু এটাকৈ চুৰুহাৰ পাত্ৰ ৰখা হ'ল। কিন্তু ত'ত্ত'-চ্চানে তাইৰ প্ৰাণৰ বাসনা পূৰ্ণ কৰা কামটো কৰাৰ আগতে সিহঁতৰ দলৰ চুৰুহাৰ পাত্ৰটো আতঁৰাই নিবলৈ নিদিলে। গৰম ঢাকোনখন খুলি তাই কিছু আত্মসচেতনভাবেই ঘোষণা কৰিলে "উঃ গৰম", আৰু দুই হাতৰ আঙুলিৰে কাণৰ লতিত ধৰিলে। তেতিয়াহে তাই ক'লে "এইটো এতিয়া নিব পাৰা", আৰু 'কিখননো কৰি আছে' বুলি ভাবি বাট চাই বহি থকা ল'ৰা-ছোৱালীবোৰৰ মাজলৈ বাচনটো যথোচিতভাৱে কঢ়িয়াই নিয়া হ'ল। তাইৰ কামটোত কোনেও গুৰুত্ব দিয়া দেখা নগ'ল। কিন্তু তথাপি ত'ত্ত'-চ্চান সন্তুষ্ট হ'ল।

সমুখত থকা ভাতৰ বাটি আৰু ভাপ ওলাই থকা চুৰুহাৰ বাটিবোৰত ল'ৰা-ছোৱালীহঁতৰ মনোযোগ স্থিৰ হৈ ৰৈছিল। সিহঁতৰ ভোকো লাগিছিল, কিন্তু প্ৰথম আৰু প্ৰধান কথা আছিল এই আহাৰখিনি সিহঁতে নিজে ৰন্ধা। ল'ৰা-ছোৱালীহঁতে "চোৱোঁৱা, চোৱোঁৱা, ভালকৈ চোৱোঁৱা, তুমি যি খাইছা সকলো" গানটো গোৱাৰ পিছত আৰু "মই কৃতজ্ঞতাৰে অংশগ্ৰহণ কৰিছোঁ" বুলি কোৱাৰ পিছত হাবিখনত সকলো নীৰৱ হৈ পৰিল। জলপ্ৰপাতৰ শব্দৰ বাহিৰে তেতিয়া আৰু আন একো শব্দ নাছিল।

"তুমি সঁচাকৈয়ে এজনী ভাল ছোৱালী !"

"তুমি সঁচাকৈয়ে এজনী ভাল ছোৱালী, জানিছা?" ত'ত্ত'-চ্চানক লগ পালেই হে'ডমাষ্টৰে তেনেকৈ কৈছিল। আৰু প্ৰতিবাৰ তেখেতে তেনেকৈ কওঁতে ত'ত্ত'-চ্চানে মিচিকিয়াই হাঁহিছিল, সৰুকৈ জাঁপ এটা মাৰি দিছিল আৰু কৈছিল, "হয়তো, মই এজনী ভাল ছোৱালীতো।' আৰু তাই এই কথা বিশ্বাসো কৰিছিল।

ত'ত্ত'-চ্চান বাস্তৱিকতে বহুত ফালৰপৰা ভাল ছোৱালীয়েই আছিল। তাই সকলোৰে প্ৰতি, বিশেষকৈ তাইৰ শাৰীৰিক প্ৰতিবন্ধী বন্ধুসকলৰ প্ৰতি বৰ মৰমিয়াল আছিল। তাই তেওঁলোকক নিৰাপত্তা দিছিল আৰু যদি আন স্কুলৰ ল'ৰা-ছোৱালীয়ে তেওঁলোকক কিবা নিষ্ঠুৰ কথা কয় তেন্তে তাই সেই নিৰ্য্যাতনকাৰীহঁতৰ লগত যুদ্ধ কৰিছিল, লাগিলে তাইৰ কান্দোনেৰেই ঘটনাটো সমাপ্ত হওঁক। কোনো আঘাত পোৱা জীৱ-জন্তু পালে তাই তাৰ যত্ন ল'বলৈ যিমান পাৰে সকলোখিনি কৰিছিল। কিন্তু একে সময়তে, অস্বাভাৱিক কিবা এটা আৱিষ্কাৰ কৰিলে সেই বিষয়ত তাইৰ অনুসন্ধিৎসা চৰিতাৰ্থ কৰিবলৈ যাওঁতে তাই সদায় যি পৰিমাণৰ কষ্ট ভুগিব লগা হৈছিল সেই কথা ভাবি শিক্ষক-শিক্ষয়িত্ৰীসকল সদায়েই আচৰিত হৈ আছিল।

তাই এনে কিছুমান কাণ্ড কৰে— যেনে ৰাতিপুৱা সভাভৱনলৈ কদমত যাওঁতে তাইৰ 'পিগ টেইল' বেণী দুডাল দুই বাহুৰ তলত পিছপিনে ঠিক হৈ লাগি থাকিব লাগিব। এবাৰ কোঠাটো সাৰিবৰ কাৰণে তাইৰ পাল পৰোঁতে তাইৰ চোকা নজৰত ধৰা পৰিল মজিয়াত এখন সৰু দুৱাৰ, আৰু সাৰি-পুচি নিয়া জাবৰবিলাক তাই সেই ফুটাইদি তললৈ সৰকাই দিলে। আচলতে ডবাটো ৰে'ল হৈ চলোঁতে যন্ত্ৰ-পাতি পৰিদৰ্শনৰ কাৰণে এই ফুটাটো কামত লগোৱা হৈছিল। পিছে তাই ফুটাটোৰ দুৱাৰখন বন্ধ কৰিব নোৱৰা হ'ল আৰু সকলোকে যথেষ্ট অসুবিধাত পেলালে। আৰু আগতে এবাৰ কোনোবাই মাংস হাঁকোটাত ওলোমাই ৰখাৰ বিষয়ে তাইক কৈছিল, সেইবাৰে তাই ব্যায়াম কৰা একেবাৰে ওখ পথালি লাঠিডালত এটা হাতেৰে ধৰি ওলমি আছিল। তাতে তাই অনন্ত কাল ধৰি ওলমি আছিল আৰু এজন শিক্ষকে তাইক দেখি 'কি কৰি আছে' বুলি সোধাত তাই চিঞৰি কৈছিল "আজি মই মাংস হৈছোঁ!" আৰু ঠিক তেনেকুৱাতে তাইৰ হাতৰ মুঠি এৰাই গ'ল আৰু ইমান জোৰেৰে তলত পৰিল যে তাইৰ হাওঁফাওৰ গোটেইখিনি বতাহ ওলাই গ'ল। ওৰে দিনটো তাই মাতকে মাতিব নোৱৰা হৈ থাকিল। তাৰ উপৰি চুৱা-পাতনিৰ গাঁতত জঁপিয়াই পৰাটোতো আছেই।

তাই সদায় তেনেবোৰ কাণ্ড কৰে আৰু নিজকে কষ্ট দিয়ে। কিন্তু হে'ডমাষ্টৰে মাক-দেউতাকক মাতি নপঠায়। আন ল'ৰা-ছোৱালীবোৰৰ ক্ষেত্ৰতো কথাটো তেনেকুৱাই। হে'ডমাষ্টৰ আৰু সংশ্লিষ্ট শিশুটোৰ ভিতৰতে বিষয়টো নিষ্পত্তি কৰি পেলোৱা হয়। ঠিক তাই প্ৰথম অহাৰ দিনা চাৰি ঘণ্টা ধৰি তাইৰ কথা মন দি শুনাৰ দৰেই তেখেতে সদায় কোনো এটা কাণ্ড ঘটিলে সেই সম্পৰ্কে এটা শিশুৰ ক'ব লগা থকা কথাখিনি মন দি শুনে। তেখেতে সিহঁতৰ কৈফিয়তো শুনে। আৰু যদি শিশুটোৱে সঁচাকৈয়ে বেয়া কিবা এটা কৰে আৰু পিছত উপলব্ধি কৰে যে কামটো ভুল আছিল তেন্তে হে'ডমাষ্টৰে কয় "এতিয়া ক্ষমা খোজাঁ"।

ত'ত্ত'-চ্চানৰ বিষয়ে ল'ৰা-ছোৱালীবোৰৰ মাক-দেউতাকে আৰু আন শিক্ষক-শিক্ষয়িত্ৰীসকলে কৰা অভিযোগ আৰু ভয় ভাবৰ প্ৰকাশে নিঃসন্দেহে হে'ডমাষ্টৰৰ কাণ ছুইছিলগৈ। সেই কাৰণে যেতিয়াই তেখেতে সুবিধা পায় তেতিয়াই ত'ত্ত'-চ্চানক কয়, "তুমি সঁচাকৈয়ে এজনী ভাল ছোৱালী, জানিছা?" তেখেতে এনেকৈ কোৱা এজন ডাঙৰ মানুহে শুনা হলে "সঁচাকৈয়ে" শব্দটোৰ ওপৰত দিয়া জোৰৰ গুৰুত্বখিনি উপলব্ধি কৰিলেহেঁতেন।

হে'ডমাষ্টৰে ত'ত্ত'-চ্চানক বুজাব খোজা কথাটো আছিল এনেকুৱা ঃ "কিছুমান মানুহে ভাবিব পাৰে যে তুমি বহুত বিষয়তে ভাল ছোৱালী নোহোৱা, কিন্তু তোমাৰ আচল চৰিত্ৰটো বেয়া নহয়। ইয়াৰ ভালৰ ফাললৈ যোৱা অংশ বহুত বেছি আৰু মই এই বিষয়ে সচেতন"। হায়! তেখেতে আচলতে কি বুজাইছিল সেই কথা বহুত বহুত বছৰৰ পিছতহে ত'ত্ত'-চ্চানৰ বোধগম্য হৈছিল। তথাপি, তাই সেই সময়ত কথাষাৰৰ আচল অৰ্থটো বুজিব পৰা নাছিল যদিও হে'ডমাষ্টৰে নিশ্চয় তাইৰ মনৰ গভীৰত 'এজনী ভাল ছোৱালী' হিচাপে আত্মবিশ্বাস প্ৰোথিত কৰিছিল। আনকি যেতিয়া তাই কোনো দুৰ্ঘটনাপূৰ্ণ অভিযানত লাগি আছিল তেতিয়াও তেখেতৰ কথাবোৰ তাইৰ অন্তৰত প্ৰতিধ্বনিত হৈ আছিল, আৰু নিজে কৰা কামৰ কথা ভাবি তাই বাৰে বাৰে নিজকে নিজে কৈ আছিল "হে ভগৱান!"

তাই ত'মে'ত থকা গোটেইছোৱা সময় জুৰি শ্ৰীক'বায়াশ্বিয়ে বাৰে বাৰে এই মূল্যবান কথাফাঁকি পুনৰাবৃত্তি কৰি আছিল আৰু এই ফাঁকি কথাই তাইৰ গোটেই জীৱনৰ পথ নিৰূপণ কৰি দিছিল,

"ত'ত্ত'-চ্চান ! তুমি সঁচাকৈয়ে এজনী ভাল ছোৱালী, জানিছা?"

ত'ত্ত'-চ্চানৰ বৰ দুখ লাগিছিল।

তাই এতিয়া তৃতীয় শ্ৰেণীৰ ছাত্ৰী আৰু তাই-চ্চানৰ বৰ ভাল পায়। সি বুদ্ধিমান আৰু পদাৰ্থ বিজ্ঞানত ভাল। সি ইংৰাজীও পঢ়ে, সিয়েই তাইক শিয়ালৰ ইংৰাজী শব্দটো শিকাইছিল।

"ত'ত্ত'-চ্চান" সি কৈছিল, 'কিৎছুনে'ক ইংৰাজীত কি কয় জানা? 'ফক্স'।

"ফক্স!"

ত'ত্ত'-চ্চানে গোটেই দিনটো সেই শব্দটো উচ্চাৰণৰ বিলাস উপভোগ কৰিলে। তাৰ পিছৰপৰা সদায় ৰেলগাড়ীৰ শ্ৰেণীকোঠাত প্ৰৱেশ কৰিয়েই তাইৰ প্ৰথম কাম হৈছিল তাই-চ্চানৰ পেঞ্চিলৰ টেমাৰপৰা আটাইকেইডাল পেঞ্চিল উলিয়াই নিজৰ পেঞ্চিল কটা ছুৰীৰে যিমান সুন্দৰকৈ পাৰে সিমান সুন্দৰকৈ জোঙা কৰি দিয়া। নিজৰবিলাকৰ কাৰণে তাই চিন্তা নকৰিছিল আৰু সেইবোৰ কেৱল দাঁতেৰে কামুৰি ঠিক কৰি লৈছিল।

অতবোৰ কৰা সত্ত্বেও তাই-চ্চানে তাইক কেটেৰাজেঙেৰা কৰিছিল।

ঘটনাটো ভাত খোৱা ছুটীৰ সময়ত ঘটিল। সেই কুখ্যাত চুৱাপাতনিৰ গাঁতৰ ওচৰতে ত'ত্ত'-চ্চানে টহল দি আছিল।

'ত'ত্ত'-চ্চান'!

তাই-চ্চানৰ মাতটো কৰ্কশ শুনা গৈছিল, চক খাই তাই ৰৈ গ'ল। উশাহটো সলাই তাই-চ্চানে ক'লে, "তুমি যিমানেই কোৱা লাগিলে মই কিন্তু ডাঙৰ হ'লে তোমাক বিয়া নকৰাওঁ," কথাষাৰ কৈয়েই চকু তললৈ নমাই সি গুচি গ'ল।

ত'ত্ত'-চ্চান থৰ লাগি ৰৈ গ'ল। সি মানুহটো আৰু তাৰ ডাঙৰ মূৰটো নেদেখা হোৱালৈকে তাই চাই থাকিল। তাইৰ ইমান শলাগৰ পাত্ৰ সেই মগজুৰে ভৰা মূৰটো, তাৰ শৰীৰতকৈ ইমান ডাঙৰ সেই মূৰটো যাৰ কাৰণে ল'ৰা-ছোৱালীবোৰে তাক 'অপ্ৰকৃত ভগ্নাংশ' বুলি মাতে।

ত'ত্ত'-চ্চানে জেপত হাত ভৰালে আৰু ভাবিলে। তাক আমনি কৰা ধৰণৰ একো কামকে কৰাৰ কথা দেখোন তাইৰ মনত নপৰে। নিৰুপায় হৈ তাই সহপাঠিনী মিয়'-চ্চানৰ আগত কথাটো উলিয়ালে। ত'ত্ত'-চ্চানৰ কথা মন দি শুনি পৰিপক্ক ভঙ্গীত মিয়'-চ্চানে ক'লে "কিয়, অৱশ্যে! আজি তুমি ছুম' মালযুঁজ কৰোঁতে তাই-চ্চানক ৰিঙৰপৰা বাহিৰলৈ ঠেলি পেলাই দিছিলা নহয়! ইমান গধুৰ মূৰটোৰ কাৰণেহে যে সি ৰিঙৰপৰা তেনেকৈ উৰি গ'ল সেইটো খাটাং কথা। কিন্তু তথাপি সি তোমাৰ ওপৰত যে এতিয়াও খঙত পগলা হৈ আছে সেইটোও খাটাং।

ত'ত্ত'-চ্চানে সমস্ত অন্তৰেৰে সৈতে অনুশোচনা কৰিলে। হয়, সেইটোৱেই কথা। তাই ইমান ভাল পোৱা, সদায় পেঞ্চিল কাটি দিয়া ল'ৰাটোক যুঁজত হৰুৱাবলৈনো তাইক কিহে পাইছিল? কিন্তু এতিয়া যে বৰ পলম হৈ গ'ল!

"তথাপি তাক মই পেঞ্চিল কাটি দিম", ত'ত্ত'-চ্চানে সিদ্ধান্ত কৰিলে, যিয়েই নহওক, মইতো তাক ভাল পাওঁ।

"জধলা পুৰণা স্কুল"

প্ৰাথমিক স্কুলৰ ল'ৰা-ছোৱালীৰ মাজত জনপ্ৰিয় এটা শুৱলা গীত— একে লগে কেইবাজনেও সুৰ মিলাই গোৱা দোহাৰ এফাঁকি আছিল। তাইৰ আগৰ স্কুলখনত এইটো বৰকৈ গোৱা হৈছিল। স্কুল ছুটীৰ পিছত ঘৰলৈ যাওঁতে গে'ইটৰ বাহিৰ হৈ কান্ধৰ ওপৰেৰে মূৰ ঘূৰাই স্কুলখনলৈ উভতি চাই সিহঁতে জাত লগাই গায়

আকামাৎসু স্কুলখন জধলা আৰু পুৰণা;
ভিতৰত হ'লে গোটেইখন কেনে চমৎকাৰ চোৱাঁ না!

যেতিয়া আন স্কুলৰ ল'ৰা-ছোৱালী সেইপিনে পাৰ হৈ যায় তেতিয়া আকামাৎসু স্কুললৈ আঙুলি টোঁৱাই টোঁৱাই সুৰ লগাই গায়

আকামাৎসু স্কুলখন কেনে চমৎকাৰ চোৱা না!
ভিতৰত হলে গোটেইখন জধলা আৰু পুৰণা।

আৰু তাৰ পিছত সিহঁতে অভদ্ৰভাৱে চিঞৰ-বাখৰ কৰে।

এখন স্কুলৰ কথা কওঁতে ঘৰটো পুৰণা বা নতুন অনুযায়ী প্ৰথম শাৰীটোত 'জধলা' বা 'চমৎকাৰ' হ'ব। গানটোৰ গুৰুত্বপূৰ্ণ অংশটো হ'ল দ্বিতীয় শাৰীটো যিটো অংশত স্কুলখনৰ ভিতৰখন কেনেকুৱা সেই কথাটো কোৱা হৈছে। সেইকাৰণে প্ৰথম শাৰীত স্কুলৰ বাহিৰখন জধলা বুলি ক'লে একো কথা নাই। ভিতৰখন কেনেকুৱা বুলি কোৱা হৈছে সেইটোহে আচল কথা। এই গীতফাঁকি সদায় পাঁচটা বা ছয়টা ল'ৰা-ছোৱালীয়ে একেলগে সুৰ লগাই গায়।

এদিন আবেলি স্কুল ছুটীৰ পিছত স্বাভাৱিক নিয়মমতেই ত'মে'ৰ ছাত্ৰ-ছাত্ৰীবোৰে খেলি আছিল। শেষৰ ঘণ্টাটো বজাৰ আগলৈকে সিহঁতৰ যিয়ে যি মন যায় তাকে কৰিব পাৰিছিল আৰু ঘণ্টাটো বাজিলে স্কুলৰ পথাৰ এৰি যাব লাগিছিল। আজৰি হোৱাৰ পিছত যাৰে যি মন যায় তাকে কৰিবলৈ সময় পোৱাটো হে'ডমাষ্টৰে জৰুৰী কথা বুলি ভাবিছিল। সেই কাৰণে আন প্ৰাথমিক স্কুলতকৈ সিহঁতৰ স্কুলৰ শ্ৰেণী শেষ হোৱাৰ পিছৰ এই পিৰিয়ডটো বেছি দীঘল আছিল। সেইদিনা কোনোবা কেইটামানে বল খেলিছিল, কোনোবাই লোৰ বাৰত ওলমি বা বালিৰ বস্তাৰ লগত যুঁজি নিজকে লেতেৰা পেতেৰা কৰি পেলাইছিল, কিছুমানে ফুলনিৰ আপডাল কৰিছিল, কেইজনীমান ডাঙৰ ছোৱালীয়ে ছিৰিত বহি কথা পাতি আছিল আৰু কিছুমান গছত উঠিছিল। সিহঁতে ঠিক নিজৰ যি কৰিবলৈ মন গৈছিল তাকেই কৰিছিল। সিহঁতৰ মাজতে কেইটামান তাই-চ্চানৰ দৰে ল'ৰাও আছিল, যি শ্ৰেণীকোঠাতে বিজ্ঞানৰ পৰীক্ষা চলাই আছিল ঃ কুপীত কিবা উতলাইছিল আৰু পৰীক্ষানলত কিবা পৰীক্ষা কৰিছিল। কিছুমান

ল'ৰাছোৱালীয়ে পুথিভঁড়ালত পঢ়ি আছিল আৰু জীৱ-জন্তুক ভাল পোৱা আমাদেৰাই বাটৰ মেকুৰী এটা ধৰি আনি তন্ন তন্নকৈ পৰীক্ষা কৰিছিল আৰু পেলাই লৈ কাণখন চাই আছিল।

হঠাৎ স্কুলৰ বাহিৰত ডাঙৰকৈ গোৱা শুনা গ'ল ঃ

ত'মে'স্কুলখন হ'ল জধলা আৰু পুৰণা;
ভিতৰখনো গোটেইখন জধলা আৰু পুৰণা!

"সাংঘাতিক কথা", ত'ত্ত'-চ্চানে ভাবিলে। তাই ঠিক নঙলামুখতে আছিল। এৰা! খুটাবোৰৰপৰা পাত ওলায় যেতিয়া এইখন আচলতে গে'ইট নহয়। যিয়েই নহওক তাই সিহঁতৰ কথাখিনি পৰিষ্কাৰকৈ শুনিবলৈ পালে। বৰ বেছি বেছি হৈছে দেই। কল্পনা কৰকচোন, সিহঁতৰ স্কুলখন ভিতৰে-বাহিৰে জধলা বুলি কৈছে। তাই ক্ষুব্ধ হ'ল। আনবোৰো ক্ষুব্ধ হ'ল আৰু গে'ইটৰ ফালে দৌৰি আহিল। "জধলা পুৰণা স্কুল," আন স্কুলৰ ল'ৰাবোৰে পেঘেনিয়াই কৈয়েই থাকিল আৰু অভদ্ৰৰ দৰে গণ্ডগোল লগাই দৌৰি পলাই গ'ল।

ত'ত্ত'-চ্চানৰ ইমান বেছি খং উঠিল যে তাই ল'ৰাবোৰৰ পিছে পিছে অকলে অকলে দৌৰি গ'ল। কিন্তু বৰ বেগাই এটা কাষৰীয়া বাটেদি গৈ সিহঁত চকুৰ পচাৰতে অদৃশ্য হ'ল। বিষণ্ণ মনেৰে ত'ত্ত'-চ্চান স্কুললৈ উভতি আহিল। খোজ কাঢ়ি আহি থাকোঁতে তাই গালে ঃ

"ত'মে' স্কুলখন হ'ল অতি চমৎকাৰ স্কুল;"

কেইখোজমান আগুৱাই আহি তাই যোগ দিলে ঃ

"ভিতৰতো বাহিৰতো অতি চমৎকাৰ স্কুল!"

গানটো তাই ভাল পালে। গানটোৱে তাইৰ মনটো ভাল লগালে। সেইকাৰণে উভতি আহোঁতে অন্য স্কুলৰ ছাত্ৰীৰ ভাও ধৰি সকলোৱে শুনাকৈ তাই চিঞৰি চিঞৰি গালে ঃ

ত'মে' স্কুলখন হ'ল অতি চমৎকাৰ স্কুল;
ভিতৰতো বাহিৰতো অতি চমৎকাৰ স্কুল!

খেলপথাৰত খেলি থকা ল'ৰা-ছোৱালীবোৰে প্ৰথমতে কোনেনো গানটো গাইছে ভাবিয়েই পোৱা নাছিল। যেতিয়া সিহঁতে বুজিলে যে ত'ত্ত'-চ্চানেহে গাইছে তেতিয়া বাটলৈ ওলাই গৈ সিহঁতেও একেলগে গাবলৈ ধৰিলে। অৱশেষত সকলোৱে হাতত ধৰাধৰি কৰিলে আৰু স্কুলখনৰ কেউফালৰ ৰাস্তাৰে কদমত খোজ কাঢ়ি কাঢ়ি একেলগে সুৰ মিলাই গাবলৈ ধৰিলে। সিহঁতে নজনাকৈয়ে মাতবোৰতকৈয়ো সিহঁতৰ অন্তৰবোৰহে বেছি একেসুৰীয়া হৈছিল। যিমানেই স্কুলখনৰ কেউকাষে ঘূৰিলে সিমানেই সিহঁত গানটোৰ মূললৈ সোমাই গ'ল ঃ

ত'মে'স্কুলখন হ'ল অতি চমৎকাৰ স্কুল;
ভিতৰতো বাহিৰতো অতি চমৎকাৰ স্কুল!

অৱশ্যে সিহঁতৰ গানটোৱে কাৰ্য্যালয়ৰ কোঠাত বহি মন দি গানটো শুনি থকা হে'ডমাষ্টৰক কিমান যে আনন্দ দিছিল সেই কথা ল'ৰা-ছোৱালীবোৰে গমেই নাপালে।

যি সকলে সঁচাকৈয়ে ল'ৰা-ছোৱালীৰ বিষয়ে বিশেষকৈ ভাবে সেই সকলৰ কথাতো বেলেগেই, আনকি আন যিকোনো শিক্ষাবিদৰ কাৰণেও স্কুল এখন চলোৱাটো হৈছে দৈনন্দিন অজস্ৰ যন্ত্ৰণাৰ সমষ্টি। ত'মে'ৰ দৰে স্কুল এখনত সেইটো আৰু বহুতো তীব্ৰ— য'ত প্ৰতিটো বস্তুৱেই ইমান ব্যতিক্ৰমী। শিক্ষা ব্যৱস্থাৰ নীতি-নিয়ম বেছিকৈ মানি চলাত অভ্যস্তসকলৰ সমালোচনাৰ পৰা এই স্কুলখনে হাত সাৰিব নোৱাৰে।

এনে পৰিস্থিতিত ল'ৰা-ছোৱালীৰ এই গীত ফাঁকি হ'ল সিহঁতে হে'ডমাষ্টৰক দিব পৰা সকলো সম্ভৱপৰ উপহাৰৰ ভিতৰতে আটাইতকৈ সুন্দৰ।

ত'মে' স্কুলখন হ'ল অতি চমৎকাৰ স্কুল;
ভিতৰতো বাহিৰতো অতি চমৎকাৰ স্কুল!

সেইদিনা শেষৰ ঘণ্টাটো আন সাধাৰণ দিনতকৈ পলমকৈ বাজিছিল।

চুলিৰ ৰিবন

এদিন আহাৰ খোৱাৰ ছুটীত ল'ৰা-ছোৱালীবোৰৰ খোৱা হৈ যোৱাৰ পিছত ত'ত্ত'-চ্চানে সভাভৱনৰ ভিতৰত জঁপিয়াই আছিল, তেনেতে তাই হে'ডমাষ্টৰক লগ পালে। ভাত খোৱা সময়ত তেখেত সিহঁতৰ লগতে আছিল বাবে তাই হে'ডমাষ্টৰক লগ পালে বুলি কোৱাটো বোধহয় খাপ নোখোৱা কথা হ'ব কিন্তু তেখেত বিপৰীত দিশৰপৰা আহি আছিল বাবে তাই লগ পালে বুলিয়ে ক'ব লাগিব।

"অ' তুমি!" হে'ডমাষ্টৰে ক'লে, "মই তোমাক কথা এটা সুধিম বুলি ভাবি আছিলোঁ হেঁ।"

"কিনো?" হে'ডমাষ্টৰক কিবা খবৰ দিব পাৰিব বুলি ভাবি ৰংমনেৰে তাই সুধিলে।

"তুমি সেই ৰিবনডাল ক'ত পাইছা?" তেখেতে তাইৰ মূৰত বন্ধা থোপাটোলৈ চাই সুধিলে।

এই কথাটো শুনাৰ সময়ত ত'ত্ত'-চ্চানৰ মুখৰ যি প্ৰকাশভংগী হৈছিল তাতকৈ আনন্দৰ ভংগী আৰু হ'ব নোৱাৰে। তাই আগদিনাৰেপৰা সেই থোপাটো বান্ধিছিল। তাই নিজেই এই বস্তুটো বিচাৰি উলিয়াইছিল। হে'ডমাষ্টৰে যাতে ৰিবনডাল আৰু বেছি ভালকৈ দেখা পায় তাৰবাবে তাই তেখেতৰ আৰু ওচৰলৈ চাপি গ'ল।

"মোৰ মাহীৰ পুৰণা স্কুলৰ য়ুনিফৰ্মত লগোৱা আছিল", তাই গৌৰৱেৰে ক'লে। "তেওঁ পোছাকটো আলমাৰীত ভৰাওঁতে মই দেখিলোঁ আৰু তেওঁ মোক দি দিলে। মাহীয়ে কৈছিল মই বোলে বৰ শেনচকুৱা।"

"অঁ বুজিছোঁ", হে'ডমাষ্টৰে কিবা ভাবত ডুবি থাকি ক'লে।

সেই ৰিবনডাল লৈ ত'ত্ত'-চ্চানৰ বেছ গৰ্ব হৈছিল। কেনেকৈ তাই মাহীয়েকৰ ঘৰলৈ গৈছিল, কেনেকৈ মাহীয়েকে কিছুমান কাপোৰ ৰ'দ-বতাহ লাগিবলৈ দিওঁতে তাই ভাগ্যে দেখা পালে সেইবোৰ কথা তাই সবিস্তাৰে বৰ্ণনা কৰিলে। সেই কাপোৰবোৰৰ মাজতে আছিল তেওঁ স্কুলত থাকোঁতে পিন্ধা পুৰণা ধৰণৰ, দীঘল, কজলাৰঙৰ, কোঁচ দিয়া স্কাৰ্ট এটা। মাহীয়েকে এইটো আঁতৰাই ৰাখোঁতে ত'ত্ত'-চ্চানে কিবা ধুনীয়া বস্তু এটা দেখিলে।

"সেইটো কি?"

ত'ত্ত'-চ্চানৰ প্ৰশ্ন শুনি মাহীয়েক অলপ ৰ'ল। সেই কিবা ধুনীয়া বস্তুটোৱেই হ'লগৈ কঁকালৰ বেল্টত পিঠিৰফালে থকা সেই ৰিবনডাল।

"এইডাল পোছাকটো পিঠিৰ ফালৰপৰা ধুনীয়া দেখুৱাবলৈ লগোৱা আছিল, বুজিছা", মাহীয়েকে কৈছিল, "তেতিয়াৰ দিনত সকলোৱে হাতেৰে গোঁথা লে'ইছ একোডাল বা ডাঙৰকৈ থোপা বন্ধা বহল ৰিবন একোডাল এনেকৈ তাত লগাইছিল।

কথাখিনি মন দি শুনি থাকোঁতে কিমান আশাৰে ত'ত্ত'-চ্চানে সেই থোপাটো ছুই, পিটিকি চাই আছিল তেওঁ দেখিলে আৰু ক'লে, "এইটো মই তোমাক দি দিওঁ। মইতো আৰু এইটো কেতিয়াও নিপিন্ধোঁ।" কেঁচী এখন লৈ তেওঁ সেইটো স্কাৰ্টত লগাই ৰখা সূতাডাল কাটিলে আৰু বস্তুটো ত'ত্ত'-চ্চানক দি দিলে। তেনেকৈয়ে তাই সেইটো পাইছিল। আচলতে এইডাল এডাল সঁচাকৈয়ে অতি সুন্দৰ ৰিবন। ভাল পাট-সূতাৰ এই বহল ৰিবনডালত গোলাপ ফুল আৰু নানা তৰহৰ নক্সা তোলা আছিল। বহল আৰু খমখমীয়া কাৰণে ফুল কৰি বান্ধিলে প্ৰায় ত'ত্ত'-চ্চানৰ মূৰটোৰ সমান হৈছিল। মাহীয়েকে কোৱামতে সূতাখিনি বিদেশী আছিল।

কথা কৈ থাকোঁতে ত'ত্ত'-চ্চানে মূৰটো মাজে মাজে ইফালে সিফালে লৰাই আছিল। সেই কাৰণে হে'ডমাষ্টৰে ৰিবনডালৰপৰা হোৱা খচমচ শব্দও শুনিবলৈ পাইছিল। তাইৰ কাহিনীটো শুনি হে'ডমাষ্টৰ অলপ চিন্তাত পৰা যেন লাগিল।

"অ' কথা তেন্তে সেইটো?" তেখেতে ক'লে। "কালি মিয়'-চ্ছানে কৈছিল বোলে ঠিক তোমাৰডালৰ দৰে তাইকো এডাল ৰিবন লাগে। সেইকাৰণে মই জিয়োগাওকাৰ আটাইবোৰ ৰিবনৰ দোকানলৈ গলোঁ, কিন্তু ক'তো এনেকুৱা বস্তু নাই। সেইটো কথা! এইটো তেন্তে বাহিৰৰপৰা অহা বস্তু, নহয়?"

তেখেতৰ মুখখন হে'ডমাষ্টৰ হেন লগাতকৈ জীয়েকৰ খেচখেচনিত দুশ্চিন্তাগ্ৰস্ত এজন দেউতাকৰ মুখ যেনহে লাগিছিল।

"ত'ত্ত'-চ্চান, তুমি যদি সেইডাল স্কুললৈ বান্ধি নাহা, তেন্তে মই সঁচাকৈ বৰ কৃতজ্ঞ হ'ম। বুজিছানে? মিয়'-চ্ছানে মোক সেইডালৰ কাৰণে হায়ৰাণ কৰি মাৰিছে। তুমি বৰকৈ বেয়া পাবানেকি বাৰু?"

হাত দুখন সাৱটি লৈ ত'ত্ত'-চ্চানে কথাটো ভাবিলে। তাৰ পিছত তাই লৰালৰিকৈ উত্তৰ দিলে—

"ঠিক আছে। মই আৰু ইয়ালৈ কেতিয়াও সেইডাল বান্ধি নাহোঁ।"

"ধন্যবাদ", হে'ডমাষ্টৰে ক'লে।

ত'ত্ত'-চ্চানৰ দুখেই লাগিছিল, কিন্তু হে'ডমাষ্টৰ অসুবিধাত পৰিছে, গতিকে তাই মান্তি হ'ল। আন এটা কাৰণো আছিল— এজন ডাঙৰ মানুহ, তাইৰ প্ৰিয় হে'ডমাষ্টৰ ৰিবনৰ দোকানে দোকানে অ'ৰ পৰা তলৈ ঘূৰি ফুৰাৰ চিন্তাত তাইৰ তেখেতলৈ বেয়া লাগিল। ত'মে'ত কথাবোৰ এনেকুৱাই। যিকোনো বয়স-নিৰ্বিশেষে তাত প্ৰত্যেকে প্ৰত্যেকৰ সমস্যাবোৰ বুজাৰ অভ্যাসে, সহায় কৰিবলৈ চেষ্টা কৰাৰ অভ্যাসে নিজৰ অজানিতে গঢ় লৈছিল। এইটো এটা স্বাভাৱিক কথা হৈ পৰিছিল।

পিছদিনা ৰাতিপুৱা ত'ত্ত'-চ্চান স্কুললৈ ওলাই যোৱাৰ পিছত মাক যেতিয়া ত'ত্ত'-চ্চানৰ কোঠা পৰিষ্কাৰ কৰিবলৈ সোমাল তেতিয়া তেখেতে দেখিলে ত'ত্ত'-চ্চানৰ মৰমৰ পুতলা ভালুকটোৰ ডিঙিত ৰিবনডাল বন্ধা আছে। যিডাল ৰিবনৰ বাবে ত'ত্ত'-চ্চান ইমান পুলকিত হৈ আছিল সেইডাল কিয় হঠাতে ত্যাগ কৰিলে এই কথা ভাবি তেখেত আচৰিত হ'ল। মাকৰ এনে লাগিল যেন হঠাতে ইমান জাকজমক বস্তু পিন্ধিবলৈ পাই ধোঁৱাবৰণীয়া টেডি বিয়েৰটো অলপ বিব্ৰত হৈছে।

আহতসকলক পৰিদৰ্শন

জীৱনত প্ৰথমবাৰৰ বাবে ত'ত্ত'-চ্চানে আহত সৈনিকসকলৰ চিকিৎসালয় পৰিদৰ্শন কৰিলে। ভিন ভিন স্কুলৰ প্ৰায় ত্ৰিছজনমান অচিনাকি ছাত্ৰ-ছাত্ৰীৰ লগত তাই তালৈ গৈছিল। এয়া হ'ল অলপতে ৰাষ্ট্ৰীয়ভাৱে সংগঠিত এখন আঁচনিৰ অংশ। প্ৰতিখন স্কুলে সাধাৰণতে দুটা বা তিনিটাকৈ ল'ৰা-ছোৱালী পঠাইছিল কিন্তু ত'মে'ৰ দৰে সৰু স্কুলবোৰে মাত্ৰ এজনকৈহে পঠাইছিল, আৰু তাৰে এখন স্কুলৰ এগৰাকী শিক্ষয়িত্ৰীয়ে দলটোৰ দায়িত্ব লৈ গৈছিল। ত'ত্ত'-চ্চানে ত'মে'ক প্ৰতিনিধিত্ব কৰিছিল।

তত্ত্বাৱধানত থকা শিক্ষয়িত্ৰীগৰাকী আছিল এগৰাকী চছ্মা পিন্ধা ক্ষীণ মহিলা। বগা পায়জামা পিন্ধা পোন্ধৰজনমান সৈন্য শুই বহি খোজ কাঢ়ি থকা এটা ৱাৰ্ডলৈ তেখেতে সিহঁতক লৈ গৈছিল। আহত সৈন্যসকল বা দেখিবলৈ কেনেকুৱা হয় বুলি ত'ত্ত'-চ্চানৰ চিন্তাই লাগিছিল। পিছে তেওঁলোক আটায়ে মিচিকিয়াই হাঁহিছিল, হাত জোকাৰিছিল আৰু তেওঁলোকক ৰঙিয়াল যেন দেখা গৈছিল, সেই কাৰণে তাই সকাহ পালে। অৱশ্যে কেইজনমানৰ মূৰত বেণ্ডেজ আছিল।

শিক্ষয়িত্ৰীগৰাকীয়ে ল'ৰা-ছোৱালীবোৰক ৱাৰ্ডটোৰ মাজ ঠাইত গোট খুৱালে আৰু সৈন্যসকলক সম্বোধন কৰিলে ঃ

"আমি আপোনালোকক চাবলৈ আহিছোঁ", তেখেতে ক'লে আৰু সকলো ল'ৰা-ছোৱালীয়ে মূৰ দোঁৱালে। শিক্ষয়িত্ৰীয়ে কৈ গ'ল, "আজি যিহেতু মে'ই মাহৰ পাঁচ তাৰিখ— কিশোৰ দিৱস, গতিকে আমি 'কাৰ্প নিচান' গানটো আপোনালোকক শুনাওঁ।"

তেখেতে পৰিচালকৰ দৰে দুইখন হাত তুলিলে আৰু ল'ৰা-ছোৱালীবোৰক ক'লে, "এতিয়া সাজু হোৱাঁ, তিনি, চাৰি", আৰু তেখেতে তাল দিবলৈ ধৰিলে। ল'ৰাছোৱালীবোৰে ইজনে সিজনক চিনি নাপায়। কিন্তু সিহঁত আটায়ে অন্তৰ উজাৰি গাবলৈ আৰম্ভ কৰিলে;

ঘৰৰ মুধৰ ওপৰেৰে
ডাৱৰৰ সাগৰৰ ওপৰেৰে.....

ত'ত্ত'-চ্চানে গানটো নাজানিছিল। ত'মে'ত এনেকুৱা ধৰণৰ গান শিকোৱা নহয়। এজন মৰমিয়াল মুখৰ, বহি থকা মানুহৰ বিছনাখনৰ আনটো মূৰত বহি তাই মন দি গান শুনিবলৈ ধৰিলে। তাইৰ এক আচহুৱা অনুভূতি হ'ল। সেইটো গান শেষ হওঁতে শিক্ষয়িত্ৰীয়ে বেছ স্পষ্ট কৈ ঘোষণা কৰিলে, "এতিয়া আমি 'পুতলা উৎসৱ'টো গাম"। ত'ত্ত'-চ্চানৰ বাহিৰে সকলোৱে সুন্দৰকৈ গালে ঃ

আঁহা আমি বস্তি জুলাওঁ
জুলাওঁ বস্তিবোৰ এটা এটা কৈ.....

মনে মনে থকাৰ বাহিৰে ত'ত্ত'-চ্চানৰ কৰিবলৈ একো নাছিল।

সকলোৱে গান গোৱাৰ পিছত পুৰুষসকলে হাতচাপৰি বজালে। শিক্ষয়িত্ৰীয়ে মিচিকিয়াই হাঁহিলে আৰু ক'লে, "এতিয়া তেন্তে 'ঘোঁৰা পোৱালী আৰু মাকজনী'টো গালে কেনে হয়? আটায়ে একেলগে। তিনি, চাৰি....." আৰু তাল দিবলৈ আৰম্ভ কৰিলে।

ত'ত্ত'-চ্চানে সেইটোও নাজানিছিল। সিহঁতে যেতিয়া এইটো গোৱা শেষ কৰিলে, তেতিয়া ত'ত্ত'-চ্চান বহি থকা বিছনাখনৰ সৈন্যজনে তাইৰ মূৰত লাহেকৈ থপৰিয়ালে আৰু ক'লে, "তুমি নাগালা?"

ত'ত্ত'-চ্চানৰ নিজকে অপৰাধী যেন লাগিল। তাই সৈন্যসকলক দেখা কৰিবলৈ আহিল আৰু তেওঁলোকক এটা গানো গাই শুনাব নোৱাৰিলে। সেইকাৰণে তাই উঠিল আৰু বিছনাৰপৰা অলপ আঁতৰত থিয় হৈ সাহসেৰে ক'লে, "ঠিক আছে, এতিয়া মই জনা গান এটা গাম"।

আঁচনিত নোহোৱা বেলেগ কিবা এটা ঘটিবলৈ ধৰিছে।

"তুমি কি গাব খুজিছা?" শিক্ষয়িত্ৰীয়ে সুধিলে। পিছে ত'ত্ত'-চ্চানে ইতিমধ্যে দীঘলকৈ উশাহ টানিলে আৰু গাবলৈ আৰম্ভ কৰিলেই, সেইকাৰণে তেখেতে বাট চাবলৈকে সিদ্ধান্ত ল'লে।

ত'ত্ত'-চ্চানে ভাবিলে যে তাই যিহেতু ত'মে'ক প্ৰতিনিধিত্ব কৰিছে গতিকে ত'মে'ৰ আটাইতকৈ জনাজাত গানটো গোৱাই ভাল হ'ব। দীঘলকৈ উশাহটো টানি লৈ তাই গোৱা আৰম্ভ কৰিলে ঃ

"চোবোঁৱা চোবোঁৱা ভালকৈ চোবোঁৱা
তুমি যি খাইছা সকলো.....

কিছুমান ল'ৰা-ছোৱালীয়ে হাঁহিলে, আনবোৰে ওচৰত থকাজনক সুধিলে, "কি গান গাইছেনো, কি গান গাইছে?" শিক্ষয়িত্ৰীয়ে তাল দিব খুজিছিল, কিন্তু কি কৰিব ভাবি নাপাই হাত দুখন দাঙিয়েই ৰৈ গ'ল। ত'ত্ত'-চ্চানে বিব্ৰতবোধ কৰিলে, কিন্তু তাইৰ গোটেইখিনি যোগ্যতাৰে গাই গ'ল ঃ

চোবাই খোৱাঁ, চোবাই খোৱাঁ, চোবাঁই খোৱাঁ, চোবাই খোৱাঁ
তোমাৰ ভাত আৰু মাছ-মঙহ!

গান শেষ হ'লত ত'ত্ত'-চ্চানে মূৰ দোঁৱালে। মূৰ দাঙোতে তাই দেখি আচৰিত হ'ল যে সৈন্যজনৰ ধাৰাসাৰে চকুপানী বৈ আহিছে। তাই ভাবিলে তাই চাগে' কিবা বেয়া কাম কৰিলে। আৰু তেতিয়া তাইৰ দেউতাকতকৈ দেখাত

অলপ ডাঙৰ যেন লগা সৈন্যজনে আকৌ তাইৰ মূৰত থপৰিয়ালে আৰু ক'লে, "ধন্যবাদ, ধন্যবাদ!"

তেওঁ তাইৰ মূৰটো থপৰিয়াই থাকিল আৰু কান্দোন বন্ধ কৰিব নোৱাৰিলে। তেতিয়া শিক্ষয়িত্ৰীয়ে উৎফুল্লভাৱেৰে যেন তেওঁৰ মন ভাল লগাবলৈকে ক'লে, "মই ভাবোঁ, এতিয়া সৈন্যসকলৰ কাৰণে আমি লিখি অনা ৰচনাবোৰ পাঠ কৰিবৰ সময় হ'ল।"

ল'ৰা-ছোৱালীবোৰে পাল পাতি সিহঁতে লিখি অনা কথাবোৰ ডাঙৰ ডাঙৰকৈ পাঠ কৰিলে। ত'ত্ত'-চ্চানে তাইৰ সৈনিকজনলৈ চালে। তেওঁৰ চকু আৰু নাক ৰঙা পৰি আছে, কিন্তু তেওঁ মিচিকিয়াই হাঁহিলে। উত্তৰত ত'ত্ত'-চ্চানেও মিচিকিয়ালে। তাই মনে মনে ভাবিলে, 'সৈন্যজনে যে হাঁহিছে— মোৰ যে কিমান ভাল লাগিছে।"

সৈন্যজনৰ চকুলৈ কিহে চকুলো আনিছিল সেইটো কথা অকল তেওঁহে জানে। বোধহয় তেওঁৰো ত'ত্ত'-চ্চানৰ দৰে এজনী সৰু ছোৱালী আছিল। বা হয়তো তাই মৰমলগাকৈ, যিমান ভালকৈ পাৰি সিমান ভালকৈ গানটো গাবলৈ চেষ্টা কৰা দেখি তেওঁৰ হৃদয় গলি গ'ল। বা হয়তো তেওঁৰ যুদ্ধভূমিৰ অভিজ্ঞতাৰ বাবে তেওঁ বুজিছিল অনাহাৰ অৰ্দ্ধাহাৰৰ দিন যে কিমান ওচৰলৈ আহি আছে; আৰু এই সৰু ছোৱালীজনীয়ে ভালকৈ চোবাবলৈ কৈ গান গাইছে, অথচ চোবাবলৈ কিজানি একোকে নাথাকিব— এই ভাবটোৱে তেওঁৰ মনটো দুখেৰে ভৰাই তুলিছিল। কিমান ভয়ংকৰ ঘটনাই ঠিক এইখিনি ল'ৰা-ছোৱালীকে আৱৰি ধৰিব এই কথা কিজানি তেওঁ উপলব্ধি কৰিছিল। লিখি অনা সাহিত্য কৰ্মবোৰ পাঠ কৰি থকা ল'ৰা-ছোৱালীবোৰে বোধহয় আভাসেই পোৱা নাছিল কিন্তু প্ৰশান্ত মহাসাগৰীয় যুদ্ধখন তেতিয়া তলে তলে ভালেখিনি পাইছিলহি।

গছৰ বাকলিৰে স্বাস্থ্য-পৰীক্ষা

গে'ইটত থকা, এতিয়া তাই ভালকৈ চিনি পোৱা মানুহজনক ডিঙিৰ ৰছীত ওলমি থকা ৰেলৰ 'পাছ'খন দেখুৱাই ত'ত্ত'-চ্চান জিয়োগাওকা ষ্টেচ'নৰ বাহিৰলৈ ওলাই গ'ল।

বৰ চিত্তাকৰ্ষক কিবা এটা ঘটি আছে। গছৰ ছাল-বাকলি যেন লগা বস্তুৰ প্ৰকাণ্ড দ'ম এটাৰ পিছফালে এজন ডেকা মানুহ এখন কঠত ভৰি মোটোকাই বহি আছে। পাঁচজন নে ছয়জন মানুহে তেওঁৰ কেউফালে থিয় হৈ তেওঁক চাই আছে। তেওঁ "মোৰ ফালে সাৱধানে মন কৰক, মোৰ ফালে সাৱধানে মন কৰক" বুলি কৈ থকা শুনি ত'ত্ত'-চ্চানে তেওঁলোকৰ ওচৰলৈ যোৱাৰ সিদ্ধান্ত ল'লে। ত'ত্ত'-চ্চান ৰৈ যোৱা দেখি মানুহজনে ক'লে, "তোমাৰ আটাইতকৈ দৰকাৰী বস্তুটো হ'ল স্বাস্থ্য। ৰাতিপুৱা শোৱাৰপৰা উঠিয়েই যদি তুমি ভালে আছানে নাই জানিব খোজা তেন্তে এই ছালটুকুৰাই তোমাক কথাটো কৈ দিব। ৰাতিপুৱাই তুমি কৰিব লগা প্ৰথম কামটো হৈছে ইয়াৰে টুকুৰা এটা খোৱা। যদি তিতা লাগে তেন্তে তুমি ভালে থকা নাই বুলি প্ৰমাণ হ'ব। যদি তিতা নালাগে তেন্তে জানিবা তুমি ঠিকে আছা, তোমাৰ একো অসুখ হোৱা নাই। এই ছালডোখৰে তোমাক ভালে আছানে নাই কৈ দিব, আৰু ইয়াৰ দাম মুঠেই বিছ ছেন।"

"সেইফালে থকা সেই ভদ্ৰলোকজনে এটুকুৰা খাই চাবনে?"

তেওঁ এজন ক্ষীণ-মীন মানুহক বাকলিৰ টুকুৰা অকণ দিলে আৰু তেওঁ ভয়ে ভয়ে আগ দাঁতেৰে অকণমান কামুৰি চালে। মূৰটো অলপকৈ লৰাই তেওঁ গম ল'লে।

"এই টুকুৰা.....টো.....অলপ.....অলপ.....তিত.....তিতিকি....."।

ডেকাজনে জাঁপ এটা মাৰি চিঞৰ-বাখৰ লগালে, "মহাশয় আপোনাৰ নিশ্চয় কিবা বেমাৰ হৈ আছে। আপুনি সাৱধান হওঁক। পিছে চিন্তা নকৰিব। এতিয়াও কথা বেছি গহীন হোৱা নাই। আপুনি অলপ তিতিকি লাগিছে বুলিহে কৈছে! আৰু সেইখিনিৰ সৌ ভদ্ৰমহিলাগৰাকীয়ে কি কয়? "হেৰি, আপুনি বাৰু অকণমান চোবাই চাবলৈ বেয়া পাব নেকি ?"

বজাৰ কৰা বাস্কেট লৈ অহা এগৰাকী মহিলাই ডাঙৰ টুকুৰা এটা লৈ মচক মচক কৈ চোবালে। তেওঁ ৰং মনেৰে ঘোষণা কৰিলে, "ক'তা অলপো তিতা নহয় দেখোন।"

"অভিনন্দন জনাইছোঁ, মেডাম!" মানুহজনে ক'লে, 'আপুনি নিশ্চয় সঁচাকৈয়ে বৰ স্বাস্থ্যৱতী।" তাৰ পিছত তেওঁ মাতটো ডাঙৰ কৰি ক'লে, "কেৱল বিছ ছেন। বিছ ছেন মাত্ৰ। এই খৰচেৰেই আপুনি প্ৰতিদিনে ৰাতিপুৱা জানিবলৈ পাব আপুনি ভালে আছেনে নাই। এটা ভাল ফাও।"

ত'ত্ত'-চ্চানৰ সেই ধোঁৱাবৰণীয়া বাকলিৰ অকণমান খাই চাবলৈ মন গৈছিল, কিন্তু খুজিবলৈ লাজ কৰিলে। তাৰ সলনি তাই ক'লে, "স্কুল ছুটী হোৱালৈকে আপুনি ইয়াতে থাকিবনে?"

"নিশ্চয়," সৰু ছোৱালীজনীলৈ চাই মানুহজনে ক'লে।

ত'ত্ত'-চ্চান দৌৰি গ'লগৈ, তাইৰ বেগটোৱে পিঠিত ধপধপাই গ'ল। স্কুল আৰম্ভ হোৱাৰ আগতে তাইৰ কৰিবলগীয়া কাম আছিল বাবে তাই পলম কৰিবলৈ নিবিচাৰিলে। তাই শ্ৰেণীকোঠাত সোমায়েই ল'ৰা-ছোৱালীবোৰক সুধিবলগীয়া কথা আছে।

"কোনোবাই মোক বিছ ছেন ধাৰলৈ দিব পাৰিবনে?" কিন্তু কাৰো হাতত বিছ ছেন নাছিল। চেনিগুটিৰ দীঘল পেকেট এটাৰ দামেই দহ ছেন, গতিকে এইখিনি আচলতে বিশেষ একো পইছা নহয় কিন্তু সেইখিনিয়েই কাৰো হাতত নাছিল।

"মই মা-দেউতাক সুধিমনে?" মিয়'-চ্চানে সুধিলে। এনেকুৱা সময়বোৰতে মিয়'-চ্চান যে হে'ডমাষ্টৰৰ জীয়েক—এইটো বৰ সুবিধাৰ কথা হৈ পৰে। মিয়'-চ্চানহঁতৰ ঘৰ সভাভৱনৰ গাতে লগা। গতিকে এনে লাগে যেন তাইৰ মাকেও স্কুলতে বাস কৰে।

"দেউতাই কৈছে তেখেতে পইছাটো তোমাক দিব বাৰু," ভাত খোৱাৰ সময়ত তাই ত'ত্ত'-চ্চানক ক'লে, "কিন্তু তেখেতে সুধিছে কিয়নো লাগে পইছা।"

ত'ত্ত'-চ্চানে অফিছ কোঠালৈ বাট ল'লে।

চকুৰপৰা চছমাযোৰ খুলি লৈ হে'ডমাষ্টৰে সুধিলে, "কিয় লাগেনো তোমাক পইছা?"

"মই এটুকুৰা গছৰ ছাল কিনিব খোজোঁ; আপুনি ছালটুকুৰাৰপৰাই জানিব পাৰিব আপুনি ভালে আছে নে নাই।" তাই লৰালৰিকৈ উত্তৰ দিলে।

হে'ডমাষ্টৰৰ আগ্ৰহ জন্মিল, "ক'ত বেচিছেনো এইবোৰ?"

"ষ্টেছনৰ সমুখত," তাই খৰকৈ ক'লে।

"ঠিক আছে," হে'ডমাষ্টৰে ক'লে। "তুমি ইচ্ছা কৰা যদি কিনিবা বাৰু। কিন্তু মোকো একামোৰ মাৰি চাবলৈ দিবাচোন। দিবা নহয়?" তেখেতে জেকেটৰ জেপৰপৰা বেগটো উলিয়াই তাৰপৰা বিছ ছেন উলিয়াই ত'ত্ত'-চ্চানৰ হাতৰ তলুৱাত দিলে।

"বহুত ধন্যবাদ আপোনাক," ত'ত্ত'-চ্চানে ক'লে। "মই মাৰপৰা পইছা লৈ আপোনাক ওভোতাই দিম। মায়ে মোক কিতাপ কিনিবলৈ লাগিলে পইছা দিয়ে নহয়। কিবা কিনিব খুজিলে মই আগতে সুধি লওঁ। কিন্তু এই বাকলিটো সকলোৰে বাবে দৰকাৰী বস্তু। সেইকাৰণে মই ভাবোঁ তেওঁ বেয়া নাপাব।"

স্কুল ছুটিৰ পিছত হাতৰ মুঠিত বিছ ছেন লৈ ত'ত্ত'-চ্চান লৰালৰিকৈ ষ্টেচনলৈ

গ'ল। মানুহজন তাতে আছিল আৰু অবিৰামভাৱে নিজৰ পণ্য বস্তুটোৰ গুণ-কীৰ্তন কৰি আছিল। ত'ত্ত'-চ্চানৰ হাতত বিছ ছেন দেখি তেওঁ আকৰ্ণবিস্তৃত হাঁহি মাৰিলে।

"ভাল ছোৱালী! তোমাৰ মাৰা-দেউতাৰাই বৰ ভাল পাব।"

"ৰকিয়েও ভাল পাব।"

"ৰকি কোন?" এটুকুৰা ছাল ত'ত্ত'-চ্চানৰ কাৰণে উলিয়াই মানুহজনে সুধিলে।

"আমাৰ কুকুৰ। এটা জাৰ্মান শ্বেফাৰ্ড।"

মানুহজন ৰ'ল আৰু এক মিনিট কিবা এটা ভাবি তেওঁ ক'লে, "কুকুৰ.....বাৰু, মই ভাবোঁ কুকুৰৰ ক্ষেত্ৰতো কাম কৰিব ই। আন নহ'লেও তিতা লাগিলে সি খাবলৈ ভাল নাপাব আৰু তাৰপৰাই বুজিবা যে তাৰ বেমাৰ হৈছে।"

মানুহজনে প্ৰায় এক ইঞ্চি বহল আৰু ছয় ইঞ্চি দীঘল টুকুৰা এটা তুলি ল'লে।

"এই টুকুৰা। প্ৰতিদিনে ৰাতিপুৱা ইয়াৰে অকণ চোবাই চাবা আৰু যদি তিতা পোৱা তেন্তে জানিবা তোমাৰ অসুখ। যদি তিতা নহয় তেন্তে তুমি একেবাৰে টপতৈয়াৰ।"

ত'ত্ত'-চ্চানে খবৰ কাগজেৰে মেৰিওৱা সেই মূল্যবান ছালটুকুৰা সাৱধানে ঘৰলৈ লৈ গ'ল। ঘৰ পায়েই তাইৰ প্ৰথম কাম হ'ল সৰুকৈ একামোৰ মৰা। শুকান আৰু খহটা, কিন্তু তিতা নহয়। আচলতে একো স্বাদ নাই।

"বাঃ বঢ়িয়া। মই ভালে আছোঁ।"

"নিশ্চয়। আছাতো।" মাকে মিচিকিয়াই হাঁহি ক'লে, "আচৰিত কথা! কি হ'লনো?"

ত'ত্ত'-চ্চানে বুজাই ক'লে। মাকে ছালডোখৰত একামোৰ মাৰি চালে।

"তিতা নহয়।"

"তেন্তে তুমিও ভালে আছা মা!"

তাৰ পিছত ত'ত্ত'-চ্চান ৰকিৰ ওচৰলৈ গ'ল আৰু ছালডোখৰ তাৰ মুখৰ আগত ধৰিলে। ৰকিয়ে প্ৰথমতে শুঙি চালে তাৰ পিছত চেলেকিলে।

"তই কামুৰিব লাগিব," ত'ত্ত'-চ্চানে ক'লে, "তেতিয়াহে তই জানিবি ভালে আছ নে নাই।"

কিন্তু ৰকিয়ে কামুৰিবলৈ কোনো প্ৰচেষ্টা নচলালে। সি কেৱল হাঁতোৰাৰে তাৰ মূৰৰ পিছফালটো খজুৱালে। ত'ত্ত'-চ্চানে ছালডোখৰ তাৰ মুখৰ বেছি ওচৰ চপাই ধৰিলে।

"আহচোন, কামুৰি খা। তই ভালে থকা নাই যদি বৰ ভয়ৰ কথা।"

ৰকিয়ে অনিচ্ছাৰে কিনাৰৰপৰা সৰু টুকুৰা এটা এৰুৱাই নিলে। তাৰ পিছত আকৌ শুঙিলে। কিন্তু সি বস্তুটো বিশেষ বেয়া পোৱা যেন দেখা নগ'ল। কেৱল সি এটা বৰ ডাঙৰ হামি মাৰিলে।

"বাঃ বঢ়িয়া! ৰকি ভালে আছে!"

পিছদিনা পুৱা মাকে ত'ত্ত'-চ্চানক বিছ ছেন দিলে। তাই চিধাই হে'ডমাষ্টৰৰ অফিছ কোঠালৈ গ'ল আৰু গছৰ ছালডোখৰ সশব্দে থ'লে।

এক মুহূৰ্তৰ কাৰণে হে'ডমাষ্টৰে এনেকুৱাকৈ চালে যেন ক'ব খুজিছে 'এইটো আকৌ কি?'

ত'ত্ত'-চ্চানে হাতৰ মুঠিত সাৱধানে অনা বিছ ছেনৰ মুদ্ৰাটো দেখি তেখেতৰ কথাটো মনত পৰিল।

"কামুৰি চাওকচোন," ত'ত্ত'-চ্চানে ক'লে "তিতা লাগে যদি জানিব আপোনাৰ গা ভাল নহয়।"

হে'ডমাষ্টৰে কামুৰি চালে। তাৰ পিছত লুটিয়াই-বগৰাই টুকুৰাটো পৰীক্ষা কৰিলে।

"তিতা লাগিছে নেকি?" আগ্ৰহেৰে হে'ডমাষ্টৰৰ মুখলৈ চাই ত'ত্ত'-চ্চানে সুধিলে।

"একো সোৱাদেই নাই।"

ছালডোখৰ ত'ত্ত'-চ্চানক ওভতাই দি তেখেতে ক'লে, "মই ভালেই আছোঁ। ধন্যবাদ।"

"বাঃ বাঃ হে'ডছাৰৰ স্বাস্থ্য ভালেই আছে। ইমান যে ভাল কথা হ'ল।"

সেইদিনা ত'ত্ত'-চ্চানে স্কুলৰ সকলোকে একোকণকৈ ছাল চোবাই চাবলৈ দিলে। এজনেও তিতা নাপালে। আৰু তাৰ মানে বুজা গ'ল যে আটায়ে ভালে আছে। ত'ত্ত'-চ্চানৰ বৰ ৰং লাগিল।

ল'ৰা-ছোৱালীবোৰ আটায়ে গৈ গৈ হে'ডমাষ্টৰক জনাই আহিল যে সিহঁত ভালে আছে। আৰু সিহঁত প্ৰতিজনকে হে'ডমাষ্টৰে উত্তৰ দিলে, "বৰ ভাল কথা।"

হে'ডমাষ্টৰে বোধহয় আগৰপৰাই জানিছিল। নদীৰ পাৰৰ গুমা পৰগণাত তেখেতৰ জন্ম হৈছিল, য'ৰপৰা হাৰুণা পৰ্বত শৃংগটো দেখা যায়। তেখেতে নিশ্চয় জানিছিল যে যেয়ে নোচোবাওক কিয় এইডোখৰ ছাল কেতিয়াও তিতা নালাগিব।

কিন্তু হে'ডমাষ্টৰে ভাবিছিল সকলোৰে স্বাস্থ্য ভালে থকাত যে ত'ত্ত'-চ্চানৰ আনন্দ, এইটো অতি সুন্দৰ কথা। তেখেত এই কথাত সুখী হৈছিল যে ত'ত্ত'-চ্চান এনে এক ব্যক্তি হ'বলৈ আগবাঢ়িছে যি ছালডোখৰ তিতা বুলি কোৱা যিকোনো মানুহৰ কাৰণে চিন্তিত আৰু আগ্ৰহী হ'ব।

ত'ত্ত'-চ্চানে আন কি স্কুলৰ ওচৰতে ঘূৰি ফুৰা বাটৰ কুকুৰ এটাৰ মুখতো ছালটুকুৰা ঠেলি-হেঁচি সুমুৱাই দিছিল। কুকুৰটোৱে তাইক প্ৰায় কামুৰিবলৈকে ধৰিছিল, কিন্তু সেই কথালৈ তাই ভয় কৰা নাছিল।

"তই জানিবি অ' তোৰ বেমাৰ হৈছেনে নাই", ত'ত্ত'-চ্চানে চিঞৰি কুকুৰটোক ক'লে। "আহ, খা! তই যদি নিবেমাৰী হৈ আছ তেন্তে সেইটো কিমান বঢ়িয়া কথা।"

কুকুৰটোক একামোৰ মৰোৱাত তাই কৃতকাৰ্য্য হ'ল। তাৰ কেউফালে জঁপিয়াই ফুৰি তাই চিঞৰিলে, "বাঃ বাঃ! তয়ো ভালে আছ।"

কুকুৰটোৱে মূৰ দোঁৱালে যেন তাইক ধন্যবাদহে জনালে, আৰু দৌৰি গুচি গ'ল।

হে'ডমাষ্টৰে ভবাৰ দৰেই গছৰ ছাল বেচা মানুহটোক আৰু কেতিয়াও জিয়োগাওকাত দেখা নগ'ল।

প্ৰতিদিনে ৰাতিপুৱা স্কুললৈ যোৱাৰ আগতে ত'ত্ত'-চ্চানে সেই অমূল্য ছালটুকুৰা ডেৰাজৰপৰা উলিয়ায়—এতিয়া ছালটুকুৰা দেখিবলৈ এনেকুৱা হৈ পৰিছে যেন এটা কৰিৎকৰ্মা উতনুৱাইহে লাগি লাগি ইয়াৰ কিছু অংশ খাই পেলাইছে—টুকুৰা এটা চোবাই খায়, আৰু ঘৰৰপৰা ওলাই যাওঁতে চিঞৰি কৈ যায়—"মোৰ স্বাস্থ্য ঠিকেই আছে!" আৰু সৌভাগ্যৰ কথা যে আচলতে ত'ত্ত'-চ্চানৰ স্বাস্থ্য ভালেই আছিল।

ইংৰাজী কোৱা ল'ৰাটো

ত'মে'লৈ এজন নতুন ছাত্ৰ আহিল, প্ৰাথমিক স্কুলৰ ল'ৰাৰ জোখতকৈ সি ওখ আৰু গা-গাৰি থকা। ত'ত্ত'-চ্চানে ভাবিলে যে তাক দেখিলে সপ্তমমান শ্ৰেণীত পঢ়া যেনহে লাগে। তাৰ পোছাক-পৰিচ্ছদো বেলেগ ধৰণৰ—ডাঙৰ মানুহৰ দৰে।

সেইদিনা ৰাতিপুৱা স্কুলৰ খেলপথাৰত হে'ডমাষ্টৰে নতুন ছাত্ৰজনক চিনাকি কৰি দিলে।

"এওঁ মিয়াজাকি। এওঁ আমেৰিকাতে জন্ম লৈ তাতে ডাঙৰ-দীঘল হৈছে, সেইকাৰণে জাপানী ভাষা ভালকৈ ক'ব নোৱাৰে। সেইকাৰণে এওঁ ত'মে'লৈ আহিছে। ইয়াত এওঁ সহজে বন্ধু হ'ব পাৰিব আৰু পঢ়া-শুনাত আগবাঢ়িবও পাৰিব। এওঁ এতিয়া তোমালোকৰ মাজৰে এজন। এওঁক কি শ্ৰেণীত নাম লগাই দিয়া যাব বাৰু? তা-চ্চানহঁতৰ লগত পঞ্চমমানতে দিলে কেনে হয় বাৰু?"

"বঢ়িয়া হ'ব," ছবি আঁকাত হাত থকা তা-চ্চানে ককায়েক এজনৰ সুৰেৰে ক'লে।

হে'ডমাষ্টৰে মিচিকিয়াই হাঁহিলে আৰু কৈ গ'ল, "মই ক'লোঁ যে তেওঁ জাপানী ভাষা ভালকৈ নাজানে পিছে ইংৰাজী হ'লে বৰ ভালকৈ জানে।

তোমালোকক কিছু শিকাবলৈ লগাই দিবা। তেওঁ অৱশ্যে জাপানৰ জীৱনত অভ্যস্ত নহয়, সেইকাৰণে তোমালোকে তেওঁক সহায় কৰিবাহঁক। নকৰিবা জানো? আৰু তেওঁক আমেৰিকাৰ জীৱনৰ বিষয়ে সুধিবা। তেওঁ তোমালোকক অজস্ৰ জানিবলগীয়া কথা ক'ব। বাৰু তেন্তে, এতিয়া তেওঁক তোমালোকৰ লগতে এৰোঁ?"

মিয়াজাকিয়ে দেখাত তাতকৈ সৰু যেন লগা শ্ৰেণীৰ লগৰীয়াহঁতক মূৰ দোঁৱাই অভিবাদন জনালে; আৰু অকল তাৰ শ্ৰেণীৰ ল'ৰা-ছোৱালীয়েই নহয়, আটাইবোৰেই প্ৰত্যুত্তৰত মূৰ দোঁৱালে।

ভাত খোৱা ছুটীত মিয়াজাকি হে'ডমাষ্টৰৰ ঘৰলৈ গ'ল আৰু আটাইবোৰে তাৰ পিছ ল'লে। তাত সি জোতাৰেই ভিতৰ সোমাই নগৈ কি কৰিবনো বাৰু? ল'ৰা-ছোৱালীহঁতে চিঞৰি উঠিল, "জোতা খুলি থ'ব লাগিব।"

মিয়াজাকি চক্ খাই উঠিল। "অ', ক্ষমা কৰিবা দেই," জোতা খুলি খুলি সি ক'লে।

ল'ৰা-ছোৱালীবোৰে আটায়ে একেলগেই তাক কি কৰিব লাগিব, কি কৰিব নালাগিব ক'বলৈ ধৰিলে।

"তুমি পাটী পৰা মজিয়াত আৰু সভাভৱনত জোতা খুলি সোমাব লাগিব, কিন্তু ক্লাছত আৰু লাইব্ৰেৰীত জোতা পিন্ধিয়েই থাকিব পাৰিবা।"

"কুহ্নবুৎছু মন্দিৰলৈ গ'লে চোতালত জোতা পিন্ধিয়েই থাকিব পাৰিবা। কিন্তু মন্দিৰৰ ভিতৰলৈ জোতা খুলিহে সোমাব পাৰিবা।"

জাপানত বসবাস কৰা আৰু বিদেশত বসবাস কৰাৰ মাজত থকা পাৰ্থক্যখিনি জানিবলৈ বেছ স্ফূৰ্তি লাগে।

পিছদিনা মিয়াজাকিয়ে এখন ছবি থকা ডাঙৰ কিতাপ স্কুললৈ আনিলে। ভাত খোৱা ছুটীৰ সময়ত কিতাপখন চাবলৈ আটায়ে হেতা-ওপৰা লগালে। সিহঁত আচৰিত হ'ল। আগতে কেতিয়াও সিহঁতে ইমান সুন্দৰ ছবি থকা কিতাপ দেখা নাছিল। সিহঁতে আগতে দেখা তেনে কিতাপত কেৱল উজ্জ্বল ৰঙা, সেউজীয়া আৰু হালধীয়া ৰঙৰহে ছবি আছিল। কিন্তু এইখনত শেঁতা মঙহৰ দৰে ৰঙচুৱা ৰঙো আছিল। নীলাৰ ভিতৰতে বগা আৰু ধোঁৱা ৰঙৰ লগত মিলোৱা আৰু ৰঙীণ পেন্সিলত নথকা কেইবাটাও ধুনীয়া ৰং আছিল। চৌব্বিছডাল ৰঙীণ পেঞ্চিলৰ বাকচটোত নথকা ৰং, আৰু আনকি তা-চ্চানৰ আঠচল্লিছডাল পেঞ্চিলৰ বিশেষ বাকচটোতো নথকা বহুতো ৰঙেই তাত আছিল। প্ৰতিজনেই মুগ্ধ হৈ গ'ল। ছবিবোৰৰ কথা ক'বলৈ গ'লে প্ৰথমখন আছিল এনেকুৱা ঃ এটা কেঁচুৱাক লেংটি টুকুৰাত ধৰি এটা কুকুৰে টানিব খুজিছে। দেখাত কেঁচুৱাটো

একেবাৰে অঁকা ছবি হেন নহয়—কোমল গুলপীয়া ছালেৰে যেন সেইটো এটা সঁচা কেঁচুৱাহে। তাইৰ সাধাৰণ মিলা-মিছা কৰাৰ ধৰণেৰেই ত'ত্ত'-চ্চান মিয়াজাকিৰ আৰু ছবিৰ কিতাপখনৰ যিমান পাৰে ওচৰ চাপিল।

মিয়াজাকিয়ে ইংৰাজী পাঠখিনি সিহঁতক পঢ়ি শুনালে। ভাষাটো ইমান মসৃণ যে সিহঁতে মুগ্ধ হৈ শুনিলে। তাৰ পিছত জাপানী ভাষাত বুজাবলৈ লৈ খপজপাবলৈ ধৰিলে।

মিয়াজাকিয়ে সঁচাকৈয়ে স্কুলখনলৈ নতুন আৰু সুকীয়া কিবা এটা লৈ আহিছিল।

" 'আকা-চ্চান' হ'ল 'বেবি'।"

" 'আকা-চ্চান' হ'ল 'বেবি', সকলোৱে পুনৰাবৃত্তি কৰিলে।

" 'উৎছুকুশ্বী' হ'ল 'বিউটিফুল' ", মিয়াজকিয়ে 'উৎছুকুশ্বীই'ৰ 'কু'টোত জোৰ দি আৰু শেষৰ 'ই'টো উচ্চাৰণ নকৰাকৈ ক'লে।

" 'উৎছুকুশ্বীই' হ'ল 'বিউটিফুল'," সকলোৱে পুনৰাবৃত্তি কৰিলে। মিয়াজাকিয়ে বুজিলে যে তাৰ জাপানী ভাষাৰ উচ্চাৰণ ভুল হৈছিল।

"এইটো উৎছুকুশ্বীই, নহয়? শুদ্ধ হৈছে নে?"

মিয়াজাকি আৰু আন ল'ৰা-ছোৱালীবোৰৰ মাজত সোনকালেই ভাল বন্ধুত্ব হ'ল। সি সদায় ত'মে'লৈ আহোঁতে বিভিন্ন ভাল ভাল কিতাপ লগত লৈ আহে আৰু ভাত খোৱাৰ ছুটীত আনবোৰক পঢ়ি শুনায়।

মিয়াজাকি যেন সিহঁতৰ ইংৰাজী ভাষাৰ শিক্ষকহে হ'ল। একে সময়তে মিয়াজাকিৰ জাপানী ভাষাৰ শিক্ষাও খৰ-খেদাকৈ আগবাঢ়িল। আৰু সি ঘৰৰ বেৰৰ 'তক'ন'মা'ত, অৰ্থাৎ ঘৰ সজোৱা বস্তু ৰখা বেৰৰ খোপত বহাৰ নিচিনা ভুল কামবোৰ আৰু নকৰা হ'ল।

ত'ত্ত'-চ্চান আৰু তাইৰ বন্ধুসকলে আমেৰিকাৰ বিষয়ে বহুতো কথা শিকিলে। ত'মে'ত জাপান আৰু আমেৰিকা বন্ধু হৈ পৰিছিল। কিন্তু ত'মে'ৰ বাহিৰত আমেৰিকা হৈ পৰিছিল মহাশত্ৰু, আৰু ইংৰাজী ভাষাটো শত্ৰুৰ ভাষা হোৱা বাবে সকলো স্কুলৰ পাঠ্যক্ৰমৰপৰা ইংৰাজী ভাষা উঠাই দিয়া হৈছিল।

"আমেৰিকানবোৰ চয়তান," চৰকাৰে ঘোষণা কৰিলে। কিন্তু ত'মে'ত ল'ৰা-ছোৱালীবোৰে একেলগে সুৰ লগাই গায়েই থাকিল ঃ "উৎছুকীশ্বীই হ'ল সুন্দৰ।" আৰু ত'মে'ৰ মাজেৰে বৈ যোৱা মলয়া বতাহ আছিল কোমল আৰু উমাল, আৰু ল'ৰা-ছোৱালীবোৰ নিজেই আছিল সুন্দৰ।

ত'মে'ৰ বুৰঞ্জীত এইখনেই প্ৰথম নাটক। ভাত খোৱাৰ সময়ত কোনোবা এজনে বক্তৃতা দিয়াৰ ৰীতি চলিয়েই আছিল। কিন্তু কল্পনা কৰকচোন—হে'ডমাষ্টৰে সদায় ইউৰিদ্‌মিকছ্‌ৰ কাৰণে বজোৱা চমৎকাৰ পিয়ানোটো থকা সৰু মঞ্চখনত, নিমন্ত্ৰিত দৰ্শকৰ আগত এখন নাটক কৰাৰ কথা। এটাও ল'ৰা-ছোৱালীয়ে কেতিয়াও নাটক দেখাই নাছিল। আনকি ত'ত্ত'-চ্চানেও। 'ছ্‌ৱন লে'ইক' চাবলৈ যোৱাৰ বাহিৰে তাই এবাৰো নাট্যশালালৈকে যোৱা নাছিল। যি হওক বছৰশেষৰ উৎসৱৰ বাবে কি আঁচনিনো হাতত লোৱা হ'ব—সেই বিষয়ে সিহঁতে আলোচনা কৰিলে।

ত'ত্ত'-চ্চানৰ শ্ৰেণীৰ ল'ৰা-ছোৱালীয়ে 'কানজিনচ্ছৌ' (পুঁজিসংগ্ৰহ কৰাৰ চনদখন)খন কৰাৰ সিদ্ধান্ত ল'লে। সেই বিখ্যাত পুৰণি কাবুকি নাটকখন আপুনি ত'মে'ত দেখিবলৈ আশা কৰিব নোৱাৰে, কিন্তু এইখন সিহঁতৰ এখন পাঠ্যপুথিত আছিল আৰু শ্ৰীমাৰুয়ামাই সিহঁতক শিকাব। আইক' ছাইশ্ব' ওখ ডাঙৰ কাৰণে তাইক বলী মানুহ বেংকিৰ ভাও ল'বলৈ দিয়া হ'ল আৰু কঠোৰ চেহেৰা আৰু ডাঙৰ মাতেৰে আমাদেৰাই সৈন্যাধ্যক্ষৰ ভাও ল'ব বুলি ঠিক কৰা হ'ল। কথা-বতৰা পাতি এই সিদ্ধান্তলৈ অহা হ'ল যে ত'ত্ত'-চ্চানে নাটকত ভাৰীৰ ছদ্মবেশত থকা ডাঙৰীয়া য়শ্বিৎছুনেৰ ভাৱত অভিনয় কৰিব। আনবোৰ হ'ব ঘূৰি ফুৰা সন্ন্যাসী।

আখৰা কৰাৰ আগতে ল'ৰা-ছোৱালীবোৰে নিজৰ নিজৰ বচনখিনি শিকি ল'ব লগা হ'ল। ত'ত্ত'-চ্চান আৰু সন্ন্যাসীসকলৰ কাৰণে ভাল কথা হ'ল এয়ে যে সিহঁতৰ 'বচন' নাই। সন্ন্যাসীসকল গোটেই নাটখন চলা সময় জুৰি নীৰৱে থিয় হৈ থাকিব; য়শ্বিৎছুনে হিচাপে ত'ত্ত'-চ্চানৰ কাম হ'ল এটা প্ৰকাণ্ড জাঁপিৰ আঁৰত মুখখন ঢাকি আঁঠু কাঢ়ি থকা। বেংকি প্ৰকৃততে য়শ্বিৎছুনেৰ ভৃত্য হ'লেও মন্দিৰ এটা পুনৰ্নিৰ্মাণ কৰিবলৈ চান্দা তুলি ফুৰা সন্ন্যাসীৰ ভাও জুৰি থকা এই দলটোক আতাকা পৰীক্ষণ চকী পাৰ হোৱাত সহায় কৰিবলৈ সি চালাকী কৰি গৰাকীক মাৰ-পিট কৰাৰ ভাও জুৰিব লগা হয়।

বেংকি হিচাপে আইক' ছাইশ্ব'ৰ এটা বেছ ডাঙৰ ভূমিকা আছিল। চকীৰ সৈন্যাধ্যক্ষ ত'গাছিৰ লগত মুখৰ চিঞৰ-বাখৰ আৰু অস্ত্ৰচালনাৰ বাহিৰেও আৰু অকণমান উত্তেজক অংশও আছে—য'ত বেংকিয়ে সৈন্যাধ্যক্ষ ত'গাছিৰ আদেশক্ৰমে পুঁজিসংগ্ৰহৰ চনদখন পঢ়ি দিব লাগে। তাই পঢ়ি দিব লগা কাগজৰ নুৰাটো আছিল খালী আৰু তাত পঢ়ি দিয়াৰ দৰে তাই চমকপ্ৰদভাৱে পূৰ্বপ্ৰস্তুতি

নোহোৱাকৈয়ে জাকজমক ধৰ্মীয় ভাষাৰে পুঁজিৰ বাবে আবেদন জনাব ঃ "জয় জয়তে তদাইজি নামেৰে খ্যাত মন্দিৰৰ পুনৰ্নিৰ্মাণৰ উদ্দেশ্য আগত ৰাখি.....।"

আইক' ছাইশ্ব'ই তাইৰ 'জয়জয়তে' বচনটো সদায় আওৰাই আছিল।

ত'গাছিৰ ভাওটোতো বেংকিৰ যুক্তিবোৰ ওফৰাবলৈ চেষ্টা কৰি চোৱা ভালেখিনি সংলাপ আছিল। আমাদেৰাই সেইখিনি মুখস্থ কৰিবলৈ যুঁজি থাকিব লগা হৈছিল।

অৱশেষত আখৰাৰ সময় আহিল। ত'গাছি আৰু বেংকি পৰস্পৰৰ মুখামুখি হ'ল। বেংকিৰ পিছফালে সন্ন্যাসীসকলৰ শাৰী। য়শ্বিৎছুনে হিচাপে ত'ত্ত'-চ্চান সমুখত কুঁচি-মুচি আঁঠু কাঢ়ি থাকিল। কিন্তু ত'ত্ত'-চ্চানে এইবোৰ কি হৈছে বুজাই নাছিল; সেইকাৰণে যেতিয়া বেংকিয়ে লাঠীৰে তাইক খুন্দিয়াব আৰু কোবাব লগা হ'ল, তেতিয়া ত'ত্ত'-চ্চানৰ প্ৰতিক্ৰিয়া ভয়ানক হ'ল। তাই আইক' ছাইশ্ব'ক ভৰিত গোৰ মাৰি দিলে আৰু আঁচুৰি-বাকুহি পেলালে। আইক'ই কান্দিবলৈ আৰু সন্ন্যাসীবোৰে হাঁহিবলৈ ধৰিলে।

বেংকিয়ে যিমানেই তাইক কোবাওক বা দুখ পোৱাওক, য়শ্বিৎছুনেই থৰ লাগি, বশ মনাৰ দৰে হৈ ৰৈ থাকিব লাগিছিল। কথাটো আছিল এনেকুৱা যে ত'গাছিয়ে গোটেইবোৰ কথা-কাণ্ডত সন্দেহ প্ৰকাশ কৰিছিল যদিও বেংকিৰ কূট-কৌশলত ইমান মুগ্ধ হ'ল আৰু লগতে বেংকিয়ে নিজৰ মহান গৰাকী য়শ্বিৎছুনেক এনেকৈ দুৰ্ব্যৱহাৰ কৰিব লগা হোৱাটো বেংকিৰ পক্ষে কিমান কষ্টৰ কথা হৈছে, সেই কথা ভাবি ইমান বিচলিত হ'ল যে দলটোক তেওঁ পৰীক্ষণ-চকীৰ মাজেদি পাৰ হৈ যাবলৈ দিলে।

য়শ্বিৎছুনেই বাধা দিলে গোটেই নাটকীয় কাহিনীটো নষ্ট হৈ যাব। শ্ৰীমাৰুয়ামাই ত'ত্ত'-চ্চানক এই কথাটো বুজাবলৈ চেষ্টা কৰিলে। কিন্তু ত'ত্ত'-চ্চান নেৰোপানী। তাই একেটা কথাকে লাগি থাকিল যে আইক' ছাইশ্ব'ই যদি তাইক মাৰ-পিট কৰে তেন্তে তায়ো উভতি মাৰ-পিট কৰিবই। সেইকাৰণে সিহঁত আৰু আগবাঢ়িব নোৱৰা হ'ল।

সেই দৃশ্যটো যিমানবাৰেই কৰিবলৈ লয়, ত'ত্ত'-চ্চানে যুঁজ এখন লগাবই।

"মই বৰ দুখ পাইছোঁ," শ্ৰীমাৰুয়ামাই অৱশেষত ত'ত্ত'-চ্চানক ক'লে। "মই ভাবোঁ যে য়শ্বিৎছুনেৰ ভাওটো ল'বলৈ তাই-চ্চানকে দিয়া ভাল হ'ব।"

ত'ত্ত'-চ্চানে সকাহ পালে। অকল তাইকে যে মাৰপিট কৰা হ'ব—এই কথাটো তাই অকণো ভাল পোৱা নাছিল।

"ত'ত্ত'-চ্চান! তুমি বাৰু সন্ন্যাসী এজন হ'বা নে কি?" শ্ৰীমাৰুয়ামাই সুধিলে। সেইকাৰণে ত'ত্ত'-চ্চান আন সন্ন্যাসীবোৰৰ লগতে ৰৈ থাকিল, পিছে একেবাৰে পিছফালে।

শ্ৰীমাৰুয়ামা আৰু ল'ৰা-ছোৱালীবোৰে ভাবিছিল যে এতিয়া সকলো ঠিকে-ঠাকে চলিব, পিছে তেওঁলোকৰ ধাৰণা ভুল আছিল। ত'ত্ত'-চ্চানক সন্ন্যাসীৰ দীঘল লাখুটিডাল লৈ থাকিবলৈ দিব নালাগিছিল। একেথিৰে থিয় হৈ ৰৈ থাকি ত'ত্ত'-চ্চানৰ আমনি লাগিছিল। সেইকাৰণে তাই তাইৰ ওচৰৰ সন্ন্যাসীজনৰ ভৰিত লাখুটিডালেৰে খুচি দিলে আৰু সমুখৰ সন্ন্যাসীজনৰ কাষলতিৰ তলত ভাকুটকুটাই দিলে। আনকি তাই লাখুটিডালেৰে সংগীত-পৰিচালনা কৰাৰ ভাও জুৰি সেইডাল দণ্ডা-পৰা কৰিবলৈ ধৰিলে, ফলত কেৱল ওচৰৰখিনিৰ কাৰণেই যে পৰিস্থিতিটো বিপজ্জনক হ'ল এনে নহয়, তাই বেংকি আৰু ত'গাছিৰ মাজৰ দৃশ্যটোও নষ্ট কৰি দিলে।

ফলত সন্ন্যাসীৰ ভাওৰপৰাও তাইক আঁতৰোৱা হ'ল।

তাই-চ্চানে মাৰপিট খায়ো য়ছিৎশুনেৰ ভাৱত এজন পুৰুষৰ দৰেই দাঁতত দাঁত চেপি সহ্য কৰিলে আৰু ফলত নিশ্চয় দৰ্শকৰ সহানুভূতি আদায় কৰিলে। ত'ত্ত'-চ্চান নোহোৱাকৈয়ে আখৰা মসৃণ গতিত আগবাঢ়িল।

অকলশৰীয়া হৈ ৰৈ যাবলৈ পাই ত'ত্ত'-চ্চান খেলপথাৰলৈ গ'ল। তাই জোতা খুলিলে আৰু এটা "ত'ত্ত'-চ্চান বেল্লেই"ৰ উদ্ভাৱন কৰিবলৈ চেষ্টা কৰিলে। নিজৰ খেয়াল-খুছীমতে নাচিবলৈ তাইৰ বৰ ভাল লাগিছিল। কেতিয়াবা তাই ৰাজহংসী হয়, কেতিয়াবা বতাহ, কেতিয়াবা কোনো কিম্ভূত ব্যক্তি, কেতিয়াবা বা এজোপা গছ। সেই পৰিত্যক্ত খেল-পথাৰত সম্পূৰ্ণ অকলশৰীয়া হৈ তাই নাচি থাকিল, নাচি থাকিল।

তাইৰ অন্তৰৰ নিভৃতত অৱশ্যে দুখৰ এটা ক্ষুদ্ৰ অনুভূতি ৰৈ গৈছিল—তাই য়শ্বিৎছুনেৰ ভাৱত অভিনয় কৰিবলৈ ভাল পালেহেঁতেন। কিন্তু তেখেতসকলে তাইক ভাওটো কৰিবলৈ দিয়া হ'লে তাই নিশ্চয় আইক' ছাইশ্ব'ক পিটিলেহেঁতেন আৰু আঁচুৰি-বাঁকুহি পেলালেহেঁতেন।

গতিকে ত'ত্ত'-চ্চানে ত'মে'ৰ প্ৰথম আৰু শেষ নাটকৰ অভিনয়ত অংশ ল'ব নোৱাৰিলে।

চক-পেন্সিল

ত'মে'ৰ ল'ৰা-ছোৱালীয়ে কেতিয়াও আনৰ দেৱালত আঁক-বাঁক নকৰে; তাৰ কাৰণ বোধহয় এয়ে যে স্কুলতে সিহঁতে তেনে কৰিবলৈ প্ৰচুৰ সুবিধা পাইছিল।

সভাভৱনত বহা সংগীতৰ ক্লাছৰ হে'ডমাষ্টৰে প্ৰতিটো ল'ৰা-ছোৱালীকে একো ডোখৰকৈ বগা চক পেন্সিল দিছিল। সিহঁতে নিজৰ ইচ্ছামতে মজিয়াৰ য'তে-ত'তে শুই-বহি, হাতত চকমাটি লৈ বাট চাই থাকে। আটাইবোৰ সাজু হ'লে হে'ডমাষ্টৰে পিয়ানো বজোৱা আৰম্ভ কৰে। তেখেতে বজাওঁতে সিহঁতে সংগীতৰ স্বৰলিপি লিখাৰ পদ্ধতিৰে ছন্দবোৰ মজিয়াত লিখি যায়। চিকমিকাই থকা পাতল মুগা ৰঙৰ কাঠত চক-পেন্সিলেৰে লিখিবলৈ বৰ ভাল লাগে। ত'ত্ত'-চ্চানৰ শ্ৰেণীত দহটামানহে ল'ৰা-ছোৱালী। সেইকাৰণে যেতিয়া সিহঁতক প্ৰকাণ্ড সভা-ভৱনটোত বহলাই বহুৱাই দিয়া হয়, তেতিয়া সিহঁতৰ প্ৰত্যেকৰে ভাগত মজিয়াৰ ভালেখিনিকৈ অংশ পৰে আৰু সিহঁতে স্বৰবোৰ যিমান ডাঙৰকৈ ইচ্ছা সিমান ডাঙৰকৈ, আনৰ ঠাই বেদখল নকৰাকৈয়ে লিখিব পাৰে। স্বৰলিপিৰ কাৰণে আঁচ টানি লোৱাৰ দৰকাৰেই নহয়, কাৰণ সিহঁতে কেৱল ছন্দবোৰহে লিখি যায়। ত'মে'ত সিহঁতে হে'ডমাষ্টৰৰ লগত কথা পাতি স্বৰবোৰৰ বিশেষ বিশেষ নাম দি লৈছিল। সেইবোৰ হ'ল এনেকুৱা ঃ

ইয়াক জাঁপ বুলি কোৱা হৈছিল, কাৰণ ইয়ালৈ দেও দিবলৈ আৰু জাঁপ মাৰিবলৈ ভাল।

ইয়াক পতাকাৰ দৰে দেখি বাবে পতাকা বুলি কোৱা হৈছিল।

ইয়াক পতাকা-পতাকা বোলা হৈছিল।

ইয়াক ডবল পতাকা বোলা হৈছিল।

ইয়াক ক'লা বুলি কোৱা হৈছিল।

এইটোক বগা বুলি কোৱা হৈছিল।

এটা-তিলেৰে-সৈতে-বগা বুলি বা বগা আৰু ফুট বুলি কোৱা হৈছিল।

ইয়াক বৃত্ত বুলি কোৱা হৈছিল।

এই ধৰণেৰে সিহঁতে স্বৰবোৰ স্ফূৰ্তিৰ মাজেৰে ভালকৈ চিনি পাবলৈ শিকিলে। এই ক্লাছটো কৰিবলৈ সিহঁতে বৰ ভাল পাইছিল।

মজিয়াত চকেৰে লিখাটো আছিল হে'ডমাষ্টৰৰ পৰিকল্পনা। স্কুলত ইমান ডাঙৰ কাগজ নাছিল আৰু ব্লেকব'ৰ্ডো ইয়াৰ বাবে যথেষ্ট নহৈছিল। তেখেতে ভাবিলে যে সভা-ভৱনৰ মজিয়াই এখন বঢ়িয়া ডাঙৰ ব্লেকব'ৰ্ডৰ কাম কৰিব, য'ত বাজনা যিমানেই দ্ৰুত নহওক আৰু লিখাবোৰ যিমানেই ডাঙৰ কৰিবৰ মন নাযাওক, সিমানেই ডাঙৰ কৰি ল'ৰা-ছোৱালীয়ে ছন্দবোৰ সহজে টুকি ল'ব পাৰিব। সৰ্বোপৰি সিহঁতে সংগীতৰ শ্ৰেণীত আনন্দ উপভোগ কৰিব পাৰিব। যদি পিছত সময় থাকেগৈ তেন্তে সিহঁতে উৰাজাহাজ আৰু পুতলা আৰু যিহকে মন যায় তাকে আঁকিব পাৰিব। কেতিয়াবা ল'ৰা-ছোৱালীবোৰে স্ফূৰ্তিতে ছবিবোৰ লগ লগাই দিয়ে আৰু গোটেই মজিয়াখন এখন প্ৰকাণ্ড ছবি হৈ পৰে।

সংগীতৰ শ্ৰেণীত মাজে মাজে হে'ডমাষ্টৰ আহি প্ৰতিজন শিশুৰে লিখা তালবোৰ পৰিদৰ্শন কৰে। তেখেতে মন্তব্য কৰে "বঢ়িয়া হৈছে" বা "এইটো পতাকা-পতাকা নহ'ব নহয়, জাঁপ হে হ'ব লাগিছিল।"

তেখেতে সিহঁতৰ স্বৰলিপি অনুমোদন বা শুদ্ধ কৰি দিয়াৰ পাছত আকৌ এবাৰ সুৰটো বজায়, যাতে সিহঁতে কি কৰিলে সেইটো এবাৰ পৰীক্ষা কৰি ল'ব পাৰে আৰু তালবোৰৰ লগত অভ্যস্ত হ'ব পাৰে। যিমানেই ব্যস্ত হৈ নাথাকক লাগে, এই শ্ৰেণীটো তেখেতে আনক লবলৈ নিদিয়ে। আৰু ল'ৰা-ছোৱালীৰ ক্ষেত্ৰতো ক'ব পাৰি যে এইটো পিৰিয়ডত শ্ৰীক'বায়াশ্বিক বাদ দি সিহঁতে ইমান আনন্দ নাপালেহেঁতেন।

তালবোৰ লিখাৰ পিছত চাফা কৰাটো এটা ডাঙৰ কাম। প্ৰথমতে ব'ৰ্ড মচাৰ দৰে মজিয়াখন মচি ল'ব লাগিব। তাৰ পিছত সোপাকানি, ফটাকাপোৰ লৈ মজিয়াখনৰ সম্পূৰ্ণৰূপে পৰিষ্কাৰ পৰিচ্ছন্ন কৰিবলৈ লাগি যোৱা দলটোত প্ৰতিজনেই সহযোগ কৰে।

এনেকৈয়ে ত'মে'ৰ ল'ৰা-ছোৱালীয়ে শিকিলে বেৰে-ছালে লিখাবোৰ মচি পৰিষ্কাৰ কৰাটো কিমান কঠিন কাম। সেইকাৰণে সিহঁতে সভা-ভৱনৰ মজিয়াৰ বাহিৰে আন ক'তো য'তে-ত'তে যিহকে তিহকে নিলিখিছিল। তদুপৰি এই শ্ৰেণীটো সপ্তাহত দুদিন আছিল, সেইকাৰণে ল'ৰা-ছোৱালীবোৰৰ যিহকে-তিহকে লিখাৰ হেঁপাহ পূৰা হৈছিল।

ত'মে'ৰ ল'ৰা-ছোৱালীবোৰ চক-পেন্সিলৰ বিষয়ে আচল বিশেষজ্ঞ হৈ পৰিছিল, কোন ধৰণৰ চক-পেন্সিল আটাইতকৈ ভাল সেইবোৰ কেনেকৈ ধৰিব লাগে, কেনেকৈ সেইবোৰ আটাইতকৈ ভাল ফল পোৱাকৈ ব্যৱহাৰ কৰিব পাৰি, কেনেকৈ নভগাকৈ লিখি থাকিব পাৰি, এই কথাবিলাক সিহঁতে জানিছিল। সিহঁত প্ৰতিজনেই হৈ পৰিছিল চকৰ বিষয়ে চমজদাৰ।

"য়াছুআকি-চ্চান ঢুকাল !"

বসন্ত কালৰ বন্ধৰ পিছত স্কুল খোলাৰ দিনা প্ৰথম ৰাতিপুৱা। স্কুলৰ খেল পথাৰত গোট খোৱা ল'ৰা-ছোৱালীবোৰৰ সমুখত শ্ৰীক'বায়াশ্বি জেপত হাত ভৰাই অভ্যস্ত ধৰণে থিয় হৈ আছিল, কিন্তু তেখেতে কিছু সময় ধৰি একোকে কোৱা নাছিল। তাৰ পিছত হাত দুখন জেপৰপৰা উলিয়াই তেখেতে ল'ৰা-ছোৱালীবোৰলৈ চালে। তেখেতে কান্দি আছিল যেন লাগিছিল।

"য়াছুআকি-চ্চান ঢুকাল," তেখেতে ধীৰে ধীৰে ক'লে। আমি সকলো আজি তেওঁৰ শৱ-সৎকাৰ অনুষ্ঠানলৈ যাম।" তাৰ পিছত তেখেতে ক'লে, "তোমালোক আটায়ে য়াছুআকি-চ্চানক ভাল পাইছিলা, মই জানো। তেওঁক হেৰুৱাব লগা হোৱাটো বৰ লাজৰ কথা। মই বৰ দুখ পাইছোঁ।" এইখিনিলৈকে কৈ অঁটাওতেই তেখেতৰ মুখখন ৰঙা হৈ পৰিল আৰু চকু দুটা পানীৰে উপচি পৰিল। ল'ৰা-ছোৱালীবোৰ স্তব্ধ হৈ গৈছিল আৰু কোনেও এটা শব্দও উচ্চাৰণ কৰা নাছিল। সকলোৱে য়াছুআকি-চ্চানৰ কথাকে ভাবি আছিল। ত'মে'ৰ খেল-পথাৰত আগতে কোনোদিনেই ইমান বিষণ্ণ নীৰৱতাই বিৰাজ কৰা নাছিল।

"ইমান সোনকালে মৰিল নে, ভাবিবলৈকে টান," ত'ত্ত'-চ্চানে ভাবিলে। "পঢ়া উচিত বুলি কৈ সি মোক বন্ধৰ আগতে 'আংকল টমছ্ কেবিন'খন দিছিলহে। মোৰ পঢ়া শেষেই নহ'ল।"

বসন্তৰ বন্ধৰ আগতে বিদায়-সম্ভাষণ জনাই কিতাপখন তাইৰ হাতত তুলি দিওঁতে তাৰ হাতৰ আঙুলিবোৰ কেনেকুৱা বেঁকা-বেঁকি দেখা গৈছিল সেই দৃশ্য তাইৰ মনত পৰিল। প্ৰথমবাৰৰ কাৰণে তাক লগ পোৱাৰ কথাও তাইৰ মনত পৰিল। তাই তেতিয়া সুধিছিল, "তুমি কিয় এনেকৈ খোজ কাঢ়া?" আৰু তাৰ মিহি উত্তৰ আছিল ঃ "মোৰ পলিঅ' হৈছিল নহয়।" তাই তাৰ মাতটো আৰু সৰু মিচিকি হাঁহিটোৰ কথা ভাবিলে আৰু কেৱল সিহঁত দুজনৰ সেই গ্ৰীষ্মকালৰ গছ বগোৱা অভিযানৰ কথাও ভাবিলে। স্মৃতিকাতৰ হৈ তাই আৰু সুঁৱৰিলে তাৰ শৰীৰটো সেইদিনা ইমান গধূৰ হৈ যোৱাৰ কথা আৰু সি তাইতকৈ ডাঙৰ আৰু ওখ আছিল যদিও কেনেকৈ তাইক নিঃসন্দেহে বিশ্বাস কৰিছিল—সেই কথা। আমেৰিকাত টেলিভিশ্যন নামৰ কিবা এটা বস্তু আছে বুলি য়াছুআকি-চ্চানেই তাইক কৈছিল। ত'ত্ত'-চ্চানে য়াছুআকি-চ্চানক বৰ ভাল পাইছিল। সিহঁতে একেলগে দুপৰীয়া ভাত খাইছিল, ছুটীৰ সময়বোৰ একেলগে কটাইছিল আৰু স্কুল ছুটীৰ পিছত ষ্টেচনলৈ একেলগে খোজকাঢ়ি গৈছিল। তাই তাৰ অভাৱ ইমান বেছিকৈ অনুভৱ কৰিব লাগিব! ত'ত্ত'-চ্চানে উপলব্ধি কৰিলে যে 'মৃত্যু হ'ল'

মানে য়াছুআকি-চ্চান আৰু কেতিয়াও স্কুললৈ উভতি নাহিব। সেই চৰাই পোৱালিকেইটাৰ দৰেই। সিহঁত মৰোঁতে তাই ইমানকৈ মতা সত্ত্বেও সিহঁতে অলপো লৰচৰ কৰা নাছিল।

সি বাস কৰা ঠাইৰপৰা দে'নে'নচ্ছ'ফুৰ বিপৰীতফালে থকা এটা গীৰ্জাত তাৰ অন্ত্যেষ্টি ক্ৰিয়া সম্পন্ন হৈছিল।

ল'ৰা-ছোৱালীবোৰে জিয়োগাওকাৰপৰা এজনীয়াকৈ শাৰী পাতি নিমাতে খোজ কাঢ়ি গৈছিল। ত'ত্ত'-চ্চানে সদায় চোৱাৰ দৰে ইফালে সিফালে নাচাই কেৱল তললৈ মূৰ কৰি খোজ কাঢ়িছিল। হে'ডমাষ্টৰে এই দুখ লগা খবৰটো কোৱাৰ সময়তকৈ এতিয়া যে তাই সুকীয়া অনুভৱ কৰিছে সেই কথা তাই উপলব্ধি কৰিলে। তাইৰ প্ৰথম প্ৰতিক্ৰিয়া আছিল অবিশ্বাস। তাৰ পিছত হ'ল দুখ। কিন্তু এতিয়া তাই কেৱল বিচাৰিছে য়াছুআকি-চ্চানে মাত্ৰ এবাৰ প্ৰাণ পাই উঠক। তাইৰ ইমান বেছিকৈ তাৰ লগত কথা পাতিবলৈ মন গৈছিল যে তাই সহ্য কৰিব নোৱৰা হৈছিল।

বগা লিলি ফুলেৰে গীৰ্জাটো উপচি পৰিছিল। গীৰ্জাৰ বাহিৰত ক'লা কাপোৰ পিন্ধা য়াছুআকি-চ্চানৰ মৰমলগা মাকজনী, বায়েক আৰু আত্মীয়সকল ৰৈ আছিল। ত'ত্ত'-চ্চানক দেখি তেওঁলোকে হাতত থকা বগা ৰুমালেৰে চকু মচি মচি আৰু বেছিকৈ কান্দিলে। এই প্ৰথমবাৰৰ কাৰণে ত'ত্ত'-চ্চান এক শৱ-সংকাৰ অনুষ্ঠানত উপস্থিত থাকিল আৰু তাই উপলব্ধি কৰিলে এই অনুষ্ঠানৰ শোকাবহতা। কোনেও কথা কোৱা নাছিল আৰু অৰ্গেনত মিহিকৈ প্ৰাৰ্থনা-সংগীত বাজি আছিল। বেলিৰ পোহৰেৰে গীৰ্জাটো ভৰি আছিল, কিন্তু এইবিলাকৰ ক'তো আনন্দৰ চিনেই নাছিল। বাহুত ক'লা পটী বন্ধা এজন মানুহে ত'মে'ৰ সকলো ল'ৰা-ছোৱালীকে একোপাহকৈ বগা ফুল দিলে আৰু বুজাই ক'লে যে সিহঁতে এজনৰ পিছত এজনকৈ আগুৱাই গৈ য়াছুআকি-চ্চানৰ কফিনত নিজৰ হাতৰ ফুলপাহ দিবগৈ।

ফুলেৰে আবৃত হৈ, মুদা চকুৰে য়াছুআকি-চ্চান কফিনত শুই আছিল। মৃত যদিও তাক সদায় দেখাৰ দৰে মৰমিয়াল আৰু বুদ্ধিমান যেন দেখা গৈছিল। ত'ত্ত'-চ্চানে আঁঠু কাঢ়িলে, তাৰ হাতৰ ওচৰত ফুলপাহ থ'লে আৰু সন্তৰ্পণে তাই প্ৰায়েই ধৰা মৰমৰ হাতখন ছুলে। তাইৰ লেতেৰা সৰু হাতখনতকৈ তাৰ হাতখন আৰু আঙুলিবোৰ ডাঙৰ মানুহৰ দৰে ইমান দীঘল।

"এতিয়া বিদায়", তাই য়াছুআকি-চ্চানক ফুচফুচাই ক'লে। "ডাঙৰ হ'লে ক'ৰবাত তোমাক লগ পাম চাগে। আৰু তেতিয়ালৈ কিজানি তোমাৰ পলিঅ' ভাল হৈ যাব।"

তাৰ পিছত ত'ত্ত'-চ্চান থিয় হ'ল আৰু আকৌ এবাৰ য়াছুআকি-চ্চানলৈ চালে। "অ' এৰা, মই পাহৰিছিলোঁৱেই, 'আংকল টমছ্ কেবিন'। মই এতিয়া সেইখন আৰু তোমাক ওভতাই দিব নোৱাৰিম নহয়? আকৌ তোমাক লগ পোৱালৈকে মই সেইখন তোমাৰ বাবে ৰাখি থ'ম দেই।"

তাই আঁতৰি যাবলৈ ধৰোঁতে খাটাংকৈ পিছফালে তাৰ মাত শুনিবলৈ পাইছিল। "ত'ত্ত'-চ্চান, আমি একেলগে বহু স্ফূৰ্তি কৰিলোঁ, নহয়? মই তোমাক কেতিয়াও নাপাহৰোঁ, কেতিয়াও।"

প্ৰৱেশপথৰ ওচৰ পাই ত'ত্ত'-চ্চান ঘূৰিল। "ময়ো তোমাক কেতিয়াও নাপাহৰোঁ," তাই ক'লে।

ৰেলৰ ডবাৰ শ্ৰেণীকোঠাত প্ৰথমবাৰৰ বাবে য়াছুআকি-চ্চানক লগ পোৱাৰ দিনাৰ দৰেই আজিও বসন্তৰ ৰ'দ কোমলকৈ জিলিকি আছিল। তাইৰ সেইদিনাৰ আনন্দৰ বিপৰীতে আজি কিন্তু গাল দুখন চকুৰ পানীৰে তিতি আছিল।

এজনী চোৰাংচোৱা

য়াছুআকি-চ্চানৰ বিষয়ে ভাবি ত'মে'ৰ ল'ৰা-ছোৱালীবোৰ বহুদিন ধৰি দুখিত হৈয়েই থাকিল—বিশেষকৈ পুৱাবেলা শ্ৰেণী আৰম্ভ হোৱাৰ সময়ত সিহঁতৰ বেছি বেয়া লাগিছিল। য়াছুআকি-চ্চানৰ যে কেৱল পলম হোৱা নাই, সি যে আৰু কেতিয়াও উভতি নাহে—এই সত্যত উপনীত হ'বলৈ ল'ৰা-ছোৱালীবোৰৰ কিছু সময় লাগিছিল। কম ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণী বেছ ভাল কথা হ'ব পাৰে, পিছে সৰু শ্ৰেণী হ'লে এনেকুৱা সময়ত কথাবোৰ বেছি কঠিন হৈ পৰে। য়াছুআকি-চ্চানৰ অনুপস্থিতি ইমান চকুত পৰা হৈছিল! আসনবোৰ নিৰ্দিষ্ট নাছিল বাবেহে কোনোমতে ৰক্ষা। তাৰ যদি সদায় বহা নিৰ্দিষ্ট ডেস্ক থাকিলহেঁতেন তেন্তে সেইখন খালী হৈ থকাটো বৰ অসহ্য লাগিলহেঁতেন।

অলপ দিন ধৰি ত'ত্ত'-চ্চানে ডাঙৰ হ'লে কি হ'বগৈ তাকে ভবা আৰম্ভ কৰিছিল। সৰু হৈ থাকোঁতে তাই বাটৰ বাজনাদাৰ হ'ব বুলি বা বেল্লেৰিনা হ'ব বুলি ভাবিছিল। ত'মে'লৈ অহাৰ দিনা তাই ভাবিছিল যে ৰেলৰ টিকেট বেচোঁতা হোৱাটোৱেই আটাইতকৈ ভাল কথা হ'ব। কিন্তু এতিয়া তাই ভাবিলে যে তাই

তিৰোতা মানুহৰ কাৰণে উপযুক্ত অসাধাৰণ কিবা এটা কাম চাই কৰিব। নাৰ্ছ হ'বলৈ বেছ ভাল লাগিলহেঁতেন,' তাই ভাবিলে; কিন্তু সৈন্যসকলক দেখা কৰিবলৈ যাওঁতে নাৰ্ছসকলে বেজী দিয়াৰ দৰে কামো কৰিব লগা হোৱা তাই দেখাৰ কথা তাইৰ হঠাৎ মনত পৰিল। সেই কামটো কিছু টানেই হ'ব। গতিকে তাই কি কৰিব? হঠাৎ তাইৰ মন আনন্দেৰে ভৰি পৰিল।

"কেলৈ! মই দেখোন কি হ'ম সিদ্ধান্ত কৰিয়েই থৈছোঁ।"

তাই গৈ সেইমাত্ৰ এল্‌ক'হ'ল বাৰ্ণাৰটো জ্বলাই লোৱা তাই-চ্চানৰ ওচৰ পালেগৈ।

"মই ভাবিছোঁ মই এজনী চোৰাংচোৱা হ'ম," তাই গৰ্বেৰে ক'লে।

জুইশিখাৰ ফালৰপৰা মুখ ঘূৰাই তাই-চ্চানে অলপ সময় ত'ত্ত'-চ্চানৰ মুখলৈ চাই ৰ'ল। তাৰ পিছত সি যেন কথাটো ভাবিছেহে তেনে ভঙ্গীত খিড়িকিৰ বাহিৰলৈ অলপ পৰ চালে আৰু ত'ত্ত'-চ্চানৰ ফালে ঘূৰিল। তাৰ বুদ্ধিদীপ্ত গলগলীয়া মাতেৰে ধীৰে ধীৰে আৰু সৰলভাৱে তাই বুজি পোৱাকৈ সি ক'লে, "চোৰাংচোৱা হ'বলৈ হ'লে তুমি চালাক-চতুৰ হ'ব লাগিব আৰু কেইবাটাও ভাষা জানিব লাগিব।"

অলপ ৰৈ তাই-চ্চানে উশাহ সলাই ল'লে, তাৰ পিছত চিধা তাইলৈ চালে আৰু হুটা মাতেৰে ক'লে, "প্ৰথম কথা হ'ল এজনী মহিলা চোৰাংচোৱা হ'বলৈ হ'লে ধুনীয়া হ'ব লাগিব।"

ত'ত্ত'-চ্চানে ধীৰে ধীৰে তাই-চ্চানৰ দৃষ্টিৰ পৰা চকু নমালে আৰু তাইৰ মূৰটো তললৈ ওলমি গ'ল। অলপ ৰৈ তাই-চ্চানে চিন্তা কৰাৰ দৰে সৰু মাতেৰে, এইবাৰ ত'ত্ত'-চ্চানলৈ নোচোৱাকৈ ক'লে, "আৰু তাৰ বাহিৰেও, চেলেপু মানুহ চোৰাংচোৱা হ'ব পাৰে বুলি মই নাভাবোঁ।"

ত'ত্ত'-চ্চান হতবাক হৈ গ'ল—সি তাই চোৰাংচোৱা হোৱাৰ বিপক্ষে কোৱাৰ বাবে নহয়, তাই-চ্চানে কোৱা প্ৰতিটো কথাই সঁচা কাৰণেহে। এই সকলোবোৰ কথা তাই সন্দেহ কৰিছিলেই। তাই তেতিয়া উপলব্ধি কৰিলে যে প্ৰতিটো ক্ষেত্ৰতে এজনী চোৰাংচোৱাৰ বাবে প্ৰয়োজনীয় গুণবোৰ তাইৰ নাই। তাই অৱশ্যে জানিছিল যে তাই-চ্চানে এই কথাবোৰ ঈৰ্ষাবশতঃ কোৱা নাছিল। এইটো চিন্তা বাদ দিয়াৰ বাহিৰে তাইৰ কৰিবলৈ একো নাথাকিল। কথাটো যে তাৰ লগত পাতিলে সেইটোৱেই বেছ ভাল কথা হ'ল।

'ময়ো আৰু ভাল!' তাই নিজৰ মনতে ভাবিলে। 'তাই-চ্চান মোৰ সমানেই, অথচ সি মোতকৈ কিমান বেছি জানে।'

ধৰি লোৱা হওক তাই-চ্চানে তাইক ক'লে যে সি এজন পদাৰ্থবিজ্ঞানী হ'ব বুলি ভাবিছে। উত্তৰত তাই কি কথাটোনো ক'ব পাৰিব?

তাই ক'ব পাৰিলেহেঁতেন, "এৰাতো, তুমি দিয়াচলাই কাঠী মাৰি এল্‌ক'হ'ল বাৰ্ণাৰ জ্বলাবতো পাৰাই"। কিন্তু সেইটো কথা বৰ সৰু ছোৱালীৰ কথা যেন নুশুনাবনে!

"এৰাতো, তুমি 'কিৎছুনে'ৰ ইংৰাজী অৰ্থটো 'ফক্স' বুলি জানা, আৰু 'কুৎছু'ৰ ইংৰাজীটো 'শ্বু' বুলিও জানা। গতিকে মই ভাবোঁ তুমি এজন পদাৰ্থবিজ্ঞানী হ'ব পাৰিবা।" নাই, এই কথাটোও যথেষ্ট ভাল নহয়। তাই সম্পূৰ্ণ নিশ্চিত আছিল যে যিকোনো বিষয়তে তাই-চ্চানে উজ্জ্বল কিবা এটা কৰিব পাৰিবই। সেইকাৰণে কুপীটোত বুদ্বুদ উঠালৈ লক্ষ্য কৰি থকা তাই-চ্চানক কেৱল তাই মিঠা মুখীয়াকৈ ক'লে, "ধন্যবাদ! তেন্তে মই চোৰাংচোৱা নহওঁ বাৰু। তুমি কিন্তু কেতিয়াবা মস্ত ডাঙৰ কিবা এটা হ'বাই এইটো খাটাং।" তাই-চ্চানে মুখেৰে কিবা ভোৰভোৰালে, মূৰ খজুৱালে আৰু সি তাৰ সমুখত মেলি থোৱা কিতাপখনত উবুৰি খাই পৰিল।

তাই যদি চোৰাংচোৱা হ'ব নোৱাৰেই তেন্তেনো কি হ'ব—তাকে ভাবি ভাবি তাই তাই-চ্চানৰ ওচৰতে থিয় হৈ বাৰ্ণাৰৰ জুইৰ শিখালৈ একেথিৰে চাই ৰ'ল।

সিহঁতে গম পোৱাৰ আগতেই যুদ্ধই নিজৰ সকলো বিভীষিকা লৈ ত'ত্ত'-চ্চান আৰু তাইৰ পৰিয়ালৰ জীৱনক স্পৰ্শ কৰিবলৈ আৰম্ভ কৰিছিল। প্ৰতিদিনেই ওচৰ-পাজৰৰ পুৰুষ মানুহক আৰু ল'ৰাক পতাকা উৰাই আৰু 'বানজাই!' বুলি চিঞৰি বিদায় দিয়া হৈছিল। দোকানবোৰৰপৰা এটা এটাকৈ আহাৰ্য্য বস্তুবোৰ অন্তৰ্দ্ধান হ'বলৈ ধৰিছিল। ত'মে'ৰ দুপৰীয়াৰ আহাৰত "মহাসাগৰৰপৰা কিবা অলপ, পাহাৰৰপৰা কিবা অলপ"ৰ নীতিটো মানি চলা কঠিন হৈ পৰিবলৈ ধৰিলে। সামুদ্ৰিক উদ্ভিদ আৰু প্লামৰ মোৰব্বাৰে মাকে কামটো চলাই যাবলৈ ধৰিলে, কিন্তু অলপদিনৰ ভিতৰতে সেইখিনি বস্তুও পাবলৈ নোহোৱা হ'ল। প্ৰায় প্ৰতিটো বস্তুকে 'ৰেচন' হিচাপত দিয়াৰ নিয়ম হ'ল। কষ্ট কৰি বিচাৰিলেও কোনো মিঠা বস্তু পাবলৈ নোহোৱা হ'ল। ত'ত্ত'-চ্চানে তাইৰ ষ্টেচনৰ আগৰ ষ্টেচন ওওকায়ামাত এটা মিঠা বস্তু বিক্ৰী কৰা মেচিন থকাৰ কথা জানিছিল, য'ত ফুটাইদি পইছা ভৰাই দিলে এক পেকেট চেনিগুটি ওলায়। মেচিনটোৰ ওপৰত দেখিলেই ভোক লাগি যোৱা ছবি এখন আছে। পাঁচ ছেনৰ মুদ্ৰা সুমুৱাই দিলে এটা সৰু পেকেট ওলাব আৰু দহ ছেনৰ মুদ্ৰা সুমুৱালে ওলাব এটা ডাঙৰ পেকেট। কিন্তু মেচিনটো বহুদিন ধৰি খালী হৈ আছে। যিমানেই পইছা সুমুৱাই দিয়ক লাগে, বা যিমানেই ঘটং ঘটংকৈ মাৰক লাগে একো ওলাই নাহে। ত'ত্ত'-চ্চানে আনবোৰতকৈ বেছিকৈ, নিৰন্তৰ চেষ্টা চলাই গৈছিল।

"ক'ৰবাত এটা পেকেট সোমাই আছেই কিজানি," তাই ভাবিছিল, "কিজানি ক'ৰবাত লাগি ধৰিছে!"

সেইকাৰণে সদায় তাই নিজৰ ষ্টেচনটোৰ আগৰটোত নামি পৰে আৰু পাঁচ ছেনৰ আৰু দহ ছেনৰ মুদ্ৰা সুমুৱাই দি পৰীক্ষা চলাই থাকে। থনৰ্ থনৰ্কৈ মুদ্ৰাবোৰ ওলাই পৰে।

সেইখিনি সময়তে কোনোবাই দেউতাকক এটা কথা ক'লে যিটো কথাক বেছিভাগ মানুহেই এটা প্ৰত্যাশিত খবৰ বুলি ভাবিলেহেঁতেন। যুদ্ধত ব্যৱহাৰ কৰা অস্ত্ৰ-শস্ত্ৰ য'ত তৈয়াৰ হয়, সেই কাৰখানাত যদি তেখেতে গৈ জনপ্ৰিয় যুদ্ধ-সংগীতৰ সুৰ বেহেলাত বজায় তেন্তে তেখেতক চেনি, চাউল আৰু আন খোৱাবস্তু দিয়া হ'ব। যিহেতু দেউতাকে অলপতে এটা সন্মানজনক সংগীতৰ উপাধি পাইছে আৰু বেহেলাবাদক হিচাপে যিহেতু তেখেত বিখ্যাত, গতিকে বন্ধুসকলৰ মতে তেখেতক নিশ্চয় আৰু বহুতখিনি উপৰুৱা উপহাৰো দিয়া হ'ব চাগে'।

"তুমি কি কৰিবা বুলি ভাবিছানো?" মাকে দেউতাকক সুধিলে, "বজাবলৈ যাবা জানো?"

ঐকতান বাদন আজিকালি নোহোৱাই হ'ল । প্ৰথম কথা ভালেমান সংগীতজ্ঞকে যুদ্ধলৈ মাতি নিয়া হ'ল আৰু সুৰ-সমলয়ত বজোৱা মানুহ কমি গ'ল। ৰেডিঅ'ৰ সম্প্ৰচাৰৰ ক্ষেত্ৰতো যুদ্ধৰ লগত সংলগ্ন অনুষ্ঠানসূচীৰ কাৰণেই প্ৰায় সকলোখিনি সময় দিয়া হৈছিল, সেইকাৰণে দেউতাক আৰু তেখেতৰ সতীৰ্থসকলৰ কাম বিশেষ নাছিলেই। তেখেতে যিকোনো বস্তু বজাবলৈ সুবিধা পালেই সেই সুবিধাক আদৰণি জনাব লাগিছিল।

উত্তৰ দিয়াৰ আগতে দেউতাকে অলপ সময় ভাবিলে, তাৰ পিছত ক'লে, "মোৰ বেহেলাখনত তেনেকুৱা বস্তু বজাবলৈ নিবিচাৰোঁ।"

"মই ভাবোঁ তুমি ঠিকেই কৈছা," মাকে ক'লে।

"মই নোৱাৰোঁ বুলি ক'ম। আমি কিবা প্ৰকাৰে খোৱা বস্তু পাম দিয়া।"

দেউতাকে জানিছিল যে ত'ত্ত'-চ্চানে মূৰামূৰিকৈহে জোখৰ খোৱা বস্তুখিনি পাই আছিল আৰু বৃথাতে প্ৰতিদিনে চেনিগুটি বেচা মেচিনটোত পইছা ভৰাইছিল। তেখেতে আৰু জানিছিল যে কেইটামান যুদ্ধৰ বাজনা বজোৱাৰ বিনিময়ত তেখেতে যিখিনি খাদ্য বস্তু উপহাৰস্বৰূপে পালেহেঁতেন সেইখিনি তেখেতৰ পৰিয়ালৰ কাৰণে বহুত কামত আহিলহেঁতেন। কিন্তু দেউতাকে তেখেতৰ সংগীতক বহুত বেছি ওপৰত ঠাই দিছিল। মাকেও সেই কথাটো জানিছিল আৰু সেইকাৰণে তেখেতে কেতিয়াও এইটো কামৰ বাবে জোৰ নকৰিছিল।

"মোক ক্ষমা কৰিবি তত্স্কি!" দেউতাকে দুখ্ মনেৰে ক'লে।

শিল্প, আদৰ্শ বা কাম-কাজৰ সম্পৰ্কে জানিবলৈ ত'ত্ত'-চ্চান বৰ বেছি সৰু আছিল। কিন্তু তাই জানিছিল যে দেউতাকে বেহেলাখনক ইমান বেছি ভাল পাইছিল যে তাৰ কাৰণেই তেখেতক কিবা 'বৰ্জন' কৰা হৈছিল আৰু পৰিয়ালৰ আৰু সম্পৰ্কীয়সকলৰ বহুতেই তেখেতৰ লগত কথা-বতৰাও নপতা হৈছিল। তেখেতৰ বৰ কঠিন সময় চলিছিল। কিন্তু তৎসত্ত্বেও তেখেতে বেহেলাখনৰ মৰ্য্যাদা নষ্ট কৰিবলৈ মান্তি নহৈছিল। সেইকাৰণে তেখেতৰ ভাল নলগা কিবা এটা নবজোৱাটো উচিত কামেই হৈছে বুলি ত'ত্ত'-চ্চানে ভাবিছিল। ত'ত্ত'-চ্চানে দেউতাকৰ কেউফালে দেও দি ফুৰিছিল আৰু ৰং মনেৰে কৈছিল, "মই বেয়া নাপাওঁ। তোমাৰ বেহেলাখন ময়ো ভাল পাওঁ নহয়।"

কিন্তু পিছদিনা ত'ত্ত'-চ্চানে আকৌ ওওকায়ামাত নামি চেনিগুটি বেচা মেচিনটোৰ ফুটাইদি জুমি চাইছিল। কিবা যে ওলাই আহিব সেইটো একেবাৰে অসম্ভৱ, কিন্তু তাই আশা কৰিবলৈ নেৰিলে।

প্ৰতিজ্ঞাটো

দুপৰীয়া ভাত খোৱাৰ পিছত বৃত্তাকাৰে সজোৱা ডেস্ক আৰু চকীবোৰ আঁতৰ কৰোঁতে সভাভৱনটো যথেষ্ট মুকলি যেন লাগিছিল।

"আজি মই হে'ডমাষ্টৰৰ পিঠিত প্ৰথমেই উঠিম," ত'ত্ত'-চ্চানে সিদ্ধান্ত কৰিলে।

তাই সদায় তাকে কৰিবলৈ বিচাৰিছিল। কিন্তু যদি কেন্তেক দ্বিধা কৰে তেন্তে সভাভৱনৰ মজিয়াত ভৰি কোচাই বহি থকা হে'ডমাষ্টৰৰ কোলাত ইতিমধ্যে কোনোবা বহেহি আৰু আন দুটাই পিঠিত বগাই তেখেতৰ মনোযোগ আকৰ্ষণ কৰিবলৈ হৈ-হাল্লা কৰে।

"হেই! বন্ধ কৰা, বন্ধ কৰা," হাঁহিৰে ৰঙা পৰা মুখেৰে হে'ডমাষ্টৰে প্ৰতিবাদ কৰে। কিন্তু এবাৰ যদি সিহঁতে তেখেতৰ পিঠিখন দখল কৰি লয় তেন্তে দখল এৰি নিদিবৰ বাবে সিহঁত নেৰা-নেপেৰাকৈ লাগি থাকে। সেইকাৰণে তাইৰ এধানমানো লেহেম হ'লেই ত'ত্ত'-চ্চানে হে'ডমাষ্টৰৰ পিঠিখন জনপূৰ্ণ হৈ পৰা দেখে। কিন্তু এইবাৰ ত'ত্ত'-চ্চানে প্ৰথমতে সেইখিনি পাবলৈ তাইৰ মনটো বান্ধি ল'লে আৰু হে'ডমাষ্টৰ আহি পোৱা সময়ত সভাভৱনৰ মাজত তেখেতলৈ বাট চাই থাকিল। তেখেত আহি পাওঁতেই তাই তেখেতক চিঞৰি ক'লে, "ছাৰ, মোৰ আপোনাক এটা কথা ক'বলৈ আছে।"

"কি কথানো?" প্ৰফুল্ল মনেৰে সুধি হে'ডমাষ্টৰ মজিয়াতে ভৰি মোটোকাই বহিল।

ত'ত্ত'-চ্চানে কেইবাদিনৰেপৰা ভাবি সিদ্ধান্ত কৰা কথাটো তেখেতক ক'ব খুজিলে। হে'ডমাষ্টৰে ভৰি মোটোকাই লওঁতেই ত'ত্ত'-চ্চানে হঠাৎ তেখেতৰ পিঠিত উঠাৰ সিদ্ধান্তটো সলনি কৰিলে। তাই যি ক'ব খুজিছিল সেই কথাটো মুখামুখিকৈ ক'লেহে বেছিকৈ খাপ খাব। সেইকাৰণে তাই তেখেতৰ মুখামুখিকৈ অতি ওচৰ চাপি বহিল আৰু মূৰটো সামান্য লৰাই মিচিকি হাঁহিৰে— তাই নিচেই সৰু হৈ থকাৰপৰাই যিটো মুখভংগী মাকে বৰ মৰমলগা বুলি কয় সেই মুখভংগীটো কৰিলে। তাইৰ এই মুখভংগী আছিল "দেওবৰীয়া আটাইতকৈ ভাল পোছাকটো"ৰ দৰে। মুখ সামান্য খোলা ৰাখি আৰু তাই নিজে এজনী ভাল ছোৱালী বুলি বিশ্বাস ৰাখি তেনেকৈ হাঁহিলে তাইৰ নিজৰ ওপৰত আস্থা আহে।

হে'ডমাষ্টৰে প্ৰত্যাশাৰ চাৱনিৰে তাইলৈ চালে, "কিনো কথা?" তেখেতে আগলৈ হাউলি আকৌ সুধিলে।

বায়েক বা মাক এজনীৰ ধৰণেৰে ত'ত্ত'-চ্চানে মিঠাকৈ ধীৰে ধীৰে ক'লে,

"মই যেতিয়া ডাঙৰ হ'ম তেতিয়া মই এইখন স্কুলৰ শিক্ষয়িত্ৰী হ'ম। সঁচাকৈ হ'মেই।"

ত'ত্ত'-চ্চানে আশা কৰিছিল হে'ডমাষ্টৰে মিচিকিয়াই হাঁহিব বুলি, কিন্তু তাৰ সলনি তেখেতে বেছ গম্ভীৰ হৈ সুধিলে "প্ৰতিজ্ঞা?"

তেখেতে সঁচাকৈয়ে তাই তেনে কৰাকে বিচাৰে।

"মই প্ৰতিজ্ঞা কৰিছোঁ।"

যিকোনো প্ৰকাৰে ত'মে'ত এজনী শিক্ষয়িত্ৰী হোৱাৰ বাবে অন্তৰেৰে দৃঢ়প্ৰতিজ্ঞ হৈ ত'ত্ত'-চ্চানে প্ৰচণ্ডভাৱে মূৰ দুপিয়ালে।

সেই মুহূৰ্তত তাই ভাবিছিল সেই প্ৰভাতত প্ৰথম শ্ৰেণীৰ ছাত্ৰী হ'বলৈ ত'মে'লৈ অহা আৰু অফিছত হে'ডমাষ্টৰক লগ পোৱাৰ কথা। বহু দিনৰ আগৰ কথা যেন লাগে। তেখেতে ধৈৰ্য্য ধৰি চাৰিঘণ্টা জুৰি তাইৰ কথা শুনিছিল। তাই কথা কৈ শেষ কৰাৰ পিছত তেখেতে যেতিয়া কৈছিল, "এতিয়া তুমি এই স্কুলৰ ছাত্ৰী হ'লা" বুলি তেতিয়া তেখেতৰ কণ্ঠস্বৰত থকা মৰমৰ উমখিনি তাই সুঁৱৰিলে। তেতিয়াতকৈ এতিয়া তাই শ্ৰীক'বায়াম্বিক আৰু বেছি ভাল পায় আৰু তেখেতৰ হৈ কাম কৰিবলৈ আৰু তেখেতৰ সহায়ৰ অৰ্থে কৰিব পৰা যিকোনো কামকে কৰিবলৈ তাই দৃঢ়প্ৰতিজ্ঞ।

তাই প্ৰতিজ্ঞা কৰাৰ পিছত তেখেতে আনন্দ মনেৰে, সৰা দাঁতকেইটাৰ কাৰণে অলপো বিব্ৰত নহৈ, অভ্যস্ত ধৰণেৰে মিচিকিয়াই হাঁহিলে। ত'ত্ত'-চ্চানে তাইৰ কনিষ্ঠা আঙুলিটো আগবঢ়াই দিলে। হে'ডমাষ্টৰেও তাকে কৰিলে। তেখেতৰ কনিষ্ঠা আঙুলিটো বেছ শক্তিশালী যেন দেখা গৈছিল, যেয়ে সেয়ে ইয়াৰ ওপৰত আস্থা ৰাখিব পাৰে। ত'ত্ত'-চ্চান আৰু হে'ডমাষ্টৰে তেতিয়া যুগ যুগ ধৰি চলি অহা জাপানী পদ্ধতি অনুযায়ী উভয়ৰে কনিষ্ঠা আঙুলি লগ লগাই চুক্তি কৰিলে। হে'ডমাষ্টৰে মিচিকিয়াই হাঁহি আছিল। ত'ত্ত'-চ্চানেও পুনৰ আশ্বস্ত হৈ মিচিকিয়াই হাঁহিলে। তাই ত'মে'ৰ শিক্ষয়িত্ৰী হ'ব! কি যে অদ্ভুত চিন্তা!

"যেতিয়া মই শিক্ষয়িত্ৰী হ'ম, ..." তাই ভাবিলে। আৰু তাই এনেকৈ কল্পনা কৰিলে ঃ 'বৰ বেছি পঢ়া-শুনা নাথাকে, কেইবাটাও খেল-দিৱস, বনভোজ, শিবিৰ পতা আৰু খোজকঢ়া-ভ্ৰমণ থাকিব।'

হে'ডমাষ্টৰে আনন্দ পালে। ত'ত্ত'-চ্চান ডাঙৰ হৈছে— কল্পনা কৰিবলৈকে টান লাগে, কিন্তু তেখেত নিশ্চিত যে তাই ত'মে'ৰ শিক্ষয়িত্ৰী হ'ব পাৰিব। তেখেতে ভাবিছিল যে ত'মেৰ ল'ৰা-ছোৱালীবোৰ আটাইবোৰেই ভাল শিক্ষক-শিক্ষয়িত্ৰী হ'ব পাৰিব, কিয়নো শৈশৱ কাক বোলে সেই কথা সিহঁতৰ মনত থাকিব লাগে দেখোন!

যিখিনি সময়ত জাপানৰ আকাশত বোমা-বোজাই মাৰ্কিন আকাশী জাহাজ যিকোনো মুহূৰ্ততে আহি ওলাব পাৰে বুলি সকলোৱে কোৱা-মেলা কৰিছিল সেইখিনি সময়তে ত'মে'ত হে'ডমাষ্টৰ আৰু তেখেতৰ এজনী ছাত্ৰীয়ে ভৱিষ্যতৰ দহ বছৰৰ বা তাতোকৈয়ো পিছৰ কোনো এক বিষয় সম্পৰ্কে এটা গুৰুত্বপূৰ্ণ প্ৰতিজ্ঞা কৰিছিল।

ৰকি অদৃশ্য হ'ল

বহুতো সৈন্য মৰিল, আহাৰ্য্য বস্তু পাবলৈ নোহোৱা হ'ল, প্ৰত্যেকেই ভয়ৰ মাজত বাস কৰিবলৈ ধৰিলে— কিন্তু সদায় অহাৰ দৰেই গ্ৰীষ্ম-ঋতু আহিল, আৰু বেলিয়ে যুঁজত জিকা দেশসমূহৰ দৰেই যুঁজত হৰা দেশসমূহৰ ওপৰতো উজ্জ্বলকৈ পোহৰ দিলে।

ত'ত্ত'-চ্চান কামাকুৰাত থকা বৰদেউতাকৰ ঘৰৰপৰা টকিঅ'লৈ উভতিছিল।

এতিয়া আৰু ত'মে'ত শিবিৰ পতা বা গৰম পানীৰ উহলৈ মন-মোহনীয়া যাত্ৰাৰ ব্যৱস্থা নাই। এনে লাগিছিল যেন সেইবাৰৰটোৰ দৰে আনন্দৰ গ্ৰীষ্মবন্ধ ল'ৰা-ছোৱালীহঁতে আৰু কাহানিও উপভোগ কৰিবলৈ নাপাব। গ্ৰীষ্মকালটো ত'ত্ত'-চ্চানে সদায় কামাকুৰাত বৰদেউতাকৰ ঘৰত সম্বন্ধীয়া ভাই-ভনীহঁতৰ লগত কটাইছিল। কিন্তু এই বছৰ ঘটনা আছিল বেলেগ ধৰণৰ। সিহঁতৰ সম্পৰ্কীয় ডাঙৰ ল'ৰা এটাই আগেয়ে সদায় সিহঁতক ভয় লগা ভূতৰ সাধুবোৰ কৈছিল। তাক যুদ্ধ কৰিবলৈ মাতি নিয়া হ'ল, গতিকে ভূতৰ সাধু আৰু নাথাকিল। আৰু তাইৰ বৰদেউতাকে সিহঁতক আমেৰিকাৰ বিষয়ে ইমান যে আকৰ্ষণীয় কাহিনীবোৰ কৈছিল! সিহঁতে নাজানিছিল সেইবোৰ সঁচা নে মিছা। তেখেতো এতিয়া যুদ্ধক্ষেত্ৰত। তেখেতৰ নাম শুজি তাগুছি আৰু তেখেত এজন উচ্চ স্তৰৰ কেমেৰামেন।

নিউয়ৰ্কত 'নিহন নিউজ'ৰ দপ্তৰ-প্ৰধান আৰু 'আমেৰিকান মেট্ৰ'নিউজ'ৰ সুদূৰ প্ৰাচ্যৰ প্ৰতিনিধি হিচাপে কাম কৰাৰ পিছত তেখেত শুজি তাগুছি নামেৰে জনাজাত হৈছিল। তেখেত আছিল দেউতাকৰ নিজা ককায়েক; অৱশ্যে দেউতাকে তেওঁলোকৰ মাকৰ নাম ৰাখিবৰ বাবে মাকৰ উপাধিহে গ্ৰহণ কৰিছিল। নহ'লে দেউতাকৰ উপাধিও তাগুছিহে হ'লহেঁতেন। তাগুছি

বৰদেউতাই তোলা ফটো ফিল্ম, যেনে "দ্য বেট্‌ল অব ৰাবাউল"খন ছিনেমাহলত দেখুউৱা হৈছিল। কিন্তু তেখেতে কেৱল 'ফটো ফিল্ম'হে পঠাইছিল। সেইকাৰণে ত'ত্ত'-চ্চানৰ বৰমাক আৰু সম্বন্ধীয় ভাই-ভনীবোৰে তেখেতলৈ বৰকৈ চিন্তা কৰি আছিল। যুদ্ধৰ ফটোগ্ৰাফাৰসকলে সদায় সৈন্যদলবোৰক বিপজ্জনক ঠাইবোৰত থকাৰ ফটো তুলি পঠাইছিল। সিহঁত আগবাঢ়ি যোৱাৰ ফটো তুলিবৰ হ'লে তেখেত নিজে আৰু আগত থাকিব লগা হৈছিল। ত'ত্ত'-চ্চানৰ আত্মীয় ডাঙৰ মানুহবোৰে তাকে কোৱা-মেলা কৰি আছিল।

আনকি কামাকুৰাৰ উপকূলো সেই গ্ৰীষ্মত পৰিত্যক্ত যেন লাগিছিল। য়াট-চ্চান অৱশ্যে এই সকলোবোৰ সত্ত্বেও ৰঙিয়াল মনৰ হৈয়ে আছিল। সি শুজি বৰদেউতাকৰ ডাঙৰ ল'ৰা। বয়সত ত'ত্ত'-চ্চানতকৈ এবছৰমানৰ সৰু। আটাইবোৰ ল'ৰা-ছোৱালী এখন ডাঙৰ আঠুৱাৰ তলত একেলগে শোৱে। শোৱাৰ আগতে য়াট-চ্চানে চিঞৰে "সম্ৰাট দীৰ্ঘজীৱী হওক", আৰু লগে লগে গুলী খোৱা সৈনিকৰ ভাও জুৰি মৰাৰ দৰে ধাঁচকৈ পৰি যায়। সি এইটো কাম বাৰে বাৰে কৰে। হাঁহি উঠা কথা এইটোৱেই যে যিদিনা সি এনেকুৱা কৰে, সেইদিনা সি টোপনিতে খোজ কাঢ়িবই আৰু বাৰান্দাৰপৰা পৰি মহা পয়মাল লগাবই।

দেউতাকৰ টকিঅ'ত কাম আছিল বাবে মাকো তেখেতৰ লগতে টকিঅ'তে আছিল। এতিয়া গৰমৰ বন্ধ শেষ হোৱা বাবে ভূতৰ সাধু কোৱা ল'ৰাজনৰ ভনীয়েকে ত'ত্ত'-চ্চানক টকিঅ'লৈ ওভতাই আনিলে।

ঘৰ পায়েই আগে-পিছে লোৱাৰ দৰেই ত'ত্ত'-চ্চানে ৰকিৰ বিচাৰ ল'লে। কিন্তু তাক ক'তো বিচাৰি পাবলৈ নাই। সি ঘৰতো নাই বাগিছাতো নাই আৰু দেউতাকে কপৌ ফুলৰ খেতি কৰা 'গ্ৰীণ হাউছতো' নাই। ত'ত্ত'-চ্চানৰ চিন্তা লাগিল, কাৰণ সাধাৰণতে তাই ঘৰ পোৱাৰ বহু আগতেই সি ওলাই আহে। ত'ত্ত'-চ্চান ঘৰৰপৰা ওলাই তাক মাতি মাতি ৰাস্তা পালেগৈ। কিন্তু সেই মৰমৰ চকু, কাণ অথবা নেজডালৰো চিন-চাবেই নাই। ত'ত্ত'-চ্চানে ভাবিলে তাই বাহিৰত তাক বিচাৰি থাকোঁতেই সি বোধহয় ক'ৰবাৰপৰা আহি ঘৰ সোমাল, সেইকাৰণে তাই লৰালৰিকৈ ঘৰলৈ দৌৰি গৈ চালেগৈ। কিন্তু সি তাত নাই।

"ৰকি ক'ত?" তাই মাকক সুধিলে।

তাই ৰকিক বিচাৰি তহিলং কৰি ফুৰিছে বুলি মাকে নিশ্চয় জানিছিল, কিন্তু তেখেতে এটা শব্দও কোৱা নাছিল।

"ৰকি ক'ত?" ত'ত্ত'-চ্চানে মাকৰ স্কাৰ্টত টানি ধৰি সুধিলে।

মাকে যেন উত্তৰ দিবলৈ টান পাইছে এনে লাগিল। "সি দেখোন নাইকিয়া হ'ল," তেখেতে ক'লে।

ত'ত্ত'-চ্চানে সেই কথা বিশ্বাস কৰিবলৈ অস্বীকাৰ কৰিলে। 'কেনেকৈ সি নাইকিয়া হ'ব পাৰে?'

"কেতিয়া?" মাকৰ মুখলৈ চাই তাই সুধিলে।

মাকৰ যেন কথা ক'বলৈ ভাষা হেৰাই গৈছিল। "তই কামাকুৰালৈ যোৱাৰ পিছতে", তেখেতে দুখেৰে ক'বলৈ আৰম্ভ কৰিলে। তাৰ পিছত লৰা-লৰিকৈ ক'লে, "আমি বিচাৰিছিলোঁ। সকলো ঠাইলৈ গলোঁ, সকলোকে সুধিলোঁ, কিন্তু ক'তো নাপালোঁ। মই তোক কেনেকৈ ক'ম তাকে ভাবি আছিলোঁ। মই বৰ দুখ পাইছোঁ।"

ত'ত্ত'-চ্চানৰ মনত সত্যটোৱে ভূমুকি মাৰিলে— ৰকি নিশ্চয় মৰিল। "মই দুখ পোৱাটো মাই বিচৰা নাই," তাই ভাবিলে "কিন্তু ৰকি নিশ্চয় মৰিছে।"

ত'ত্ত'-চ্চানৰ ওচৰত কথাটো পৰিষ্কাৰ হৈ পৰিল। এতিয়ালৈকে ত'ত্ত'-চ্চান বহুত দিন ঘৰত নাথাকিলেও ৰকি কেতিয়াও ঘৰৰপৰা বেছি দূৰলৈ যোৱা নাছিল। সি সদায় জানিছিল যে তাই ঘূৰি আহিব। "মোক নোকোৱাকৈ ৰকি কেতিয়াও এনেকৈ গুচি নাযায়", তাই নিজ মনে ভাবিলে। এই বিষয়ত তাইৰ দৃঢ় প্ৰত্যয় আছিল।

কিন্তু ত'ত্ত'-চ্চানে কথাটো মাকৰ লগত আলোচনা নকৰিলে। মাকৰ কেনেকুৱা লাগিছিল তাই বুজিছিল। তাই কেৱল চকু তললৈ নমাই ক'লে, "ক'লৈ বা গ'ল, তাকে ভাবিছোঁ।"

তাই সেইখিনিকেহে কোনোমতে ক'ব পাৰিলে আৰু ওপৰ মহলাৰ নিজৰ কোঠালৈ দৌৰ মাৰিলে। ৰকি নথকাৰ বাবে সিহঁতৰ ঘৰটো মুঠেই সিহঁতৰ ঘৰ যেন লগা নাই। নিজৰ কোঠাত সোমাওঁতে তাই নাকান্দিবলৈ চেষ্টা কৰিলে আৰু আকৌ এবাৰ এই বিষয়ে ভাবিলে। ৰকিক তাই কেতিয়াবা কিবা নীচ ব্যৱহাৰ কৰিছিল নেকি ভাবিবলৈ তাই চেষ্টা কৰিলে— যিকোনো এনে ব্যৱহাৰ যিহৰ কাৰণে সি ঘৰ এৰি যাবলৈ বিচাৰিব পাৰে।

'জীৱ-জন্তুক কেতিয়াও নোজোকাবা,' শ্ৰীক'বায়াশ্বিয়ে সদায় ত'মে'ৰ ল'ৰা-ছোৱালীক শিকাইছিল। সিহঁতে যেতিয়া তোমাক বিশ্বাস কৰিব তেতিয়া সিহঁতক বিশ্বাসঘাতকতা কৰাটো নিষ্ঠুৰতা। কুকুৰক কিবা খুজিবলৈ বাধ্য কৰি বস্তুটো তাক নিদিয়াকৈ নাথাকিবা। কুকুৰটোৱে তোমাক আৰু কেতিয়াও বিশ্বাস নকৰা হ'ব আৰু তাৰ স্বভাৱ-চৰিত্ৰ বেয়া হৈ যাব।

ত'ত্ত'-চ্চানে সদায় এই নীতিবোৰ মানি চলিছিল। তাই ৰকিক কেতিয়াও ঠগা নাছিল। তাই কোনো ভুল কৰিছিল বুলি মনত নপৰে দেখোন!

ঠিক তেনেতে ত'ত্ত'-চ্চানে মজিয়াত থকা তাইৰ পুতলা ভালুকটোৰ ঠেঙত কিবা এটা লাগি থকা দেখিলে। সেই মুহূৰ্তলৈকে তাই নকন্দাকৈ থাকিব পাৰিছিল। কিন্তু বস্তুটো দেখি তাইৰ চকু পানীৰে ভাঁহি গ'ল। ৰকিৰ পাতল মুগা বৰণীয়া চুলি একোছা! কামাকুৰালৈ যোৱাৰ দিনা ৰাতিপুৱা সিহঁত দুইটাই মজিয়াত দবৰাদবৰি কৰি খেলোঁতে বোধহয় এইখিনি এৰাই গৈছিল। পোৱালি জাৰ্মান শ্বেফাৰ্ডটোৰ চুলিকেইডাল হাতেৰে খামুচি ধৰি তাই কান্দিলে আৰু কান্দিলে। তাই চকুৰ পানী আৰু উচুপনি বন্ধ কৰিব নোৱৰা হ'ল।

প্ৰথমতে য়াছুআকি-চ্চান আৰু এতিয়া ৰকি। ত'ত্ত'-চ্চানে আন এটা বন্ধু হেৰুৱালে।

ল'ৰা-ছোৱালীৰ আটাইৰে প্ৰিয় ত'মে'ৰ চকীদাৰ ৰ্যিঅ'-চ্চানকো অৱশেষত যুঁজলৈ তলৰ দিয়া হ'ল। সি এটা ডাঙৰ ল'ৰা, কিন্তু সকলোৱে তাক ল'ৰাকালৰ উপনামেৰেই মাতিছিল। ৰ্যিঅ'-চ্চান যেন এক শুভ গ্ৰহহে, কোনোবা বিপদত পৰিলেই সহায় কৰিবলৈ আৰু উদ্ধাৰ কৰিবলৈ সি সদায় আগবাঢ়ি আহিছিল। ৰ্যিঅ'-চ্চানে যিকোনো কামকে কৰিব পাৰিছিল। সি কেতিয়াও বেছি কথা নকৈছিল, কেৱল মিচিকিয়াই হাঁহিছিল, কিন্তু কি কৰিব লাগে ঠিক জানিছিল। ত'ত্ত'-চ্চান যেতিয়া চুৱাপাতনিৰ গাঁতত পৰিছিল তেতিয়া ৰ্যিঅ'-চ্চানে চিধা আহি তাইক উদ্ধাৰ কৰিছিল আৰু গোৰ-গোৰ, ভোৰ-ভোৰ একো নকৰাকৈ তাইক ধুৱাই চাফা কৰি দিছিল।

"আমি ৰ্যিঅ'-চ্চানক উলহ-মালহেৰে চাহমেল এখন পাতি বিদায় দিওঁ আহাঁহক", হে'ডমাষ্টৰে ক'লে।

"চাহমেল?"

জাপানত দিনটোত কেইবাবাৰো সেউজীয়া চাহ খোৱা হয় কিন্তু আপ্যায়নৰ লগত ইয়াৰ সম্পৰ্ক নাই। উৎসৱত আপ্যায়নৰ ক্ষেত্ৰত একেবাৰে বেলেগ ধৰণৰ, গুড়ি কৰা চাহৰ পানীয়হে চলে। ত'মে'ত এখন চাহমেল মানে এটা নতুন কথা। পিছে ল'ৰা-ছোৱালীবোৰে ধাৰণাটো ভাল পালে। আগতে কেতিয়াও নকৰা কাম কৰিবলৈ সিহঁতে ভালেই পায়। ল'ৰা-ছোৱালীবোৰে কথাটো নাজানিছিল, কিন্তু হে'ডমাষ্টৰে সচৰাচৰ চলা 'ছবেৎছুকাই' (বিদায়সভা) শব্দটোৰ সলনি এই নতুন শব্দ 'ছাৱাকাই' (চাহমেল) ইচ্ছাকৃতভাবেই আৱিষ্কাৰ কৰিছিল। 'বিদায়সভা' শব্দটো বৰ কৰুণ যেন শুনায় আৰু ডাঙৰ ল'ৰা-ছোৱালীবোৰে বুজিলেইহেঁতেন যে ৰ্যিঅ'-চ্চান যদি যুদ্ধত মৰে আৰু উভতি নাহে তেন্তে সঁচাকৈয়ে এয়া বিদায়েই হ'ব। কিন্তু আগতে কোনেও কোনো চাহমেলত উপস্থিত থাকি পোৱা নাই, সেইকাৰণে আটাইবোৰ উত্তেজিত হৈ পৰিছিল।

স্কুল ছুটীৰ পিছত শ্ৰীক'বায়াশিয়ে ল'ৰা-ছোৱালীৰ হতুৱাই ডেস্কবোৰ সভা-ভৱনত দুপৰীয়াৰ ভাত খোৱাৰ সময়ত সজোৱাৰ দৰে বৃত্তাকাৰে সজোৱালে। যেতিয়া বৃত্ত এটাৰ দৰে হৈ সকলো বহিল তেতিয়া হে'ডমাষ্টৰে সেউজীয়া চাহৰ লগত খাবৰ কাৰণে প্ৰত্যেককে পাতলকৈ একো চকল শুকান 'স্কুইড' ভজা দিলে। সেই মহাযুদ্ধৰ সময়ৰ দিনবোৰত আনকি সেইখিনিও আছিল বিৰাট বিলাসিতা। তেখেত ৰ্যিঅ'-চ্চানৰ ওচৰত বহিল আৰু তাক গিলাছ এটাত অলপ

'ছাকে' (চাউলৰ পৰা তৈয়াৰ মদ) দিলে। কেৱল যুদ্ধক্ষেত্ৰলৈ যাবলৈ ওলোৱাসকলৰ কাৰণেহে ৰেচনৰ যোগেদি এইটো বস্তু পোৱা যায়।

ত'মে'ত এয়া প্ৰথম চাহমেল। হে'ডমাষ্টৰে ক'লে, "আহাঁ আমি অলপ ৰং-ধেমালি কৰোঁহক। তোমালোকৰ কোনোবাই ৰ্যিঅ'-চ্চানক কিবা ক'ব খুজিলে ক'ব পাৰা। অকল ৰ্যিঅ'-চ্চানৰ লগতে নহয়, তোমালোকে ইজনে-সিজনৰ লগতো কথা হ'ব পাৰা। এজন এজনকৈ মাজত থিয় হৈ।"

ত'মে'ত শুকান স্কুইড খোৱা এয়েই প্ৰথমবাৰ নহয়। কিন্তু এই প্ৰথমবাৰ ৰ্যিঅ'-চ্চান সিহঁতৰ লগত বহিল আৰু এই প্ৰথমবাৰ সিহঁতে ৰ্যিঅ'-চ্চানক 'ছাকে' খোৱা দেখিলে।

এটাৰ পিছত এটাকৈ ল'ৰা-ছোৱালীবোৰ উঠিল আৰু ৰ্যিঅ'-চ্চানৰ ফালে মুখ কৰি তাৰ লগত কথা পাতিলে। প্ৰথমটো ল'ৰাই কেৱল তাক সাৱধানে আৰু বেমাৰত নপৰাকৈ থাকিবলৈ ক'লে। তাৰ পিছত ত'ত্ত'-চ্চানৰ লগত একে শ্ৰেণীৰ মিগিতাই ক'লে, "ইয়াৰ পিছত মই ঘৰলৈ গ'লে অন্ত্যেষ্টি ক্ৰিয়াৰ সময়ত খোৱা পিঠা আনিম।"

সকলোৱে হাঁহিলে। এবছৰৰ আগতেই মিগিতাই সিহঁতক এটা অন্ত্যেষ্টিক্ৰিয়াৰ সময়ত এই পিঠা খোৱাৰ কথা আৰু সেইবোৰ যে খাবলৈ কিমান ভাল সেই কথা কৈছিল। যেতিয়াই কোনো সুবিধা ওলায়, তেতিয়াই সি সিহঁতলৈ এই পিঠা আনিব বুলি কয়, কিন্তু কেতিয়াও নানে।

মিগিতাই অন্ত্যেষ্টিক্ৰিয়াৰ সময়ত খোৱা পিঠাৰ কথা উল্লেখ কৰা শুনি হে'ডমাষ্টৰ চমকি উঠিল। সাধাৰণতে এনে সময়ত মৃত্যুৰ কথা উল্লেখ কৰাটো দুৰ্ভাগ্যজনক বুলি ধৰা হয়। কিন্তু মিগিতাই ইমান সৰলভাৱে কথাটো কৈছিল, ভাল সোৱাদৰ বস্তু এবিধ বন্ধুবোৰৰ লগত ভগাই খাবহে খুজিছিল, সেইবাবে হে'ডমাষ্টৰে আনবোৰৰ লগতে হাঁহিলে। ৰ্যিঅ'-চ্চানে অন্তৰ খুলি হাঁহিলে। যিয়েই নহওক মিগিতাই তাক যুগ যুগ ধৰি কৈ আহিছে যে সি তাক অলপ এনে পিঠা আনি খুৱাব।

তেতিয়া ওএ উঠিল আৰু প্ৰতিজ্ঞা কৰি ৰ্যিঅ'-চ্চানক ক'লে যে সি জাপানৰ ভিতৰত আটাইতকৈ ভাল উদ্যান-বিজ্ঞানী হ'ব। ওএ আছিল ত'দ'ৰ'কিৰ এখন প্ৰকাণ্ড নাৰ্ছাৰীৰ (গছপুলিৰ বাৰীৰ) মালিকৰ ল'ৰা। ইয়াৰ পিছত কেইক' আঅ'কি উঠিল আৰু একোকে নক'লে। তাই সদায় কৰাৰ দৰে কেৱল লাজ লাজ কৰি খুকুখুকাই হাঁহিলে আৰু মূৰ দোঁৱালে আৰু নিজৰ আসনলৈ উভতি গ'ল। তাৰ পিছত দৌৰ মাৰি আগুৱাই আহি ত'ত্ত'-ছানে ক'লে, "কেইক'-চ্চানৰ ঘৰৰ মুৰ্গী পোৱালিবোৰ উৰিব পৰা হৈছে! মই সেইদিনা দেখিছিলোঁ।"

তাৰ পিছত আমাদেৰাই ক'লে, "ক'ৰবাত দুখ পোৱা কুকুৰ-মেকুৰী পালে লৈ আহিবা, মই ঠিক কৰি দিম।"

তাকাহাশ্বি ইমান সৰু আকাৰৰ যে সি ডেস্কৰ তলেদি বগুৱা বাই ওলাই চকুৰ পচাৰতে মাজ ঠাই পালেগৈ। সি ৰঙিয়াল মাতেৰে ক'লে, "ধন্যবাদ ৰ্যিঅ'-চ্চান, প্ৰতিটো কথাৰ কাৰণে, সকলো কথাৰ কাৰণেই ধন্যবাদ।"

তাৰ পিছত আইক' ছাইশ্ব' উঠিল। তাই ক'লে, "ৰ্যিঅ'-চ্চান! মই সেইবাৰ পৰোঁতে তুমি মোক বেণ্ডেজ বান্ধি দিছিলা। ধন্যবাদ। মই কেতিয়াও নাপাহৰোঁ।"

আইক' ছাইশ্ব'ৰ ককাদেউতাকৰ ভায়েক আছিল ৰুছ-জাপান যুদ্ধৰ বিখ্যাত এডমিৰেল ত'গ', আৰু আৎছুকু ছাইশ্ব' নামৰ তাইৰ অন্য এক সম্বন্ধীয়া মহিলা আছিল সম্ৰাট মেইজিৰ ৰাজসভাৰ বিখ্যাত কবি। কিন্তু আইক'ই কেতিয়াও তেওঁলোকৰ কথা উল্লেখ নকৰে।

হে'ডমাষ্টৰৰ ছোৱালী মিয়'-চ্চানে ৰ্যিঅ'-চ্চানক আটাইতকৈ বেছি ভালকৈ জানিছিল। তাইৰ চকুদুটা পানীৰে উপচি আহিল, "নিজৰ যত্ন ল'বা, দেই। মই চিঠি লিখিম, তুমিও লিখিবা দেই।"

ত'ত্ত'-চ্চানৰ ইমানবোৰ কথা ক'বলগীয়া আছিল! ক'ত আৰম্ভ কৰিব লাগে তাই নাজানিছিল। সেইকাৰণে তাই কেৱল ক'লে, "তুমি গ'লেগৈয়ো আমি সদায় চাহমেল পাতি থাকিম, দেই ৰ্যিঅ'-চ্চান!"

হে'ডমাষ্টৰে হাঃ হাঃকৈ হাঁহিলে। ৰ্যিঅ'-চ্চানেও। সকলো ল'ৰা-ছোৱালীয়েও হাঁহিলে, আনকি ত'ত্ত'-চ্চানে নিজেও।

কিন্তু ত'ত্ত'-চ্চানৰ কথা ঠিক তাৰ পিছদিনাই সঁচা প্ৰমাণিত হ'ল। যেতিয়াই সময় পায় ল'ৰা-ছোৱালীবোৰে দল বান্ধি 'চাহ-মেল' খেলে। শুকান স্কুইডৰ সলনি সিহঁতে গছৰ ছাল চুপি খায় আৰু চাহৰ সলনি পানীত চুমুক দি দি খায়। কেতিয়াবা এনে ভাও জোৰে যেন সেয়া 'ছাকে'হে। কোনোবাই কয়, "মই তোমালোকলৈ অন্ত্যেষ্টিক্ৰিয়াত খোৱা পিঠা আনিম," আৰু আটায়ে হাঁহে। তাৰ পিছত সিহঁতে কথা পাতে আৰু ইজনে সিজনক মনৰ কথা কয়। খাবলৈ একো নাথাকিলেও 'চাহ মেল'বোৰ ধেমালি হৈ পৰিছিল।

'চাহমেল'খন ৰ্যিঅ'-চ্চানে ল'ৰা-ছোৱালীহঁতলৈ এৰি যোৱা এক অদ্ভুত বিদায়-উপহাৰ। আৰু যদিও সিহঁতৰ এজনৰো তেতিয়া এধানমানো ধাৰণা নাছিল, বাস্তৱতে কিন্তু ত'মে'ৰ লৰা-ছোৱালীবোৰ ভাগ ভাগ হৈ সুকীয়া সুকীয়া পথেৰে আঁতৰি যোৱাৰ আগতে ইয়ে আছিল সিহঁতে খেলা শেষৰখন খেল।

টকিঅ'লৈ যোৱা ৰেলেৰে ৰ্যিঅ'চ্চান গ'লগৈ। সি যোৱাৰ লগে লগে মাৰ্কিন

আকাশী জাহাজবোৰ আহিল। অৱশেষত টকিঅ'ৰ আকাশত দেখা দি সেইবোৰে প্ৰতিদিনে বোমা পেলাবলৈ ধৰিলে।

ছায়'নাৰা, ছায়'নাৰা !

ত'মে' জুইত পুৰি গ'ল। ঘটনাটো ৰাতি ঘটিল। মিয়-চ্চান, তাইৰ বায়েক মিছা-চ্চান আৰু মাক— আটাইবোৰে স্কুলৰ ওচৰৰ ঘৰটোতে বাস কৰিছিল। কুহ্নবুৎছু মন্দিৰৰ ওচৰত থকা ত'মে'ৰ খেতিপথাৰলৈ পলাই গৈ তেওঁলোক নিৰাপদে ৰক্ষা পৰিল।

শ্ৰেণী কোঠাৰ কাম কৰা ৰেলৰ ডবাবোৰৰ ওপৰত 'বি ২৯' বোমাৰু বিমানৰপৰা জাকে জাকে গৃহদাহকাৰী বোমা পৰিল।

হে'ডমাষ্টৰৰ সপোনস্বৰূপ স্কুলখন ধোঁৱাই আগুৰি ধৰিলে। তেখেতে ইমান ভালপোৱা শিশুৰ হাঁহি আৰু গানৰ শব্দৰ সলনি ভয়ঙ্কৰ শব্দ কৰি স্কুলখন ভাগি পৰিল। জুই নুমুউৱা অসম্ভৱ আছিল আৰু ডবাবোৰ মাটিলৈকে পুৰিলে। গোটেই জিয়ুগাওকা অঞ্চল জুয়ে আগুৰি ধৰিলে।

এইবোৰৰ মাজত ৰাস্তাত থিয় হৈ হে'ডমাষ্টৰে ত'মে' পুৰি যোৱা চাই আছিল। তেখেতে সেই জধলা কোট-পেণ্ট-ৱেষ্টকোট-সমন্বিত ক'লা ছুটজোৰ পিন্ধি আছিল। হাত দুখন কোটৰ জেপত ভৰাই তেখেত থিয় হৈ আছিল।

"ইয়াৰ পিছত আমি কেনেকুৱা স্কুলঘৰ সাজিম?" কাষতে থিয় হৈ থকা, বিশ্ববিদ্যালয়ত পঢ়ি থকা ত'মে' নামৰ পুতেকক তেখেতে সুধিছিল। তেখেতৰ প্ৰশ্ন শুনি ত'মে' হতবাক হৈ গৈছিল।

স্কুলখনক ঘেৰি থকা অগ্নিশিখাতকৈ শ্ৰীযুত ক'বায়াশ্বিৰ শিশুপ্ৰীতি আৰু শিক্ষাদানৰ প্ৰতি থকা তীব্ৰ আবেগ বেছি শক্তিশালী আছিল। হে'ডমাষ্টৰ ৰংমনেৰেই আছিল।

অপসাৰণকাৰী জনপূৰ্ণ ৰেলগাড়ী এখনত ডাঙৰ মানুহৰ মাজত চেপা খাই ত'ত্ত'-চ্চান দীঘল দি পৰি আছিল। ৰেলগাড়ীখন উত্তৰ-পূবমুৱা হৈ গৈ আছিল। খিড়িকীৰে মুখ উলিয়াই বাহিৰৰ অন্ধকাৰলৈ চাওঁতে হে'ডমাষ্টৰৰ বিদায় ভাষণলৈ তাইৰ মনত পৰি আছিল,"আমি আকৌ লগ হ'ম, দেই"। তেখেতে

প্ৰায়েই কৈ থকা "তুমি সঁচাকৈয়ে এজনী বৰ ভাল ছোৱালী জানিছা?" এই কথাষাৰলৈকো তাইৰ মনত পৰিছিল। এই শব্দকেইটা তাই পাহৰিব নুখুজিছিল। সোনকালেই শ্ৰীযুত ক'বায়াশ্বিক লগ পাব, এই ভাবত নিৰাপদ বোধ কৰি তাই টোপনি গ'ল।

উদ্বিগ্ন যাত্ৰীৰ বোজা বুকুত বান্ধি লৈ আন্ধাৰৰ মাজেদি গুম্‌গুমাই ৰেলগাড়ীখন আগবাঢ়িল।

উপসংহাৰ

মোৰে সৈতে একেলগে সেই শ্ৰেণীকোঠাৰ ৰেলত 'ভ্ৰমণ' কৰা বন্ধু-বান্ধৱীসকলে এতিয়া কি কৰি আছে ?

আকিৰা তাকাহাশ্বি

খেলদিৱসত সকলো পুৰস্কাৰ লাভ কৰা সেই তাকাহাশ্বি আৰু ওখ নহ'ল, কিন্তু ৰাগ্‌বি দলৰ কাৰণে জাপানত বিখ্যাত এখন হাইস্কুলত তেওঁ বিজয়ধ্বজা লৈ প্ৰৱেশ কৰিলে। মেইজি বিশ্ববিদ্যালয়ৰ অধীনত তেওঁ ইলেক্‌ট্ৰনিক ইঞ্জিনিয়াৰিঙৰ ডিগ্ৰী ল'লে।

এতিয়া মধ্য জাপানৰ হামানা হ্ৰদৰ ওচৰৰ এটা ইলেক্‌ট্ৰনিক কোম্পানিৰ কৰ্মী-প্ৰশাসন শাখাৰ তেওঁ মেনেজাৰ। কৰ্মীসকলৰ মাজত সমন্বয় ৰক্ষাৰ দায়িত্ব তেওঁৰে আৰু কৰ্মীসকলৰ অভিযোগ-অসুবিধা কিবা থাকিলে তেৱেঁ শুনে আৰু বিবাদ-মীমাংসা কৰি দিয়ে। নিজে যথেষ্ট কষ্ট ভোগ কৰাৰ কাৰণে আন মানুহৰ সমস্যা তেওঁ সহজে বুজিব পাৰে। তেওঁৰ আনন্দ-উজ্জ্বল চেহেৰা আৰু আকৰ্ষণীয় ব্যক্তিত্বও নিশ্চয় এই কামত সহায়ক হয়। প্ৰযুক্তিবিদ হিচাপে তেওঁ কম বয়সীয়া সকলক সংহত বৰ্তনী (Integrated Circuitry) যুক্ত ডাঙৰ ডাঙৰ মেচিনৰ ব্যৱহাৰ সম্পৰ্কে প্ৰশিক্ষণ দিয়ে।

মই হামানাৎছুলৈ তাকাহাশ্বি আৰু তেওঁৰ পত্নীক চাবলৈ গৈছিলোঁ। তেওঁৰ পত্নীয়ে তেওঁক সম্পূৰ্ণকৈ বুজি পায়। তেওঁ এগৰাকী মৰমিয়াল মহিলা। ত'মে'ৰ বিষয়ে তেওঁ ইমানকৈ শুনিছে যে প্ৰায় নিজেই তালৈ গৈছিল যেন লাগে বোলে। মোক তেওঁ নিশ্চিত কৰি ক'লে যে বাওনা হোৱাৰ কাৰণে তাকাহাশ্বিৰ কোনো মানসিক জটিলতা নাই। মই সম্পূৰ্ণ নিশ্চিত যে তেওঁ ঠিকেই কৈছে। তেনে মানসিক অস্বাভাৱিকতাই তেওঁ পঢ়া নামী হাইস্কুলখনত আৰু বিশ্ববিদ্যালয়ত তেওঁৰ জীৱন হাড়মাল কৰি তুলিলেহেঁতেন আৰু তেওঁক এনেকৈ কৰ্মী-প্ৰশাসন শাখাত কাম কৰিবলৈ সমৰ্থ কৰিব নোৱাৰিলেহেঁতেন।

ত'মে'ত তেওঁৰ প্ৰথম দিনটোৰ বৰ্ণনা কৰি তাকাহাশ্বিয়ে কৈছিল যে আন শাৰীৰিক প্ৰতিবন্ধীসকলক দেখা পাই তেওঁ তৎক্ষণাৎ স্বাচ্ছন্দ্য অনুভৱ কৰিব পাৰিছিল। সেই মুহূৰ্তৰপৰা তেওঁৰ মনত খু-দুৱনি নাছিল আৰু প্ৰতিটো দিন

ইমান আনন্দত কটাইছিল যে আনকি এদিনলৈকো কেতিয়াও স্কুললৈ নগৈ ঘৰত থাকিব খোজা নাছিল। তেওঁ মোক কৈছিল যে তেওঁ প্ৰথমতে পুখুৰীত নগ্ন হৈ সাঁতুৰিবলৈ বিব্ৰত বোধ কৰিছিল, কিন্তু এটা এটাকৈ পোছাক খোলাৰ সময়তে অকণ অকণকৈ ভয়, সংকোচ আৰু লজ্জাবোধ বিসৰ্জন দিছিল। আনকি ভাত খোৱাৰ সময়ত সকলোৰে আগত থিয় হৈ বক্তৃতা দিবলৈকো তেওঁ বেয়া নোপোৱা হ'ল। তেওঁ মোক ক'লে শ্ৰীক'বায়াশ্বিয়ে কেনেকৈ তেওঁক তেওঁতকৈ ওখ কাছপিঠীয়া-ঘোঁৰাৰ ওপৰেৰে জাঁপ মাৰিবলৈ উৎসাহিত কৰিছিল আৰু সকলো সময়তে তেওঁ 'পাৰিবই, পাৰিবই' বুলি কৈ আছিল, যদিও তেওঁ এতিয়া সন্দেহ কৰে যে শ্ৰীক'বায়াশ্বিয়ে বোধহয় সেইটো পাৰ হওঁতে তেওঁক সহায় কৰিছিল— অৱশ্যে শেষ মুহূৰ্ততহে, আৰু তেওঁক জানিবলৈ দিছিল যে তেওঁ নিজেই কামটো কৰিছে। শ্ৰীক'বায়াশ্বিয়ে তেওঁক আত্মবিশ্বাস দিছিল আৰু কামত কৃতকাৰ্য্য হোৱাৰ অবৰ্ণনীয় আনন্দক অনুভৱ কৰিবলৈ সমৰ্থ কৰিছিল। তেওঁ পিছফালে লুকাবলৈ চেষ্টা কৰিলে হে'ডমাষ্টৰে নিশ্চিতভাৱে তেওঁক আগলৈ মাতি আনিছিল, সেইকাৰণে তেওঁ ইচ্ছা কৰকেই বা নকৰকেই জীৱনৰ প্ৰতি এটা ইতিবাচক দৃষ্টিভংগী লালন কৰিবলৈ বাধ্য হৈছিল। সেই পুৰস্কাৰবোৰ লাভ কৰাৰ বাবে হোৱা উল্লাসৰ কথা তেওঁ এতিয়াও সোঁৱৰে। আগৰ দৰেই উজ্জ্বল চকুৰ সুবিবেচক তাকাহাশ্বিয়ে আনন্দেৰে ত'মে'ৰ স্মৃতি ৰোমন্থন কৰিলে।

ঘৰৰ ভাল পৰিবেশেও নিশ্চয় তাকাহাশ্বিক এনে এজন সুন্দৰ ব্যক্তি হৈ গঢ় লোৱাত অৰিহণা যোগাইছিল। তথাপি এই কথাত সন্দেহ নাই যে শ্ৰীক'বায়াশ্বিয়ে আমি আটাইৰে লগত বৰ দূৰদৰ্শিতাৰে ব্যৱহাৰ কৰিছিল। মোক, "তুমি সঁচা কৈয়ে এজনী বৰ ভাল ছোৱালী, জানিছা?" বুলি অনবৰতে গৈ থকাৰ দৰে তেখেতে তাকাহাশ্বিক উৎসাহ দি অনবৰতে কৈ থকা, "তুমি এইটো কাম পাৰিবাই" কথাষাৰ তেওঁৰ জীৱন গঢ় দিয়াৰ এটা নিশ্চিত উপকৰণ বুলি মই ভাবোঁ।

হামনাৎছু এৰি আহিবলৈ ওলাওঁতে তাকাহাশ্বিয়ে মোক পাহৰি যোৱা কথা এষাৰ সোঁৱৰাই দিলে। তেওঁ ক'লে যে ত'মে'লৈ অহাৰ বাটত তেওঁক সদায় আন স্কুলৰ ল'ৰা-ছোৱালীয়ে জোকাই হাৰাশাস্তি কৰিছিল আৰু তেওঁ বিষণ্ণবদনে স্কুল ওলাইছিলহি ; লগে লগে বোলে মই সুধিছিলোঁ কোন ল'ৰা-ছোৱালীয়ে এনে কৰিছে বুলি আৰু নিমিষতে গে'টৰ বাহিৰ পাইছিলোঁগৈ। কিছু সময়ৰ পিছতে মই দৌৰি উভতি আহি তেওঁক কৈছিলোঁ যে সকলো ঠিক হৈ গৈছে আৰু পুনৰ এনে ঘটনা নঘটে।

"তুমি মোক তেতিয়া কিমান যে আনন্দ দিছিলা," বিদায়ৰ সময়ত তেওঁ

ক'লে। মই পাহৰিছিলোঁৱেই। "ধন্যবাদ, তাকাহাশ্বি! মনত ৰখাৰ বাবে ধন্যবাদ।"

মিয়-চ্চান (মিয়-কানেক')

শ্ৰীক'বায়াশ্বিৰ তৃতীয়া কন্যা মিয়'-চ্চানে কুনিতাচ্চি সঙ্গীত মহাবিদ্যালয়ৰ শিক্ষাবিভাগৰপৰা স্নাতক উপাধি লৈ এতিয়া সেই কলেজৰ সংলগ্ন প্ৰাথমিক বিদ্যালয়ত সংগীতৰ শিক্ষকতা কৰে। দেউতাকৰ দৰে তেৰোঁ সৰু ল'ৰা-ছোৱালীক শিক্ষাদান কৰিবলৈ ভাল পায়। শ্ৰীক'বায়াশ্বিয়ে লক্ষ্য কৰিছিল যে মিয়'-চ্চানে তিনিবছৰ বয়সৰপৰাই সংগীতৰ তালত তাল মিলাই খোজ কাঢ়িছিল, ভৰিৰ সঞ্চালন কৰিছিল আৰু কথা ক'বলৈ শিকিছিল। ল'ৰা-ছোৱালীক শিক্ষাদান কৰাত ই তেওঁক ভালেখিনি সহায় কৰিছিল।

ছাক্ক' মাৎছুয়ামা (এতিয়া শ্ৰীমতী ছাইত')

মই ত'মে'ত জীৱন আৰম্ভ কৰা প্ৰথম দিনটোত দেখা হাত নথকা, পিঠিফলা, শহা পহুৰ ছবি এটা থকা চোলা পিন্ধা ডাঙৰ চকুৰে ছোৱালীজনীয়ে আজিকালি মিতা হাইস্কুল বুলি জনাজাত স্কুলখনত পঢ়িছিল। সেই দিনত সেই স্কুলখনত ছোৱালীয়ে সহজে নাম লগাবলৈ নাপাইছিল।

তাৰ পিছত তাই টকিঅ' খ্ৰিষ্টিয়ান মহিলা বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগত পঢ়িলে আৰু ৰাই. ডব্লিউ. চি. এ.ৰ ইংৰাজী শিক্ষিকা হ'ল। তেওঁ এতিয়াও তাতে আছে। ত'মে'ত গ্ৰীষ্মকালীন শিবিৰৰ অভিজ্ঞতা তেওঁ কামত খটুৱাইছে। জাপান আল্পছ্‌ৰ মাউণ্ট হোতাকা আৰোহণ কৰোঁতে লগ পোৱা মানুহ এজনক তেওঁ বিয়া কৰালে। তেওঁলোক লগালগি হোৱা শৃঙ্গটোৰ নামৰ স্মৃতিত তেওঁলোকে পুতেকৰ নাম য়াছুতাকা দিছে।

তাইজি য়ামানোউচ্চি

মোক বিয়া নকৰায় বুলি কোৱা তাই-চ্চান জাপানৰ প্ৰথম শাৰীৰ পদাৰ্থবিজ্ঞানীসকলৰ এজন হ'লগৈ। 'মগজ চালান'ৰ এটা উদাহৰণ হৈ তেওঁ এতিয়া আমেৰিকাত বাস কৰে। 'টকিঅ' ইউনিভাৰ্ছিটি অব এডুকেশ্যন'ৰ বিজ্ঞানবিভাগৰপৰা তেওঁ পদাৰ্থবিজ্ঞানৰ স্নাতক হয়। এম. এছ. ছি. ডিগ্ৰী লোৱাৰ পিছত ফুলব্ৰাইট বিনিময় বৃত্তি লাভ কৰি তেওঁ ৰছেষ্টাৰ বিশ্ববিদ্যালয়ত গৱেষণা কৰি পাঁচ বছৰৰ মূৰত ডক্টৰেট ডিগ্ৰী লাভ কৰে। তেওঁ তাতেই উচ্চ শক্তিৰ ফিজিক্‌ছৰ ওপৰত গৱেষণা কৰি থাকিল। বৰ্তমানে পৃথিৱীৰ ভিতৰতে আটাইতকৈ ডাঙৰ ইলিনয়ৰ 'ফাৰ্মি নেশ্যনেল এক্সেলেৰেটৰ গৱেষণাগাৰ'ত তেওঁ সহকাৰী সঞ্চালক। এইটো হ'ল গৱেষণাৰ কাৰণে আমেৰিকাৰ তেপন্নখন

বিশ্ববিদ্যালয়ৰ আটাইতকৈ বুদ্ধিমান ব্যক্তিৰে, ১৪৫ জন পদাৰ্থবিজ্ঞানী আৰু ১৪০০ জন প্ৰযুক্তি বিষয়ৰ কৰ্মীৰে গঠিত এটা বিশাল সংস্থা। গতিকে বুজিব পাৰিছেই চাগে' তাই-চ্চান কি ধৰণৰ প্ৰতিভাসম্পন্ন ব্যক্তি। ৫০,০০০ কোটি ইলেকট্ৰন ভল্টৰ উচ্চ শক্তিসম্পন্ন ৰশ্মি উৎপাদন কৰাত কৃতকাৰ্য্য হৈ এই গৱেষণাগাৰে পাঁচ বছৰৰ আগতেই বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছে।

বৰ্তমান কলম্বিয়া বিশ্ববিদ্যালয়ৰ এজন প্ৰফেছৰৰ সৈতে লগ লাগি তাই-চ্চানে আপছিল'ন (upsilon) নামৰ কিবা এটা আৱিষ্কাৰ কৰিছে। মই নিশ্চিত যে তাই-চ্চানে এদিন ন'বেল পুৰস্কাৰ পাবই।

তাই-চ্চানে ৰছেষ্টাৰ বিশ্ববিদ্যালয়ৰপৰা গণিতবিজ্ঞানত সম্মানসহ স্নাতক উপাধি পোৱা এজনী প্ৰতিভাসম্পন্না ছোৱালী বিয়া কৰাইছে। যি প্ৰাথমিক স্কুলতে নপঢ়ক কিয়, ইমানটো মগজেৰে তাই-চ্ছান বোধহয় বহুত দূৰলৈ যাব পাৰিলেহেঁতেনেই। কিন্তু মই ভাবোঁ যে ল'ৰা-ছোৱালীক যেনেকৈ মন যায় তেনেকৈ কোনো বিষয়ৰ ওপৰত কাম কৰিবলৈ এৰি দিয়া ত'মে'ৰ প্ৰণালীটোৱে বোধহয় তেওঁৰ প্ৰতিভা বিকশিত হোৱাত সহায় কৰিছিল। শ্ৰেণীত তেওঁ এল্‌কহ'ল বাৰ্ণাৰ, কুপী আৰু টেষ্টটিউব লৈ কিবা কৰি থকাৰ, আৰু দেখিলে ভয়ংকৰ টান যেন লগা বিজ্ঞানৰ আৰু পদাৰ্থবিদ্যাৰ কিতাপ পঢ়াৰ বাহিৰে আন একো কৰা দেখা মোৰ মনত নপৰে।

কুনিয় ওএ

ওএ নামৰ মোৰ বেণীত ধৰি টনা ল'ৰাটো বৰ্তমান সুদূৰ প্ৰাচ্যৰ অৰ্কিডৰ ওপৰত জাপানৰ আটাইতকৈ ডাঙৰ বিশেষজ্ঞ, যাৰ কন্দবোৰৰ দাম দহ হাজাৰ ডলাৰো হয়গৈ। তেওঁৰ ক্ষেত্ৰখন বৰ বিশেষীকৃত আৰু ওএৰ চাহিদা বৰ বেছি। তেওঁ অনবৰতে সমগ্ৰ জাপান ভ্ৰমণ কৰি থাকে। বহু অসুবিধাৰ মাজেৰেহে মই তেওঁক এই যাত্ৰাবোৰৰ মাজত টেলিফোনত লগ পাব পাৰিলোঁ আৰু তলত দিয়া ধৰণৰ সংক্ষিপ্ত কথা-বতৰাখিনি পাতিলোঁ ঃ

"ত'মে'ৰ পিছত তুমি কোন স্কুললৈ গৈছিলা?"

"ক'লৈকো নগলোঁ।"

"ক'লৈকো নগ'লা? ত'মে' তোমাৰ একমাত্ৰ স্কুল আছিল?"

"সেইটো ঠিকেই।"

"হে ভগৱান! তুমি কোনো হাইস্কুললৈকো যোৱা নাছিলা?"

"অ' এৰা, অয়িতা মাধ্যমিক স্কুলত কেইমাহমান পঢ়াৰ পিছত মোক কিয়ুছুলৈ অপসাৰণ কৰা হ'ল।"

"কিন্তু হাইস্কুলৰ শেষলৈকে পঢ়াটো জানো বাধ্যতামূলক নহয়?"

"সেইটো হয়, কিন্তু মই নকৰিলোঁ।"

"বাপ্‌ৰে! সি কিমান নিশ্চিন্ত মুকলিমুৰীয়া" মই ভাবিলোঁ। মহাযুদ্ধৰ আগতে ওএৰ দেউতাকৰ দক্ষিণ-পশ্চিম টকিও'ৰ ত'দ'ৰ'কি নামৰ ঠাইখনৰ ভালেখিনি অংশ জুৰি থকা এখন প্ৰকাণ্ড গছ-পুলিৰ বাৰী আছিল। কিন্তু বোমাত সকলো ধ্বংস হৈ গৈছিল। তেওঁ বিষয়টো সলনি কৰাৰ পিছত হোৱা আমাৰ কথা-বতৰাৰপৰাই তেওঁৰ আত্ম সন্তুষ্ট স্বভাৱ ফুটি ওলায় ঃ

"আটাইতকৈ সুগন্ধি ফুল কি জানানে ? মোৰ মনেৰে এইটো হ'ল চীনৰ বসন্তকালীন অৰ্কিড (Cymbidium Virescens) কোনো সুগন্ধিয়েই ইয়াৰ লগত ফেৰ মাৰিব নোৱাৰে।

"দাম বহুত বেছি নেকি?"

"কিছুমানৰ হয়, কিছুমানৰ নহয়।'

"দেখিবলৈ কেনেকুৱা?"

"ওহোঁ, অকণো দেখনিয়াৰ নহয়। বৰং অলপ মোলান পৰিহে থাকে। কিন্তু তাতেই সিহঁতৰ আকৰ্ষণ।"

ত'মে'ত থকাতকৈ তেওঁ অকণো সলনি হোৱা নাই। ওএৰ নিৰুদ্বেগ কণ্ঠ শুনি মই ভাবিলোঁ, "তেওঁ যে আনকি হাইস্কুলো পাছ কৰা নাই সেই সম্পৰ্কে তেওঁৰ অকণো দুশ্চিন্তা নাই। তেওঁ ঠিক নিজৰ কাম কৰি যায় আৰু প্ৰকৃততে নিজৰ ওপৰত বিশ্বাস ৰাখে।" মই মুগ্ধ নহৈ নোৱাৰিলোঁ।

কাজুঅ' আমাদেৰা

জীৱ-জন্তুক ভাল পোৱা আমাদেৰাই ডাঙৰ হৈ এজন পশু-চিকিৎসক হ'বলৈ আৰু এখন ফাৰ্ম খুলিবলৈ ইচ্ছা কৰিছিল। দুৰ্ভাগ্যবশতঃ তেওঁৰ দেউতাক হঠাৎ ঢুকাল আৰু তেওঁ জীৱনৰ ধাৰা কঠোৰভাৱে পৰিৱৰ্তিত কৰিব লগা হ'ল— নিহন বিশ্ববিদ্যালয়ৰ পশু-চিকিৎসা, ঔষধ আৰু পশু-পালনৰ শিক্ষানুষ্ঠান এৰি কেইঅ' হাস্পতালত চাকৰি কৰিব লগা হ'ল। বৰ্তমান তেওঁ 'ছেল্‌ফ ডিফেন্স ফ'ৰ্চ'ৰ কেন্দ্ৰীয় হাস্পতালত চিকিৎসালয়ৰ পৰীক্ষাসংক্ৰান্ত এটা দায়িত্বপূৰ্ণ পদবীত আছে।

আইক'ছাইশ্ব' (এতিয়া শ্ৰীমতী তানাকা)

আইক' ছাইশ্ব, যাৰ খুৰা-ককাক আছিল এড্‌মেৰিয়েল ত'গ', তেওঁ আওয়ামা গাকুএনৰ লগত সংলগ্ন প্ৰাথমিক বিদ্যালয়ৰপৰা ত'মে'লৈ আহিছিল। তেতিয়াৰ দিনত মই তেওঁক বৰ গহীন-গম্ভীৰ আৰু খাঁটি ভদ্ৰ তৰুণী বুলি ভাবিছিলোঁ। বোধহয় তেওঁক তেনেকুৱাই দেখা গৈছিল কাৰণ তেওঁ দেউতাকক

হেৰুৱাইছিল,—'থাৰ্ড গাৰ্ডছ্ ৰেজিমেণ্ট'ৰ এজন মেজৰ তেওঁৰ দেউতাক মাঞ্চুৰিয়াৰ ইতিহাসপ্ৰখ্যাত ঘটনাৰাজিৰ সময়ত নিহত হৈছিল।

কামাকুৰা ছোৱালী হাইস্কুলৰপৰা উত্তীৰ্ণ হোৱাৰ পিছত আইক'ই এজন স্থপতিক বিয়া কৰায়। এতিয়া তেওঁৰ দুয়োটা ল'ৰাই ডাঙৰ হৈছে আৰু ব্যৱসায় কৰিছে বাবে তেওঁৰ আজৰি সময়খিনি কবিতা লিখি কটায়।

"তাৰ মানে তুমি সেই সম্ৰাট মেইজিৰ ৰাজসভাৰ ৰাজকবি— তোমাৰ সেই বিখ্যাত আত্মীয়াৰ পৰম্পৰা ৰক্ষা কৰি আছা?"

"এঃ নহয় দেই," বিব্ৰত হাঁহি এটাৰে তেওঁ উত্তৰ দিছিল।"

"তুমি ত'মে'ত থকাৰ দৰে শান্ত হৈ আছা," মই ক'লোঁ, "আৰু একেই ভদ্ৰমহিলাসুলভ।"

তাৰ উত্তৰ হিচাপে তেওঁ ক'লে, "জানা মোৰ চেহেৰাও সেই বেংকিৰ অভিনয় কৰাৰ দৰে হৈ আছে!" তেওঁৰ কণ্ঠস্বৰ শুনি মই ভাবিলোঁ, 'তেওঁৰ ঘৰখন চাগে কেনে উমাল, সুখী ঘৰ!"

কেইক' আঅ'কি (এতিয়া শ্ৰীমতী কুৰাবাৰা)

যাৰ মুৰ্গী পোৱালীবোৰ উৰিব পৰা হৈছিল, সেই কেইক'-চ্চান এতিয়া কেইঅ' বিশ্ববিদ্যালয়ৰ প্ৰাথমিক স্কুলৰ শিক্ষক এজনৰ পত্নী। তেওঁৰ এজনী বিবাহিতা ছোৱালী আছে।

অয়িচ্চি মিগিতা

যিটো ল'ৰাই সদায় অন্ত্যেষ্টিক্ৰিয়াত খোৱা পিঠা আনিব বুলি প্ৰতিজ্ঞা কৰিয়েই আছিল, তেওঁ উদ্যান-বিদ্যাৰ ডিগ্ৰী লৈছিল। কিন্তু তেওঁ ছবি আঁকিবলৈ ভাল পাইছিল কাৰণে আকৌ কলেজলৈ উভতি গ'ল আৰু 'মুছাশ্বিন' কলেজ অৱ ফাইন আৰ্টছ'পৰা স্নাতক হ'ল। এতিয়া তেওঁ নিজৰে গ্ৰাফিক ডিজাইনৰ কোম্পানিটো চলায়।

ৰ্যিঅ'-চ্চান

চকীদাৰ ৰ্যিঅ'-চ্চান যে যুদ্ধলৈ গৈছিল, তেওঁ নিৰাপদে, সু-স্বাস্থ্যৰে উভতি আহিছিল। ত'মে'ৰ তিনি নবেম্বৰৰ পুনৰ্মিলনত যোগদান নকৰাকৈ তেওঁ কেতিয়াও নাথাকে।

Lasertypeset at Saraighat Phototypes, Guwahati-781021
and printed at The Central Electric Press, New Delhi-110028

"তুমি এতিয়া এইখন স্কুলৰ ছাত্ৰী" প্ৰধান শিক্ষকৰ মুখেৰে এইযাৰ কথা ওলোৱাৰ পিছত ত'ত্ত'-চ্চানে যেন পাছদিনা ৰাতিপুৱালৈ ৰৈ থাকিবই নোৱাৰিব। অকণমানি ত'ত্ত'-চ্চানজনীয়ে ত'মে স্কুলখন কিমান ভাল পাইছিল ই তাৰেই প্ৰমাণ। ত'মে স্কুলৰ পৰিবেশটো আৰু স্কুলৰ প্ৰধান শিক্ষকজনক ত'ত্ত'-চ্চান আৰু ত'ত্ত'-চ্চানৰ লগৰ অইন ল'ৰা-ছোৱালীবোৰে অসম্ভৱধৰণে ভাল পাইছিল। ধৰাবন্ধা পাঠ্যক্ৰম আৰু য়ুনিফৰ্মতকৈ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে জুতি লগাই ৰন্ধা খাদ্যতহে তেখেতে বেছি গুৰুত্ব দিছিল। স্কুলৰ ল'ৰা-ছোৱালীবোৰে গান গাবলৈ শিকিছিল, খেলাধূলা কৰিছিল , গ্ৰীষ্ম শিবিৰ পাতিছিল, গৰম পানীৰ উহ চাবলৈ গৈছিল, নাটক কৰিছিল, বনভোজ খাবলৈ গৈছিল আৰু ক'ত যে কি নকৰিছিল! সিহঁতৰ কিছুমানে ভালকৈ গান গাব পাৰিছিল, কিছুমান বা খেলাধূলাতে ভাল আছিল, আনকি সিহঁতৰ মাজত অকণমানি পদাৰ্থবিদ এজনো আছিল।

এই সকলোবোৰ সম্ভৱ হৈছিল মৰমীয়াল আৰু অসীম কল্পনা শক্তিসম্পন্ন প্ৰধান শিক্ষক ক'বায়াশ্বিৰ বাবে। তেওঁ ত'ত্ত'-চ্চানক প্ৰায়ে কৈছিল, "জানানে, তুমি সঁচাকৈয়ে এজনী ভাল ছোৱালী।" অইন ল'ৰা-ছোৱালীবোৰকো তেওঁ নিশ্চয় একেদৰে উৎসাহিত কৰিছিল। ল'ৰা-ছোৱালীবোৰৰ উদ্দীপনাময় জীৱনৰ গুৰিতে আছিল সিহঁতৰ প্ৰতি থকা তেওঁৰ মৰম আৰু ভালপোৱা। স্কুলৰ পৰিবেশটো আছিল সম্পূৰ্ণৰূপে ঘৰুৱা।

ডাঙৰ ত'ত্ত'-চ্চান তেৎছুকো কুৰ'য়ানাগি, তেওঁৰ শৈশৱকালৰ স্কুলৰ প্ৰশংসাত পঞ্চমুখ। শিক্ষক-শিক্ষয়িত্ৰী, অভিভাবক আৰু শিশুসকলৰ প্ৰতি ইউনিচেফৰ এই জাপানী শুভেচ্ছামূলক ৰাষ্ট্ৰদূত গৰাকীৰ ক'বলগীয়া বহুকথা আছে। আটাইতকৈ বেছি বিক্ৰী হোৱা এই জাপানী কিতাপখনৰ মূল বাণী হ'ল ঃ

শত পুষ্প বিকশিত হওক
সহস্ৰ চিন্তাৰ সংঘাট হওক

46.00 টকা

নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া